UG PS S3-01 (DSC/DSE)

ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা (প্রথম ভাগ)

(চি.বি.চি.এচ; এন. ই.পি ২০২০ অনুসৰি)

তৃতীয় ষাণ্মাসিক

ৰাজনীতি বিজ্ঞান



সূর্য কুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক ধ্রুব প্রতিম শর্মা, গুৱাহাটী বিশ্ববিদ্যালয
অধ্যাপক জ্যোতিৰাজ পাঠক, বড়োলেণ্ড বিশ্ববিদ্যালয়
ড° শান্তণু চক্রৱর্তী, (অৱসৰ প্রাপ্ত) কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষীঃ ড° অভিজিৎ ভূঞা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১	**মানসী শর্মা** আর্য্যবিদ্যাপীঠ মহাবিদ্যালয়, গুৱাহাটী	**ড°উদ্দীপন দত্ত** গুৱাহাটী বিশ্ববিদ্যালয় (অধ্যায় ১,৪,৫,১৩)
২	**ৰশ্মী ৰেখা শর্মা** প্রাক্তন অধিবক্তা, গুৱাহাটী উচ্চ ন্যায়ালয় আৰু **ড°জাহ্নবী দেৱী** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	**প্রভাত ভূঞা,** গুৱাহাটী (অধ্যায় ২,৩,৭,১২) **প্রভাত ভূঞা,** গুৱাহাটী আৰু **গীতাঞ্জলী মেধি,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৩,১০,১২	**ড° পংকজ কুমাৰ শর্মা** কুমাৰ ভাস্কৰ বর্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়	(অধ্যায় ৯,১০)
৪,৫	**ৰশ্মী ৰেখা শর্মা** প্রাক্তন অধিবক্তা, গুৱাহাটী উচ্চ ন্যায়ালয়	**চন্দন ঠাকুৰীয়া** হৰি গায়ত্রী দাস মহাবিদ্যালয়, গুৱাহাটী
৬,৮	**চন্দন ঠাকুৰীয়া** প্রবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ, হৰি গায়ত্রী দাস মহাবিদ্যালয়, গুৱাহাটী	(অধ্যায় ৬,৮,১১) **গীতাঞ্জলী মেধি,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৭,৯	**ড° নৱনীতা মেধি** প্রবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ, জে.বি. আইন মহাবিদ্যালয়, গুৱাহাটী	(অধ্যায় ১৪)
১০,১১	**খালেদা চুলতানা আহমেদ,** গুৱাহাটী	
১৩	**উর্মিমালা সেনগুপ্ত** প্রাক্তন গৱেষণা সহায়ক , অ'. কে. ডি. ইনষ্ট্রিটিউট অৱ চ'চিয়েল চাইন্স এণ্ড ডেভেলপমেণ্ট, গুৱাহাটী	
১৪	**ড°অভিজিৎ ভূঞা,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়	

মূল বিষয়বস্তু সম্পাদনা ঃ ড°শান্তনু চক্রৱর্তী (অৱসৰপ্রাপ্ত) কটন বিশ্ববিদ্যালয় (অধ্যায় ২,৩,৭,৯,১০,১২,১৪)
ড°উভ্রজিৎ কোঁৱৰ, গুৱাহাটী বিশ্ব বিদ্যালয় (অধ্যায় ১,৪,৫,৬ আৰু ৮)
অধ্যাপিকা সন্ধ্যা গোস্বামী (অৱসৰপ্রাপ্ত), গুৱাহাটী বিশ্ব বিদ্যালয় (অধ্যায় ১১ আৰু ১৩)
ভাষা ঃ ড°মৃণাল জ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (অধ্যায় ১,১৩)
সম্পাদক ঃ ড° ৰুণমণি বৰা ফুকন, চন্দ্রপুৰ মহাবিদ্যালয়, গুৱাহাটী, (অধ্যায় ২, ৩, ৭, ৯,১০১১)
মেঘণা চৌধুৰী, প্রাক্তন শৈক্ষিক পৰামর্শদাতা (অনুবাদ)
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (অধ্যায় ৪, ৫, ৬, ৮)
ড°জাহ্নবী দেৱী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক বিশ্ববিদ্যালয় (অধ্যায় ১২,১৪)
গাঁথনিক সম্পাদনা ঃ ড° অভিজিৎ ভূঞা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক বিশ্ববিদ্যালয়

চেপ্তেম্বৰ, ২০২৪

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): *http://creativecommons.org/licenses/by-nc-sa/4.0/*

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাওঁ, ৰাণী গেট, গুৱাহাটী-৭৮১০১৭ ; Web : www.kkhsou.ac.in
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী - ৭৮১০২২
এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাৰ পৰম্পৰা** ৭-২০
ঔপনিৱেশিক পৰম্পৰা ; ভাৰতৰ স্বাধীনতা আন্দোলনৰ পৰম্পৰাসমূহ

অধ্যায় ২ ঃ **ভাৰতীয় সংবিধানৰ ঐতিহাসিক পৃষ্ঠভূমি** ২১-৩৫
ভাৰতবৰ্ষৰ সংবিধানৰ ঐতিহাসিক পৃষ্ঠ ভূমি

অধ্যায় ৩ ঃ **ভাৰতৰ সংবিধান প্রনয়ন** ৩৬-৪৪
ভাৰতৰ সংবিধান প্রস্তুত প্রণালী ; সংবিধান সভা গঠন ;
খচৰা সমিতি ; ভাৰতৰ সংবিধানৰ সংগ্রহণ

অধ্যায় ৪ ঃ **ভাৰতীয় সংবিধানৰ দর্শন আৰু আদর্শ** ৪৫-৫৬
ভাৰতীয় সংবিধানৰ দর্শন আৰু আদর্শসমূহ ঃ প্রস্তাৱনা ; ভাৰতীয় সংবিধানৰ উৎসসমূহ

অধ্যায় ৫ ঃ **ভাৰতীয় সংবিধানৰ প্রধান বৈশিষ্ট্যসমূহ** ৫৭-৬৬
ভাৰতীয় সংবিধানৰ প্রধান বৈশিষ্ট্যসমূহ

অধ্যায় ৬ ঃ **মৌলিক অধিকাৰ** ৬৭-৮২
মৌলিক অধিকাৰ আৰু ইয়াৰ অর্থ ; মৌলিক অধিকাৰৰ বৈশিষ্ট্যসমূহ ;
মৌলিক অধিকাৰৰ প্রকাৰ ; মৌলিক অধিকাৰৰ ওপৰত থকা নিষেধাজ্ঞা

অধ্যায় ৭ ঃ **মৌলিক কর্তব্য** ৮৩-৯২
ভাৰতৰ মৌলিক কর্তব্যসমূহৰ ঐতিহাসিক পৃষ্ঠ ভূমি ;
ভাৰতৰ সংবিধানত উল্লেখ থকা মৌলিক কর্তব্যসমূহৰ ধৰণ ;
মৌলিক কর্তব্যসমূহৰ বৈশিষ্ট্য ; মৌলিক কর্তব্যসমূহৰ সীমাবদ্ধতা

অধ্যায় ৮ ঃ **ৰাষ্ট্র পৰিচালনাৰ নির্দ্দেশাত্মক নীতি** ৯৩-১০৪
ৰাষ্ট্র পৰিচালনা নির্দেশাত্মক নীতি আৰু ইয়াৰ অথ ; ৰাষ্ট্র পৰিচালনা নির্দেশাত্মক নীতি সমূহৰ বৈশিষ্ট্য ; ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতিসমূহৰ শ্রেণীবিভাগ ; ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতিসমূহৰ ৰূপায়ণ ; ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতিসমূহৰ সাংবিধানিক গুৰুত্ব- নির্দেশাত্মক নীতি আৰু মৌলিক অধিকাৰৰ মাজৰ প্রভেদ

অধ্যায় ৯ ঃ **মৌলিক অধিকাৰ আৰু ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতিসমূহৰ মাজৰ সম্পর্ক** ১০৫-১১৬
ভাৰতীয় সংবিধানত থকা মৌলিক অধিকাৰসমূহ ;
ভাৰতীয় সংবিধানত থকা ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতিসমূহ ;
মৌলিক অধিকাৰ আৰু ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতিসমূহৰ মাজৰ সম্পর্ক

অধ্যায় ১০ ঃ নাগৰিকত্ব ১২৫-১৩৪

নাগৰিকত্বৰ অর্থ ; ভাৰতীয় পটভূমিত নাগৰিকত্বৰ সাংবিধানিক আৰু ন্যায়িক সুবিধাসমূহ ;
ভাৰতত নাগৰিকত্ব লাভৰ উপায় ; ভাৰতত নাগৰিকত্ব হেৰুৱাবলগীয়া হোৱাৰ কাৰণ

অধ্যায় ১১ ঃ ভাৰতীয় সংবিধানৰ সংশোধন পদ্ধতি ১৩৫-১৪৩

ভাৰতীয় সংবিধানৰ সংশোধন প্ৰক্ৰিয়া ঃ ভাৰতীয় সংবিধানৰ সংশোধনৰ পদ্ধতিসমূহ ,
ভাৰতীয় সংবিধান সংশোধন প্ৰক্ৰিয়াৰ সমালোচনা ;
আমেৰিকাৰ সংবিধান সংশোধনী পদ্ধতিৰ লগত এক তুলনামূলক অধ্যয়ন

অধ্যায় ১২ ঃ ভাৰতীয় সংবিধানৰ মূল গাঁথনি ১৪৪-১৫৩

ভাৰতৰ সংবিধানৰ মূল গাঁথনিৰ সংশোধনী সমস্যা ; মূল গাঁথনি ধাৰণাৰ সমালোচনা ;
ভাৰতৰ সংবিধানৰ কেইটামান গুৰুত্বপূৰ্ণ সংশোধনীৰ ওপৰত দৃষ্টিপাত

অধ্যায় ১৩ ঃ ভাৰতৰ দলীয় ব্যৱস্থা ১৫৪-১৬৪

ভাৰতৰ ৰাজনৈতিক দলৰ প্ৰকাৰ সমূহ, ভাৰতীয় দলীয় ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ

অধ্যায় ১৪ ঃ ভাৰতত সংসদীয় গণতন্ত্ৰ ১৬৫-১৮২

ভাৰতত সংসদীয় চৰকাৰৰ পৃষ্ঠভূমি ; ভাৰতত সংসদীয় গণতন্ত্ৰৰ সাংবিধানিক
আধাৰ আৰু নিৰ্বাচনী ইতিহাস ; ভাৰতত সংসদীয় গণতন্ত্ৰৰ সক্ৰিয় কাৰ্যকলাপঃ
প্ৰত্যাহ্বান আৰু ভৱিষ্যত

পাঠ্যবিষয় পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ৰাজনীতি বিজ্ঞান বিষয়ৰ তৃতীয় ষান্মাসিকৰ পাঠ্যবিষয়টোৰ শিৰোনাম হ'ল ' ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা (প্ৰথম ভাগ)'। এই পাঠ্যবিষয়টো এনেভাৱে প্ৰস্তুত কৰা হৈছে যাতে শিক্ষাৰ্থীসকলে ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাটোৰ আদৰ্শগত ভেঁটি আৰু ইয়াৰ কাৰ্যপ্ৰণালীৰ বিষয়ে ধাৰণা লাভ কৰিব পাৰে । ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাটো এখন লিখিত সংবিধানৰ ওপৰত আধাৰিত । এই সংবিধানেই হৈছে ভাৰতৰ ন্যায় ব্যৱস্থাটোৰ মৌলিক ভিত্তি । কোনো এক নিৰ্দিষ্ট ঐতিহাসিক পৃষ্ঠভূমিত একোটা ৰাজনৈতিক ব্যৱস্থাৰ উত্থান ঘটে। এটা ৰাজনৈতিক ব্যৱস্থাই অতীতৰ পৰা উত্তৰাধিকাৰী সূত্ৰে কিছুমান পুৰণা ৰীতি-নীতি, অভ্যাস, বিশ্বাসৰ আৰ্হি, আইন-কানুন আদি লাভ কৰে যিৰোৰে দীৰ্ঘদিন ধৰি ৰাজনৈতিক ব্যৱস্থাটোৰ ওপৰত স্থায়ী প্ৰভাৱ বিস্তাৰ কৰে। এই ক্ৰমানুসাৰে 'ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা (প্ৰথম ভাগ)' পাঠ্যবিষয়টো ঔপনিৱেশিক পৰম্পৰা আৰু স্বাধীনতা আন্দোলনৰ পৰম্পৰাৰ আলোচনাৰে আৰম্ভ হৈছে । পাঠ্যবিষয়টোত ভাৰতীয় সংবিধানৰ উপাদানসমূহ আৰু দৰ্শনৰ কথা আলোচিত হৈছে । ইয়াৰ পিছত ভাৰতীয় সংবিধানৰ ঐতিহাসিক পৃষ্ঠভূমি আৰু বৈশিষ্ট্যসমূহৰ ওপৰত আলোকপাত কৰা হৈছে। গণতন্ত্ৰ হিচাপে ভাৰতে ইয়াৰ নাগৰিকসকলক কিছুমান বিশেষ মৌলিক অধিকাৰ প্ৰদান কৰিছে । ৰাষ্ট্ৰকল্যানৰ দিশটোৰ প্ৰতি দৃষ্টি ৰাখি ভাৰত ৰাষ্ট্ৰই ইয়াৰ নাগৰিকসকলৰ পৰা দায়িত্বপূৰ্ণ সহযোগিতা বাঞ্ছা কৰে । গতিকে পাঠ্যবিষয়টোত ভাৰতীয় নাগৰিকৰ মৌলিক অধিকাৰ আৰু কৰ্তব্যসমূহ আলোচনা কৰা হৈছে । এখন কল্যাণকামী ৰাষ্ট্ৰৰূপে ভাৰতীয় সংবিধানত ৰাষ্ট্ৰৰ পক্ষে কিছুমান নিৰ্দেশাৱলী অন্তৰ্ভুক্ত কৰা হৈছে যাক ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতি বোলা হয়। এই নিৰ্দেশাত্মক নীতিসমূহৰ প্ৰধান লক্ষ্য হ'ল সামাজিক আৰু অৰ্থনৈতিক কল্যাণ সাধন কৰা । ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিসমূহ পাঠ্যবিষয়টোত আলোচনা কৰা হৈছে।

এখন গণতান্ত্ৰিক দেশৰ সংবিধানে সময়ে সময়ে হোৱা পৰিৱৰ্তনসমূহ আৰু নাগৰিকসকলৰ আশা-আকাংক্ষাৰ লগত সংগতি ৰক্ষা কৰি ইয়াৰ নীতি-নিৰ্দেশনাসমূহ সলনি কৰিবলগীয়া হয় । সেই অনুসৰি ভাৰতৰ সংবিধানখনো সময়ে সময়ে সংশোধন কৰিব পাৰি । পাঠ্যবিষয়টোত ভাৰতীয় সংবিধানখনৰ সংশোধন প্ৰক্ৰিয়াৰ ওপৰতো আলোকপাত কৰা হৈছে।

ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাটো ইয়াৰ বৈশিষ্ট্যপূৰ্ণ বহুদলীয় ব্যৱস্থা আৰু বিভিন্ন স্তৰত বিভিন্ন ৰাজনৈতিক দলৰ কাৰ্যকলাপৰ বাবে জনাজাত । এখন গণতন্ত্ৰ হিচাপে ভাৰতত বিভিন্ন স্তৰত চৰকাৰ গঠনৰ বাবে অনুষ্ঠিত হোৱা নিৰ্বাচনসমূহ ভাৰতীয় গণতন্ত্ৰৰ এটা তাৎপৰ্যপূৰ্ণ বৈশিষ্ট্য । নিৰ্বাচনৰ সময়তে ৰাজনৈতিক দলসমূহৰ ভূমিকা অধিক প্ৰকট হয় । এই প্ৰসঙ্গতে পাঠ্যবিষয়টোৰে কেতবোৰ বিশেষ ৰাজনৈতিক পেক্ষাপটত প্ৰত্যক্ষ কৰিবলৈ পোৱা বিভিন্ন ৰাজনৈতিক দলৰ আলোচনা আগবঢ়াইছে । প্ৰত্যাহ্বান আৰু সম্ভাৱনাৰ উল্লেখেৰে ভাৰতত সংসদীয় গণতন্ত্ৰৰ আলোচনাৰে এই পাঠ্যবিষয়টোৰ সামৰণি মৰা হৈছে।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিবিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক' সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে।

অধ্যায়১ঃ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাৰ পৰম্পৰা

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ ঔপনিৱেশিক পৰম্পৰা (Legacies)

১.৪ ভাৰতৰ স্বাধীনতা আন্দোলনৰ পৰম্পৰাসমূহ

১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৬ অধিক জানিবলৈ

১.৭ অগ্রগতিৰ খতিয়ান

১.৮ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পৰম্পৰা বা 'লিগেচি'ৰ অর্থ নিৰূপণ কৰিব পাৰিব
- ঔপনিৱেশিক পৰম্পৰাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- স্বাধীনতা আন্দোলনৰ পৰম্পৰাসমূহ সম্পর্কে ব্যাখ্যা আগবঢ়াব পাৰিব।

১.২ পৰিচয়

এটা ৰাজনৈতিক ব্যৱস্থাই অতীতৰ পৰা উত্তৰাধিকাৰী সূত্রে লাভ কৰা আৰু দীর্ঘদিন ধৰি ৰাজনৈতিক ব্যৱস্থাটোৰ ওপৰত স্থায়ী প্রভাৱ বিস্তাৰ কৰা পুৰণা ৰীতি-নীতি, অভ্যাস, বিশ্বাসৰ আৰ্হি, আইন-কানুন আদিকে পৰম্পৰা বা 'লিগেচি' বুলি কোৱা হয়। এই অধ্যায়টিত আমি কেইটামান গুৰুত্বপূর্ণ ঔপনিবেশিক পৰম্পৰা তথা স্বাধীনতা আন্দোলনৰ লিগেচিসমূহৰ বিষয়ে আলোচনা কৰিম।

আমি জানো যে প্রায় ২০০ বছৰ ধৰি ভাৰতবর্ষ বৃটিছৰ শাসনাধীষ্ঠ আছিল। ১৬০০ চনত ইংলেণ্ডত ইষ্ট ইণ্ডিয়া কোম্পানী গঠিত হয়। আৰম্ভণিতে সজ উদ্দেশ্যেৰেই ই ভাৰতলৈ আহিছিল। অৱশ্যে ১৮ শতাব্দীৰ শেষৰফালে মোগল সাম্রাজ্যৰ ধ্বংস, তাৰ ফলশ্রুতিত এটা কেন্দ্রিভূত শাসন ব্যৱস্থাৰ ভাঙোন, আত্মকলহত জর্জৰিত স্থানীয় শাসকবর্গৰ উত্থান আদি ঘটনাৰ সুযোগ লৈ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে লাহে লাহে নিজকে বাণিজ্যিক প্রতিষ্ঠানৰ পোছাক দলীয়াই সাম্রাজ্যবাদী শক্তিৰ পোছাক পৰিধান কৰিলে। ১৭৫৭ চনত পলাশীৰ যুদ্ধত কোম্পানীৰ সৈন্যই

বংগৰ নবাব চিৰাজ-উদ-দ্দৌলাক পৰাভূত কৰি ভাৰতত বৃটিছ সাম্ৰাজ্যৰ ভেঁটি প্ৰতিষ্ঠা কৰে। ১৮৫৭ চনৰ বিপ্লৱৰ পাছত ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতৰ পৰা ভাৰত শাসনৰ ক্ষমতা প্ৰত্যক্ষভাৱে বৃটিছ চৰকাৰৰ অধীনলৈ যায়। ফলত ভাৰতবৰ্ষ বৃটিছ সাম্ৰাজ্যৰ সবাতোকৈ সম্পদশীল উপনিবেশলৈ ৰূপান্তৰিত হ'ল। ভাৰতবৰ্ষত বৃটিছ শাসনৰ প্ৰভাৱ সুদূৰ-প্ৰসাৰী। এই অধ্যায়টিত আমি ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাই বৃটিছ ঔপনিবেশিক শাসনৰ পৰা উত্তৰাধিকাৰ সূত্ৰে লাভ কৰা কেইটামান উল্লেখযোগ্য লিগেচিৰ সম্পৰ্কে আলোচনা কৰিম।

একে সময়তে মহাত্মা গান্ধীৰ নেতৃত্বত সংঘটিত ভাৰতীয় স্বাধীনতা আন্দোলনৰ প্ৰভাৱো গভীৰভাৱে ভাৰতীয় সমাজ আৰু শাসন ব্যৱস্থাৰ ওপৰত পৰিছিল। এই অধ্যায়টিত আমি ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাই মহত্বপূৰ্ণ স্বাধীনতা সংগ্ৰামৰ পৰা উত্তৰাধিকাৰ সূত্ৰে লাভ কৰা পৰম্পৰাসমূহ আলোচনা কৰিম।

১.৩ ঔপনিৱেশিক পৰম্পৰাসমূহ

বৃটিছসকলে প্ৰায় ২০০ বছৰ ভাৰতবৰ্ষ শাসন কৰিছিল। এই সুদীৰ্ঘ সময়ছোৱাত দেশখনৰ শাসন ব্যৱস্থা মসৃণ ৰূপে গঢ়ি তুলিবলৈ কেবাখন আইন প্ৰণয়ণ কৰা হৈছিল। স্বাধীনতা আন্দোলনৰ ব্যাপকতাই ভাৰতীয় জনসাধাৰণৰ মনত এটা মছিব নোৱাৰা সাঁচ বহুৱাই থৈ গৈছে। সুদীৰ্ঘ আন্দোলনৰ পিছত ১৯৪৭ চনত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰে। কিন্তু স্বাধীনতা লাভতেই আন্দোলনৰ অৱসান ঘটিল বুলি ক'ব নোৱাৰো। প্ৰকৃতাৰ্থত বৃটিছৰ বান্ধোনৰ পৰা শিকলি ছিণ্ডি নতুনকৈ মুক্তি লাভ কৰা দেশখনত আন্দোলনৰ এটা নতুন ধাৰাৰ সূত্ৰপাত হ'ল। উত্তৰণ পথ সহজ সাধ্য কৰি তুলিবৰ বাবে নতুন দেশখনৰ স্থপতিসকলে বৃটিছ শাসনৰ বেছি ভাগ ৰাজনৈতিক শাসন-সংক্ৰান্তীয় ব্যৱস্থাকে চলাই যাবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। বৃটিছসকলে এৰি থৈ যোৱা আৰু ভাৰতীয়সকলে অনুসৰণ কৰা ব্যৱস্থাটোকে ঔপনিৱেশিক পৰম্পৰা বুলি কোৱা হয়।

- **কেন্দ্ৰীয় কৰ্তৃত্ব স্থাপন আৰু এটা ঐক্যবদ্ধ শাসন ব্যৱস্থা গঠন**

বৃটিছসকলেই প্ৰথমবাৰৰ বাবে সমগ্ৰ উপ মহাদেশখন এক ৰাজতন্ত্ৰৰ অধীনলৈ আনে। বৃটিছ শাসনৰ তলতে এটা ঐক্যবদ্ধ শাসন ব্যৱস্থা সম্ভৱ হৈ উঠিল। মোগল শাসন ব্যৱস্থাৰ ভিত্তিতে একেবাৰে দূৰবৰ্তী অঞ্চলসমূহো সামৰি ল'ব পৰা এটা এক ৰূপীয় শাসন ব্যৱস্থা বৃটিছসকলে প্ৰতিষ্ঠা কৰিলে; সৃষ্টি হ'ল এটা একক শাসন ব্যৱস্থা। এই শাসন ব্যৱস্থা এক স্তৰবদ্ধ শাসন ব্যৱস্থা। ইয়াৰ একেবাৰে শীৰ্ষত কেন্দ্ৰীয় চৰকাৰ অৱস্থান কৰে। প্ৰদেশ আৰু জিলা সমূহ ইয়াৰ অধীনত পৰিচালিত হয়। এখন জিলা প্ৰশাসনৰ কেন্দ্ৰবিন্দ হিচাপে প্ৰতিষ্ঠিত হয় আৰু কেন্দ্ৰীয় কৰ্তৃপক্ষৰ আৰু কেন্দ্ৰীয় কৰ্তৃপক্ষৰ প্ৰতিনিধি হিচাপে জিলা উপায়ুক্ত আইন-শৃংখলা ৰক্ষা, ৰাজহ সংগ্ৰহ আৰু আইন প্ৰয়োগৰ দায়িত্ব গ্ৰহণ কৰে।

- **বৃটিছ শাসনৰ তিনি স্তম্ভ**

ভাৰতবৰ্ষত বৃটিছ শাসনৰ মেৰুদণ্ড হ'ল আমোলাতন্ত্ৰ, পুলিচ আৰু সামৰিক বাহিনী। বৃটিছ শাসনৰ এক উল্লেখযোগ্য বৰঙণি হ'ল আইন-শৃংখলাৰ ব্যৱস্থা। বৃটিছৰ দিনৰ ভাৰতীয়

অসামৰিক সেৱা (Indian Civil Service)ৰ উত্তৰাধিকাৰী হ'ল ভাৰতীয় লোকসেৱা (Indian Administrative Service) ভাৰতীয় লোকসেৱা। ই আজিও শাসনৰ ক্ষেত্ৰত বা অত্যন্ত গুৰুত্বপূৰ্ণ নিকায়'ৰূপে প্ৰতিষ্ঠিত - কাৰণ ইয়াৰ ওপৰতে দেশৰ প্ৰগতি আৰু সুস্থিৰতা নিৰ্ভৰশীল।

- **ইংৰাজীৰ মাধ্যমত পশ্চিমীয়া শিক্ষা**

ইংৰাজসকলে ভাৰতত আজিও কাৰ্যকৰী হৈ থকা এক সামগ্ৰীক পৰিবৰ্তনৰ সূচনা কৰে। সেয়া হ'ল ইংৰাজী মাধ্যমেৰে পশ্চিমীয়া শিক্ষা। পশ্চিমীয়া শিক্ষাৰ ফলত ভাৰতীয়সকলে স্বাধীনতা, সমতা, ন্যায়, গণতন্ত্ৰ আদি আধুনিক ধাৰণাসমূহৰ সম্যক জ্ঞান লাভ কৰিলে। ইয়াৰ ফলত ভাৰতীয় সমাজ গঢ়াৰ ভংগী আৰু আচৰণৰ ব্যাপক পৰিবৰ্তন ঘটিল। তদুপৰি এখন আধুনিক ভাৰতীয় সমাজ গঢ়াৰ পথ প্ৰশস্ত কৰি তুলিলে।

- **মধ্যবিত্ত শ্ৰেণীৰ সৃষ্টি**

ইংৰাজী মাধ্যমৰ শিক্ষা ব্যৱস্থাৰ যোগেদি পশ্চিমীয়া শিক্ষাৰ সূচনাই ভাৰতবৰ্ষত ইংৰাজী ভাষাৰে শিক্ষিত, স্বাধীনতা, গণতন্ত্ৰ আৰু সমাজবাদৰ আদৰ্শৰে অনুপ্ৰাণিত এটা নতুন শ্ৰেণীৰ সৃষ্টি কৰে। এই শ্ৰেণীটোৰ কিছুমান লোক Indian Civil Service (ভাৰতীয় অসামৰিক সেৱা) ৰ সদস্য হ'ল, কিছুমান সমাজ সংস্কাৰক হৈ পৰিল, কিছুমান আকৌ আইন, সংবাদ মাধ্যম আদিৰ লগত জড়িত হ'ল আৰু কিছুমানে চিকিৎসা, হিচাপ-নিকাচ আদি ব্যৱসায়ত সোমাই পৰিল। এইটোৱেই হ'ল ভাৰতবৰ্ষৰ নতুন মধ্যবিত্ত শ্ৰেণী। এই শ্ৰেণীটোৰ সহায়েৰে বৃটিছসকলে ভাৰতবৰ্ষ শাসন কৰিছিল। একে সময়তে এই শ্ৰেণীটোৰ মাজৰ পৰাই বৃটিছ শাসনক প্ৰত্যাহ্বান জনোৱা ৰাজনৈতিক নেতাসকলৰো উদ্ভৱ হ'ল। ভাৰতবৰ্ষৰ ভৱিষ্যত বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি এই শ্ৰেণীটোৱেই অৱশেষত বৃটিছৰ হাতৰ পৰা ক্ষমতা নিজ হাতলৈ আনে।

- **ইংৰাজী ভাষাৰ ব্যৱহাৰ**

বৃটিছ শাসনৰ কালছোৱাত গোটেই দেশখনৰ বাবে ইংৰাজীয়ে আছিল চৰকাৰী ভাষা। আনকি এতিয়াও ইংৰাজী অন্যতম চৰকাৰী ভাষা হৈ আছে। ইংৰাজীয়ে আজিও লিংগুৱা ফ্ৰাংকা (সংযোগী ভাষা) ৰ ভূমিকা পালন কৰে আৰু ভাৰতবৰ্ষত এতিয়াও ইংৰাজী হ'ল উচ্চ শিক্ষাৰ মাধ্যম। ভাৰতবৰ্ষৰ সংবিধান আৰু আইনসমূহো ইংৰাজীতে লিখা। এইদৰেই ইংৰাজী ভাষাৰ 'লিগেচি' এতিয়াও প্ৰচলিত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ যিকোনো দুটা ঔপনিৱেশিক পৰম্পৰাৰ বিষয়ে আলোচনা কৰক। (৬০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্ৰশ্ন নং ২ঃ মধ্যবিত্ত শ্ৰেণীৰ সৃষ্টি এক ঔপনিবেশিক পৰম্পৰা হিচাপে আলোচনা কৰক। (৬০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্ৰশ্ন নং ৩ঃ বৃটিছ শাসনৰ তিনি স্তম্ভ কি কি আছিল?

.....

.....

প্ৰশ্ন নং ৪ঃ বৃটিছ সকলে এটা ....শাসন ব্যৱস্থা গঠন কৰে। (খালী ঠাই পূৰ কৰক)

১.৪ ভাৰতৰ স্বাধীনতা আন্দোলনৰ পৰম্পৰাসমূহ

মহাত্মা গান্ধীৰ নেতৃত্বত পৰিচালিত ভাৰতীয় স্বাধীনতা আন্দোলনে ভাৰতীয় সমাজ ব্যৱস্থা আৰু শাসন প্ৰণালীত গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰিছিল। এই আন্দোলনৰ সময়ত পোষণ কৰা আদৰ্শসমূহে ভাৰতবৰ্ষৰ ৰাজনৈতিক ব্যৱস্থাৰ পৰৱৰ্তী ঘটনাসমূহৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছিল। ভাৰতবৰ্ষৰ বীৰত্বপূৰ্ণ স্বাধীনতা আন্দোলনৰ পৰা ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাই গ্ৰহণ কৰা কেইটামান গুৰুত্বপূৰ্ণ লিগেচি তলত উল্লেখ কৰা হ'ল -

- **ভাৰতীয় জাতীয় কংগ্ৰেছৰ গঠনঃ**

এলেন অকটাভিয়ান হিউম্ (Alan Octavian Hume) ৰ উদ্যোগত ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ গঠন কৰা হয়। তেওঁলোকৰ অভাৱ অভিযোগসমূহ সদৰী কৰিবৰ বাবে এই অনুষ্ঠানে ভাৰতীয়সকলক এখন মঞ্চৰ যোগান ধৰে। এই অনুষ্ঠানটোৱেই শেষত ভাৰতীয় জাতীয় সংগ্ৰাম আৰু জাতীয় আন্দোলনৰ নেতৃত্ব বহন কৰে। এই অনুষ্ঠানেই ভাৰতীয়সকলক জাতীয় প্ৰেমেৰে উদ্বুদ্ধ কৰি তোলে। এই জাতীয় আন্দোলন দুটা পৰ্যায়ত সংঘটিত হয়। এটা পৰ্যায়ত নেতৃত্ব প্ৰদান কৰে উদাৰ নৈতিক নেতাসকলে আৰু আনটো পৰ্যায়ৰ নেতৃত্ব বহন কৰে উগ্ৰবাদীসকলে। জাতীয় প্ৰেক্ষাপটত মহাত্মা গান্ধীৰ আৰ্ৱিভাৱৰ লগে লগে আন্দোলনে এটা নতুন গতি লাভ কৰে। গান্ধীয়ে হিংসা পৰিহাৰ কৰে আৰু অহিংসা আৰু অসহযোগৰ এক নতুন বাণী প্ৰচাৰ কৰে।

বৃটিছ শাসন ওফৰাই পেলাবলৈ গান্ধীয়ে বিভিন্ন কৌশল অৱলম্বন কৰে। ভাৰতৰ এই স্বাধীনতাৰ সংগ্ৰামত সুদীৰ্ঘ দিন চলিছিল। এই আন্দোলন এটা বিশেষ সম্প্ৰদায় বা জাতিৰ মাজতে আবদ্ধ নাছিল। ই এটা গণ আন্দোলনলৈ ৰূপান্তৰিত হৈছিল আৰু এই আন্দোলনৰ ফলশ্ৰুতি হিচাপে ১৯৪৭ ভাৰতবৰ্ষই বিদেশী শাসনৰ কৰাল গ্ৰাসৰ পৰা মুক্তি লাভ কৰে। এই আন্দোলনৰ সময়ছোৱাত বৃটিছ চৰকাৰে দেশত মসৃণ শাসন প্ৰৱৰ্তনৰ উদ্দেশ্যে ১৭৭৩ চনৰ



এলেন অকটাভিয়ান হিউম্
(৬ জুন ১৮২৯— ৩১ জুলাই, ১৯১২) ঃ তেওঁ বৃটিছ শাসন কালৰ এজন প্ৰশাসনীয় বিষয়া আৰু ৰাজনৈতিক সংস্কাৰৰ পৃষ্ঠপোষক আছিল।

ৰেগুলেটিং এক্ট (Regulating Act)কে মুখ্য কৰি বিভিন্ন আইন প্ৰণয়ন কৰে। এই বিভিন্ন আইন আৰু স্বাধীনতা আন্দোলনৰ উচ্চ আদৰ্শসমূহে ভাৰতীয় নেতৃবৃন্দক অতি গভীৰভাৱে অনুপ্ৰাণিত কৰিছিল। সেয়েহে স্বাধীনতাৰ পাছতো দেশত মসৃণ শাসন প্ৰবৰ্তন কৰাৰ স্বাৰ্থত নেতৃবৃন্দই সেই আদৰ্শসমূহ খামুচি ধৰি থাকে। সেই আদৰ্শসমূহেই সময়ত স্বাধীনতা সংগ্ৰামৰ লিগেচি ৰূপে পৰিগণিত হয়।

- **লিখিত সংবিধান ঃ**

১৯৩৪ চনতে এখন সাংবিধানিক সভাৰ দাবী উত্থাপিত হৈছিল। ১৯৩৬ চনত ভাৰতীয় জাতীয় কংগ্ৰেছে ফেইজপুৰ অধিৱেশনত এই দাবী উত্থাপন কৰে। ১৯৩৯ চনত কংগ্ৰেছ চৰকাৰে ইস্তফা দিয়াৰ পাছত কংগ্ৰেছৰ ওৱার্কিং কমিটীয়ে আকৌ এবাৰ এখন সংবিধান ৰচনা কৰাৰ প্ৰয়োজনীয়তাত এখন সাংবিধানিক সভাৰ দাবী উত্থাপন কৰে। ১৯৪২ চনৰ মার্চ মাহত দীৰ্ঘদিনীয়া এই দাবীয়ে সার্থকতা লাভ কৰে। কাৰণ চাৰ ষ্টেফড ক্ৰীপচে বৃটিছ চৰকাৰৰহে কংগ্ৰেছ নেতৃবৃন্দক দ্বিতীয় মহাযুদ্ধৰ অন্তত ভাৰতবৰ্ষত এখন সাংবিধানিক সভা গঠন কৰাৰ আশ্বাস প্ৰদান কৰে। কেবিনেট মিশ্যন প্লেন (Cabinet Mission Plan) ব্যৱস্থাৰ ভিত্তিত সাংবিধানিক সভা গঠন কৰা হয়। স্বাধীন ভাৰতবৰ্ষৰ বাবে এখন ঐতিহাসিক আৰু অত্যন্ত শ্ৰম সাধ্য সংবিধানৰ খচৰা প্ৰস্তুত কৰি উলিয়াবৰ বাবে ১৯৪৬ চনৰ ডিচেম্বৰৰ মাহৰ ৯ তাৰিখে সাংবিধানিক সভাখন অনুষ্ঠিত কৰা হয়। প্ৰস্তুতকাৰীসকলক সংবিধান খচৰা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণ স্বাধীনতা প্ৰদান কৰা হৈছিল। ভাৰতবৰ্ষ স্বাধীনতা আন্দোলন সফল কৰি তোলাত সহায় কৰা সকলোবোৰ নীতি আৰু আদৰ্শ, দেশৰ সামাজিক, ৰাজনৈতিক আৰু অর্থনৈতিক অৱস্থা আগত ৰাখি সংবিধানখন প্ৰস্তুত কৰি তোলা হয়। প্ৰকৃততে ক'বলৈ গ'লে ভাৰতবৰ্ষৰ সংবিধানখনৰ আদৰ্শসমূহ স্বাধীনতা আন্দোনৰেই ফলশ্ৰুতি।

- **দীৰ্ঘতম লিখিত সংবিধান ঃ**

স্বাধীনতাৰ আগৰ সময়ছোৱাত ভাৰতবৰ্ষই মুখামুখি হোৱা আর্থ-সামাজিক, ৰাজনৈতিক সমস্যাসমূহৰ সম্পর্কে সচেতন হোৱাৰ বাবে ভাৰতীয় সংবিধানৰ প্ৰণেতাসকলে কোনো কথাই অস্পষ্ট কৰি ৰাখিব খোজা নাছিল। নতুনকৈ স্বাধীনতা লাভ কৰা দেশখনে উত্তৰণ সময়ছোৱাত মুখা মুখি হ'ব পৰা সাম্ভাব্য সমস্যাসমূহৰ সম্পর্কেও তেওঁলোক সর্তক আছিল। সেয়েহে, উদ্ভৱ হ'ব পৰা সমস্যাসমূহ প্ৰশমিত কৰিবৰ বাবে সংবিধান প্ৰণেতাসকলে সকলোবোৰ মৌলিক ধাৰণা তন্নতন্নকৈ বিশ্লেষণ কৰি থৈ গৈছে।

- **প্ৰস্তাৱনা ঃ**

গান্ধীয়ে সমতাৰ ভিত্তিত প্ৰতিষ্ঠিত আৰু সাধাৰণ ভাতৃত্ববোধৰে উদ্বুদ্ধ এখন আদৰ্শ দেশৰ সপোন দেখিছিল। তেওঁ এনেকুৱা এখন আদৰ্শ দেশৰ সপোন দেখিছিল - য'ত অস্পৃশ্যতা কোনো স্থান নাই; য'ত মানুহে কোনো ৰাগীয়াল পানীয় পান নকৰে বা নিচাযুক্ত দ্ৰব্য গ্ৰহণ নকৰে; য'ত তিৰোতাই পুৰুষৰ সম-মর্যাদা লাভ কৰে। গান্ধীৰ স্বাধীনতাৰ আন্দোলনে এই আটাইবোৰ দর্শন সামৰি লৈছিল। কংগ্ৰেছে ইয়াৰ মধ্যবিত্ত সুলভ চৰিত্ৰ ত্যাগ কৰি তৃণমূল পর্যায়ৰ

জনসাধাৰণৰ লগত মনঃসংযোগ প্ৰতিষ্ঠাৰ সপক্ষে তেওঁ মত পোষণ কৰিছিল। গান্ধীয়ে তিৰোতাসকলক স্বাধীনতা সংগ্ৰামৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হ'বলৈ আৰু প্ৰয়োজন সাপেক্ষে যিকোনো ধৰণৰ ত্যাগ স্বীকাৰ কৰি ল'বলৈ আহ্বান জনাইছিল।

এক কথাত ক'বলৈ গ'লে ন্যায়, সমতা, মুক্তি আৰু আত্মত্যাগেই আছিল স্বাধীনতা আন্দোলনৰ শ্লোগান। প্ৰধানতঃ অন্ন, বস্ত্ৰ আৰু আশ্ৰয়ৰ ক্ষেত্ৰত আত্ম-নিৰ্ভৰশীলতাৰ মন্ত্ৰই স্বাধীনতা সংগ্ৰামৰ মূল চালিকা শক্তি।

গান্ধীৰ যুগটোৱেই হ'ল ভাৰতীয় স্বাধীনতা আন্দোলনৰ সবাতোকৈ জনপ্ৰিয় আৰু সাফল্যমণ্ডিত পৰ্যায়। এই পৰ্যায়তে ভাৰতীয় জাতীয় আন্দোলনে এটা গভীৰ অহিংস আন্দোলনৰ ৰূপ ধাৰণ কৰে। দেশৰ পিতা মহাত্মা গান্ধীয়ে দিয়া নিৰ্দেশাৱলীৰ ভিত্তিতে স্বাধীনতা আন্দোলন অগ্ৰসৰ হৈছিল।

মহাত্মা গান্ধীয়ে আঙুলিয়াই দিয়া নীতিসমূহেই সংবিধান প্ৰণেতাসকলক পথ প্ৰদৰ্শন কৰিছিল। সেয়েহে প্ৰথমখন অধিৱেশনতে জৱাহৰলাল নেহৰুৱে ১৯৪৬ চনৰ ১৩ ডিচেম্বৰৰ দিনা বস্তুনিষ্ঠ নিষ্পত্তিৰ সূচনা কৰে। তন্ন তন্নকৈ কৰা আলোচনা আৰু বিতৰ্কৰ অন্তত সাংবিধানিক সভাত ১৯৪৭ চনৰ ২২ জানুৱাৰীৰ দিনা উদ্দেশ্য সম্বলিত প্ৰস্তাৱ(Objective Resolution)ত গৃহীত হয়। ভাৰতীয় সংবিধানৰ আদৰ্শগত ভেঁটি আৰু মূল্যবোধসমূহ এই উদ্দেশ্য সম্বলিত প্ৰস্তাৱত স্পষ্টভাৱে উল্লেখ কৰা হৈছিল। উদ্দেশ্য সম্বলিত প্ৰস্তাৱত উল্লিখিত সকলোবোৰ আদৰ্শ ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত সন্নিবিষ্ট কৰা হৈছে।

- **মৌলিক অধিকাৰ ঃ**

ভাৰতীয় স্বাধীনতা আন্দোলনৰ লগত যুগপৎভাৱে আন এটা আন্দোলনেও গা কৰি উঠিছিল। এই আন্দোলনৰ যোগেদি ৰাজনৈতিক নেতাসকলে কিছুমান অধিকাৰ দাবী কৰিছিল। ১৮৯৫ চনতে স্বৰাজ বিল (Swaraj Bill) ৰ যোগেদি এনেকুৱা কিছুমান অধিকাৰ উত্থাপন কৰা হৈছিল। এই অধিকাৰসমূহৰ ভিতৰত বাসস্থানৰ অধিকাৰ আৰু সম্পত্তিৰ অধিকাৰক সবাটোকৈ উল্লেখযোগ্য বুলি গণ্য কৰা হৈছিল। ১৯২৩ চনত মিচেচ ***এনি বেচেণ্টে*** (Anne Besant)ও আইৰিচ সংবিধানৰ ভিত্তিত ভাৰতীয় জনসাধাৰণৰ বাবে কিছুমান মৌলিক অধিকাৰ দিব লাগে বুলি বাৰম্বাৰ দোহাৰিছিল। কিন্তু ভাৰতীয় নেতৃবৃন্দৰ এই দাবীৰ প্ৰতি বৃটিছ চৰকাৰে কোনো সঁহাৰি জনোৱা নাছিল। বৰঞ্চ চাইমন কমিচন (Simon Commision)য়ে ভাৰতীয়সকলক কিয় অধিকাৰ দিব নালাগে তাৰ সপক্ষেহে শক্তিশালী যুক্তি দাঙি ধৰিছিল। আনকি দ্বিতীয় ঘূ�ৰণীয়া মেজ মেলতো অধিকাৰৰ এই দাবীসমূহৰ ক্ষেত্ৰত এটা আওকণীয়া মনোভাবহে গ্ৰহণ কৰা হৈছিল।

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ছোৱাত মৌলিক অধিকাৰৰ প্ৰশ্নটোৱে এটা নতুন মাত্ৰা লাভ কৰে। এই সময়ছোৱাত বৃটিছ চৰকাৰে স্বাধীনতা আন্দোলন মষিমূৰ কৰিবলৈ বিভিন্ন কৌশল অৱলম্বন কৰিছিল। ইখনৰ পিছত সিখনকৈ অধ্যাদেশ জাৰি কৰিছিল। ৰাজনৈতিক নেতাসকলক বিচাৰ কৰিবৰ বাবে বিশেষ আদালত প্ৰতিষ্ঠা কৰিছিল। ফেডেৰেল ক'ৰ্ট (Federal Court)



এনি বেচেণ্টে (১ অক্টোবৰ ১৮৪৭— ২০ চেপ্টেম্বৰ, ১৯৩৩) ঃ তেওঁ এগৰাকী আগশাৰীৰ আধ্যাত্মিকতাবাদী আৰু ভাৰতীয় কংগ্ৰেছৰ প্ৰথম মহিলা সভানেত্ৰী আছিল। তেওঁ ভাৰতৰ স্বায়ত্ত শাসনৰ এগৰাকী প্ৰধান পৃষ্ঠপোষক আছিল।

আৰু উচ্চ ন্যায়ালয়ৰ ক্ষমতা বহু পৰিমাণে কমাই দিছিল। সেই সময়ত ভোগ কৰা বিলাই-বিপত্তিসমূহ চকুৰ আগত ৰাখিয়েই সংবিধান-ৰচয়িতাসকলে কিছুমান ন্যায় বুলি প্ৰতিপন্ন কৰিব পৰা মৌলিক অধিকাৰ বাচি উলিয়াইছিল। ইয়াৰ পৰা এই কথাই প্ৰতিপন্ন হয় যে ভাৰতীয় সংবিধানৰ তৃতীয় অংশ (Part III) ত সন্নিবিষ্ট মৌলিক অধিকাৰসমূহ স্বাধীনতা আন্দোলনৰেই ফলশ্ৰুতি।

● **ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতি ঃ**

ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায় (Part-III)ত মৌলিক অধিকাৰসমূহ উল্লেখ কৰা হৈছে। কিন্তু সংবিধানৰ ৰচয়িতাসকলে উপলব্ধি কৰিছিল যে সামাজিক আৰু অৰ্থনৈতিক উন্নয়নৰ অবিহনে ৰাজনৈতিক উন্নতি অৰ্থহীন। তদুপৰি আন্দোলনৰ সময়ত ভাৰতৰ আৰ্থ-সামাজিক অৱস্থা আছিল অত্যন্ত তৰল। সমাজ আছিল বিভিন্ন কু-প্ৰথাৰে ভাৰাক্ৰান্ত। সেয়ে সংবিধান-প্ৰণেতাসকলে জনসাধাৰণৰ অৰ্থনৈতিক আৰু সামাজিক অৱস্থা উন্নত কৰিবৰ বাবে কিছুমান নীতি সন্নিবিষ্ট কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ ভিত্তিতে নাগৰিকসকলৰ জীৱন সুখ-সমৃদ্ধিপূৰ্ণ কৰি তোলাৰ উদ্দেশ্যে সংবিধানৰ চতুৰ্থ অধ্যায় (Part IV)ত ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতি (Directive Principles of State Policy) সমূহ সন্নিবিষ্ট কৰা হৈছে। এই নীতিসমূহ জাতীয় জীৱন সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত ৰাজ্যসমূহে সৰ্বদায় এক উন্নয়নমুখী ভূমিকা পালন কৰা আৰু চৰকাৰে ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতি (Directive Principles)ত উল্লেখ থকা দায়বদ্ধতাসমূহ সম্পূৰ্ণ ৰূপে কাৰ্যকৰী কৰাৰ আশাতেই ভাৰতীয় সংবিধানত ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতি (Directive Principles) সমূহ অন্তৰ্ভুক্ত হৈছে। সেয়েহে ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতি সমূহক সংবিধান প্ৰণেতাসকলৰ 'নিৰ্দেশনাৰ আহিলা' (Instrument of instruction) বা 'স্মৰণ লিপি' (code of reminders) বুলি কোৱা হয়। ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতিয়ে (Directive Principles of State Policy) য়ে ৰাষ্ট্ৰ আৰু চৰকাৰী সংস্থা সমূহক নিৰ্দেশ জ্ঞাপন কৰে। এইবোৰ নিৰ্দেশ দেশ শাসনৰ ক্ষেত্ৰত অত্যাৱশকীয় বুনিয়াদী বুলি অনুসৰণ কৰিব লাগে। ভাৰতবৰ্ষৰ বিধায়িনী মণ্ডলৰ সন্মুখত ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতি (Directive Principles) য়ে কিছুমান আদৰ্শ ডাঙি ধৰিছে, যি আদশসমূহ দেশ শাসন কৰাৰ ক্ষেত্ৰত অনুসৰণ কৰাটো আৱশ্যকীয় কৰ্তব্য। সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায় তথা সাম্য, মৈত্ৰি আৰু স্বাধীনতাৰ আদৰ্শই স্বাধীনতা সংগ্ৰামক গভীৰভাৱে প্ৰভাৱিত কৰিছিল আৰু সেয়েহে সাংবিধানিক সভাৰ সদস্যসকল এই আদৰ্শসমূহ সংবিধানত সন্নিৱিষ্ট কৰিবলৈ প্ৰণোদিত হৈছিল।

নিৰ্দেশাত্মক নীতি (Directive Principles) ত থকা আদৰ্শসমূহে কিছুমান সমাজবাদী নীতিও উল্লেখ কৰিছে। জীৱনধাৰণৰ পৰ্যাপ্ত সুবিধা, একেধৰণৰ কামৰ বাবে একেধৰণৰ মজুৰি আদি এই ধৰণৰ সমাজবাদী আদৰ্শ বা নীতি। ঠিক সেইদৰে গান্ধীবাদী আদৰ্শ কিছুমানো ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতি (Directive Principles)ত আছে। স্বায়ত্ব শাসনৰ নিকায় হিচাপে গ্ৰাম্য পঞ্চায়তৰ সংগঠন, ব্যক্তিগত বা সমবায় ভিত্তিত কুটীৰ শিল্পৰ উন্নয়ন, নিচাযুক্ত পানীয় বা মাদকদ্ৰব্য আদি নিচ্ছিদ্ৰকৰণ আদি গান্ধীবাদী আদৰ্শত ভিত্তিত ৰচিত ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক

নীতি (Directive Principles)। এই আদর্শসমূহে ভাৰতৰ স্বাধীনতা আন্দোলনকো অনুপ্রাণিত কৰিছিল।

ভাৰতবাসীৰ দীর্ঘদিনীয়া দাবী আৰু আশা-আকাংক্ষাসমূহে অৱশেষত ৰাষ্ট্ৰ পৰিচালনাৰ নির্দ্দেশাত্মক নীতি (Directive Principles of State Policy)ৰ ৰূপত সংবিধানত এখন গুৰুত্বপূর্ণ আসন লাভ কৰে।

- **উদাৰ আদর্শ ঃ**

আমাৰ নেতাসকলৰ দ্বাৰা পৰিচালিত স্বাধীনতা আন্দোলনটো প্রতিনিধিত্বমূলক গণতান্ত্রিক শাসন-ব্যৱস্থা আৰু প্রতিজন ব্যক্তিৰ বাবে নাগৰিক অধিকাৰক প্রতি প্রতিজ্ঞাবদ্ধ আছিল। আৰম্ভণিৰে পৰা আন্দোলনটোৱে গণতান্ত্রিক ধাৰণা আৰু অনুষ্ঠানসমূহ জনপ্রিয় কৰি তুলিবলৈ চেষ্টা কৰিছিল। তদুপৰি তেওঁলোকে প্রাপ্তবয়স্ক প্রতিজন লোকৰ বাবে ভোটাধিকাৰ দাবী কৰিছিল। বাতৰি কাকতৰ স্বাধীনতা আৰু বাক্-স্বাধীনতা আন্দোলনৰ প্রধান ৰাজনৈতিক সংগঠন ভাৰতীয় জাতীয় কংগ্রেছও গণতান্ত্রিত পদ্ধতিৰ দ্বাৰাই পৰিচালিত হৈছিল। নীতি নির্দ্ধাৰণৰ সকলো ক্ষেত্রতে আৰু সিদ্ধান্ত গ্রহণৰ সকলো স্তৰতে প্রতিটো কথাই তন্ন তন্নকৈ আলোচনা কৰা হৈছিল। আজিও বাতৰি কাকতৰ স্বাধীনতা, বাক্-স্বাধীনতা আৰু নাগৰিক অধিকাৰ নিশ্চিতকৰণ চৰকাৰৰ প্রধানতম লক্ষ্য।

- **গণতান্ত্রিক নীতি ঃ**

আৰম্ভণিৰে পৰাই এইটো স্পষ্টভাৱে পৰিলক্ষিত হৈছিল যে বৃটিছ শাসন আৰু ইয়াৰ আদর্শসমূহ নাগৰিক অধিকাৰৰ পৰিপন্থী আছিল আৰু জনপ্রিয় নির্বাচন পদ্ধতিৰ ওপৰত প্রতিষ্ঠিত সংসদীয় ব্যৱস্থা আনুষ্ঠানিকভাৱে সূচনা কৰাৰ ক্ষেত্রত এইবোৰে সকলো সময়তে বিধি পথালি দি আহিছিল। তদুপৰি তেওঁলোকে কৌশলপূর্ণভাৱে জনসাধাৰণক পতিয়ন নিয়াবলৈ চেষ্টা কৰিছিল যে ভৌগলিক, ঐতিহাসিক আৰু আর্থ-সামাজিক কাৰণত ভাৰতবর্ষ গণতন্ত্র প্রতিষ্ঠাৰ বাবে এখন অনুপযুক্ত দেশ। এই প্রতিকূল পৃষ্ঠভূমিতেই জাতীয় আন্দোলনৰ নেতাসকলে গণতন্ত্র আৰু নাগৰিক অধিকাৰক ভাৰতীয় ৰাজনৈতিক বৈশিষ্ট্য (ethos) ৰ মূল উপাদান হিচাপে প্রতিষ্ঠা কৰে। কোৱা বাহুল্য মাথোন ভাৰতীয় স্বাধীনতা আন্দোলনে জনসাধাৰণৰ মাজত এটা গণতান্ত্রিক পৰম্পৰাৰ সৃষ্টি কৰিছিল। স্বৰাজোত্তৰ ভাৰতবর্ষত গণতন্ত্রৰ অগ্রগতিৰ মূল কাৰণ এইটোৱেই।

- **প্রতিনিধিত্বমূলক গণতন্ত্র ঃ**

ভাৰতীয় স্বাধীনতা আন্দোলন প্রতিনিধিত্বমূলক গণতন্ত্র আৰু নাগৰিক অধিকাৰ প্রতিষ্ঠাৰ প্রতি সম্পূর্ণৰূপে অংগীকাৰবদ্ধ আছিল। গতিকে আন্দোলনৰ আৰম্ভণিৰে পৰাই জনপ্রিয় নির্বাচন, প্রাপ্তবয়স্কৰ ভোটাধিকাৰ, বাতৰি কাকতৰ স্বাধীনতা তথা বাক্-স্বাধীনতা আদিৰ ওপৰত প্রতিষ্ঠিত গণতান্ত্রিক চিন্তাধাৰা আৰু অনুষ্ঠানসমূহ জনপ্রিয় কৰি তুলিবলৈ চেষ্টা কৰা হৈছিল। আন্দোলনৰ সকলো সময়তে এই দাবীসমূহ একেৰাহে উত্থাপন কৰি অহা হৈছিল।

স্বাধীনতাৰ পিছত নতুন সংবিধানত এই আটাইবোৰ আদর্শ সন্নিবিষ্ট কৰা হয়।

- **কল্যাণকামী ৰাষ্ট্ৰ ঃ**

ৰাজনৈতিক দৃশ্যপটত গান্ধীৰ আৰির্ভাৱে স্বাধীনতা আন্দোলনক এটা নতুন ৰূপ দিলে। আন্দোলনটোক নেতৃত্ব দিয়া ভাৰতীয় জাতীয় কংগ্রেছে কিছুমান উদাৰ আদর্শ নিশ্চিতভাৱে দাঙি ধৰিছিল। অকল ৰাজনৈতিকেই নহয়, সামাজিক নীতি কিছুমানো এই আদর্শৰ অন্তর্ভুক্ত। এইবিলাকৰ ভিতৰত উল্লেখযোগ্য হ'ল - একে কামৰ বাবে একে মজুৰী, অস্পৃশ্যতা দূৰীকৰণ, কুটীৰ শিল্পৰ বিকাশ, নিচাযুক্ত পানীয় আৰু মাদক দ্রব্যৰ নিষিদ্ধকৰণ, সমাজৰ পিছপৰা শ্রেণীসমূহৰ উন্নতিৰ বাবে আইন প্রণয়ন, ইত্যাদি। জাতীয় আন্দোলনে পঞ্চায়তী ব্যৱস্থা প্রতিষ্ঠা, চৈধ্য বছৰ বয়সলৈকে বাধ্যতামূলক শিক্ষা প্রদান, স্বাস্থ্যৰ উন্নতি আৰু স্বাস্থ্যসন্মত সা-সুবিধা প্রদান আদি নীতিসমূহো ইয়াৰ কার্যসূচীৰ ভিতৰত অন্তর্ভুক্ত কৰি লৈছিল। এই আটাইবোৰ নীতিয়েই সংবিধানত উপযুক্ত স্থান লাভ কৰিছে। কল্যাণকামী ৰাষ্ট্ৰৰ এইবোৰেই হ'ল মূল ভেঁটি। এই নীতিসমূহ পৰৱর্তী সময়ত সংবিধানৰ ৪র্থ অধ্যায়ত সন্নিবিষ্ট কৰা হয় আৰু ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতি (Directive Principle of State Policy) ৰূপে পৰিগণিত হয়। গতিকে সংবিধানৰ ৪নং অধ্যায়ত সন্নিবিষ্ট নীতিসমূহক স্বাধীনতা আন্দোলনৰেই ফলশ্রুতি বুলি ক'ব পাৰি।

- **ধর্ম নিৰপেক্ষতা ঃ**

ভাৰতবর্ষ এখন ভিন্নধর্মী লোকেৰে পৰিপূর্ণ দেশ। হিন্দু, ইছলাম, খৃষ্টান, বৌদ্ধ, জৈন আদি বিভিন্ন ধর্মাৱলম্বী লোক ভাৰতবর্ষত আছে। বৃটিছ শাসন বিৰোধী ভাৰতীয় স্বাধীনতা আন্দোলন আৰম্ভ হোৱাৰ সময়ত আন্দোলনৰ নেতাসকলে বিভিন্ন ধর্মাৱলম্বী ভাৰতীয়সকলৰ মনত এটা ধর্মীয় ঐক্যৰ ভাৱ জগাই তুলিবলৈ চেষ্টা কৰিছিল। কংগ্রেছে সকলোবোৰ ধর্মীয় গোষ্ঠীক লোককে একে ছত্রছায়াৰ তলত আনিবলৈ চেষ্টা কৰিছিল। স্বাধীনতা আন্দোলনৰ নেতাসকলে গ্রহণ কৰা নিৰপেক্ষ মনোভাৱে সমাজৰ বিভিন্ন শ্রেণীৰ লোকৰ মাত ঐক্য স্থাপন সম্ভৱপৰ কৰি তুলিছিল। গতিকে ৪২তম সংশোধনৰ পাছত ভাৰতীয় সংবিধানৰ প্রস্তাৱনতা ঠাই পোৱা ধর্ম-নিৰপেক্ষৰ ধাৰণাটো স্বাধীনতা আন্দোলনৰেই লিগেচি বুলি ক'ব লাগিব।

- **অস্পৃশ্যতা বর্জন আৰু পিছ পৰা শ্রেণীৰ উন্নয়ন ঃ**

ভাৰতীয় সমাজ ব্যৱস্থাক তচ্‌নচ্‌ কৰি পেলোৱা জাত-প্রথা সভ্য সমাজৰ বাবে এক অভিশাপস্বৰূপ। সমাজৰ একাংশ মানুহ এই প্রথাৰ ফলত অস্পশ্য বুলি বিবেচিত হ'ল। গান্ধীয়ে সেই লোকসকলক 'হৰিজন' বুলি সম্বোধন কৰিছিল (হৰিজন নামেৰে নামকৰণ কৰিছিল)। সুবিধা ভোগৰ পৰা বঞ্চিত লোকসকলৰ দায়িত্ব যাতে সুবিধাভোগী লোকসকলে বহন কৰে তাৰ ওপৰতো গান্ধীয়ে গুৰুত্ব আৰোপ কৰিছিল। গান্ধীৰ এই আদর্শসমূহ বিস্তৃতভাৱে সংবিধান ৰচয়িতাসকলে সংবিধানত সন্নিবিষ্ট কৰে। এই কথা সংবিধানৰ মৌলিক অধিকাৰত অন্তর্ভুক্ত সমতাৰ অধিকাৰৰ জৰিয়তে স্পষ্ট হৈ উঠে। এইবিলাকৰ উপৰি Directive Priciples of State Policy, অনুন্নত জাতি তথা শ্রেণীসমূহৰ ৰক্ষণা-বেক্ষণৰ বাবে বিশেষ ব্যৱস্থা গ্রহণ আদি আন

কিছুমান ব্যৱস্থাও সংবিধানত অন্তর্ভুক্ত কৰে।

- **শক্তিশালী জনমত গঠন ঃ**

গণতন্ত্রত জনমতে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। শক্তিশালী জনমতৰ ওপৰত প্রতিষ্ঠিত সাংসদীয় গণতন্ত্র অধিক শক্তিশালী হয়। সেয়েহে স্বাধীনতা আন্দোলনৰ নেতাসকলে এটা শক্তিশালী জনমত গঢ়াৰ ক্ষেত্রত যথেষ্ট কৃতকার্যও হৈছিল। আনকি স্বাধীনতাৰ পাছতো জনমতে গুৰুত্বপূর্ণ ভূমিকা পালন কৰিয়েই থাকিল। জনসাধাৰণে চৰকাৰী কাম-কাজৰ ওপৰত সকলো সময়তে চকু ৰাখিছিল। গতিকে জনমতক স্বাধীনতা আন্দোলনৰেই ফলশ্রুতি বুলি ক'ব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ যিকোনো দুটা ভাৰতীয় স্বাধীনতা আন্দোলনৰ পৰম্পৰা উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৬ঃ প্রতিনিধিত্বমূলক গণতন্ত্রক ভাৰতীয় স্বাধীনতা আন্দোলনৰ পৰম্পৰা হিচাপে ব্যাখ্যা কৰক। (৫০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্রশ্ন নং ৭ঃ ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্রেছ কাৰ উদ্যোগত গঠন হয়?

.....

প্রশ্ন নং ৮ঃ উদ্দেশ্যে সম্বলিত প্রস্তাৱত উল্লিখিত সকলোবোৰ আদর্শ সংবিধানৰ.....ত সন্নিবিষ্ট কৰা হৈছে। (খালী ঠাই পূৰ কৰক)

প্রশ্ন নং ৯ঃ মৌলিক অধিকাৰ সমূহ ভাৰতীয় স্বাধীনতা আন্দোলনৰ পৰম্পৰা হিচাপে আলোচনা কৰক। (৬০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....



১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাই বৃটিছ ঔপনিবেশিক শাসনৰ পৰা উত্তৰাধিকাৰী সূত্রে কিছুমান লিগেচি লাভ কৰিছে। তাৰে লেখত ল'বলগীয়া কেইটামান লিগেচি হ'ল — কেন্দ্রীয়ভাৱে কর্তৃত্বশীল চৰকাৰ আৰু এটা ঐক্যবদ্ধ শাসন ব্যৱস্থা, ইংৰাজীৰ মাধ্যমত পশ্চিমীয়া শিক্ষা ইত্যাদি।
- বৃটিছ নিয়মৰ অধীনত ক্রমবদ্ধভাৱে এটা ঐক্যবদ্ধ শাসন ব্যৱস্থাৰ প্রতিষ্ঠা হৈছিল।
- বৃটিছ শাসনৰ তিনি স্তম্ভ — আমোলাতন্ত্র, পুলিচ আৰু সামৰিক বাহিনী ভাৰতবর্ষত বৃটিছ শাসনৰ মেৰুদণ্ড আছিল।
- ইংৰাজসকলে ভাৰতত আজিও কার্যকৰী হৈ থকা এক সামগ্রিক পৰিৱর্তনৰ সূচনা কৰে। সেয়া হ'ল, ইংৰাজী মাধ্যমেৰে পশ্চিমীয়া শিক্ষা। পশ্চিমীয়া শিক্ষাৰ ফলত ভাৰতীয়সকলে যুক্তি, সমতা, ন্যায়, গণতন্ত্র আদি আধুনিক ধাৰণাসমূহৰ সম্যক জ্ঞান লাভ কৰিলে।
- ইংৰাজী মাধ্যমৰ শিক্ষা ব্যৱস্থাৰ যোগেদি পশ্চিমীয়া শিক্ষাৰ সূচনাই ভাৰতবর্ষত ইংৰাজী ভাষাৰে শিক্ষিত, স্বাধীনতা, গণতন্ত্র আৰু সমাজবাদৰ আদর্শৰে অনুপ্রাণিত এটা নতুন শ্রেণীৰ সৃষ্টি কৰে আৰু এইটোৱেই হ'ল, ভাৰতবর্ষৰ নতুন মধ্যবিত্ত শ্রেণী।
- বৃটিছ শাসনৰ কালছোৱাত গোটেই দেশখনৰ বাবে ইংৰাজীয়েই আছিল চৰকাৰী ভাষা। আনকি এতিয়াও ইংৰাজী অন্যতম চৰকাৰী ভাষা হৈ আছে।
- এলেন অক্টাভিয়ান হিউমৰ উদ্যোগত ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্রেছ গঠন কৰা হয়। এই অনুষ্ঠানটোৱেই ভাৰতীয়সকলক জাতীয় প্রেমেৰে অনুপ্রানিত কৰি তোলে।
- ন্যায়, মমতা, যুক্তি আৰু আত্মত্যাগেই স্বাধীনতা আন্দোলনৰ প্রধান শ্লগান আছিল। বহু আলোচনা আৰু বিতর্কৰ অন্তত সাংবিধানিক সভাত ১৯৪৭ চনৰ ২২ জানুৱাৰীৰ দিনা উদ্দেশ্য সম্বলিত প্রস্তাৱ (Objective Resolution)ত গৃহীত হয়। ভাৰতীয় সংবিধানৰ আদর্শগত ভেটি আৰু মূল্যবোধসমূহ এই উদ্দেশ্য সম্বলিত প্রস্তাৱত স্পষ্টভাৱে উল্লেখ আছে।
- ভাৰতীয় স্বাধীনতা আন্দোলনৰ লগত যুগপৎভাৱে আন এটা আন্দোলনেও গা কৰি উঠিছিল। এই আন্দোলনৰ যোগেদি ৰাজনৈতিক নেতাসকলে কিছুমান অধিকাৰ দাবী কৰিছিল। ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায় (Part III)ত সন্নিবিষ্ট মৌলিক অধিকাৰসমূহ স্বাধীনতা আন্দোলনৰে ফলশ্রুতি।
- আন্দোলনৰ কালছোৱাত ভাৰতৰ আর্থ সামাজিক অৱস্থা অত্যন্ত তৰল আছিল। ইয়াৰ ভিত্তিতে নাগৰিকসকলৰ জীৱন সুখ সমৃদ্ধিপূর্ণ কৰি তোলাৰ উদ্দেশ্যে সংবিধানৰ চতুর্থ অধ্যায় (Part IV) ত ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতিসমূহ সন্নিবিষ্ট কৰা হৈছে।

- ৰাজনৈতিক দৃশ্যপটত গান্ধীৰ আবির্ভাৱে স্বাধীনতা আন্দোলনক এটা নতুন ৰূপ প্রদান কৰিলে। একে কামৰ একে মজুৰী, অস্পৃশ্যতা দূৰীকৰণ আদি নীতিসমূহক গান্ধীয়ে সমর্থন কৰিছিল আৰু পৰৱর্তী সময়ত এই নীতিসমূহে সংবিধানত উপযুক্ত স্থান লাভ কৰে। কল্যাণকামী ৰাষ্ট্রৰ এইটোৱেই হ'ল মূল ভেঁটি।
- বৃটিছ বিৰোধী ভাৰতীয় স্বাধীনতা আন্দোলন আৰম্ভ হোৱাৰ সময়ত আন্দোলনৰ নেতাসকলে বিভিন্ন ধর্মাৱলম্বী ভাৰতীয়সকলৰ মনত এটা ধর্মীয় ঐক্যৰ ভাৰ জগাই তুলিবলৈ চেষ্টা কৰিছিল, গতিকে ৪২ তম সংশোধনৰ পাছত ভাৰতীয় সংবিধানৰ প্রস্তাৱনাত ঠাই পোৱা ধর্ম-নিৰপেক্ষৰ ধাৰণাটো স্বাধীনতা আন্দোলনৰেই লিগেচি বুলি ক'ব লাগিব।
- স্বাধীনতা আন্দোলনৰ কালছোৱাত গান্ধীয়ে জাতিবাদৰ বিৰুদ্ধে এটা প্রচাৰ অভিযানৰ সূত্রপাত কৰিছিল। সংবিধান ৰচয়িতাসকলে এই গান্ধীৰ নীতিসমূহ সমতাৰ অধিকাৰ হিচাপে সংবিধানৰ মৌলিক অধিকাৰত বিস্তৃতভাৱে সন্নিবিষ্ট কৰে। এইবিলাকৰ উপৰি (Directive Principles of State Policy) ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতি আৰু অনুন্নত জাতি তথা শ্রেণীসমূহৰ ৰক্ষণা-বেক্ষণৰ বাবে ব্যৱস্থা গ্রহণ আদি আদর্শসমূহো স্বাধীনতা আন্দোলনেই পোষকতা কৰে।



১.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০ ।*ভাৰতৰ প্রশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শর্মা, দুর্গা কান্ত , ৰফিক, জামান আৰু শর্মা ,ড° পূৰবী ২০০৫ । *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ড° কৃপেশ চন্দ্র আৰু নায়ক, প্রতুল চন্দ্র ২০১১ ।*স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্রকাশন।

ইংৰাজী গ্রন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi : Cosmos Bookhive Pvt. Ltd.

2) Ghai, K.K.(2007). *Indian Government and Politics*.New Delhi: Kalyani Publishers.

3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions*.New Delhi : S. Chand and Company.

4) Pylee, M,V. (2006). *Constitutional Government in India.* New Delhi:S. Chand and Company.



১.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ (ক) কেন্দ্রীয় কর্তৃত্ব স্থাপন আৰু ঐক্যবদ্ধ শাসন ব্যৱস্থা।

বৃটিচসকলেই প্রথমবাৰৰ বাবে সমগ্র উপমহাদেশখন এক ৰাজতন্ত্রৰ অধীনলৈ আনে। বৃটিছ শাসনৰ তলতে এটা ঐক্যবদ্ধ শাসন ব্যৱস্থা সম্ভৱ হৈ উঠিল। মোগল শাসন ব্যৱস্থাৰ ভিত্তিত একেবাৰে দূৰবর্তী অঞ্চলসমূহো সামৰি ল'ব পৰা এটা এক ৰূপীয় শাসন ব্যৱস্থা বৃটিছসকলে প্রতিষ্ঠা কৰিলে; সৃষ্টি হ'ল এটা একক শাসন ব্যৱস্থা।

(খ) বৃটিছ শাসনৰ তিনি স্তম্ভ ঃ বৃটিছ শাসনৰ তিনিটা স্তম্ভ হ'ল - আমোলাতন্ত্র, পুলিচ আৰু সামৰিক বাহিনী। বৃটিছ শাসনৰ এক উল্লেখযোগ্য বৰঙণি হ'ল আইন-শৃংখলা ব্যৱস্থা।

বৃটিছ শাসনৰ এক উল্লেখযোগ্য বৰঙণি হ'ল আইন-শৃংখলা ব্যৱস্থা। বৃটিছৰ দিনৰ ভাৰতীয় অসামৰিক সেৱা (Indian Civil Service)ৰ উত্তৰাধিকাৰী হ'ল ভাৰতীয় লোকসেৱা (Indian Administrative Service) ভাৰতীয় লোকসেৱা। ই আজিও শাসনৰ ক্ষেত্রত অত্যন্ত গুৰুত্বপূর্ণ নিকায়ৰূপে প্রতিষ্ঠিত, কাৰণ ইয়াৰ ওপৰতে দেশৰ প্রগতি আৰু সুস্থিৰতা নির্ভৰশীল।

২ নং প্রশ্নৰ উত্তৰঃ ইংৰাজী মাধ্যমৰ শিক্ষা ব্যৱস্থাৰ যোগেদি পশ্চিমীয়া শিক্ষাৰ সূচনাই ভাৰতবর্ষত ইংৰাজী ভাষাৰে শিক্ষিত, স্বাধীনতা, গণতন্ত্র আৰু সমাজবাদৰ আদর্শৰে অনুপ্রাণিত এটা নতুন শ্রেণীৰ সৃষ্টি কৰে। এই শ্রেণীটোৰ কিছুমান লোক Indian Civil Service (ভাৰতীয় অসামৰিক সেৱা) ৰ সদস্য হ'ল, কিছুমান সমাজ সংস্কাৰক হৈ পৰিল, কিছুমান আকৌ আইন, সংবাদ মাধ্যম আদিৰ লগত জড়িত হ'ল আৰু কিছুমানে চিকিৎসা, হিচাপ-নিকাচ আদি ব্যৱসায়ত সোমাই পৰিল।

৩ নং প্রশ্নৰ উত্তৰঃ আমোলাতন্ত্র, পুলিচ আৰু সামৰিক বাহিনী

৪ নং প্রশ্নৰ উত্তৰঃ ঐক্যবদ্ধ

৫ নং প্রশ্নৰ উত্তৰঃ ভাৰতীয় সংবিধানৰ প্রস্তাৱনা আৰু ভাৰতীয় জাতীয় কংগ্রেছৰ গঠন।

৬ নং প্রশ্নৰ উত্তৰঃ ভাৰতীয় স্বাধীনতা আন্দোলন প্রতিনিধিত্বমূলক গণতন্ত্র আৰু নাগৰিক অধিকাৰ প্রতিষ্ঠাৰ প্রতি সম্পূর্ণৰূপে অংগীকাৰবদ্ধ আছিল। গতিকে আন্দোলনৰ আৰম্ভণিৰে পৰাই জনপ্রিয় নির্বাচন, প্রাপ্তবয়স্কৰ ভোটাধিকাৰ, বাতৰি কাকতৰ স্বাধীনতা তথা বাক্-স্বাধীনতা আদিৰ ওপৰত প্রতিষ্ঠিত গণতান্ত্রিক চিন্তাধাৰা আৰু অনুষ্ঠানসমূহ জনপ্রিয় কৰি তুলিবলৈ চেষ্টা কৰা হৈছিল। আন্দোলনৰ সকলো সময়তে এই দাবীসমূহ একেৰাহে উত্থাপন কৰি অহা হৈছিল। স্বাধীনতাৰ পিছত নতুন সংবিধানত এই আটাইবোৰ আদর্শ সন্নিবিষ্ট কৰা হয়।

৭ নং প্ৰশ্নৰ উত্তৰঃ এলেন অক্টেভিয়ান হিউম।

৮ নং প্ৰশ্নৰ উত্তৰঃ প্ৰস্তাৱনা

৯ নং প্ৰশ্নৰ উত্তৰঃ ভাৰতীয় স্বাধীনতা আন্দোলনৰ লগত যুগপৎ ভাৱে আন এটা আন্দোলনেও গা কৰি উঠিছিল। এই সময়ছোৱাত বৃটিছ চৰকাৰে স্বাধীনতা আন্দোলন মষিমূৰ কৰিবলৈ বিভিন্ন কৌশল অৱলম্বন কৰিছিল। ইখনৰ পিছত সিখনকৈ অধ্যাদেশ জাৰি কৰিছিল। সেই সময়ত ভোগ কৰা বিলাই-বিপত্তিসমূহ চকুৰ আগত ৰাখিয়েই সংবিধান-ৰচয়িতাসকলে কিছুমান ন্যায্য বুলি প্ৰতিপন্ন কৰিব পৰা মৌলিক অধিকাৰ বাচি উলিয়াইছিল। ইয়াৰ পৰা এই কথাই প্ৰতিপন্ন হয় যে ভাৰতীয় সংবিধানৰ তৃতীয় অংশত সন্নিবিষ্ট মৌলিক অধিকাৰসমূহ স্বাধীনতা আন্দোলনৰেই ফলশ্ৰুতি।



১.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ ..... শিক্ষাৰ ফলত ভাৰতীয়সকলে স্বাধীনতা, সমতা, ন্যায়, গণতন্ত্ৰ আদি আধুনিক উদাহৰণসমূহৰ লগত পৰিচিত কৰে। (খালী ঠাই পূৰ কৰক)

প্ৰশ্ন ২ঃ বৃটিছসকলে এক স্তৰবদ্ধ শাসন ব্যৱস্থা সৃষ্টি কৰিছিল।(শুদ্ধ/অশুদ্ধ))

প্ৰশ্ন ৩ঃ গান্ধীৰ জাতিভেদ দূৰীকৰণৰ আহ্বান মৌলিক অধিকাৰ সমূহত অন্তৰ্ভুক্ত ....অধিকাৰত সন্নিবিষ্ট হৈ আছে। (খালী ঠাই পূৰ কৰক)

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ যিকোনো এটা ঔপনিবেশিক পৰম্পৰা আৰু যিকোনো এটা স্বাধীনতা আন্দোলনৰ পৰম্পৰা উল্লেখ কৰক।

প্ৰশ্ন ২ঃ ঔপনিবেশিক পৰম্পৰা হিচাপে ইংৰাজী মাধ্যমত পশ্চিমীয়া শিক্ষা আৰু ইয়াৰ ব্যৱস্থাৰ বিষয়ে এক চমু টোকা লিখক।

প্ৰশ্ন ৩ঃ স্বাধীনতা আন্দোনৰ এক পৰম্পৰা হিচাপে ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাৰ বিষয়ে এক চমু টোকা লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ যিকোনো চাৰিটা ঔপনিবেশিক পৰম্পাৰাৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ঃ যিকোনো চাৰিটা স্বাধীনতা আন্দোলনৰ পৰম্পৰাৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ ভাৰতবৰ্ষৰ সংবিধানৰ ঐতিহাসিক পৃষ্ঠ ভূমি

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২৩ ভাৰতবৰ্ষৰ সংবিধানৰ ঐতিহাসিক পৃষ্ঠ ভূমি
২. ৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৫ অধিক জানিবলৈ
২.৬ অগ্রগতিৰ খতিয়ান
২.৭ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাৰতৰ সংবিধানৰ ঐতিহাসিক পৃষ্ঠভূমি সম্পর্কে আলোচনা কৰিব পাৰিব
- ঔপনিবেশিক আমোলৰ কেইখনমান গুৰুত্বপূর্ণ আইন, যেনে- ১৭৭৩ চনৰ ৰেগুলেটিং আইন, ১৭৮৪ চনৰ পিট্চ ইণ্ডিয়া এক্ট, ১৮১৩, ১৮৩৩, ১৮৫৩ চনৰ চনদ আইন, ১৮৫৮ চনৰ ভাৰত চৰকাৰ আইন, ১৮৬১, ১৮৯২ আৰু ১৯০৯ চনৰ ভাৰতীয় পৰিষদ আইন সম্পর্কে জানিব পাৰিব
- ১৯১৯ চন আৰু ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ দৰে গুৰুত্বপূর্ণ আইনৰ পর্য্যালোচনা কৰিব পাৰিব
- ঔপনিবেশিক কালত ব্রিটিছ ৰাজতন্ত্র পৰা ভাৰত চৰকাৰলৈ ক্ষমতা হস্তান্তৰৰ ক্ষেত্রত প্রবর্তন কৰা কিছুমান গুৰুত্বপূর্ণ কার্যসূচী আৰু আঁচনিৰ ব্যাখ্যা দিব পাৰিব।

২.২ পৰিচয়

পূর্বৰ অধ্যায়ত আমি ঔপনিবেশিক শাসনৰ লগত স্বাধীনতা আন্দোলনৰ পৰম্পৰাসমূহৰ সম্পর্কে আলোচনা কৰি আহিছোঁ। এই পৰম্পৰাসমূহে ভাৰতৰ ৰাজনৈতিক ব্যৱস্থাটোৰ ক্রমবিকাশত গভীৰ প্রভাৱ পেলাইছে। ভাৰতৰ সংবিধানক দেশৰ আটাইতকৈ সর্বোচ্চ বিধানশাস্ত্র আখ্যা দিয়া হয়। ভৰতৰ সংবিধানখনক ১৯৪৯ চনৰ ২৬ নবেম্বৰ তাৰিখে গ্রহণ কৰা হয়। ভাৰতৰ সংবিধান প্রণয়নৰ এক দীঘলীয়া ইতিহাস আছে। ভাৰতৰ জনসাধাৰণৰ দীর্ঘদিনীয়া সংগ্রাম আৰু ঔপনিবেশিক যুগত বিহীত হোৱা কিছুসংখ্যক বিধি-বিধান বা অধিনিয়মে ভাৰতৰ সংবিধানৰ প্রস্তুত আৰু গ্রহণ প্রক্রিয়াত অৰিহনা যোগাইছে। এই অধ্যায়টিত আমি ভাৰতৰ সংবিধানৰ ঐতিহাসিক পৃষ্ঠ ভূমি সম্পর্কে আলোচনা কৰিম।

২.৩ ভাৰতৰ সংবিধানৰ ঐতিহাসিক পৃষ্ঠভূমি

আমি সকলোৱে জানো যে ১৯৪৭চনৰ ১৫ আগষ্ট তাৰিখে ব্ৰিটিছ শাসনৰ অন্ত পৰে আৰু ভাৰত আৰু পাকিস্তান নামেৰে ভাৰতবৰ্ষক দুখন পৃথক ৰাষ্ট্ৰত বিভাজন কৰি তেওঁলোকে ক্ষমতা হস্তান্তৰ কৰে। ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখৰ পৰা সংবিধান কাৰ্য্যকৰী কৰাৰ লগে লগে ভাৰত এখন সাৰ্বভৌম আৰু গনতান্ত্রিক গণৰাজ্যত পৰিণত হয়। সেয়েহে ভাৰতৰ সংবিধানৰ সাংবিধানিক পৃষ্ঠ ভূমি আলোচনা অতি প্রয়োজনীয়। ঊনবিংশ শতাব্দীৰ মাজভাগলৈকে ভাৰতৰ অধিকাংশই ব্ৰিটিছ সকলৰ অধীন আছিল। কোনো কোনো ঠাইত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে প্রত্যক্ষভাৱে শাসন চলোৱাৰ বিপৰীতে কোনো কোনো ঠাইত সেই ঠাইৰ ৰজাসকলৰ লগত সন্ধি, চুক্তি আদি কৰি সহযোগী ৰূপত অৱতীর্ণ হৈছিল। এই সময়চোৱাত নির্দিষ্ট সংখ্যক সাংবিধানিক সংশোধন ঘটোৱা হৈছিল। এই অধ্যায়ত আমি ব্ৰিটিছ শাসন কালত গ্রহণ কৰা বিভিন্ন বিধি-বিধান আৰু আইনসমূহৰ বিষয়ে আলোচনা কৰা হ'ব, যিবোৰে ভাৰতৰ সংবিধানৰ সংৰচনাত গভীৰ প্রভাৱ পেলাইছে।



ৰাৰেণ হেষ্টিংছঃ তেওঁ ১৭৭৩ চনৰ পৰা ১৭৮৫ চনলৈ বংগদেশৰ প্রথম জন গৱর্ণৰ জেনে�ৰেল আছিল।

- **১৭৭৩ চনৰ ৰেগুলেটিং আইন [Regulating Act (1773)] ঃ** *ৰাৰেন হেষ্টিংছৰ* কালছোৱাত ১৭৭৩ চনৰ ৰেগুলেটিং এক্টগৃহীত হয়। এই আইনখনৰ যোগেদি ভাৰতত কেন্দ্রীভূত শাসন ব্যৱস্থাৰ সূচনা কৰা হয়। এই আইনখনৰ গুৰুত্বপূর্ণ কিছুমান উপবন্ধ আছিল এনেধৰণৰ
  (১) বংগদেশৰ গৱর্ণৰৰ সলনি নতুনকৈ গবর্ণৰ জেনেৰেল পদৰ সৃষ্টি কৰা হয়। গবর্ণৰ জেনেৰেল হিচাপে নিযুক্তি লাভ কৰা প্রথমজন ব্যক্তি হৈছে ৰাৰেন হেষ্টিংছ। গবর্ণৰ জেনেৰেল গৰাকীক সহায় কৰিবৰ বাবে চাৰিজন সদস্যৰে এখন পৰিষদ গঠন কৰে।
  (২) গৱর্ণৰ জেনেৰেল আৰু পৰিষদৰ ওপৰত আইন প্রণয়ণ, কার্যকৰী কৰণ আৰু ভাৰতৰ কোম্পানী শাসিত অঞ্চলসমূহৰ শৃংখলা অটুত ৰক্ষাৰ বাবে আদেশ জাৰীৰ ক্ষমতা ন্যস্ত কৰা হয়।
  (৩) গৱর্ণৰ জেনেৰেল আৰু পৰিষদৰ ওপৰত ৰাষ্ট্রপতীয় চৰকাৰ পৰিচালনাৰ ক্ষমতা প্রদান কৰা হয়।
  (৪) ইয়াৰ উপৰি ৰেগুলেটিং এক্টে বহল পৰিসৰত আইনী ক্ষমতা প্রয়োগ বা ব্যাখ্যাৰ বাবে উচ্চতম ন্যায়ালয়ৰ প্রতিষ্ঠাৰ ব্যৱস্থা কৰে। এজন মুখ্য ন্যায়াধীশ আৰু তিনিজন ন্যায়াধীশেৰে উচ্চতম ন্যায়ালয় গঠন কৰা হয়।
- **১৭৮৪ চনৰ পিট্‌ছ ইণ্ডিয়া এক্ট [Pits India Act (1784)] ঃ** ঔপনিবেশিক আমোলৰ আন এখন গুৰুত্বপূর্ণ আইন হৈছে ১৭৮৪ চনৰ পিট্‌ছ ইণ্ডিয়া এক্ট। এই আইনখনে প্রথম বাৰৰ বাবে কোম্পানী শাসিত ভাৰতক ব্ৰিটিছ অধিকৃত ভাৰত হিচাপে সূচিত কৰে। এই আইনৰ জৰিয়তে ইংলেণ্ডত ইষ্ট ইণ্ডিয়া কোম্পানী চৰকাৰ পুনগঠন কৰা আৰু দ্বৈত প্রশাসন প্রাধিকাৰী, চৰকাৰ , কর্তৃপক্ষ গঢ়ি তোলে। ব্রিটেইনৰ বিত্তমন্ত্রী, এগৰাকী মন্ত্রীপর্য্যায়ৰ সচিব আৰু ইংলেণ্ডৰ মন্ত্রী পৰিষদৰ চাৰিজন সদস্যৰে বর্ড অৱ কণ্ট্রল (Board of Control) গঠন কৰা হয়। ইয়াৰ উপৰি

এই আইনে সঞ্চালক মণ্ডলী (Court of Directors) গঠন কৰে আৰু আইনী ক্ষমতাৰ ক্ষেত্রত বর্ড অৱ কণ্ট্রলক সঞ্চালক মণ্ডলীতকৈ অধিক ক্ষমতা প্রদান কৰে। এই আইনখনে গৱর্ণৰ জেনেৰেলৰ পৰিষদখন তিনিজন সদস্যৰে পুনৰ গঠনৰ ব্যৱস্থা কৰে।

- **১৮১৩ চনৰ চনদ আইন (Charter Act of 1813)** ঃ ভাৰতৰ সাংবিধানিক বিকাশত ১৮১৩ চনৰ চনদ আইনৰ বৈশিষ্ট্যপূর্ণ ভূমিকা পৰিলক্ষিত হয়। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ২০ বছৰ লীজত ভাৰতবর্ষৰ শাসন চলোৱাৰ পাছত শেষৰ ফালে এই আইন গৃহীত হয় আৰু এই আইনে পুনৰ ২০ বছৰলৈ লীজৰ ম্যাদ বৃদ্ধি কৰে। কিন্তু একে সময়তে এই আইনে চাহৰ বাদে আন আন ক্ষেত্রত কোম্পানীৰ একচেটীয় ব্যৱসায় হ্রাস কৰে। এই আইনে ভাৰতত ব্যৱসায়ৰ বিষয়টোত সকলো ব্রিটিছৰ বাবে মুকলি কৰি দিয়ে। আইনে কোম্পানীৰ ওপৰত নির্দিষ্ট বিধি ব্যৱস্থা প্রৱর্তন কৰে। এই আইনৰ দ্বাৰা কোম্পানীক বাণিজ্যিক লেনদেন আৰু তেওঁলোকৰ অধিকাৰত থকা অঞ্চলসমূহৰ বাবে সুকীয়া সুকীয়াকৈ দুটা একাউণ্ট ৰাখিবলৈ কোৱা হয়। মিছনেৰী সকলৰ ভাৰতলৈ আগমন আৰু ভাৰতীয় সকলৰ মাজত সংস্কাৰৰ সূচনাৰ বাবে তেওঁলোকক বসতি স্থাপন কৰিবলৈও এই আইনে অনুমতি প্রদান কৰে। এই চনদ আইনে তদাৰকী ক্ষমতা আৰু নিয়ন্ত্রণৰ ক্ষেত্রত নিয়ন্ত্রণ পৰিষদৰ ক্ষমতা বৃদ্ধি কৰে। তদুপৰি কোম্পানীৰ অসামৰিক আৰু সামৰিক কর্মচাৰীসকলৰ কাৰণে আইন প্রণয়ন আৰু নিয়ন্ত্রণ ব্যৱস্থা গ্রহণৰ বাবেও এই আইনে বর্ড অৱ কণ্ট্রলক ক্ষমতা প্রদান কৰে।
- **১৮৩৩ চনৰ চনদ আইন (Charter Act of 1833)** ঃ ১৮৩৩ চনৰ চনদ আইনে ১৮৩৪ চনৰ পৰা ভাৰতত ইষ্ট ইণ্ডিয়া কোম্পানীৰ একচেটীয়া বাণিজ্যৰ অন্ত পেলায়। এই আইনৰ যোগেদি কোম্পানীয়ে ভাৰতৰ অঞ্চল সমূহত বৃটেইনৰ ৰজা, তেওঁৰ উত্তৰাধিকাৰী আৰু তেওঁৰ উত্তৰসূৰীৰ নামত শাসন চলাবলৈ সুবিধা লাভ কৰে। ইয়াৰ উপৰি এই আইনে ভাৰতত কোম্পানীৰ তিনিখন পৃথক প্রেচিডেন্সীৰ সলনি গবর্ণৰ জেনেৰেলৰ অধীনত ঐক্যবদ্ধ চৰকাৰ গঠন কৰে। আইনখনৰ আন এক গুৰুত্বপূর্ণ দিশ আছিল ভাৰতত কেন্দ্রীভূত বিধানমণ্ডলীয় ব্যৱস্থাৰ প্রচলন। ইয়াৰ যোগেদি কোম্পানী দখলীকৃত ভাৰতৰ অঞ্চলসমূহৰ আইন প্রণয়ন, আৰু বিধি ব্যৱস্থা নিয়ন্ত্রণৰ ক্ষমতা গবর্ণৰ জেনেৰেল পৰিষদৰ ওপৰত ন্যস্ত কৰা হয়। ১৮৩৩ চনৰ চনদ আইনে নিয়ন্ত্রণ পৰিষদ ৰ গঠনতো গুৰুত্বপূর্ণ সাল-সলনি ঘটায়। নিয়ন্ত্রণ পৰিষদ খন লর্ড প্রেছিডেণ্ট অৱ কাউন্সিল, লর্ড প্রিডি ছীল, ফার্ষ্ট লর্ড অৱট্রেজাৰী, প্রধান সচিব, চেঞ্চেলৰ অৱ এক্সচেকাৰ আদি ইংলেণ্ডৰ মন্ত্রীপৰিষদৰ সদস্যৰে গঠনৰ ব্যৱস্থা কৰা হয়। এই আইনে আইন আয়োগ গঠনৰ ব্যৱস্থা কৰে আৰু আয়োগৰ সদস্য নিযুক্তিৰ ক্ষমতা গবর্ণৰ জেনেৰেলক প্রদান কৰে।
- **১৮৫৩ চনৰ চনদ আইন (Charter Act of 1853)** ঃ ১৮৫৩ চনৰ চনদ আইনে ভাৰতৰ প্রশাসনীয় পদ্ধতিলৈ গুৰত্বপূর্ণ পৰিৱর্তন আনে। এই আইনে বিধান পৰিষদ আৰু কার্যবাহী পৰিষদৰ পৃথকত্ব প্রদান কৰে। গবর্ণৰ জেনেৰেল, কার্যবাহী পৰিষদীয় সদস্য, মুখ্য ন্যায়ধীশ, আৰু বংগদেশৰ উচ্চতম ন্যায়ালয়ৰ এজন ন্যায়াধীশেৰে বিধান পৰিষদ গঠন কৰা হয়।

কোম্পানীৰ চাৰিগৰাকী কৰ্মচাৰীকো এই পৰিষদৰ সদস্য হিচাপে নিযুক্তি প্ৰদান কৰা হয়। চনদ আইনে ইংলেণ্ডৰ ৰজাকো আইন আয়োগ-নিয়োগৰ ক্ষমতা প্ৰদান কৰে। এই আইন আয়োগে ভাৰতৰ আইন আয়োগৰ প্ৰতিবেদনসমূহ পৰীক্ষা কৰা লগতে প্ৰয়োজনীয় পৰামৰ্শও আগবঢ়ায়। আইন বা বিধায়িনী ক্ষেত্ৰত এই আইনে গবর্ণৰ জেনেৰেল পৰিষদৰ শক্তি বৃদ্ধি ঘটায়।



অগ্ৰগতি খতিয়ান

প্ৰশ্ন নং ১ ঃ কোনটো বৰ্ষত পিট্‌ছ ইণ্ডিয়া এক্ট বিহিত কৰা হয়?

.....

.....

প্ৰশ্ন নং ২ ঃ কোনখন আইনে ভাৰতত কেন্দ্ৰীভুত বিধানমণ্ডলৰ সূচনা কৰে?

.....

.....

প্ৰশ্ন নং ৩ ঃ ১৭৭৩ চনৰ ৰেগুলেটিং আইনৰ দুটা চৰ্ত্ত উল্লেখ কৰক?

.....

.....

- **১৮৫৮ চনৰ ভাৰত চৰকাৰ আইন (Government of India Act of 1858) ঃ** ১৮৫৮ চনৰ ভাৰত চৰকাৰ আইন ব্ৰিটিছ সংসদত গৃহীত হয়। এই আইনৰ যোগেদি ভাৰতৰ ওপৰত থকা নিয়ন্ত্ৰণ ইষ্ট ইণ্ডিয়া কোম্পানীৰ পৰা ব্ৰিটিছ ৰাজতন্ত্ৰৰ অধীনলৈ নিয়া হয় আৰু ভাৰত ব্ৰিটিছ চৰকাৰৰ পোনপটীয়া শাসনৰ তললৈ আহে। এই আইনে ভাৰতত ভাইছৰয় পদৰ সৃষ্টি কৰে আৰু ভাইছৰয়ক কাৰ্যবাহী পৰিষদে সহযোগিতা আগবঢ়ায়। ইয়াৰ লগতে এই আইনৰ জৰিয়তে নিয়ন্ত্ৰণ পৰিষদ আৰু কৰ্ট অৱ ডিৰেক্টৰক বিলোপ কৰা হয় আৰু এই দুই এজেন্সিৰ ক্ষমতা ভাৰত চৰকাৰৰ সচিব আৰু ভাৰতীয় পৰিষদলৈ (Indian Council) হস্তান্তৰ কৰা হয়। এই ভাৰত চৰকাৰৰ সচিব গৰাকীয়ে ভাৰতীয় পৰিষদৰ অধ্যক্ষতা কৰে।
- **১৮৬১ চনৰ ভাৰতীয় পৰিষদ আইন (Indian Councils Act of 1861) ঃ** ১৮৬১ চনত ব্ৰিটিছ সংসদত ভাৰতীয় সংসদ আইন গৃহীত হয় আৰু ভাৰতৰ প্ৰশাসনীয় প্ৰক্ৰিয়াত এই আইনখনে গুৰুত্বপূৰ্ণ সংশোধনী ঘটায়। ভাৰতীয় পৰিষদ আইন ১৮৬১ য়ে ভাৰতৰ ভাইছৰয়ৰ কাৰ্যালয়ক কেবিনেট পৰ্যায়ৰ মন্ত্ৰী দপ্তৰলৈ পৰিবৰ্তন ঘটায়। ইয়াৰ বাহিৰেও এই আইনে ভাৰতত বিকেন্দ্ৰীভূত বিধানমণ্ডলীয় ব্যৱস্থাৰ সূচনা কৰে। আইনখনে বোম্বে বিধানপৰিষদ আৰু মাদ্ৰাজ প্ৰেছিডেন্সীক আইন প্ৰণয়ণৰ ক্ষমতা পুনঃ প্ৰদান কৰে। আন আন অধিকাৰ কৃত অঞ্চলৰ সমূহৰ বাবেও এনেধৰণৰ বিধান পৰিষদ গঠন কৰা হয়। বিধান

পৰিষদে গ্ৰহণ কৰা সকলো ধৰণৰ বিধিব্যৱস্থা গবর্ণৰ জেনেৰেলৰ অনুমতিৰ পাছতহে আইনত পৰিণত হয়। এনেদৰে এই আইনে গবর্ণৰ জেনেৰেলক আইন গৃহীত কৰণৰ ক্ষেত্ৰত সার্বভৌম প্ৰতিষেধাজ্ঞা ক্ষমতা প্ৰদান কৰিছিল। নতুন প্ৰদেশ গঠন আৰু বিশেষ নির্দেশ জাৰীৰ ক্ষেত্ৰতো এই আইনে গবর্ণৰ জেনেৰেলক ক্ষমতা প্ৰদান কৰে। ১৮৬১ চনৰ ভাৰতীয় পৰিষদ আইনে এগৰাকী আইন সদস্য নিযুক্তিৰে গবর্ণৰ জেনেৰেলৰ কার্যবাহী পৰিষদৰ শক্তি বৃদ্ধি কৰি তোলে আৰু এনেদৰে পৰিষদৰ সদস্য পাঁচজন হয়গৈ। এনেদৰে ভাৰতত প্ৰতিনিধিত্বমূলক ব্যৱস্থাত এই আইনে গুৰুত্বপূর্ণ পৰিবর্তন সাধন কৰে।

- **১৮৯২ চনৰ ভাৰতীয় পৰিষদ আইন (Indian Councils Act 1892) ঃ** ১৮৯২ চনত ব্ৰিটিছ সংসদত গৃহীতহোৱা ভাৰতীয় পৰিষদ আইনে পৰোক্ষ নির্বাচন নীতি সূচনা কৰে। নির্বাচিত সদস্যসকলে জনসাধাৰণৰ সম্পর্কীয় গুৰুত্বপূর্ণ বিষয়বস্তু সম্পর্কে প্ৰশ্ন কৰিব আৰু আন আন তথ্য পাতি বিচাৰিব পাৰে। এই আইনে কেন্দ্ৰীয় আৰু প্ৰাদেশিক বিধান পৰিষদসমূহত অতিৰিক্ত সদস্য সংখ্যা বৃদ্ধিৰে এই বিলাকক শক্তিশালী কৰি তোলে। ১৮৯২ চনৰ এই আইনে বিধান পৰিষদসমূহৰ আইনী ক্ষমতাও বঢ়াই তোলে। বিশেষ পৰিস্থিতিত বিধান পৰিষদক বিত্তীয় বিষয়ক আলোচনাৰ ক্ষমতাও প্ৰদান কৰে। এনেদৰে ১৮৯২ চনৰ ভাৰতীয় পৰিষদ আইনে পৰোক্ষ নির্বাচন নীতি সূচনাৰ দ্বাৰা প্ৰতিনিধিত্বমূলক চৰকাৰ ব্যৱস্থা প্ৰচলনেৰে ভাৰতৰ সাংবিধানিক অগ্ৰগতি প্ৰক্ৰিয়াটোত গুৰুত্বপূর্ণ ভূমিকা গ্ৰহণ কৰিছিল।
- **১৯০৯ চনৰ ভাৰতীয় পৰিষদ আইন বা মর্লে মিণ্টো সংস্কাৰ (The Indian Councils Act or the Morley-Minto Reforms of 1909) ঃ** ১৯০৯ চনৰ ভাৰতীয় পৰিষদ আইন, যিখন মর্লে -মিণ্টো সংস্কাৰ নামেৰে জনাজাত এই আইনখন ভাৰতৰ সাংবিধানিক বুৰঞ্জীত এক উল্লেখযোগ্য ঘটনা আখ্যা দিয়া হয়। এই আইনে কেন্দ্ৰীয় আৰু প্ৰাদেশিক বিধান পৰিষদৰ পৰিসৰ বৃদ্ধি কৰে। কেন্দ্ৰীয় আৰু প্ৰাদেশিক বিধান পৰিষদৰ ক্ষমতা আৰু কার্য্যৱলী, বিশেষকৈ বিত্তীয় বিষয়ক ক্ষমতাও এই আইনে বঢ়াই তোলে। পৰিষদৰ সদস্যসকলক পৰিষদ পৰিকল্পনা কৰাৰ ক্ষমতা প্ৰদান কৰা হয় যদিও ই চৰকাৰৰ নির্ধাৰিত আর্হি মতে হ'ব লাগিব। এই আইনখনে ৰাজনৈতিক বিধিভংগকাৰী সদস্যক বিধান পৰিষদত অযোগ্য বিবেচনা কৰা প্ৰক্ৰিয়াও সূচনা কৰিছিল। ১৯০৯ চনৰ ভাৰতীয় পৰিষদ আইনে তিনিধৰণৰ নির্বাচক মণ্ডলীৰ ব্যৱস্থা কৰিছিল। এই তিনিটা মণ্ডলী আছিল সাধাৰণ নির্বাচক মণ্ডলী, শ্ৰেণী বা সম্প্ৰদায়ভুক্ত নির্বাচক মণ্ডলী আৰু বিশেষ নির্বাচক মণ্ডলী । সাধাৰণ নির্বাচক মণ্ডলী প্ৰাদেশিক বিধান পৰিষদ, পৌৰসভা আৰু জিলা পৰিষদৰ বেচৰকাৰী সদস্যৰে গঠিত। শ্ৰেণীভূক্ত নির্বাচক মণ্ডলী জমিদাৰ আৰু মুছলমান সম্প্ৰদায়ৰ লোকেৰে গঠিত। বিশেষ নির্বাচক মণ্ডলীত আছিল বিশ্ববিদ্যালয়, বাণিজ্যসংঘ, বন্দৰ ন্যাস, অধ্যক্ষ সংঘ আদি। এই আইনখনৰ আন এক উল্লেখনীয় দিশ আছিল প্ৰথমবাৰৰ বাবে ভাৰতীয়ক কেন্দ্ৰীয় আৰু প্ৰাদেশিক কার্যবাহী পৰিষদত নিযুক্তি প্ৰদান। গৱর্ণৰ জেনেৰেলৰ কার্যবাহী পৰিষদত আইন সদস্য হিচাপে নিযুক্তি লাভ কৰিবলৈ সক্ষম হোৱা প্ৰথম গৰাকী ব্যক্তি আছিল লর্ড সিংহ

(ছাৰ সত্যেন্দ্ৰ প্ৰসন্ন সিংহ)।

ভাৰতীয় পৰিষদ আইন ১৯০৯ য়ে গ্ৰহণ কৰা ডিভাইড এণ্ড ৰুল নীতিৰ বাবে সমালোচিত হৈছিল। কিয়নো এই আইনেই মুছলমানসকলৰ বাবে পৃথক নিৰ্বাচনৰ ব্যৱস্থা কৰিছিল।



অগ্ৰগতি খতিয়ান

প্ৰশ্ন নং ৪ ঃ কোনখন আইনে ভাৰতৰ ওপৰত থকা নিয়ন্ত্ৰণ ইষ্ট ইণ্ডিয়া কোম্পানীৰ পৰা ব্ৰিটিছ ৰাজতন্ত্ৰৰ অধীনলৈ নিয়ে?

.....

.....

প্ৰশ্ন নং ৫ ঃ কোনখন আইনৰ জৰিয়তে বিকেন্দ্ৰীভূত বিধায়িনী ব্যৱস্থা ভাৰতত সূচনা কৰা হয়?

.....

.....

প্ৰশ্ন নং ৬ ঃ ঔপনিবেশিক আন্দোলনত ভাৰতত পৰোক্ষ নিৰ্বাচন নীতি সূচনা কৰা চন হ'ল ..... (খালী ঠাই পূৰ কৰক)।

- **ভাৰত চৰকাৰ আইন,১৯১৯ (Government of India Act of 1919) ঃ** ১৯১৯ চনত ব্ৰিটেইনৰ সংসদত ভাৰত চৰকাৰ আইন গৃহীত হয়। এই আইনখন মণ্টেগু চেমছ্ফৰ্ড সংস্কাৰ আইন(Montague Chelmsford Reforms Act) নামেৰেও জনা যায়। এই আইনৰ জৰিয়তে কেন্দ্ৰীয় আৰু প্ৰাদেশিক চৰকাৰসমূহলৈ বহুখিনি গুৰুত্বপূৰ্ণ পৰিবৰ্তন অনা হয়। কেন্দ্ৰত এই আইনে দ্বৈত বিধানমণ্ডল(Bicameral legislature) ৰ সূচনা কৰে। এই দুই সদন হৈছে- বিধান সভা (Legislative Assembly) (নিম্ন সদন) আৰু ৰাজ্য পৰিষদ (Council of States) (উচ্চ সদন)। দুয়োখন সদনৰে ক্ষমতা আৰু কাৰ্য্যৱলী বৃদ্ধি কৰা হয়। গভৰ্নৰ জেনেৰেলৰ কাৰ্যবাহী পৰিষদত ভাৰতীয় সদস্যৰ সংখ্যা একৰ পৰা তিনিলৈ বৃদ্ধি কৰা হয়। এই প্ৰক্ৰিয়াই প্ৰত্যক্ষ নিৰ্বাচনৰ সূচনা কৰে।

  ১৯১৯ চনৰ ভাৰত চৰকাৰ আইনে প্ৰাদেশিক চৰকাৰ সমূহলৈও বহুখিনি পৰিবৰ্তন আনে। প্ৰদেশ সমূহতো দ্বৈত প্ৰশাসনিক ব্যৱস্থা (Dyarchy) প্ৰচলন কৰা হয়। প্ৰাদেশিক চৰকাৰে সৈতে জড়িত বিষয়সমূহক দুটা ভাগত ভগোৱা হয় - হস্তান্তৰিত (Transferred) বিষয় আৰু সংৰক্ষিত (Reserved) বিষয় । গভৰ্নৰ জেনেৰেলে কোনো বিষয় হস্তান্তৰিত বিভাগৰ পৰা সংৰক্ষিত বিভাগলৈ পৰিবৰ্তন কৰিব পাৰিছিল। গভৰ্নৰে বিধানমণ্ডলৰৰ নিৰ্বাচিত সদস্যৰ পৰা নিজে নিযুক্তি দিয়া মন্ত্ৰীসকলৰ সহায়ত গভৰ্নৰে সংৰক্ষণমূলক বিভাগৰ বিষয়াসমূহ শাসন কৰিছিল।

এই আইনে কেন্দ্রীয় আৰু প্রাদেশিক চৰকাৰৰ চোৱা চিতাৰ বাবে বিষয়সূচী বা বিভাগবোৰৰ তালিকা বণ্টন কৰে। কেন্দ্রীয় সূচীত অর্ন্তভুক্ত বিষয়সমূহ এনেধৰণৰ- প্রতিৰক্ষা, মুদ্রা,বিত্ত, বাণিজ্য, সংযোগ ব্যৱস্থা , টেলিগ্রাফ, বৈদেশিক সম্পর্ক,শুল্ক, ফৌজদাৰী আৰু দেৱানী আইন ইত্যাদি। অন্যহাতেদি প্রাদেশিক সূচীত থকা বিষয়সমূহ হৈছে স্থানীয় স্বায়ত্ত শাসন, শিক্ষা, জনস্বাস্থ্য, কৃষি, পানী যোগান, ৰাজহ আদি। এই আইনে ভাৰতৰ বাবে উচ্চা অযুক্ত (High Commission) পদৰো সৃষ্টি কৰে। এই পদবীৰ কার্যকাল আছিল ৬ বছৰ। ভাৰতৰ সাংবিধানিক প্রগতিত ১৯১৯ চনৰ এই আইনখনক এক মাইলৰ খুঁটি আখ্যা দিব পাৰি কিয়নো ইয়াৰ যোগেদিয়ে ভাৰতত দায়বদ্ধশীল চৰকাৰৰ বাট মুকলি হৈছিল।

- **নেহৰু প্রতিবেদন ১৯২৮ (Nehru Report, 1928) ঃ** ১৯২৮ চনৰ১৯ মে' তাৰিখে ভাৰতৰ জনগণৰ আশা-আকাংক্ষা আৰু দাবীক লৈ আলোচনা কৰিবলৈ এখন সর্বদলীয় বৈঠক অনুষ্ঠিত হৈছিল। এই সন্মিলনৰ পাছত মতিলাল নেহৰুৰ অধ্যক্ষতাত এখন কমিটি গঠন কৰা হয়। ১৯২৮ চনৰ ১৪ আগষ্ট তাৰিখে এই কমিটিয়ে এখন প্রতিবেদন প্রস্তুত কৰি প্রকাশ কৰে। এই প্রতিবেদনৰ কিছুমান গুৰুত্ব পূর্ণ পৰামর্শ আছিল-

  (১) কমিটিখনৰ পৰামর্শ আছিল যে ভাৰতক স্বায়ত্ত শাসিতৰ মর্যাদা (dominion status) প্রদান কৰা হওক। ভাৰতৰ চৰকাৰে সকলো ক্ষমতা আৰু কর্তৃত্ব দেশৰ জনসাধাৰণৰ পৰা লাভ কৰক।

  (২) ভাৰতৰ এখন নিজস্ব সংবিধান হওক আৰু ইয়াৰ মূল বৈশিষ্ট্য হ'ব ধর্মনিৰপেক্ষতা।

  (৩) এই প্রতিবেদনে ভাৰতত ফেডাৰেল/ সংযুক্ত গাঁথনিত চৰকাৰৰ পৰামর্শ আগবঢ়োৱাৰ লগতে কেন্দ্র পর্যায়ত দ্বৈত বিধান মণ্ডলৰ পোষকতা কৰে।

  (৪) ১৯০৯ চনত মর্লে-মিণ্টো শাসন সংস্কাৰে আগবঢ়োৱা সাম্প্রদায়িক নির্বাচক ব্যৱস্থা বিলোপ সাধন আৰু সন্মিলিত নির্বাচক ব্যৱস্থাৰ লগতে সংখ্যালঘূ সকলৰ বাবে সংৰক্ষণৰ সূচনা কৰিবলৈ পৰামর্শ আগবঢ়ায়।

  (৫) ভাৰতীয় সংবিধানে ভাৰতৰ জনসাধাৰণৰ মৌলিক অধিকাৰ প্রদান কৰাৰ পৰামর্শ আগবঢ়ায়।

  (৬) কমিটিখনে এই পৰামর্শও আগবঢ়ায় যে সর্বোচ্চ ন্যায়ালয়ে ভাৰতত চূড়ান্ত আপীল আদালত হওক।

  ১৯২৮ চনৰ ৩১ ডিচেম্বৰ তাৰিখে ভাৰতীয় জাতীয় কংগ্রেছৰ কলিকতা অধিবেশনত নেহৰু প্রতিবেদন গৃহীত হয়। ভাৰতৰ সাংবিধানিক প্রক্রিয়াত এই প্রতিবেদনৰ গভীৰ প্রভাৱ দেখা যায়।

- **১৯৩০ চনৰ চাইমন আয়োগৰ প্রতিবেদন (Simon Commission Report, 1930 ঃ** ১৯২৭ চনত এক আয়োগক ভাৰতত প্রতিনিধিত্ব মূলক চৰকাৰৰ বিকাশৰ সম্ভাৱনা সম্পর্কে অনুসন্ধানৰ দায়িত্ব দিয়া হয়। এই আয়োগৰ অধ্যক্ষ আছিল জন চাইমন আৰু সেয়ে এই আয়োগক চাইমন আয়োগ নামেৰে জনা যায়। এই আয়োগে ১৯৩০ চনত এক প্রতিবেদন

Dominion ঃ ব্রিটিছ সাম্রাজ্যৰ অধীনৰ স্বায়ত্ত শাসিত ৰাজ্য বা দেশ।

প্ৰকাশ কৰে। এই প্ৰতিবেদনত প্ৰাদেশিক অঞ্চলত দ্বৈত প্ৰশাসন বিলোপ সাধন আৰু আইন শৃংখলাকে ধৰি সকলো বিভাগ সামৰি প্ৰাদেশিক চৰকাৰ সমূহক পূৰ্ণ স্বতন্ত্ৰতা দিবলৈ পৰামৰ্শ আগবঢ়ায়। প্ৰাদেশিক চৰকাৰে যাতে স্বতন্ত্ৰতা পায় তাৰ বাবে প্ৰাদেশিক পুঁজি গঠনৰো পৰামৰ্শ আগবঢ়ায়। আয়োগে প্ৰাদেশিক বিধানসভাক বহলোৱাৰ লগতে কেন্দ্ৰীয় বিধান মণ্ডলকো পুনগঠনৰ প্ৰস্তাৱ আগবঢ়ায়। আয়োগৰ দৃষ্টিভংগী আছিল কেন্দ্ৰীয় বিধানসভা দুই তৰপীয়া হওক। এখন সংযুক্ত সভা আৰু আনখন ৰাজ্য পৰিষদ। কেন্দ্ৰীয় বিধান সভাক সংযুক্ত সভা বোলা হওক, যিখন প্ৰাদেশসমূহৰ প্ৰতিনিধি আৰু ব্ৰিটিছ অধিকৃত ভাৰতৰ আন আন অঞ্চলৰ জনসংখ্যা অনুপাতে প্ৰতিনিধি লৈ পুনগঠন হ'ব। আয়োগে সংযুক্ত সভা আৰু ৰাজ্য পৰিষদৰ কাৰ্য্যকালো ক্ৰমে ৫ বছৰ আৰু ৭ বছৰ নিৰ্ধাৰণ কৰে। এই আয়োগে ভাৰতত সংযুক্ত চৰকাৰৰ গাঁথনিৰ পৰামৰ্শ আগবঢ়ায়। আইন সংক্ৰান্তীয় ক্ষেত্ৰত উচ্চ ন্যায়ালয়সমূহ ভাৰত চৰকাৰৰ প্ৰশাসনিক নিয়ন্ত্ৰণ থকাৰ পৰামৰ্শ আগবঢ়ায়।



অগ্ৰগতি খতিয়ান

প্ৰশ্ন নং ৭ ঃ ১৯১৯ চনৰ ভাৰত চৰকাৰ আইনে কেন্দ্ৰত দ্বৈত বিধান মণ্ডলৰ সূচনা কৰে।

(শুদ্ধ /অশুদ্ধ)

প্ৰশ্ন নং ৮ ঃ ১৯২৮ চনৰ নেহৰু প্ৰতিবেদনৰ দুটা পৰামৰ্শ লিখক?

.....

.....

প্ৰশ্ন নং ৯ ঃ চাইমন আয়োগে সংযুক্ত সভাৰ কাৰ্য্যকাল কিমান বছৰ নিৰ্ধাৰণ কৰিছিল?

.....

.....

- **১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন (Government of India Act of 1935) ঃ** ১৯৩৫ চনত ব্ৰিটিছ সংসদত ভাৰত চৰকাৰ আইন ১৯৩৫ গৃহীত হয়। এই আইনখনৰ পৰা ভাৰতৰ সংবিধানৰ আৰ্হি তৈয়াৰ কৰোঁতা সকলে বহুতো মূল্যৱান আৰু দৰকাৰী সমল গ্ৰহণ কৰিছিল। চাইমন কমিছনৰ প্ৰতিবেদনৰ ওপৰত আলোচনা কৰিবলৈ ১৯৩০,১৯৩১ আৰু ১৯৩২ চনত তিনিলানী ঘূৰণীয়া মেজমেল অনুষ্ঠিত হৈছিল। ইয়াৰ ফলশ্ৰুতিতে ১৯৩৫ চনতভাৰত চৰকাৰ আইন গৃহীত হয়। এইখন আছিল এক বহু দীঘল লিখিত দলিল। এই আইনে ভাৰতৰ সকলো প্ৰাদেশিক ৰাজ্যক লৈ এখন সৰ্বভাৰতীয় যুক্তৰাজ্য (All India Federation) গঠনৰ প্ৰস্তাৱ আগবঢ়াইছিল।

১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনে ব্ৰিটিছ সংসদৰ পূৰ্ণাঙ্গ কৰ্তৃত্ব বাহাল ৰাখিছিল। এই আইনে স্পষ্ট ভাৱে কৈছিল যে ভাৰতে দাবী কৰা স্বতন্ত্ৰ মৰ্যাদা লাভৰ সময় আৰু ইয়াৰ

প্রকৃতি সম্পর্কে সিদ্ধান্ত লোৱাৰ অধিকাৰ ব্রিটিছ সংসদৰ থাকিব। এই আইনখনে কেন্দ্রত দুই সদনযুক্ত এখন বিধান পৰিষদ (legislature) সৃষ্টি কৰে। এই বিধান পৰিষদ যুক্তৰাষ্ট্রীয় সভা (নিম্ন সদন) আৰু ৰাজ্যিক পৰিষদ (উচ্চ সদন) ক লৈ গঠন কৰা হৈছিল। ই কেন্দ্রত দ্বৈত প্রশাসনৰ (Dyarchy) সূচনা কৰে। কেন্দ্রীয় বিষয়সমূহত সংৰক্ষিত আৰু হস্তান্তৰিত এই দুটা ভাগত ভগোৱা হয়। যুক্তৰাজ্যিক সূচী, প্রাদেশিক সূচী আৰু সমৱর্তী সূচী প্রস্তুতেৰে ক্ষমতা বিভাজন কৰাৰ লগতে অৱশিষ্ট বিষয়সূচীৰো ব্যৱস্থা ৰাখে। এই আইনে দিল্লীত যুক্তৰাজ্যিয় ন্যায়ালয় প্রতিষ্ঠা কৰে। এই আদালতক মৌলিক আৰু আপীল সম্বন্ধীয় দুই প্রকাৰৰে আইনী ক্ষমতা প্রদান কৰা হয়। আন্তঃ ৰাজ্যিক বিবাদৰ সিদ্ধান্ত দিয়াৰ লগতে উচ্চ ন্যায়ালৰ সিদ্ধান্তৰ ওপৰত আপীল শুনাৰ ক্ষমতাও যুক্তৰাজ্যিয় আদালতক দিয়া হয়। অৱশ্যে চুড়ান্ত আদালত আছিল ইংলেণ্ডৰ মন্ত্রী পৰিষদ। প্রদেশসমূহত দ্বৈত প্রশাসনৰ সলনি প্রাদেশিক স্বায়ত্ততা প্রদান কৰা হয়। প্রাদেশিক বিধানমণ্ডলৰ সদস্য সকলৰ মাজৰ পৰা গবর্ণৰে মন্ত্রী নিযুক্তি দিয়ে। তেঁওলোক প্রাদেশিক বিধানমণ্ডল আৰু প্রদেশখনৰ প্রশাসনিক দিশটো ক্ষেত্রত দায়বদ্ধ হ'ব লাগে। এই আইনে মুঠ এঘাৰখন প্রদেশৰ ভিতৰত ছখন প্রদেশত দ্বৈত বিধানমণ্ডলৰ ব্যৱস্থা কৰে। এই দুই বিধান মণ্ডল থকা প্রদেশ সমূহত বিধান পৰিষদক 'উচ্চ সদন' আৰু বিধান সভাক 'নিম্ন সদন' বোলা হয়। এক যুক্তৰাজ্য লোক সেৱা আয়োগো প্রতিষ্ঠা কৰা হ'ল।



জানি থোৱা ভাল

১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ দুটা মূল ব্যৱস্থা হ'ল-

১। ভাৰতত যুক্তৰাজ্য ৰাজনীতিৰ সূচনা।

২। ব্রিটিছ শাসিত ভাৰতীয় প্রদেশসমূহত প্রাদেশিক স্বতন্ত্রতা প্রতিষ্ঠা।



জানি থোৱা ভাল

বর্তমান ভাৰতত দ্বৈত বিধান মণ্ডল থকা ৰাজ্য কেইখন হৈছে-

(১) অন্ধ্র প্রদেশ (২) বিহাৰ (৩) জম্মু আৰু কাশ্মীৰ (৪) কর্ণাটক (৫) তেলেংগানা (৬) মহাৰাষ্ট্র আৰু (৭) উত্তৰ প্রদেশ।

- **ক্রিপ্ছ মিছন (The Cripps Mission) ঃ** ১৯৪২ চনত ছাৰ ষ্টেফর্ড ক্রিপ্ছৰ নেতৃত্বত ক্রিপ্ছ মিছনক ভাৰতলৈ পঠোৱা হয়। ১৯৪২ চনৰ ২২ মার্চ তাৰিখে এই মিছন ভাৰতত উপস্থিত হয়। মিছনে আন কেতবোৰ প্রস্তাৱৰ লগতে দ্বিতীয় মহাযুদ্ধৰ পাছত ভাৰতক স্বতন্ত্র মর্যাদা প্রদান আৰু সংবিধান সভা গঠনৰ প্রতিশ্রুতি প্রদান কৰে। সংবিধান সভা গঠন বা সংবিধানৰ আৰ্হি প্রস্তুতিত ভাৰতৰ ৰাজ্যসমূহৰ অংশগ্রহণৰ কর্তৃত্ব আছিল। ক্রিপছ মিছনে পৰামর্শ আগবঢ়াইছিল যে সংবিধানৰ আৰ্হি প্রস্তুতলৈকে আৰু দ্বিতীয় মহাযুদ্ধৰ পৰিপ্রেক্ষিতত

প্রতিৰক্ষাৰ দিশত ভাৰতৰ ওপৰত ব্রিটেইনৰ পূর্ণ কর্তৃত্ব থাকিব।

ভাৰতীয় জাতীয় কংগ্রেছ, মুছলীম লীগকে ধৰি প্রায়খিনি ৰাজনৈতিক দল আৰু বিভিন্ন শ্রেণীৰ লোকে বিভিন্ন কাৰণত এই মিচনৰ প্রস্তাৱ অগ্রাহ্য কৰে।

- **১৯৪৬ চনৰ কেবিনেট মিছন প্লেন (The Cabinet Mission Plan 1946)ঃ** ১৯৪৫ চনত দ্বিতীয় মহাযুদ্ধৰ সমাপ্তিত গ্রেইট ব্রিটেইনৰ ৰাজনৈতিক দৃশ্যপটৰ সলনি হয়। ১৯৪৫ চনৰ নির্বাচনত লেবাৰ পার্টীয়ে কনজাৰ্ভেটিভ দলক পৰাজিত কৰি প্রথমবাৰৰ বাবে জয়ী হয়। লেবাৰ পার্টীৰ ক্লিমেণ্ট এট্লী ব্রিটেইনৰ প্রধানমন্ত্রী হয়। এই চৰকাৰখন ভাৰতৰ প্রতি, বিশেষকৈ স্বাধীনতাৰ ক্ষেত্রত সহানুভূতিশীল আছিল। সংবিধান প্রস্তুতকে ধৰি বিভিন্ন দিশ সম্পর্কে আলোচনা কৰিবলৈ ব্রিটিছ প্রধানমন্ত্রী এট্লীয়ে ১৯৪৬ চনত এক উচ্চ ক্ষমতা সম্পন্ন মিছনক ভাৰতলৈ পঠায়। এই মিছনৰ সদস্যসকল আছিল লর্ড পেথিক লৰেঞ্চ, ছাৰ ষ্টাফর্ড ক্রিপ্ছ আৰু মিষ্টাৰ এ.ভি আলেকজেণ্ডাৰ। এই মিছনে ভাৰতীয় নেতাসকলৰ লগতে ভাৰতত থকা ব্রিটিছ অধিকাৰী সকলৰ লগতো পুংখানুপুংখ আলোচনা চলায়। এই আলোচনাৰ পাছত মিছনে এক নতুন সাংবিধানিক ভাৰত প্রতিষ্ঠাৰ বাবে কিছুমান প্রস্তাৱ আগবঢ়ায়। মুখ্য প্রস্তাৱসমূহ এনেধৰণৰ ঃ

(১) ব্রিটিছ অধিকৃত প্রদেশ আৰু ভাৰতৰ আন আন ৰজাশাসিত ৰাজ্যসমূহ (Princely States) লগ লগাই অখণ্ড ভাৰত প্রতিষ্ঠা কৰা।

(২) এই অখণ্ড বা সংযুক্ত ভাৰতে বৈদেশিক পৰিক্রমা, প্রতিৰক্ষা আৰু যোগাযোগ আদি বিষয় সমূহ চোৱাচিতা কৰিব।

(৩) এই অখণ্ড ভাৰত সংঘ (Indian Union)ত ব্রিটিছ অধিকৃত প্রদেশ (British India)ৰ লগতে দেশীয় ৰাজ্যসমূহৰ প্রতিনিধি থাকিব।

(৪) প্রদেশসমূহক তিনিটা গোট A,B আৰু C ত ভাগ কৰা যাব। গোট A গঠিত হ'ব মাদ্রাজ, বম্বে, উত্তৰ প্রদেশ, বিহাৰ, মধ্যপ্রদেশ আৰু উৰিষ্যা; গোট B ত থাকিব পঞ্জাৰ, উত্তৰ পশ্চিম সীমান্ত প্রদেশ আৰু সিন্ধু। গোট C ত থাকিব বংগ আৰু অসম।

(৫) ভাৰতৰ সংবিধান পৰিকল্পনাৰ বাবে এখন সংবিধান সমিতি গঠন কৰা হ'ব। এই সমিতিৰ সদস্যসকলক প্রাদেশিক বিধান সভাৰ পৰা নির্বাচন কৰা হ'ব।

(৬) ইয়াৰ উপৰি প্রধান ৰাজনৈতিক দলসমূহৰ চৈধ্যজন প্রতিনিধিৰে এখন অন্তৰ্বর্তীকালীন চৰকাৰ গঠন কৰা হব বুলি এই মিছনে প্রস্তাৱ আগবঢ়ায়।

প্রথমাৱস্থাত ভাৰতীয় জাতীয় কংগ্রেছে এই প্রস্তাৱসমূহ মানি লৈছিল কিন্তু মুছলীম লীগৰ নেতা মহম্মদ আলি জিন্নাই প্রত্যাখ্যান কৰে আৰু অন্তৰ্বর্তী কালীন চৰকাৰ ত্যাগ কৰে।

ভাৰতীয় জাতীয় কংগ্রেছ আৰু মুছলীম লীগৰ মাজত মতানৈক্য আৰু বৃদ্ধি পায়। এনে সংকট কালত লর্ড মাউণ্টবেটেনে ভাৰতক দুটা ভাগত ভাৰত আৰু পাকিস্তান হিচাপে ভাগ কৰাৰ প্রস্তাৱ আগবঢ়ায়।

লুইচ ফ্রেনচিছ এলবার্ট ভিক্টৰ নিকোলাচ মাউণ্টবেটেন ২৫ জুন, ১৯০০— ২৭ জুন, ১৯৭৯)ঃ তেওঁ ভাৰতৰ বৃটিছ সাম্রাজ্যৰ অন্তিমজন ভাইচৰয় আছিল আৰু ১৯৪৭ চনত ভাৰতৰ স্বাধীনতা লাভৰ পাছত প্রথমজন গভর্নৰ জেনেৰেল আছিল।

কংগ্রেছ আৰু মুছলীম লীগ দুয়ো পক্ষই এই প্রস্তাৱ গ্রহণ কৰে। ***মাউণ্টবেটেনৰ*** আঁচনি অনুসৰিয়েই ব্রিটিছ সংসদত ১৯৪৭ চনৰ ১৮ জুলাইত **ভাৰতীয় স্বাধীনতা আইন** পাছ হয়। আৰু তাৰেই ফলশ্রুতিত ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ভাৰত এখন স্বাধীন ৰাষ্ট্র ৰূপে পৰিগণিত হয়। কেবিনেট মিছনৰ প্রস্তাৱ অনুসৰিয়েই সংবিধান সমিতিখন প্রতিনিধিত্বমূলক সমিতি ৰূপত গঢ়ি তোলা হয়। সংবিধান প্রস্তুত হৈ উঠালৈকে সংবিধান সমিতিখনে স্বয়ত্তশাসিত বিধানমণ্ডল হিচাপে কার্য কৰিছিল আৰু ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ দফা সমূহৰ কিছু অত্যাৱশ্যকীয় সালসলনি ঘটাই ভাৰতৰ প্রশাসন চলোৱা হৈছিল।



জানি থোৱা ভাল

ভাৰতৰ সংবিধান হৈছে যুক্তৰাষ্ট্রীয় গাঁথনিৰ। কিন্তু সংবিধানে ভাৰতক এক একক ৰাষ্ট্র হিচাপেহে ব্যাখ্যা দিয়ে। ভাৰতৰ সংবিধানৰ প্রথম দফাতেই ভাৰতক এখন অখণ্ড বা একক ৰাষ্ট্র হিচাপেহে কোৱা হৈছে।



অগ্রগতি খতিয়ান

প্রশ্ন নং ১০ঃ কোনখন আইন অনুযায়ী যুক্তৰাষ্ট্রীয় আদালত প্রতিষ্ঠা কৰা হয়?

.....

.....

প্রশ্ন নং ১১ঃ কোনখন আঁচনিয়ে ভাৰতক দুটা ভাগত— ভাৰত আৰু পাকিস্তান হিচাপে ভাগ কৰাৰ প্রস্তাৱ আগবঢ়ায়?

.....

.....

প্রশ্ন নং ১২ঃ ১৯৪৫ চনৰ নির্বাচনত ব্রিটেইনত কোনটো দলে চৰকাৰ গঠন কৰিছিল?

.....

.....

প্রশ্ন নং ১৩ঃ কেবিনেট মিছনত আগবঢ়োৱা দুটা প্রস্তাৱ উল্লেখ কৰক।

.....

.....



২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতৰ সংবিধান প্ৰস্তুতি আৰু গ্ৰহণৰ এক দীঘলীয়া ইতিহাস আছে। ঔপনিবেশিক কালত বিহিত হোৱা ভালেকেইখন আইনে ভাৰতৰ সংবিধান প্ৰণয়ন প্ৰক্ৰিয়াটোত অৱদান আগবঢ়াইছে।
- ভাৰতৰ সাংবিধানিক অগ্ৰগতিত প্ৰভাৱ পেলোৱা উল্লেখযোগ্য আইন সমূহ হৈছে- ১৭৭৩ চনৰ ৰেগুলেটিং এক্ট, পিট্‌ছ ভাৰত এক্ট ১৭৮৪ চনৰ, চনদ আইন ১৮১৩,১৮৩৩ আৰু ১৮৫৩ ।
- ১৮৫৮ চনৰ ভাৰত চৰকাৰ আইনে ভাৰতৰ শাসন ক্ষমতা কোম্পানীৰ পৰা ব্ৰিটিছ ৰাজতন্ত্ৰৰ তললৈ নিয়ে। ফলস্বৰূপে ভাৰত ব্ৰিটিছ চৰকাৰৰ পোনপটীয়া শাসনৰ অধীন হয়। ১৮৬১ চনৰ ভাৰতীয় পৰিষদ আইনে ভাৰতৰ শাসন প্ৰক্ৰিয়াটোত নিৰ্দিষ্ট সংশোধন আনে।
- ১৮৯২ চনৰ ভাৰতীয় পৰিষদ আইনৰ ভাৰতৰ সাংবিধানিক অগ্ৰগতিত গুৰুত্বপূৰ্ণ ভূমিকা আছে। এই আইনে ভাৰতত পৰোক্ষ নিৰ্বাচন নীতিৰ আৰম্ভণি ঘটায়।
- ১৯০৯ চনৰ ভাৰতীয় পৰিষদ আইন যিখন মৰ্লে- মিণ্টো সংস্কাৰ নামেৰে জনাজাত ভাৰতৰ সাংবিধানিক ইতিহাসত লেখত লবলগীয়া গুৰুত্ব আছে। এই আইনে তিনিধৰণৰ নিৰ্বাচক মণ্ডলীৰ ব্যৱস্থা কৰিছিল। যেনে- সাধাৰণ নিৰ্বাচক, শ্ৰেণীভুক্ত নিৰ্বাচক, আৰু বিশেষ নিৰ্বাচক মণ্ডলী।
- ১৯১৯ চনৰ ভাৰত চৰকাৰ আইনে কেন্দ্ৰত দ্বৈত বিধানমণ্ডলৰ সূচনা কৰে। প্ৰদেশসমূহতো দ্বৈত প্ৰশাসন ব্যৱস্থা আৰম্ভণি ঘটায়।
- ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনত বহুতো মূল্যবান আৰু দৰকাৰী দফা ভাৰতৰ সংবিধান প্ৰস্তুত কৰোঁতাসকলে গ্ৰহণ কৰিছিল।
- ঔপনিৱেশিক আমোলৰ কিছুমান আয়োগৰ প্ৰতিবেদনেও ভাৰতৰ সাংবিধানিক অগ্ৰগতিত অৱদান আগবঢ়াইছিল। তেনে কিছুমান প্ৰতিবেদন আছিল- নেহৰু প্ৰতিবেদন ১৯২৮ , চাইমন কমিছন প্ৰতিবেদন ১৯৩০, ক্ৰিপছ্‌ মিছন প্ৰতিবেদন ১৯৪২ ,কেবিনেট মিছন প্ৰতিবেদন ১৯৪৬
- ১৯৪৭ চনৰ ১৮ জুলাইত ব্ৰিটিছ সংসদত ভাৰতৰ স্বাধীনতা আইন গৃহীত হয় আৰু তাৰ ফলশ্ৰুতিত ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰত স্বাধীন ৰাষ্ট্ৰত পৰিণত হয়। সংবিধান সভাই স্বাধীন ভাৰতৰ সংবিধান প্ৰস্তুত কৰে।



২.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০ ।*ভাৰতৰ প্ৰশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শৰ্মা, দুৰ্গা কান্ত , ৰফিক, জামান আৰু শৰ্মা ,ড° পূৰবী ২০০৫ । *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ ২০১১ ।*স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi : Cosmos Bookhive Pvt. Ltd.

2) Ghai, K.K.(2007). *Indian Government and Politics*.New Delhi: Kalyani Publishers.

3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions*.New Delhi : S. Chand and Company.



২.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ১৭৮৪

২ নং প্ৰশ্নৰ উত্তৰ ঃ ১৮৩৩ চনৰ চনদ আইন

৩ নং প্ৰশ্নৰ উত্তৰ ঃ (i) বংগৰ গবৰ্ণৰক গবৰ্ণৰ জেনেৰেল নিযুক্তি দিয়া হয়। তেওঁক সহায়ৰ বাবে গৱৰ্ণৰ জেনেৰেলে চাৰিজন সদস্যৰ এখন পৰিষদ গঠন কৰে।

(ii) গৱৰ্ণৰ জেনেৰেল আৰু তেওঁৰ পৰিষদক কোম্পানী শাসিত অঞ্চলসমূহও আইন প্ৰণয়ন, শৃংখলা বজাই ৰখাৰ বাবে আদেশ জাৰীৰ ক্ষমতা প্ৰদান কৰা হয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ১৮৫৮ চনৰ ভাৰত চৰকাৰ আইন

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ১৮৬১ ভাৰতীয় পৰিষদ আইন

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ১৮৯২

৭ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৮ নং প্ৰশ্নৰ উত্তৰ ঃ (i) কমিটিখনে ভাৰতক স্বতন্ত্ৰ মৰ্যাদা প্ৰদান কৰাৰ পৰামৰ্শ আগবঢ়ায়। ভাৰত চৰকাৰৰ সকলো ক্ষমতা আৰু কৰ্তৃত্বৰ উৎস হ'ব দেশৰ জনসাধাৰণ।

(ii) ভাৰতৰ নিজস্ব সংবিধান থাকিব যিখনত ধৰ্মনিৰপেক্ষা মূল গুণ হিচাপে বিবেচিত হ'ব।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ ৫ বছৰ

১০ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰত চৰকাৰ আইন ১৯৩৫

১১ নং প্ৰশ্নৰ উত্তৰ ঃ মাউণ্টবেটেন আঁচনি

১২ নং প্ৰশ্নৰ উত্তৰ ঃ লেবাৰ পার্টী।

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ (i) ব্ৰিটিছ অধিকৃত প্ৰদেশ আৰু আন আন ৰাজশাসীত ৰাজ্যসমূহ লগ লগাই এক অখণ্ড ভাৰত গঠন কৰা।

(ii) ভাৰতৰ সংবিধানৰ খচৰা প্ৰস্তুতৰ বাবে সংবিধান সমিতি গঠন কৰা। সংবিধান সমিতিৰ সদস্যসকল প্ৰাদেশিক বিধান সভাসমূহৰ পৰা নিৰ্বাচিত হ'ব লাগিছিল।



২.৭ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ ভাৰতৰ প্ৰথম গৱৰ্ণৰ জেনেৰেল কোন?

প্ৰশ্ন ২ ঃ কোনখন আইনে মুছলিম সম্প্ৰাদায়ৰ বাবে বিশেষ নিৰ্বাচকৰ সূচনা কৰিছিল?

প্ৰশ্ন ৩ ঃ ১৮৮৪ চনৰ পিট্‌ছ ইণ্ডিয়া এক্টে আগবঢ়োৱা নিয়ন্ত্ৰণ পৰিষদ (বৰ্ড অৱ কণ্টল)ৰ গঠন সম্পৰ্কে লিখক?

প্ৰশ্ন ৪ ঃ ১৯১৯ চনৰ ভাৰত চৰকাৰ আইন অনুসৰি কেন্দ্ৰীয় সূচীত অন্তৰ্ভুক্ত যিকোনো চাৰিটা বিষয় উল্লেখ কৰক?

(খ) চু টি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ১৭৭৩ চনৰ ৰেগুলেটিং এক্ট সম্পৰ্কে চমুটোকা লিখক?

প্ৰশ্ন ২ ঃ ১৮৬১ চনৰ ভাৰতীয় পৰিষদ আইন অনুযায়ী ভাৰতত হোৱা পৰিবৰ্তনসমূহ চমুকৈ আলোচনা কৰক?

প্ৰশ্ন ৩ ঃ ১৯০৯ চনৰ ভাৰতীয় পৰিষদ আইন বা মৰ্লে-মিণ্টো সংস্কাৰে ভগোৱা নিৰ্বাচকৰ তিনিটা ভাগ সম্পৰ্কে লিখক?

প্ৰশ্ন ৪ ঃ ১৯৩০ চনৰ ছাইমন আয়োগ সম্পৰ্কে চমুটোকা লিখক?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ১৭৭৩ চনৰ পৰা ১৯০৯ চনৰ সময়ছোৱাত ভাৰতক সাংবিধানিক অগ্ৰগতি প্ৰক্ৰিয়াটোৰ সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ১৯১৯ চনৰ আৰু১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন দুখনে ভাৰতৰ সাংবিধানিক অগ্ৰগতিত কিদৰে আৱদান আগবঢ়াইছে ব্যাখ্যা কৰক?

প্ৰশ্ন ৩ ঃ ১৯১৯ চনৰ পৰা ১৯৪৭ চনলৈকে ভাৰতৰ সাংবিধানিক অগ্ৰগতিৰ সম্পৰ্কে আলোচনা কৰত?

*** ***** ***

অধ্যায় ৩ ঃ ভাৰতৰ সংবিধান প্ৰনয়ন

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ ভাৰতৰ সংবিধান প্ৰস্তুত প্ৰণালী

৩.৪ সংবিধান সভা গঠন

৩.৫ খচৰা সমিতি

৩.৬ ভাৰতৰ সংবিধানৰ সংগ্ৰহণ

৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৮ অধিক জানিবলৈ

৩.৯ অগ্ৰগতিৰ খতিয়ান

৩.১০ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঃ

- সংবিধান সভা গঠন সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব
- খচৰা কমিটিৰ ভূমিকা সম্পৰ্কে বিশ্লেষণ কৰিব পাৰিব
- ভাৰতৰ সংবিধানৰ সংগ্ৰহণ প্ৰক্ৰিয়াৰ আলোচনা কৰিব পাৰিব।

৩.২ পৰিচয়

কুৰি শতিকাৰ দ্বিতীয় দশকৰ শেষৰফালে ভাৰতীয়সকলৰ মাজত আত্মনিৰূপন (self-determination), স্বনিয়ন্ত্ৰণৰ অধিকাৰ আৰু নিজা এখন সংবিধানক লৈ সজাগতা গঢ় লৈ উঠে। আমি আগৰ অধ্যায়ত স্বাধীনতা আন্দোলনৰ সময়ছোৱাত ভাৰতত কিদৰে সংবিধান এখনৰ দাবী উত্থাপিত হৈছিল তাক আলোচনা কৰি আহিছো। কুৰি শতিকাৰ প্ৰাৰম্ভিক কালছোৱাত এই দাবী তীব্ৰতৰ হৈ উঠে। প্ৰথম বিশ্ব যুদ্ধৰ সময়ত বাল গংগাধৰ তিলক আৰু এনীবেচান্তে হ'ম ৰুল (Home Rule) আন্দোলনৰ সূচনা কৰে। এই ঘটনাটোক ভাৰতৰ সাংবিধানিক অগ্ৰগতিৰ প্ৰক্ৰিয়াটোৰ এক মাইলৰ খুঁটি আখ্যা দিয়া হয়। এই অধ্যায়ত আমি সংবিধান সভা আৰু খচৰা সমিতিৰ ভূমিকাৰ বিশেষ উল্লেখেৰে ভাৰতৰ সাংবিধানিক অগ্ৰগতিৰ প্ৰক্ৰিয়াটোৰ আলোচনা আগবঢ়াম।

৩.৩ ভাৰতীয় সংবিধানৰ প্ৰস্তুতপ্ৰণালী

স্বাধীনতা আন্দোলনৰ সময়ছোৱাত স্বাধীন ভাৰতৰ সংবিধানৰ আৰ্হি তৈয়াৰৰ বাবে সংবিধান সভা গঠনৰ দাবী উঠে। ইয়াৰ ফলতেই দীৰ্ঘদিনীয়া আন্দোলনৰ পাছত ভাৰতত সংবিধান সভা গঠন হয়। ১৯৪৬ চনৰ ৯ ডিচেম্বৰত সংবিধান সভাৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হয়। ১৯৪৬ চনৰ ৯ ডিচেম্বৰত তাৰিখৰ পৰা প্ৰায় তিনিবছৰ কাল সংবিধান সভাই সংবিধান প্ৰস্তুতিৰ কামত নিয়োজিত আছিল। তাৰ ফলশ্ৰুতিতে সংবিধান সভাৰ আশাশুধীয়া প্ৰচেষ্টাত ১৯৪৯ চনৰ ২৬ নৱেম্বৰ তাৰিখে ভাৰতৰ সংবিধান গৃহীত হয় আৰু ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখৰ পৰা কাৰ্যকৰী কৰা হয়। ভাৰতৰ সংবিধানক ধাৰ কৰা সংবিধান আখ্যা দিয়া হয়। সংবিধান প্ৰস্তুত কৰা সকলে সেই সময়ত বিভিন্ন দেশত প্ৰচলিত সংবিধানসমূহৰ পৰা উত্তম বৈশিষ্ট্য সমূহ ভাৰতৰ জনসাধাৰণ প্ৰয়োজনীয়তাৰ লগত খাপ খুৱাকৈ ভাৰতৰ সংবিধানৰ অংগীভুত কৰি লৈছিল।

৩.৪ সংবিধান সভাৰ গঠন

কুৰি শতিকাৰ প্ৰথম অৰ্ধত ভাৰতীয় সকলৰ মাজত আত্মনিৰ্ভপনৰ দাবী নতুন উদ্যমেৰে ঠন ধৰি উঠে। ১৯১৮ চনত বহা ভাৰতীয় জাতীয় কংগ্ৰেছৰ ৩৩ সংখ্যক অধিবেশনত ঘোষণা কৰা হয় যে ভাৰতীয় সকলৰ আত্মনিৰ্ভপনৰ অধিকাৰ আছে আৰু তাৰ বাবে ভাৰতক এখন নিজা সংবিধানৰ প্ৰয়োজন। ১৯২৪ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভাপতি মতিলাল নেহৰুৰে ভাৰতৰ সংবিধানৰ বাবে এক আঁচনি তৈয়াৰৰ দাবী উত্থাপন কৰে। ১৯২৭ চনত বম্বেত বহা ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিৱেশনত পুনৰ সিদ্ধান্ত লোৱা হয় যে কংগ্ৰেছৰ কাৰ্যবাহী কমিটিয়ে কেন্দ্ৰীয় আৰু প্ৰাদেশিক বিধানমণ্ডলৰ নিৰ্বাচিত সদস্যসকলৰ লগত আলোচনা কৰি ভাৰতৰ সংবিধানৰ আৰ্হি তৈয়াৰ কৰিব। ১৯৩৪ চনত অগ্ৰণী ৰাজনৈতিক চিন্তাবিদ আৰু ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ প্ৰতিষ্ঠাপক এম. এন. ৰয়ে প্ৰথম বাৰৰ বাবে সংবিধানৰ আৰ্হি প্ৰস্তুতৰ বাবে সংবিধান সভাৰ দাবী উত্থাপন কৰে। তদুপৰি সেই একে বছৰতে স্বৰাজ দলেও এই দাবী কাৰ্য তৎপৰ কৰি তোলে। ভাৰতীয় জাতীয় কংগ্ৰেছেও ১৯৩৬ চনৰ ২৮ ডিচেম্বৰ তাৰিখে ফৈজপুৰ অধিবেশনত এই দাবী পুনৰুত্থাপন কৰে। ১৯৩৯ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ কাৰ্যবাহী কমিটিয়ে ভাৰতৰ স্বাধীনতা আৰু সংবিধান সভাৰ দাবী তোলে। ১৯৪২ চনৰ মাৰ্চ মাহ ছাৰ ষ্টাফৰ্ড ক্ৰিপছ ব্ৰিটেইনৰ ৰাজকীয় চৰকাৰৰ প্ৰস্তাৱ লৈ ভাৰতলৈ আহোঁতে ভাৰতীয়সকলৰ সংবিধান সভা গঠনৰ দাবী অৰ্পন কৰা হয়। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত ব্ৰিটেইনে জাপানৰ পৰা যেতিয়া ভাবুকিৰ সন্মুখীন হ'ল তেতিয়া ব্ৰিটেইন চৰকাৰে ভাৰতীয় জাতীয় কংগ্ৰেছৰ পৰা সহযোগিতা বিচাৰি আলোচনাৰ বাবে সাজু হ'ল। ভাৰতীয় জাতীয় কংগ্ৰেছে সংবিধান সভাৰ অভিমতৰ বাহিৰে ছাৰ ষ্টাফৰ্ড ক্ৰিপছৰ প্ৰস্তাৱ যথোপযুক্ত নোহোৱাত প্ৰত্যাখ্যান কৰে।

দ্বিতীয় মহাযুদ্ধৰ অন্তত লেবাৰ দলে ব্ৰিটেইনত চৰকাৰ গঠন কৰে আৰু ভাৰতীয় সকলৰ স্বাধীনতাৰ দাবী গ্ৰহণ কৰে। ব্ৰিটিছ চৰকাৰে ক্ষমতা হস্তান্তৰ সম্পৰ্কে ভাৰতীয় নেতাসকলৰ লগত আলোচনা কৰিবলৈ ১৯৪৬ চনত ক্ষমতা সম্পন্ন কেবিনেট মিছনক ভাৰতলৈ পঠায় আৰু

এই মিছনে স্বাধীন ভাৰতৰ সংবিধান প্ৰনয়নৰ বাবে সংবিধান সভাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। অৱদমিত শ্ৰেণীৰ প্ৰতিনিধি, বিভিন্ন প্ৰদেশসমূহৰ প্ৰতিনিধি আৰু ৰাজ্যসমূহৰ ১ নিযুত জনসংখ্যাৰ অনুপাতে এজন কৈ সদস্য প্ৰতিনিধিৰে সংবিধান সভা গঠনৰ পৰিকল্পনা কৰা হয়। ১৯৪৬ চনৰ জুলাই মাহত কেবিনেট মিছন প্লেনৰ অধীনত সংবিধান সভাৰ নিৰ্বাচন অনুষ্ঠিত হয়। সৰ্বমুঠ ২১০ খন সাধাৰণ আসনৰ ভিতৰত কংগ্ৰেছে ১৯৯ খন আৰু ৭৮খন মুছলমান আসনৰ ভিতৰত মুছলীম লীগে ৭৩ খন আসনত জয়ী হয়। সংবিধান সভালৈ বহুতো উচ্চ পদস্থ কংগ্ৰেছ আৰু মুছলীম লীগৰ নেতা, প্ৰখ্যাত ৰাজনীতিজ্ঞ ব্যক্তি, প্ৰশাসক, প্ৰখ্যাত আইনৰত, সমাজ কৰ্মী নিৰ্বাচিত হয়। ১৯৪৬ চনৰ ৯ ডিচেম্বৰ তাৰিখে সংবিধান সভা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হয় যদিও মুছলীম লীগে সুকীয়া সংবিধান সভা আৰু পাকিস্তান গঠনৰ দাবী জনাই এই কাৰ্য্যসূচী বৰ্জন কৰে। মাউণ্টবেটেন আঁচনিত সুকীয়া পাকিস্তান গঠন আৰু সুকীয়া সংবিধান সভা গঠনৰ দাবী মানি লয়।

ভাৰত বিভাজন সংঘটিত হোৱাৰ লগে লগে সংবিধান সভা গঠনৰ দিশতো ব্যাপক পৰিবৰ্তন আহে। কাৰণ দেশৰ কিছুমান অঞ্চল আৰু প্ৰদেশ পাকিস্তানৰ লগত চামিল হয়; ফলস্বৰূপে সংবিধান সভাত প্ৰতিনিধিত্ব কৰাৰ যোগ্যতা হেৰুৱায়। সংবিধান সভাৰ সদস্য সংখ্যা ৩৮৯ খন পৰা ২৯৯ লৈ কমে। ৰজাৰ দ্বাৰা শাসিত ৰাজ্যৰ প্ৰতিনিধিৰ সংখ্যা ৯৩ ৰ পৰা ৭০ পায়হি আৰু চীফ কমিছনাৰৰ দ্বাৰা শাসিত প্ৰদেশৰ সংখ্যা ২৯৬ ৰ পৰা ২২৯ হয়।

সংবিধান সভাৰ প্ৰথম বৈঠক অনুষ্ঠিত হয় ১৯৪৬ চনৰ ৯ ডিচেম্বৰ তাৰিখে ড° শচীদানন্দ সিনসাৰ অধ্যক্ষতাত আৰু ১৯৪৬ চনৰ ১১ ডিচেম্বৰ তাৰিখে ড° ৰাজেন্দ্ৰপ্ৰসাদ স্থায়ী অধ্যক্ষ হিচাপে নিৰ্বাচিত হয়। সংবিধান সভাত কেইবাখনো উপকমিটি আছিল। তাৰ ভিতৰত খচৰা কমিটি আছিল উল্লেখযোগ্য।

লক্ষ্য-প্ৰস্তাৱ (Objective Resolution) ঃ

১৯৪৬ চনৰ ১৩ ডিচেম্বৰত জৱাহৰলাল নেহৰুৱে সংবিধানৰ লক্ষ্য-প্ৰস্তাৱ দাঙি ধৰে যি ভাৰতীয় সংবিধানৰ আদৰ্শ গাঁথনি দাঙি ধৰিব পাৰে। সংবিধান সভাৰ প্ৰথম দুখন আলোচনা সত্ৰত লক্ষ্যবস্তু নিৰ্ধাৰণ সম্পৰ্কে আলোচিত হয়। ১৯৪৭ চনৰ ২২ জানুৱাৰী তাৰিখে সংবিধান সভাই সংবিধানৰ উদ্দেশ্য বা লক্ষ্যবস্তু নিৰ্ধাৰণ কৰি গৃহীত কৰে। এই সমূহ আছিল এনেধৰণৰ-

- এই সংবিধান সভাই দৃঢ় আৰু পবিত্ৰ ভাৱে সিদ্ধান্ত ঘোষণা কৰে যে ভাৰত এখন সাৰ্বভৌম স্বাধীন গণৰাজ্য আৰু এই দেশৰ ভৱিষ্যত চৰকাৰৰ কাৰণে এখন সংবিধান প্ৰণয়ণ কৰিব।
- ঔপনিবেশিক ভাৰতৰ অন্তৰ্গত প্ৰদেশসমূহ, ভাৰত ৰাষ্ট্ৰ নিৰ্মাণত কৰা ৰাজ্যসমূহ, ঔপনিবেশিক ভাৰতৰ বাহিৰৰ ভাৰতৰ অংশসমূহ আৰু আন আন প্ৰাদেশিক অঞ্চলসমূহ যি বিলাকে ইচ্ছাকৃত ভাৱে সাৰ্বভৌম স্বাধীন ভাৰতৰ গঠন কৰিব বিচাৰে, অখণ্ড ভাৰত সকলোৰে বাবে হ'ব।
- সাৰ্বভৌম স্বাধীন ভাৰতৰ সাংবিধানিক অংশ আৰু চৰকাৰী অংগসমূহৰ সকলোধৰণৰ ক্ষমতা আৰু কৰ্তৃত্বৰ উৎস হৈছে দেশৰ জনসাধাৰণ।

- ভাৰতৰ সংবিধানে ইয়াৰ সকলো জনসাধাৰণৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, আইন আদি অধিকাৰৰ সুৰক্ষা আৰু নিশ্চিতি প্ৰদান কৰিব। আইনৰ আগত সকলোৱে সমমৰ্যাদা আৰু সুবিধা লাভ কৰিব। ভাব-চিন্তা প্ৰকাশ, বিশ্বাস, পূজা-সেৱা, বৃত্তি, সামূহিক কাম-কাজ আদিৰ স্বাধীনতা লাভ কৰিব।
- সংখ্যালঘূসকল, সমাজৰ পিছপৰা শ্ৰেণী, জনজাতি আৰু জনজাতীয় অঞ্চলসমূহক উপযুক্ত সুৰক্ষা আগবঢ়াব।
- গণৰাজ্যখনৰ প্ৰদেশসমূহৰ মাজত ঐক্য বৰ্তী থাকিব আৰু ইয়াৰ ভূমি, সাগৰ আৰু আকাশমাৰ্গৰ ওপৰত আইন অনুসৰি সাৰ্বভৌম কৰ্তৃত্ব থাকিব।
- এই প্ৰাচীন ভূমি খণ্ডই পৃথিৱীত সন্মানীয় আৰু বৈধ অধিকাৰ যুক্ত ঠাই হিচাপে মৰ্যাদা লাভ কৰিব আৰু বিশ্ব শান্তি আৰু মানৱতাৰ কল্যাণৰ হকে অৱদান আগবঢ়াব।

এই উদ্দেশ্য বা লক্ষ্যসমূহে ভাৰতীয় জনসাধাৰণৰ প্ৰাথমিক আৱশ্যকতা সমূহকে আলোকপাত কৰে আৰু এইবোৰ ভাৰতীয় জনসাধাৰণৰ উজ্জ্বল ভৱিষ্যতৰ বাবে উচৰ্গিত।



অগ্ৰগতি খতিয়ান

প্ৰশ্ন নং ১ঃ ভাৰতত হ'ম ৰুল লীগ আন্দোলন কোনে আৰম্ভ কৰিছিল?

.....

প্ৰশ্ন নং ২ঃ ভাৰতৰ জাতীয় কংগ্ৰেছৰ ফৈজপুৰ অধিবেশন কোন চনত অনুষ্ঠিত হৈছিল?

.....

প্ৰশ্ন নং ৩ঃ জৱাহৰলাল নেহৰুৱে সংবিধানৰ লক্ষ্য-প্ৰস্তাৱ ..... চনত দাঙি ধৰে। (খালী ঠাই পূৰ কৰক)

প্ৰশ্ন নং ৪ঃ সংবিধান সভাৰ স্থায়ী অধ্যক্ষ কোন আছিল?

.....

প্ৰশ্ন নং ৫ঃ কোনটো বৰ্ষত কেবিনেট মিছন ভাৰতলৈ আহিছিল?

.....

প্ৰশ্ন নং ৬ঃ সংবিধান সভা গঠন সম্পৰ্কে চমুকৈ লিখক?

.....

.....

.....

৩.৫ খচৰা কমিটি

সংবিধান সভাৰ পৰিসীমাৰ ভিতৰত কেইবাখনো উপ কমিটি আছিল। এই কমিটিসমূহৰ ভিতৰত গুৰুত্বপূৰ্ণ কমিটিখন আছিল খচৰা কমিটি। বিভিন্ন কমিটিৰ প্ৰতিবেদনসমূহৰ ওপৰত সিদ্ধান্ত গ্ৰহণ কৰি সংবিধানৰ খচৰা প্ৰস্তুত কৰা কমিটিখনৰ অধ্যক্ষতা কৰিছিল ***ড° বি. আৰ. আম্বেদকাৰে***। ১৯৪৭ চনৰ ২৯ আগষ্ট তাৰিখে সংবিধানৰ খচৰা কমিটিখন গঠন কৰা হৈছিল আৰু এই কমিটিৰ সদস্যসকল আছিল-ড° বি. আৰ. আম্বেদকাৰ (অধ্যক্ষ), এন. গোপালাস্বামী আয়েংগাৰ, আল্লাডী কৃষ্ণস্বামী আয়াৰ, ড° কে. এম. মুন্সী, ছৈয়দ মহম্মদ ছাদুল্লা, এন মাধৱা ৰাও আৰু ডি.পি. খৈতান। ডি. পি. খৈতানৰ মৃত্যুৰ পাছত টি.টি. কৃষ্ণমাচাৰীক সদস্য নিযুক্তি দিয়া হয়।

ড° বি. আৰ. আম্বেদকাৰৰ নেতৃত্বাধীন খচৰা কমিটিয়ে ৩৯৭ টা দফা (আৰ্টিকোল) আৰু ৮ টা অনুসূচী যুক্ত খচৰাখন সংবিধান সভাক প্ৰদান কৰে। খচৰা কমিটিয়ে সংবিধান সভাত ভাৰতৰ সংবিধানৰ খচৰা বিকল্প আৰু অতিৰিক্ত ৰূপত উত্থাপন কৰে, যিখন ১৯৪৮ চনৰ ফেব্ৰুৱাৰী মাহত প্ৰকাশ পায়। এই খচৰাখন প্ৰস্তুত কৰোঁতে ছমাহৰো কম সময় লাগিছিল। দ্বিতীয় পৰ্যায়ত অৰ্থাৎ বিচাৰ বিবেচনাৰ সময়ত সংবিধানখন দফা অনুযায়ী ৰূপ দিয়া হয়। সমীক্ষণ প্ৰক্ৰিয়াত বিভিন্ন দফাসমূহৰ ৭,৬৩৫ টা সংশোধন গ্ৰহণ কৰা হয়। ইয়াৰ ২,৪৭৩ টা কাৰ্যতঃ পৰিবৰ্তন আৰু আলোচনাৰ বাবে লোৱা হয়। বাকীখিনি প্ৰত্যাহাৰ কৰা হয় নহ'লে এটাৰ লগত আন এটাৰ সংযোগ কৰা হয়। সংবিধানৰ খচৰাখন বিবেচনাৰ বাবে সংবিধান সভা ১১৪ দিন মিলিত হৈছিল।



বোধিসৎৱা ভীমৰাও ৰামজী আম্বেদকাৰ (এপ্ৰিল ২১, ১৮৯১— ৬ ডিচেম্বৰ, ১৯৫৬) ঃ তেওঁ এজন ভাৰতীয় আইনজ্ঞ আৰু ৰাজনৈতিক নেতা আছিল। তেওঁক ১৯৯০ চনত মৰণোত্তৰভাৱে ভাৰত ৰত্ন বঁটা প্ৰদান কৰা হৈছিল।

৩.৬ ভাৰতৰ সংবিধানৰ সংগ্ৰহন সমূহ

সংবিধান সভাৰ পূৰ্ণাঙ্গ অধিবেশনত বিভিন্ন উপকমিটিয়ে দিয়া প্ৰতিবেদনসমূহ গভীৰভাৱে বিবেচনা কৰা হৈছিল আৰু প্ৰায়বোৰ সিদ্ধান্তই সৰ্বসন্মত ৰূপত গৃহীত হৈছিল। সংবিধান সভাৰ এঘাৰখন পূৰ্ণাঙ্গ অধিবেশন অনুষ্ঠিত হৈছিল। খচৰা কমিটিক সংবিধানৰ খচৰা প্ৰস্তুত কৰা গুৰুত্ব দায়িত্ব অৰ্পন কৰা পাছত ১৯৪৮ চনৰ ২১ ফেব্ৰুৱাৰী তাৰিখে প্ৰতিবেদন দাখিল কৰে। জনসাধাৰণ, প্ৰচাৰ মাধ্যম, প্ৰাদেশিক বিধান পৰিষদ সমূহক খচৰাখনৰ সন্দৰ্ভত মুক্ত আৰু পুংখানুপুংখ আলোচনাৰ বাবে প্ৰয়োজনীয় সময় প্ৰদান কৰা হয়। খচৰা কমিটিয়ে সংবিধানৰ খচৰাখন সংবিধান সভাক প্ৰদান কৰাৰ পাছত ১৯৪৮ চনৰ ৪ নবেম্বৰ তাৰিখৰ পৰা এই সন্দৰ্ভত মুকলি আলোচনা আৰম্ভ হয়। সংবিধান সভাই ১৯৪৯ চনৰ ১৭ অক্টোবৰ তাৰিখে সংবিধানৰ খচৰা ওপৰত দ্বিতীয় লানি অধ্যয়ন সম্পূৰ্ণ কৰে। ১৯৪৯ চনৰ ২৬ নবেম্বৰ তাৰিখে সংবিধান সভাই সংবিধানখন গ্ৰহণ কৰে আৰু সভাৰ সভাপতিয়ে আনুষ্ঠানিকভাৱে সংবিধানত হস্তাক্ষৰ কৰে। এনেদৰে ১৯৪৬ চনৰ ৯ ডিচেম্বৰত প্ৰথম বাৰ বহা সংবিধান সভাই ২ বছৰ ১১ মাহ ১৮ দিন সময়ৰ অন্তত সংবিধানখন প্ৰস্তুত কৰি উলিয়ায়।

সংবিধান বিধিবদ্ধ কৰাৰ সময়ছোৱা দেশে সন্মুখীন হোৱা বিভিন্ন সংঘাত নেওচি সংবিধানখন প্ৰস্তুত কৰি উলিওৱাৰ বাবে ইয়াৰ কৃতিত্ব সংবিধান সভাই নিশ্চিতভাৱে পাবৰ

যোগ্য। ইয়াৰ উপৰি সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ সমৰ্থনে এই কৃতকাৰ্যতাত সহায় কৰিছিল।

ভাৰতৰ সংবিধান গ্ৰহণ কাৰ্যটো এক মহান সাংবিধানিক পৰিঘটনা হিচাপে চিহ্নিত হৈছিল। সংবিধান সভাৰ সভাপতি ড ° ৰাজেন্দ্ৰ প্ৰসাদে সভাৰ এই কাৰ্য্যক আশ্চৰ্যজনক মহৎ আখ্যাৰে সন্তোষ ব্যক্ত কৰিছিল। এই সংক্ৰান্তত ভাৰতীয় সংবিধানৰ প্ৰখ্যাত বিশেষজ্ঞ প্ৰফেছৰ গ্ৰেনভিল অষ্টিনে ভাৰতীয় সংবিধানৰ গ্ৰহণ প্ৰক্ৰিয়াক ১৭৮৭ চনৰ ফিলাডেলফিয়া সন্মিলনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবিধান গ্ৰহণৰ পাছতে বিখ্যাত ৰাজনৈতিক দুঃসাহসিক প্ৰচেষ্টা বুলিছিল।



অগ্ৰগতি খতিয়ান

প্ৰশ্ন নং ৭ঃ ভাৰতৰ সংবিধানৰ খচৰা কমিটিৰ অধ্যক্ষ কোন আছিল?

.....

প্ৰশ্ন নং ৮ঃ ভাৰতৰ সংবিধানৰ খচৰা কমিটিৰ সদস্যসকলৰ নাম লিখক?

.....

প্ৰশ্ন নং ৯ঃ ভাৰতৰ সংবিধান গ্ৰহণ কৰা হয়..... তাৰিখে। (খালী ঠাই পূৰ কৰক)

.....

প্ৰশ্ন নং ১০ঃ "ভাৰতৰ সংবিধান গ্ৰহণ প্ৰক্ৰিয়াটো ফিলাডেলফিয়াৰ পাচতে বিখ্যাত ৰাজনৈতিক দুঃসাহসিক প্ৰচেষ্টা" বুলি কোনে কৈছিল?

.....



৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- স্বাধীনতা আন্দোলনৰ সময়তে ভাৰতত সংবিধানৰ দাবী উত্থাপিত হৈছিল। প্ৰথম বিশ্বযুদ্ধৰ সময়ত বাল গংগাধৰ তিলক আৰু এনী বেছান্তে হ'ম ৰুল লীগ আন্দোলন আৰম্ভ কৰে। ভাৰতৰ সাংবিধানিক অগ্ৰগতি প্ৰক্ৰিয়াত ইয়াক এক মাইলৰ খুঁটি আখ্যা দিয়া হয়। মতিলাল নেহৰুৰ যত্নত প্ৰথম বাৰৰ বাবে পদ্ধতিগতভাৱে ভাৰতীয় সকলৰ বাবে এখন সংবিধানৰ দাবী গঢ় লৈ উঠে।
- ভাৰতত সৰ্বপ্ৰথম সংবিধান সভা গঠনৰ দাবী এম. এন. ৰয়ে ১৯৩৪ চনত উত্থাপন কৰিছিল। তদুপৰি সেই একে বছৰতে স্বৰাজ দলেও এই দাবী কাৰ্য তৎপৰ কৰি তোলে। জাতীয় কংগ্ৰেছে ১৯৩৬ চনৰ ২৮ ডিচেম্বৰ তাৰিখে ফৈজপুৰ অধিবেশনত প্ৰস্তাৱ গ্ৰহনেৰে এই দাবী পুনৰাই সবল কৰি তোলে। ১৯৩৯ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ কাৰ্যকৰী কমিটিয়ে ভাৰতৰ স্বাধীনতা আৰু সংবিধান সভা গঠনৰ প্ৰস্তাৱ ঘোষণাৰে এই দাবী দৃঢ় কৰি তোলে।
- ভাৰতীয় সমাজৰ অৱদমিত শ্ৰেণী, বিভিন্ন প্ৰদেশসমূহৰ আসন আৰু ৰাজ্যসমূহৰ এক নিযুত

জনসংখ্যাৰ অনুপাতে এজন প্ৰতিনিধিৰে সংবিধান সভা গঠন কৰা হয়। ১৯৪৬ চনৰ জুলাইত কেবিনেট মিছন আঁচনিৰ অধীনত সংবিধান সভাৰ নিৰ্বাচন অনুষ্ঠিত হয়। ২১০ খন সাধাৰণ আসনৰ ভিতৰত কংগ্ৰেছে ১৯৯ খনত আৰু ৭৮ খনমুছলমান আসনৰ ভিতৰত ৭৩ খনত মুছলীম লীগ জয়ী হয়।

- ১৯৪৬ চনৰ ৯ ডিচেম্বৰত শচীদানন্দ সিনহাৰ অধ্যক্ষতাত সংবিধান সভাৰ প্ৰথম বৈঠক অনুষ্ঠিত হৈছিল আৰু ১৯৪৬ চনৰ ১১ ডিচেম্বৰত ড° ৰাজেন্দ্ৰ প্ৰসাদ সংবিধান সভাৰ স্থায়ী অধ্যক্ষ নিৰ্বাচিত হয়। সংবিধান সভাৰ অন্তৰ্গত কেইবাখনো উপকমিটি আছিল। এইবোৰৰ ভিতৰত খচৰা কমিটি আছিল সবাতোকৈ গুৰুত্বপূৰ্ণ।
- ১৯৪৬ চনৰ ১৩ ডিচেম্বৰ তাৰিখে জৱাহৰলাল নেহৰুৱে ভাৰতৰ সংবিধানৰ আদৰ্শগত গাঁথনি স্পষ্ট কৰিব পৰাকৈ ইয়াৰ লক্ষ্য উদ্দেশ্যসমূহ দাঙি ধৰে।
- সংবিধান সভাৰ বিভিন্ন উপকমিটি সমূহে দিয়া প্ৰতিবেদন সমূহৰ ওপৰত সিদ্ধান্ত গ্ৰহণ কৰি ড° বি. আৰ. আম্বেদকাৰ নেতৃত্বত খচৰা কমিটিয়ে সংবিধানৰ খচৰা প্ৰস্তুত কৰি উলিয়াই।
- সংবিধান সভাৰ অধ্যক্ষৰ আনুষ্ঠানিক হস্তাক্ষৰেৰে ১৯৪৯ চনৰ ২৬ নবেম্বৰ তাৰিখে সংবিধানখন গ্ৰহণ কৰা হয়। ১৯৪৬ চনৰ ৯ ডিচেম্বৰ তাৰিখে সংবিধান সভাৰ প্ৰথম সভা অনুষ্ঠিত হোৱাৰ পৰা ২ বছৰ ১১ মাহ, ১৮ দিনত সংবিধান প্ৰণয়নৰ কাম সম্পূৰ্ণ হৈছিল।



৩.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০ ।*ভাৰতৰ প্ৰশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শৰ্মা, দুৰ্গা কান্ত , ৰফিক, জামান আৰু শৰ্মা ,ড° পূৰবী ২০০৫ । *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ ২০১১ ।*স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi : Cosmos Bookhive Pvt. Ltd.

2) Ghai, K.K.(2007). *Indian Government and Politics*.New Delhi: Kalyani Publishers.

3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions*.New Delhi : S. Chand and Company.

4) Pylee, M,V. (2006). *Constitutional Government in India.* New Delhi:S. Chand and Company.

৩.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ এনী বেচান্ত আৰু বাল গংগাধৰ তিলক

২ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৩৬

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৪৬ চনৰ ১৩ ডিচেম্বৰ

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ড° ৰাজেন্দ্ৰ প্ৰসাদ

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৪৬ চন

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতৰ সমাজৰ অৱদমিত শ্ৰেণী, প্ৰদেশসমূহৰ মাজত বিতৰন কৰা আসনৰ সংখ্যা আৰু ৰাজ্য সমূহৰ ১ নিযুত জনসংখ্যা অনুপাতে এজন সদস্যৰ প্ৰতিনিধিৰে ভাৰতৰ সংবিধান সভা গঠন কৰা হৈছিল। ১৯৪৬ চনৰ জুলাইত কেবিনেট মিছনৰ আঁচনি অনুযায়ী সংবিধান সভাৰ নিৰ্বাচন অনুষ্ঠিত হয়। ২১০ খন সাধাৰণ আসনৰ ভিতৰত কংগ্ৰেছে ১৯৯ খন আৰু ৭৮ খন মুছলীম আসনৰ ভিতৰত মুছলীম লীগে ৭৩ খনত জয়ী হয়। সংবিধান সভালৈ বহু সংখ্যক কংগ্ৰেছ আৰু মুছলীম লীগৰ শীৰ্ষ নেতা প্ৰখ্যাত ৰাজনীতিজ্ঞ, প্ৰশাসক, প্ৰখ্যাত আইনবিদ, আৰু সমাজসেৱক নিৰ্বাচিত হৈছিল।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ড° বি. আৰ. আম্বেদকাৰ

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ড ° বি. আৰ. আম্বেদকাৰ (অধ্যক্ষ), এন. গোপালাস্বামী আয়েংগাৰ, আল্লাদী কৃষ্ণস্বামী আয়াৰ , কে. এম. মুন্সী, চৈয়দ মহম্মদ চাদুল্লা, এন. মাধৱ ৰাও, ডি. পি. খৈতান।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৪৯চনৰ ২৬ নবেম্বৰ

১০ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰফেচৰ গ্ৰেনভিল অষ্টিন

৩.১০ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন-

প্ৰশ্ন ১ ঃ ভাৰতীয় জাতীয় কংগ্ৰেছৰ বোম্বে অধিবেশন কোন চনত অনুষ্ঠিত হৈছিল?

প্ৰশ্ন ২ ঃ সংবিধান সভাৰ নিৰ্বাচনত ভৰতীয় জাতীয় কংগ্ৰেছে কিমানখন আসন লাভ কৰিছিল?

প্ৰশ্ন ৩ ঃ খচৰা কমিটিৰ দুজন সদস্যৰ নাম উল্লেখ কৰক?

(খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সংবিধানৰ লক্ষ্য উদ্দেশ্যৰ বিষয়ে চমুকৈ লিখক?

প্ৰশ্ন ২ ঃ সংবিধান সভাৰ গঠন সম্পৰ্কে চমুকৈ লিখক?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰতৰ সংবিধানৰ আৰ্হি নিৰ্মাণত খচৰা কমিটিৰ ভূমিকা আলোচনা কৰক?

প্ৰশ্ন ২ ঃ ভাৰতৰ সংবিধানৰ গ্ৰহণ প্ৰক্ৰিয়া সম্পৰ্কে আলোচনা আগবঢ়োৱাওক?

*** ***** ***

অধ্যায় ৪ ঃ ভাৰতীয় সংবিধানৰ দৰ্শন আৰু আদৰ্শসমূহ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ ভাৰতীয় সংবিধানৰ দৰ্শন আৰু আদৰ্শসমূহ
৪.৩.১ প্ৰস্তাৱনা
৪.৪ ভাৰতীয় সংবিধানৰ উৎসসমূহ
৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৬ অধিক জানিবলৈ
৪.৭ অগ্ৰগতিৰ খতিয়ান
৪.৮ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতীয় সংবিধান ৰচনাৰ ইতিকথা বৰ্ণনা কৰিব পাৰিব
- ভাৰতীয় সংবিধান ৰচনাৰ বাবে ব্যৱহৃত বিভিন্ন উৎসসমূহ ব্যাখ্যা কৰিব পাৰিব
- ভাৰতীয় সংবিধানৰ দৰ্শন আৰু আদৰ্শসমূহ আলোচনা কৰিব পাৰিব
- ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাৰ প্ৰধান বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰিব পাৰিব।

৪.২ পৰিচয়

ইয়াৰ পূৰ্বৰ অধ্যায়টিত আমি ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাই বীৰত্বপূৰ্ণ স্বাধীনতা সংগ্ৰামৰ পৰা উত্তৰাধিকাৰ সূত্ৰে লাভ কৰা পৰম্পৰাসমূহ আলোচনা কৰিছোঁ। মহাত্মা গান্ধীৰ নেতৃত্বত সংঘটিত ভাৰতীয় স্বাধীনতা আন্দোলনৰ প্ৰভাৱো গভীৰভাৱে ভাৰতীয় সমাজ আৰু শাসন ব্যৱস্থাৰ ওপৰত পৰিছিল। সেয়েহে প্ৰথমখন অধিৱেশনতে জৱাহৰলাল নেহৰুৱে ১৯৪৬ চনৰ ১৩ ডিচেম্বৰৰ দিনা বস্তুনিষ্ঠ নিষ্পত্তিৰ সূচনা কৰে। তন্ন তন্নকৈ কৰা আলোচনা আৰু বিতৰ্কৰ অন্তত সাংবিধানিক সভাত ১৯৪৭ চনৰ ২২ জানুৱাৰীৰ দিনা লক্ষ্য প্ৰস্তাৱ (Objective Resolution)ত গৃহীত হয়। ভাৰতীয় সংবিধানৰ আদৰ্শগত ভেঁটি আৰু মূল্যবোধসমূহ এই উদ্দেশ্য সম্বলিত প্ৰস্তাৱত স্পষ্টভাৱে উল্লেখ কৰা হৈছিল। লক্ষ্য প্ৰস্তাৱত উল্লিখিত সকলোবোৰ আদৰ্শ ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত সন্নিবিষ্ট কৰা হৈছে। এই অধ্যায়টিত ভাৰতীয় সংবিধানৰ

দৰ্শন আৰু আদৰ্শসমূহ আৰু সংবিধান ৰচনাৰ বাবে ব্যৱহৃত বিভিন্ন উৎস সমূহৰ বিষয়ে আলোচনা কৰা হৈছে।

৪.৩ ভাৰতীয় সংবিধানৰ দৰ্শন আৰু আদৰ্শসমূহ

ভাৰতীয় সংবিধানৰ দৰ্শন আৰু আদৰ্শসমূহ ইয়াৰ প্ৰস্তাৱনাৰ মাজেদিয়েই প্ৰতিফলিত হৈছে। আমাৰ সংবিধানখনক প্ৰস্তাৱনাৰ সম্প্ৰসাৰণ আৰু ব্যাখ্যা বুলি ক'ব পাৰি। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ চুব্বা ৰাৱে কৈছে, 'প্ৰস্তাৱনাত অতি চমুকৈ ইয়াৰ আদৰ্শ আৰু আকাংক্ষাসমূহ সন্নিবিষ্ট হৈছে।' ভাৰতীয় সংবিধানৰ দৰ্শন আৰু আদৰ্শসমূহ বুজিবলৈ হ'লে আমি প্ৰথমতে প্ৰস্তাৱনাটো বুজিব লাগিব। ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাৰ সংজ্ঞা আৰু বিশ্লেষণ তলত দাঙি ধৰা হ'ল।

৪.৩.১ প্ৰস্তাৱনা

Oxford Advanced Learner's Dictionary ত 'প্ৰস্তাৱনা' শব্দটোৱে এখন কিতাপ বা লিখিত নথিৰ পৰিচয়ক বুজায় বুলি উল্লেখ আছে। প্ৰস্তাৱনা হ'ল সংবিধানখনৰ সবাতোকৈ মূল্যৱান অংশ। ই হৈছে সংবিধানৰ আত্মাস্বৰূপ। ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত এনেদৰে কোৱা হৈছে -

"আমি, ভাৰতবৰ্ষৰ জনসাধাৰণে ভাৰতবৰ্ষক এখন সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক গণৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰিম বুলি সংকল্পবদ্ধ হৈ আৰু ভাৰতবৰ্ষৰ সকলো লোককে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়, চিন্তা, অভিব্যক্তি, বিশ্বাস, আস্থা আৰু উপাসনাৰ স্বাধীনতা, মৰ্যাদা আৰু সুযোগৰ সমতা আৰু তেওঁলোকৰ সকলোৰে মাজত ব্যক্তি-মৰ্যাদা, জাতীয় ঐক্য আৰু সংহতি নিশ্চিতকাৰী ভাতৃত্ববোধ বৃদ্ধি কৰিবলৈ- আজি ১৯৪৯ চনৰ নৱেম্বৰ মাহৰ ২৬ তাৰিখে আমাৰ সংবিধান সভাই গ্ৰহণ কৰা আৰু লিপিবদ্ধ কৰা এই সংবিধানখন নিজকে প্ৰদান কৰিলোঁ।"

প্ৰস্তাৱনাৰ পৰাই আমি ভাৰতীয় সংবিধানৰ দৰ্শন আৰু আদৰ্শসমূহ বুজিব পাৰো। এই দৰ্শন আৰু আদৰ্শসমূহ তলত আলোচনা কৰা হ'ল—

- **জন সাৰ্বভৌমত্ব ঃ**

  য'ত ভাৰতবৰ্ষৰ জনগণেই হ'ল কৰ্তৃত্বৰ সৰ্বোচ্চ উৎস। প্ৰস্তাৱনাটো 'আমি ভাৰতবৰ্ষৰ জনসাধাৰণে' বুলি আৰম্ভ হৈছে আৰু শেষ হৈছে.. 'গ্ৰহণ কৰা আৰু লিপিবদ্ধ কৰা এই সংবিধানখন নিজকে প্ৰদান কৰিলোঁ।' ইয়াৰ দ্বাৰা এইটোৱেই প্ৰতিপন্ন হয় যে জনগণেই হ'ল কৰ্তৃত্বৰ সৰ্বোচ্চ উৎস। সংবিধানখনক দেশৰ সৰ্বোচ্চ আইন বুলি গণ্য কৰা হয়, কিন্তু দেশৰ সৰ্বোচ্চ ক্ষমতা ভাৰতবৰ্ষৰ জনসাধাৰণৰ ওপৰতে আৰোপিত।

- **ভাৰতবৰ্ষক এখন সাৰ্বভৌম ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলা ঃ**

  প্ৰস্তাৱনাত ভাৰতবৰ্ষ এখন সাৰ্বভৌম দেশ বুলি ঘোষণা কৰা হৈছে। ই বহিঃ নিয়ন্ত্ৰণৰ পৰা মুক্ত। ভাৰতবৰ্ষৰ আভ্যন্তৰীণ কথাত কোনো বহিঃ শক্তি বা বিদেশী শক্তিয়ে হস্তক্ষেপ কৰিব নোৱাৰে।

- **সমাজবাদী দেশ হিচাপে ভাৰতবৰ্ষ ঃ**

  প্ৰস্তাৱনাত ৪২ তম সংশোধনীৰ যোগেদি ১৯৭৬ চনত 'সমাজবাদী' শব্দটো সংযোগ কৰা হয়। ইয়াৰ দ্বাৰা এইটোকে বুজাব খোজা হৈছে যে সামাজিক আৰু অৰ্থনৈতিক সমতা স্থাপন আৰু দেশৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত সম্পদৰ সম বিতৰণৰ বাবে ভাৰতীয় সংবিধান দায়বদ্ধ। 'সমাজবাদী' শব্দটো অন্তৰ্ভুক্ত কৰি ভাৰতীয় সংবিধানে কেৱল যে জনসাধাৰণৰ মাজত এটা সমমৰ্যাদাৰ ভাৱ সৃষ্টি কৰিছে এনে নহয়, ই ভাৰতীয় সংবিধানৰ দাৰ্শনিক ভেঁটিও সুদৃঢ় কৰিছে। ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতি (Directive Principles of State Policy)ত সন্নিবিষ্ট ৩৯, ৪১, ৪২ আৰু ৪৩ অনুচ্ছেদত কিছুমান সমাজবাদী নীতি স্পষ্টভাৱে প্ৰতিফলিত হৈছে।

- **ধৰ্মনিৰপেক্ষ দেশ হিচাপে ভাৰতবৰ্ষ ঃ**

  ১৯৭৬ চনৰ ৪২ তম সংশোধনীৰ যোগেদি প্ৰস্তাৱনাত 'ধৰ্মনিৰপেক্ষ' শব্দটো অন্তৰ্ভুক্ত কৰা হয়। ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ভেংকটাৰমনৰ ভাষাত 'যিখন দেশ ধৰ্মৰ দ্বাৰাও পৰিচালত নহয়, অধৰ্মৰ দ্বাৰাও পৰিচালিত নহয়, ধৰ্ম-বিৰোধীয়ো নহয়, যিখন দেশ সম্পূৰ্ণৰূপে ধৰ্মীয় গোড়ামি আৰু কাৰ্যকলাপৰ পৰা মুক্ত আৰু যিখন দেশ ধৰ্মীয় কথাত সম্পূৰ্ণ নিৰপেক্ষ সেইখন দেশেই ধৰ্ম নিৰপেক্ষ দেশ।' ভাৰতীয় ধৰ্ম নিৰপেক্ষতাৰ বৈশিষ্ট্য হ'ল এয়ে যে ভাৰতবৰ্ষই কোনো ধৰ্মকে নিজা ধৰ্ম বুলি গ্ৰহণ নকৰে অৰ্থাৎ ভাৰতবৰ্ষৰ কোনো ৰাষ্ট্ৰীয় ধৰ্ম নাই আৰু ভাৰতবৰ্ষত সকলো ধৰ্মকে সমান চকুৰে চোৱা হয়। ভাৰতীয় সংবিধানৰ এইটো এটা অন্যতম আদৰ্শ।

- **গণতান্ত্ৰিক দেশ হিচাপে ভাৰতবৰ্ষ ঃ**

  ভাৰতীয় সংবিধানৰ প্ৰধান দৰ্শন আৰু আদৰ্শ হ'ল ভাৰতবৰ্ষক গণতান্ত্ৰিক দেশ হিচাপে প্ৰতিষ্ঠা কৰা। ভাৰতবৰ্ষক পৃথিৱীৰ ভিতৰতে বৃহত্তম গণতন্ত্ৰ বুলি গণ্য কৰা হয়। আব্ৰাহাম লিংকনৰ ভাষাত "জনসাধাৰণক লৈ জনসাধাৰণৰ কল্যাণৰ উদ্দেশ্যে গঠিত আৰু জনসাধাৰণৰ দ্বাৰা পৰিচালিত চৰকাৰক গণতন্ত্ৰ বোলে।" ভাৰতবৰ্ষৰ সংবিধানে ভাৰতত এক সংসদীয় গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিছে। প্ৰাপ্তবয়স্কৰ সাৰ্বজনীন ভোটাধিকাৰ, সময়কালীন নিৰ্বাচন, ক্ষমতাৰ বিকেন্দ্ৰীকৰণ, ন্যায়পালিকাৰ স্বাধীনতা, ইত্যাদি আমাৰ গণতন্ত্ৰৰ কিছুমান অন্যতম বৈশিষ্ট্য।

➢ **ভাৰতবৰ্ষত গণৰাজ্য প্ৰতিষ্ঠা ঃ**

প্ৰস্তাৱনাত ভাৰতবৰ্ষ এখন গণৰাজ্য বুলি ঘোষণা কৰা হৈছে। গণৰাজ্য শব্দটোৱে ইয়াকে বুজায় যে এই শাসন ব্যৱস্থাত ৰাষ্ট্ৰৰ মুৰব্বীজনক দেশৰ জনসাধাৰণে প্ৰত্যক্ষ বা পৰোক্ষভাৱে নিৰ্বাচন কৰে। এই মুৰব্বীজন বংশানুক্ৰমিক নহয়। মুখ্য কাৰ্যপালিকা (Chief Executive) তথা দেশৰ আইনতঃ মুৰব্বী ভাৰতৰ ৰাষ্ট্ৰপতিগৰাকীক জনসাধাৰণে পৰোক্ষ ভোটৰ দ্বাৰা নিৰ্বাচন কৰে।

➢ **ভাৰতীয় নাগৰিকৰ বাবে ন্যায় নিশ্চিতকৰণ ঃ**

চৰকাৰে সকলো শ্ৰেণীৰ লোকৰ উন্নতি সাধন কৰাটোৱেই হ'ল ন্যায়। ডি.ডি. বসুৰ মতে সমূহীয়া মংগল সিদ্ধিয়েই হ'ল ন্যায়ৰ নিৰ্মাণ। ই ব্যক্তিগত মংগল বা গৰিষ্ঠসংখ্যক লোকৰ মংগলতকৈ সুকীয়া। প্ৰস্তাৱনাত তিনিবিধ ন্যায়ৰ কথা কোৱা হৈছে - সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক। সামাজিক ন্যায় হ'ল কল্যাণকামী ৰাষ্ট্ৰৰ ভেঁটি। সামাজিক ন্যায় প্ৰতিষ্ঠাৰ বাবে ভাৰতীয় সংবিধানে সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে, অস্পৃশ্যতাৰ অৱসান ঘটাইছে, এটা বিশেষ পৰ্যায়লৈকে বিনামূলীয়া শিক্ষাৰ ব্যৱস্থা কৰিছে। ৰাজনৈতিক ন্যায়দানৰ উদ্দেশ্যে ভাৰতীয় সংবিধানে প্ৰাপ্তবয়স্কৰ বাবে সাৰ্বজনীন ভোটাধিকাৰৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ভাৰতীয় জনসাধাৰণৰ মাজত কোনো ৰাজনৈতিক বৈষম্য নাই। অৰ্থনৈতিক ন্যায় প্ৰতিষ্ঠাৰ বাবে সংবিধানে ভাৰতীয়সকলৰ জীৱন ধাৰাৰ মানদণ্ড উন্নত কৰাৰ আৰু সাধাৰণ মানুহৰ অৰ্থনৈতিক নিৰাপত্তা প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

➢ **স্বাধীনতা প্ৰদান ঃ**

ভাৰতীয় সংবিধানৰ সবাতোকৈ গুৰুত্বপূৰ্ণ দৰ্শন আৰু আদৰ্শ হ'ল চিন্তা, অভিব্যক্তি, বিশ্বাস আৰু ধৰ্মীয় ক্ষেত্ৰত স্বাধীনতা প্ৰদান। দলিতসকলৰ নেতা আৰু সংবিধানৰ খচৰা কমিটীৰ সভাপতি ড° অম্বেদকাৰে কৈছে যে স্বাধীনতাক সমতাৰ পৰা পৃথক কৰিব নোৱাৰি; সমতাক স্বাধীনতাৰ পৰা পৃথক কৰিব নোৱাৰি; স্বাধীনতা আৰু সমতা উভয়কো মৈত্ৰীৰ পৰা পৃথক কৰিব নোৱাৰি।

➢ **সমতা নিশ্চিতকৰণ ঃ**

সমতা হ'ল গণতান্ত্ৰিক দেশ এখনৰ ভেঁটি। সমাজৰ উন্নতিৰ বাবে সমতাৰ প্ৰয়োজন। সেয়ে প্ৰস্তাৱনাত এই 'সমতা' শব্দটো অন্তৰ্ভুক্ত কৰা হৈছে। 'আইনৰ শাসন' (Rule of Law) সমতাৰ ক্ষেত্ৰত নিশ্চয়তা প্ৰদান কৰিছে সমতা স্থাপনৰ বাবে আমাৰ সংবিধানে 'সমতাৰ অধিকাৰ'ক মৌলিক স্বত্ব হিচাপে ঘোষণা কৰিছে আৰু ভাৰতীয় সংবিধানে নাগৰিকেই হওক বা অ-নাগৰিকেই হওক সকলো মানুহ আইনৰ চকুত সমান বুলি ঘোষণা কৰিছে। সংবিধানে ধৰ্ম, জাতি, জাত, লিংগ, জন্মস্থান আদিৰ ভিত্তিত গ্ৰহণ কৰা বৈষম্যমূলক আচৰণকো নিষিদ্ধ কৰিছে।

- **মানুহৰ মনত মৈত্রীভাৱৰ উন্মেষ ঃ**

  প্রস্তাৱনাত ব্যক্তিৰ মর্যাদা আৰু জাতীয় স্বাধীনতা তথা অখণ্ডতা নিশ্চিত কৰণৰ উপায় হিচাপে মৈত্রী শব্দটো অন্তর্ভুক্ত কৰা হৈছে। 'ব্যক্তিৰ মর্যাদা' ("dignity of the individual") বাক্যাংশই এজন ব্যক্তিৰ ব্যক্তিত্বক স্বীকৃতি দিয়া বুজায়। কাৰণ মানুহৰ মাজত মৈত্রী ভাৱৰ সঞ্চাৰ কৰিবৰ বাবে ব্যক্তিত্বৰ স্বীকৃতিকৰণ আৰু ব্যক্তিৰ মর্যাদা এটা অপৰিহার্য চর্ত। মানুহৰ মাজত মৈত্রী ভাৱৰ বিকাশৰ উদ্দেশ্যে সামাজিক প্রভেদ আৰু অসমতা আঁতৰোৱাৰ বাবে বিভিন্ন প্রচেষ্টা চলাই অহা হৈছে। নাগৰিকসকলৰ মাজত ঐক্যৰ অবিহনে এখন দেশ উন্নতিৰ পথেৰে আগুৱাই যাব নোৱাৰে। আন দেশৰ লগত সংঘাত পৰিহাৰ কৰিবৰ বাবে সুসম্পর্ক ৰক্ষা কৰাই হ'ল সংহতি। ৪২ তম সংশোধনীৰ যোগেদি প্রস্তাৱনাত সংহতি শব্দটো অন্তর্ভুক্ত কৰা হৈছে।

- **কল্যাণকামী ৰাষ্ট্র হিচাপে ভাৰতবর্ষ ঃ**

  কল্যাণকামী ৰাষ্ট্রৰ আদর্শ আৰু আর্থ-সামাজিক ন্যায়ৰ প্রতি ভাৰতবর্ষ প্রতিশ্রুতিবদ্ধ। প্রস্তাৱনাই ভাৰতবর্ষত কল্যাণকামী ৰাষ্ট্রৰ বুনিয়াদ প্রতিষ্ঠা কৰিছে। ভাৰতীয় জাতীয় কংগ্রেছৰ প্রাক্তন অধ্যক্ষ আচার্য কৃপালিনীয়ে কৈছিল, 'প্রস্তাৱনাত আদর্শ ৰাষ্ট্রৰ ৰহস্যবাদী নীতি বিদ্যমান'। ভাৰতবর্ষ গণতন্ত্রৰ প্রতি প্রতিশ্রুতিবদ্ধ আৰু ভাৰতবর্ষই ব্যক্তিগত স্বাধীনতাক সদায় সন্মান কৰে। ভাৰতবর্ষই সকলো নাগৰিককে সম মর্যাদা আৰু সুযোগ প্রদান কৰিছে। ইয়াৰ ফলত ভাৰতীয় নাগৰিকৰ মত সৃষ্টি হৈছে শক্তিশালী ভাতৃত্ববোধ। যি ভাতৃত্ববোধে সার্বভৌম, গণতান্ত্রিক আৰু লোকতান্ত্রিক ভাৰতবর্ষক ইয়াৰ ঘোষিত লক্ষ্যত উপনীত হোৱাত সহায় কৰিছে। নির্দেশনাৰ আহিলাস্বৰূপ ৰাষ্ট্রৰ নির্দেশনাত্মক নীতিসমূহে দেশৰ সামাজিক, অর্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক বিকাশৰেই চেষ্টা কৰি আহিছে।

  ভাৰতীয় সংবিধানৰ প্রস্তাৱনাটি যথেষ্ট গুৰুত্বপূর্ণ। এইখিনিতে উল্লেখযোগ্য যে বিৰুবাৰী ঘটনা (Birubari Case - AIR 1960 SC 845) ত উচ্চতম ন্যায়ালয়ে প্রস্তাৱনাটি সংবিধানৰ অংশ নহয় বুলি মন্তব্য কৰিছিল। কিন্তু কেশৱানন্দ ভাৰতী বনাম কেৰেলা চৰকাৰৰ মোকর্দমা(Keshavananda Bharti – vs. - State of Kerala', AIR 1973 SC 1461)ত প্রস্তাৱনাটিও সংবিধানৰ অংশ বুলি মন্তব্য কৰিছিল। এই ক্ষেত্রত এইটোও কোৱা হৈছিল যে ৩৬৮ ধাৰাৰ ভিত্তিত সংসদে প্রস্তাৱনাটো সংশোধন কৰিব পাৰে। কিন্তু সংবিধানৰ মূল গাঁথনি (Basic Structure) পৰিবর্তন কৰিব নোৱাৰে। দেখা গ'ল প্রস্তাৱনাটো সংশোধনীয়, কিন্তু প্রস্তাৱনাত নির্দিষ্ট কৰি দিয়া উদ্দেশ্য ধ্বংস কৰাকৈ সংবিধান সংশোধন কৰাৰ অধিকাৰ সংসদৰ নাই।



জানি থোৱা ভাল

'আইনৰ শাসন' কি?

এ. ভি. ডাইচিৰ মতে 'আইনৰ শাসনৰ তিনিটা অর্থ আছে -

(ক) আইন ভংগৰ অপৰাধৰ বিনে কোনো ব্যক্তিকে শাস্তি দিব নোৱাৰে।

(খ) কোনো ব্যক্তিয়েই আইনৰ উৰ্দ্ধত নহয়। আৰু

(গ) সংবিধানৰ সাধাৰণ নীতিসমূহ হ'ল ন্যায়িক সিদ্ধান্তৰ ফলশ্রুতি।



চিন্তা-চর্চা কৰক— ৪.১

১) পৃথিৰীৰ কেইখনমান গণৰাজ্যৰ নাম বিচাৰি উলিয়াবলৈ যত্ন কৰিব।

.....

.....

.....

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ কোনটো সংশোধনীৰ দ্বাৰা প্রস্তাৱনাত 'ধর্মনিৰপেক্ষ, সমাজবাদী আৰু সার্বভৌম' এই বাক্যাংশ অন্তর্ভূক্ত কৰা হৈছে?

.....

.....

প্রশ্ন নং ২ঃ সর্বোচ্চ ক্ষমতাৰ গৰাকী হ'ল ভাৰতীয় জনগণ (শুদ্ধ/অশুদ্ধ)

.....

.....

প্রশ্ন নং ৩ঃ ভাৰতবর্ষক কিয় গণৰাজ্য বুলি কোৱা হয়?

.....

.....

.....

প্ৰশ্ন নং ৪ঃ কেশৱানন্দ ভাৰতী বনাম কেৰেলা চৰকাৰৰ মোকৰ্দমা(Keshavananda Bharti – vs. - State of Kerala', AIR 1973 SC 1461)ত প্ৰস্তাৱনাটিও সংবিধানৰ অংশ নহয় বুলি মন্তব্য কৰিছিল। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৫ঃ ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত সন্নিবিষ্ট ন্যায়ৰ আদশৰ বিষয়ে আলোচনা কৰক।

.....

.....

.....

.....

৪.৪ ভাৰতীয় সংবিধানৰ উৎসসমূহ

ভাৰতীয় সংবিধানখন বিভিন্ন উপাদানৰ আধাৰত ৰচিত। ভাৰতৰ পৰিস্থিতি আৰু প্ৰয়োজনসমূহ আগত ৰাখি ভাৰতীয় সংবিধানৰ ৰচয়িতাসকলে পৃথিৱীৰ বিভিন্ন সংবিধানৰ পৰা মুক্তভাৱে বিভিন্ন সমলসমূহ ধাৰ কৰিছিল। সেইবাবে কোনো কোনো সমালোচকে ভাৰতীয় সংবিধানখনক 'ধাৰৰ এটা টোপোলা' (A bag of borrowings) আৰু এখন সানমিহলি সংবিধান (hotch potch Constitution) বুলি অভিহিত কৰিছে।

ভাৰতীয় সংবিধানৰ প্ৰধান উৎসসমূহ হ'ল -

- **বৃটিছ সংবিধানঃ** ভাৰতীয় সংবিধান প্ৰণেতাসকলক বৃটিছ সংবিধানে যথেষ্ট পৰিমাণে প্ৰভাৱান্বিত কৰিছিল। সংসদীয় আৰ্হিৰ চৰকাৰ, কেবিনেট- প্ৰথা, উচ্চ সদনতকৈ নিম্ন সদনৰ উচ্চ অৱস্থান, আইনৰ শাসন আদি বৈশিষ্ট্যসমূহ ভাৰতীয় সংবিধানৰ ৰচয়িতাসকলে বৃটিছ সংবিধানৰ পৰা গ্ৰহণ কৰিছিল। ভাৰতবৰ্ষত বৃটেইনৰ ৰজাৰ দৰে, দেশৰ মুৰব্বীজন অৰ্থাৎ ৰাষ্ট্ৰপতিগৰাকী নামমাত্ৰ মুৰব্বীহে। প্ৰকৃততে প্ৰধানমন্ত্ৰীহে কাৰ্যবাহী ক্ষমতাৰ মুৰব্বী আৰু তেওঁ নিজৰ মন্ত্ৰী পৰিষদৰ সহায়ত দেশ পৰিচালনা কৰে তথা সংসদৰ প্ৰতি দায়বদ্ধ হৈ থাকে।
- **আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবিধান ঃ** ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায়ত সন্নিবিষ্ট মৌলিক অধিকাৰ (Fundamental Rights) সমূহ আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিল অফ্ ৰাইট্ছ (Bill of Rights) ৰ ভিত্তিত ৰচিত। স্বাধীন, নিৰপেক্ষ আৰু একক ন্যায়পালিকা তথা ভাৰতীয় উপৰাষ্ট্ৰপতিৰ ক্ষমতা আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবিধানৰ আধাৰত ৰচনা কৰা হৈছিল।
- **কানাডাৰ সংবিধান ঃ** ভাৰতীয় সংবিধানৰ ১ নং অনুচ্ছেদত সন্নিবিষ্ট 'Union of India' নামত বাক্যাংশ কানাডাৰ সংবিধানৰ পৰা গ্ৰহণ কৰা। ভাৰতীয় সংবিধানৰ ৰচয়িতাসকলে

কানাডাৰ সংবিধানৰ পৰাই যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাটো ধাৰ কৰি লৈছে, যদিওৰা ইয়াৰ কিছুমান উপাদান অষ্ট্ৰেলিয়া আৰু দক্ষিণ আফ্ৰিকাৰ সংবিধানৰ পৰা সংগৃহীত। কানাডাৰ সংবিধানৰ দৰে ভাৰতবৰ্ষতো অৱশিষ্ট ক্ষমতাসমূহ কেন্দ্ৰীয় চৰকাৰৰ হাতত ন্যস্ত কৰা হৈছে।

- **আয়াৰলেণ্ডৰ (আইৰিছ) সংবিধান ঃ** আমাৰ সংবিধানৰ চতুৰ্থ অনুচ্ছেদত সন্নিবিষ্টসমূহ আইৰিছ সংবিধানৰপৰা গ্ৰহণ কৰা। আমাৰ সংবিধানত থকা কলা, সংস্কৃতি, বিজ্ঞান, সামাজিক কৰ্ম আদি বিভিন্ন ক্ষেত্ৰৰ পৰা ৰাজ্যসভালৈ সদস্যৰূপে মনোনীত কৰা ব্যৱস্থাটোও আইৰিছ সংবিধানৰ পৰা লোৱা হৈছে।
- **দক্ষিণ আফ্ৰিকাৰ সংবিধান ঃ** ভাৰতীয় সংবিধান ৰচয়িতাসকলক দক্ষিণ আফ্ৰিকাৰ সংবিধানেও বহু পৰিমাণে প্ৰভাৱান্বিত কৰিছিল। ভাৰতীয় সংবিধান সংশোধনৰ ব্যৱস্থা আৰু ৰাজ্যসভাৰ সদস্য নিৰ্বাচনৰ প্ৰক্ৰিয়া সমূহে দক্ষিণ আফ্ৰিকাৰ সংবিধানৰ প্ৰভাৱকেই প্ৰতিফলিত কৰে।
- **জাৰ্মানীৰ সংবিধান ঃ** জৰুৰীকালীন অৱস্থাত ভাৰতৰ ৰাষ্ট্ৰপতিৰ ওপৰত ন্যস্ত হোৱা মৌলিক অধিকাৰসমূহ অক্ষম কৰি ৰখাৰ অধিকাৰৰ উৎস হ'ল জাৰ্মানীৰ ৱাইমাৰ (Weimer) সংবিধান।
- **ভাৰত চৰকাৰ আইন, ১৯৩৫ ঃ** ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনখন আমাৰ সংবিধানৰ সবাতোকৈ বৃহৎ উৎস। ভাৰতীয় সংবিধানখনৰ ৰচয়িতাসকলে এই আইনখনৰ পৰা বহুতো উপাদান গ্ৰহণ কৰিছে। কেন্দ্ৰ আৰু প্ৰাদেশিক চৰকাৰৰ মাজৰ সাংবিধানিক সম্পৰ্ক আৰু এই দুই গোটৰ মাজত থকা চৰকাৰী ক্ষমতা বিতৰণ তালিকা তিনিখন (কেন্দ্ৰীয়, প্ৰাদেশিক আৰু সমবৰ্তী সূচী) ভাৰত চৰকাৰ আইন ১৯৩৫ চনৰ পৰা লোৱা হৈছে। প্ৰফেচৰ জেনিঙছৰ মতে, "সংবিধানখন প্ৰত্যক্ষভাৱে ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ ভিত্তিতে প্ৰতিষ্ঠিত, যাৰ পৰা প্ৰকৃততে প্ৰায় আক্ষৰিক ভাৱে বহুতো দফা লোৱা হৈছে।"

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ৬ঃ সংসদীয় প্ৰথাৰ চৰকাৰ ..... সংবিধানৰ পৰা ধাৰ কৰা হৈছে। (খালী ঠাই পূৰ কৰক)

প্ৰশ্ন নং ৭ঃ আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবিধানৰ পৰা লোৱা প্ৰয়োজনীয় দফা (provisions) সমূহ উল্লেখ কৰক।

.....

.....

.....

প্ৰশ্ন নং ৮ঃ ভাৰতীয় সংবিধানখনক প্ৰভাৱান্বিত কৰা আইনখনৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ৯ঃ ভাৰতীয় সংবিধানক কিয় ধাৰৰ এটা টোপোলা বুলি কোৱা হয়।
(৫০ টা শব্দৰ ভিতৰত লিখক)

.....

.....

.....

.....

.....



৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত "আমি ভাৰতবৰ্ষৰ জনসাধাৰণে ...." বুলি আৰম্ভ হৈছে আৰু শেষ হৈছে ....." গ্ৰহণ কৰা আৰু লিপিবদ্ধ কৰা এই সংবিধানখন নিজকে প্ৰদান কৰিলোঁ"। ইয়াৰ দ্বাৰা এইটোৱেই প্ৰতিপন্ন হয় যে জনগণেই হ'ল কৰ্তৃত্বৰ সৰ্বোচ্চ উৎস। সংবিধানখনক দেশৰ সৰ্বোচ্চ আইন বুলি গণ্য কৰা হয়। কিন্তু দেশৰ সৰ্বোচ্চ ক্ষমতা ভাৰতবৰ্ষৰ জনসাধাৰণৰ ওপৰত আৰোপিত।
- প্ৰস্তাৱনাত ভাৰতবৰ্ষ এখন সাৰ্বভৌম দেশ বুলি ঘোষণা কৰা হৈছে। ই সকলো বহিঃনিয়ন্ত্ৰণৰ পৰা মুক্ত।
- প্ৰস্তাৱনাত ৪২ তম সংশোধনীৰ যোগেদি ১৯৭৬ চনত 'সমাজবাদী শব্দটো সন্নিবিষ্ট কৰা হয়। ইয়াৰ দ্বাৰা এইটোকে বুজাব খোজা হৈছে যে সামাজিক আৰু অৰ্থনৈতিক সমতা স্থাপন আৰু দেশৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত সম্পদৰ সমবিতৰণৰ বাবে ভাৰতীয় সংবিধান দায়বদ্ধ।
- ১৯৭৬ চনৰ ৪২ তম সংশোধনীৰ যোগেদি প্ৰস্তাৱনাত 'ধৰ্মনিৰপেক্ষ' শব্দটো অন্তৰ্ভুক্ত কৰা হয়। ভাৰতীয় ধৰ্মনিৰপেক্ষতাৰ বৈশিষ্ট্য এয়ে যে, ভাৰতবৰ্ষই কোনো ধৰ্মকে নিজা ধৰ্ম বুলি গ্ৰহণ নকৰে। অৰ্থাৎ, ভাৰতবৰ্ষৰ কোনো ৰাষ্ট্ৰীয় ধৰ্ম নাই আৰু ভাৰতবৰ্ষত সকলো ধৰ্মকে সমান চকুৰে চোৱা হয়।
- প্ৰস্তাৱনাত ভাৰতবৰ্ষক এখন গণৰাজ্য হিচাপে ব্যাখ্যা কৰিছে। গণৰাজ্য শব্দটোৱে ইয়াকে বুজায় যে, ভাৰতবৰ্ষৰ মুৰব্বীজন অৰ্থাৎ ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতি এজন নিৰ্বাচিত মুৰব্বী। তেওঁ বংশানুক্ৰমিক নহয়।
- চৰকাৰে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়েৰে সকলো শ্ৰেণীৰ লোকৰ উন্নতি সাধন কৰাটোৱেই হ'ল ন্যায়।

- ভাৰতীয় সংবিধানৰ সবাতোকৈ গুৰুত্বপূৰ্ণ দৰ্শন আৰু আদৰ্শ হ'ল ভাৰতৰ নাগৰিকৰ ব্যক্তিত্ব প্ৰকাশত সকলো ধৰণৰ স্বাধীনতা প্ৰদান কৰা।
- আমাৰ সংবিধানৰ প্ৰস্তাৱনাত 'সমতা' শব্দটো অন্তৰ্ভুক্ত কৰিছে। ভাৰতীয় সংবিধানে নাগৰিকেই হওক বা অনাগৰিকেই হওক সকলো মানুহ আইনৰ চকুত সমান বুলি ঘোষণা কৰিছে।
- প্ৰস্তাৱনাত, ব্যক্তিৰ মৰ্যাদা আৰু জাতীয় স্বাধীনতা তথা অখণ্ডতা নিশ্চিত কৰণৰ উপায় হিচাপে মৈত্ৰী শব্দটো অন্তৰ্ভুক্ত কৰিছে।
- ভাৰতীয় সংবিধানখন বিভিন্ন উপাদানৰ আধাৰত ৰচিত। ভাৰতৰ পৰিস্থিতি আৰু প্ৰয়োজনসমূহ আগত ৰাখি ভাৰতীয় সংবিধানৰ ৰচয়িতাসকলে পৃথিৱীৰ বিভিন্ন সংবিধানৰ পৰা মুক্তভাৱে বিভিন্ন সমলসমূহ ধাৰ কৰিছিল।
- ভাৰতীয় সংবিধান গঠনৰ প্ৰধান উৎসসমূহ হ'ল — বৃটিছ সংবিধান, আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবিধান, কানাডাৰ সংবিধান, আয়াৰলেণ্ডৰ সংবিধান, দক্ষিণ আফ্ৰিকাৰ সংবিধান, জাৰ্মানীৰ সংবিধান আৰু ভাৰত চৰকাৰ আইন ১৯৩৫।
- ভাৰতীয় সংবিধান প্ৰণেতাসকলক বৃটিছ সংবিধানে যথেষ্ট পৰিমাণে প্ৰভাৱিত কৰিছিল। সংসদীয় আৰ্হিৰ চৰকাৰ, কেবিনেট প্ৰথা আদি বৈশিষ্ট্যসমূহ ভাৰতীয় সংবিধানে বৃটিছ সংবিধানৰ পৰা গ্ৰহণ কৰিছিল। সেইদৰে ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায়ত সন্নিবিষ্ট মৌলিক অধিকাৰসমূহ আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিল অফ ৰাইটছ (Bill of Rights) ৰ ভিত্তিত ৰচিত।
- ভাৰতীয় সংবিধানৰ ১ নং অনুচ্ছেদত সন্নিবিষ্ট 'Union of India' বাক্যাংশটো কানাডাৰ সংবিধানৰ পৰা গ্ৰহণ কৰা। ভাৰতীয় সংবিধানৰ ৰচয়িতাসকলে কানাডাৰ সংবিধানৰ পৰাই যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাটো ধাৰ কৰি লৈছে যদিও ইয়াৰ কিছুমান উপাদান অষ্ট্ৰেলিয়া আৰু দক্ষিণ আফ্ৰিকাৰ সংবিধানৰ পৰা সংগৃহীত।
- সংবিধানৰ চতুৰ্থ অনুচ্ছেদত সন্নিবিষ্ট ৰাষ্ট্ৰ পৰিচালনাৰ নীতিসমূহ আমাৰ সংবিধানে আইৰিছ সংবিধানৰ পৰা গ্ৰহণ কৰিছে।
- ভাৰতীয় সংবিধানৰ ৰচয়িতাসকলক দক্ষিণ আফ্ৰিকাৰ সংবিধানেও বহুপৰিমাণে প্ৰভাৱান্বিত কৰিছিল। সেইদৰে জৰুৰীকালীন অৱস্থাত ভাৰতৰ ৰাষ্ট্ৰপতিৰ ওপৰত ন্যস্ত হোৱা মৌলিক অধিকাৰসমূহ অক্ষম কৰি ৰখাৰ অধিকাৰৰ উৎস হ'ল জাৰ্মানীৰ ৰাইমাৰ (Weimer) সংবিধান।
- ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনখন আমাৰ সংবিধানৰ সবাতোকৈ বৃহৎ উৎস। ভাৰতীয় সংবিধানৰ ৰচয়িতাসকলে এই আইনখনৰ পৰা বহুতো উপাদান গ্ৰহণ কৰিছে। কেন্দ্ৰ আৰু প্ৰাদেশিক চৰকাৰৰ মাজৰ সাংবিধানিক সম্পৰ্ক আৰু এই দুই গোটৰ মাজত থকা চৰকাৰী ক্ষমতা বিতৰণ তালিকা তিনিখন (কেন্দ্ৰীয়, প্ৰাদেশিক আৰু সমবৰ্তী সূচী) ভাৰত চৰকাৰ আইনৰ পৰা লোৱা হৈছে।



৪.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০। *ভাৰতৰ প্ৰশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শৰ্মা, দুৰ্গা কান্ত , ৰফিক, জামান আৰু শৰ্মা ,ড° পূৰবী ২০০৫। *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ ২০১১। *স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi :Cosmos Bookhive Pvt. Ltd.

2) Ghai, K.K.(2007). *Indian Government and Politics*.New Delhi: Kalyani Publishers.

3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions*.New Delhi : S. Chand and Company.

4) Pylee, M,V. (2006). *Constitutional Government in India.* New Delhi:S. Chand and Company.



৪.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ ১৯৭৬ চনৰ ৪২ তম সংশোধনীৰ যোগেদি

২ নং প্ৰশ্নৰ উত্তৰঃ শুদ্ধ

৩ নং প্ৰশ্নৰ উত্তৰঃ ভাৰতবৰ্ষ এখন গণৰাজ্য কাৰণ ইয়াৰ আইনতঃ মুৰব্বী ভাৰতৰ ৰাষ্ট্ৰপতি গৰাকীজনক জনসাধাৰণে পৰোক্ষভাৱে নিৰ্বাচন কৰে।

৪ নং প্ৰশ্নৰ উত্তৰঃ অশুদ্ধ

৫ নং প্ৰশ্নৰ উত্তৰঃ চৰকাৰে সকলো শ্ৰেণীৰ লোকৰ উন্নতি সাধন কৰাটোৱেই হ'ল ন্যায়। প্ৰস্তাৱনাত তিনিবিধ ন্যায়ৰ কথা কোৱা হৈছে - সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক। সামাজিক ন্যায় হ'ল কল্যাণকামী ৰাষ্ট্ৰৰ ভেঁটি। সামাজিক ন্যায় প্ৰতিষ্ঠাৰ বাবে ভাৰতীয় সংবিধানে সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজনৈতিক ন্যায়দানৰ উদ্দেশ্যে ভাৰতীয় সংবিধানে প্ৰাপ্তবয়স্কৰ বাবে সাৰ্বজনীন ভোটাধিকাৰৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ভাৰতীয় জনসাধাৰণৰ মাজত কোনো ৰাজনৈতিক বৈষম্য নাই। অৰ্থনৈতিক

ন্যায় প্ৰতিষ্ঠাৰ বাবে সংবিধানে ভাৰতীয়সকলৰ জীৱন ধাৰাৰ মানদণ্ড উন্নত কৰাৰ আৰু সাধাৰণ মানুহৰ অৰ্থনৈতিক নিৰাপত্তা প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

৬ **নং প্ৰশ্নৰ উত্তৰঃ** বৃটিছ সংবিধান।

৭ **নং প্ৰশ্নৰ উত্তৰঃ** (ক) ভাৰতীয় সংবিধানৰ তৃতীয় অংশত সন্নিবিষ্ট মৌলিক অধিকাৰসমূহ আমেৰিকা যুক্তৰাষ্ট্ৰৰ Bill of Rights ৰ আধাৰত ৰচিত।

(খ) স্বাধীন, নিৰপেক্ষ আৰু একক ন্যায়পালিকাৰ ধাৰণা।

৮ **নং প্ৰশ্নৰ উত্তৰঃ** ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন।

৯ **নং প্ৰশ্নৰ উত্তৰঃ** ভাৰতবৰ্ষৰ পৰিস্থিতি আৰু প্ৰয়োজনৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় সংবিধান ৰচয়িতাসকলে পৃথিৱীৰ বিভিন্ন সংবিধানৰ পৰা বিভিন্ন উপাদান ধাৰ কৰিছিল।প্ৰধান উপাদানসমূহ লোৱা হৈছিল - বৃটেইন, আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডা, দক্ষিণ আফ্ৰিকা আদি দেশৰ সংবিধানৰ পৰা আৰু ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ পৰা। সেয়েহে ভাৰতীয় সংবিধানক 'ধাৰৰ এটা টোপোলা' বুলি কোৱা হয়।



৪.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ ভাৰতীয় সংবিধানত সন্নিবিষ্ট 'Union of India' নামত বাক্যাংশ কোনখন সংবিধানৰ পৰা গ্ৰহণ কৰা হৈছে?

প্ৰশ্ন ২ঃ ভাৰতবষৰ্ত কৰ্তৃত্বৰ সৰ্বোচ্চ ক্ষমতা কাৰ ওপৰত আৰোপিত?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ ভাৰতীয় সংবিধানৰ যিকোনো দুটা উৎস উল্লেখ কৰক।

প্ৰশ্ন ২ঃ ন্যায় আৰু স্বাধীনতা ভাৰতীয় সংবিধানৰ আদৰ্শ হিচাপে আলোচনা কৰক।

প্ৰশ্ন ৩ঃ ভাৰত চৰকাৰ আইন, ১৯৩৫ৰ বিষয়ে লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত সন্নিবিষ্ট দৰ্শন আৰু আদৰ্শসমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ঃ ভাৰতীয় সংবিধানৰ প্ৰধান উৎসসমূহৰ বিষয়ে ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৫ঃ ভাৰতীয় সংবিধানৰ প্ৰধান বৈশিষ্ট্যসমূহ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ ভাৰতীয় সংবিধানৰ প্ৰধান বৈশিষ্ট্যসমূহ
৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৫ অধিক জানিবলৈ
৫.৬ অগ্ৰগতিৰ খতিয়ান
৫.৭ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতীয় সংবিধানৰ একক বৈশিষ্ট্যসমূহ বৰ্ণনা কৰিব পাৰিব।
- ভাৰতীয় সংবিধানৰ প্ৰধান বৈশিষ্ট্যসমূহ যেনে দীৰ্ঘতম সংবিধান, যুক্তৰাষ্ট্ৰীয় আৰু একাত্মক বৈশিষ্ট্যসমূহৰ সংমিশ্ৰণ আদি বৰ্ণনা কৰিব পাৰিব।

৫.২ পৰিচয়

আমি জানো যে ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ভাৰতত ইংৰাজ শাসনৰ অন্ত পৰিছিল আৰু দেশ বিভাজনৰ পিছত ভাৰতবৰ্ষ আৰু পাকিস্তান নামৰ দুখন স্বাধীন দেশৰ হাতলৈ ক্ষমতা হস্তান্তৰিত কৰা হৈছিল। ১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতবৰ্ষই এখন নতুন সংবিধান গ্ৰহণ কৰিলে আৰু এখন সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক প্ৰজাতন্ত্ৰলৈ ৰূপান্তৰিত হ'ল। এখন দেশৰ সংবিধানখন কেৱল দেশখনৰ মৌলিক আইনেই নহয় ই সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ব্যৱস্থাসমূহৰ দাপোনস্বৰূপ। ভাৰতীয় সংবিধানৰ প্ৰধান বৈশিষ্ট্যসমূহ সংবিধানৰ আদৰ্শগত ভেঁটিৰ ভিত্তিত গঢ় লয়। এই অধ্যায়টিত আমি ভাৰতীয় সংবিধানৰ প্ৰধান বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰিছোঁ।

৫.৩ ভাৰতীয় সংবিধানৰ প্ৰধান বৈশিষ্ট্যসমূহ

এখন দেশৰ সংবিধানখন কেৱল দেশখনৰ মৌলিক আইনেই নহয় ই সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ব্যৱস্থাসমূহৰ দাপোনস্বৰূপ। এখন দেশৰ সংবিধানৰ লগত আন এখন দেশৰ সংবিধান নিমিলে। এটা বিশেষ পাৰিপাৰ্শ্বিক অৱস্থাৰ ভিত্তিত এখন সংবিধানে গঢ় লয়। বিভিন্ন কাৰণত ভাৰতীয় সংবিধান অনন্য। বিশেষ কিছুমান অৱয়বে ভাৰতীয় সংবিধানখন পৃথিৱীৰ আনবিলাক সংবিধানৰ পৰা পৃথক কৰিছে। তলত ভাৰতীয় সংবিধানৰ লক্ষ্যনীয় প্ৰধান বৈশিষ্ট্যসমূহ -

- **লিখিত সংবিধানঃ**

  ভাৰতীয় সংবিধানখন এখন লিখিত দলিল। সংবিধানখনৰ খচৰা প্ৰস্তুত কৰিবৰ বাবে ড° বি.আৰ. আম্বেদকাৰৰ সভাপতিত্বত সাংবিধানিক সভাই এখন খচৰা প্ৰস্তুতকাৰী সমিতি গঠন কৰি দিছিল। সাংবিধানিক সভাখন হ'ল পৰোক্ষ নিৰ্বাচনৰ দ্বাৰা নিৰ্বাচিত এটা প্ৰতিনিধিত্বমূলক নিকায়। ইয়াত ৩৮৯ জন সদস্য আছিল তাৰে ২৯৬ জনক বৃটিছ ভাৰতৰ পৰা নিৰ্বাচন কৰা হৈছিল আৰু ৯৩ জন আছিল স্বদেশী ৰাজ্যসমূহৰ প্ৰতিনিধি। ১৯৪৬ চনত সাংবিধানিক সভাৰ নিৰ্বাচন অনুষ্ঠিত কৰা হৈছিল। আৰু ড° ৰাজেন্দ্ৰ প্ৰসাদক সাংবিধানিক সভাৰ সভাপতি নিৰ্বাচন কৰা হৈছিল। খচৰা সমিতিয়ে সংবিধানখনৰ খচৰা প্ৰস্তুত কৰে। বহু কষ্টৰ মূৰত ১৯৪৯ চনৰ ২৬ নৱেম্বৰ দিনা নতুন সংবিধানখন গ্ৰহণ কৰা হয়। ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা ভাৰতীয় সংবিধানখন বলবৎ কৰা হয়।

- **দীৰ্ঘতম সংবিধানঃ**

  ভাৰতীয় সংবিধানখন পৃথিৱীৰ ভিতৰতে দীৰ্ঘতম, সবাতোকৈ বৃহৎ আয়তনৰ আৰু পুংখানুপুংখ। আৰম্ভণিতে ইয়াত ২২ টা ভাগত বিভক্ত ৩৯৫ টা অনুচ্ছেদ আৰু ৮ টা অনুসূচী আছিল। বৰ্তমান ইয়াৰ অনুচ্ছেদৰ সংখ্যা ৪৪৪, ২৪ টা ভাগত বিভক্ত আৰু ইয়াৰ অনুসূচীৰ সংখ্যা ১২ টা। ভাৰতীয় সংবিধানত আছে মৌলিক অধিকাৰসমূহৰ পুংখানুপুংখ বিৱৰণ, ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতিসমূহ, কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত ক্ষমতাৰ বিতৰণ, চৰকাৰী ভাষা, নিৰ্বাচন আদি বিভিন্ন বিষয়।

- **আংশিকভাৱে অনমনীয়, আংশিকভাৱে নমনীয়ঃ**

  ভাৰতীয় সংবিধানখন অতি অনমনীয়ও নহয়, অতি নমনীয়ও নহয়। নমনীয় সংবিধানত সাধাৰণ বিধায়িনী মণ্ডলৰ সহায়তে ইয়াৰ চৰ্তসমূহ সংশোধন বা কিঞ্চিৎ পৰিবৰ্তন কৰিব পাৰি। কিন্তু অনমনীয় সংবিধানত সংশোধন বা পুনৰ বিবেচনাৰ ক্ষেত্ৰত এটা বিশেষ পদ্ধতিৰ প্ৰয়োজন। সংশোধনৰ ক্ষেত্ৰত ভাৰতীয় সংবিধানে তিনিটা পদ্ধতি প্ৰয়োগ কৰে -

  (১) কিছুমান ব্যৱস্থা সংসদৰ গৰিষ্ঠ সংখ্যক সদস্যই সাধাৰণভাৱে সংশোধন কৰিব পাৰে।

  (২) কিছুমান ব্যৱস্থা সংসদৰ এটা বিশেষ সংখ্যাগৰিষ্ঠতাৰ সহায়ত সংশোধন কৰিব পাৰি।

  (৩) যুক্তৰাষ্ট্ৰীয় চৰিত্ৰ থকা কিছুমান ব্যৱস্থা আকৌ সংসদ আৰু ৰাজ্যিক বিধান সভাৰ

যুটীয়া প্ৰচেষ্টাৰেহে সংশোধন কৰিব পাৰি।

ভাৰতীয় সংবিধানখনে পৰিবৰ্তনশীল পৰিস্থিতিৰ লগত যাতে খাপ খাব পাৰে সেই উদ্দেশ্যেৰে সংবিধানৰ ৰচয়িতাসকলে এই কৌশলটো অৱলম্বন কৰিছিল। সেয়েহে ভাৰতীয় সংবিধানখনক অনমনীয় আৰু নমনীয় চৰ্তৰ এটা সংমিশ্ৰন বুলি কোৱা হয়।

- **সংবিধানৰ শ্ৰেষ্ঠত্ব**

আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিচিনাকৈ গ্ৰেট বৃটেইনৰ বিপৰীতে ভাৰতীয় সংবিধানখন শ্ৰেষ্ঠত্বৰ ভিত্তিত প্ৰতিষ্ঠিত। সংবিধানখনেই হ'ল দেশৰ সৰ্বশ্ৰেষ্ঠ আইন। ন্যায়পালিকা, কাৰ্যপালিকা আৰু বিধান পৰিষদ চৰকাৰৰ এই তিনিওটা বিভাগকে সংবিধানখনে নিয়ন্ত্ৰণ কৰি ৰাখে। ইয়াৰ কোনো এটায়ে সংবিধানখনক অৱমাননা কৰিব নোৱাৰে।

- **যুক্তৰাষ্ট্ৰীয় আৰু একাত্মক বৈশিষ্ট্যসমূহৰ সংমিশ্ৰণ**

ভাৰতীয় সংবিধানখনে ভাৰতক এখন আংশিকভাৱে একাত্মক আৰু আংশিকভাৱে যুক্তৰাষ্ট্ৰীয় চৰকাৰ হিচাপে প্ৰতিষ্ঠা কৰিছে। সংবিধানখনৰ ক'তো অৱশ্যে 'যুক্তৰাষ্ট্ৰীয়ত্ব' শব্দটো ব্যৱহাৰ কৰা নাই। ই ভাৰতবৰ্ষক এখন 'ৰাজ্যসংঘ' (Union of States) বুলি বৰ্ণনা কৰিছে। ভাৰতীয় সংবিধানৰ একক বৈশিষ্ট্যসমূহৰ বাবে, কোনো কোনো বিশেষজ্ঞই ইয়াক এখন অৰ্দ্ধযুক্ত ৰাজ্য অৰ্থাৎ Quasi-Federal State বুলি ক'ব খোজে। ভাৰতীয় যুক্তৰাষ্ট্ৰবাদক "Co-operative Federalism" (সহযোগিতাপূৰ্ণ যুক্তৰাষ্ট্ৰবাদ) বুলিও কোৱা হয়। ভাৰতীয় সংবিধানৰ যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্যসমূহৰ ভিতৰত নিম্নলিখিত চৰিত্ৰসমূহ অন্তৰ্ভূক্ত কৰিব পাৰি - লিখিত সংবিধান, সংবিধানৰ সৰ্বশ্ৰেষ্ঠতা, ক্ষমতাৰ বিতৰণ, ৰাজ্য আৰু কেন্দ্ৰৰ মাজৰ সম্পৰ্ক, শক্তিশালী ন্যায়পালিকা, দুই সদনযুক্ত সংসদ ইত্যাদি। কিন্তু ভাৰতবৰ্ষক সঁচা অৰ্থত যুক্তৰাষ্ট্ৰ বুলি ক'ব নোৱাৰি। কাৰণ ইয়াত বহুতো অ-যুক্তৰাষ্ট্ৰীয় অবয়ব পৰিলক্ষিত হয়। এই অ-যুক্তৰাষ্ট্ৰীয় বা একক বৈশিষ্ট্যসমূহৰ (Unitary features) সমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল - শক্তিশালী কেন্দ্ৰ, সংবিধান সংশোধনৰ কেইটামান কঠোৰ প্ৰক্ৰিয়া, এক নাগৰিকত্ব, সৰ্বভাৰতীয় লোকসেৱা ব্যৱস্থা, একেধৰণৰ ন্যায়পালিকা, ৰাষ্ট্ৰপতিৰ জৰুৰীকালীন অধিকাৰ, ৰাজ্যসমূহত ৰাজ্যপাল নিযুক্তি ইত্যাদি। সেয়েহে ভাৰতীয় সংবিধানক যুক্তৰাষ্ট্ৰীয় আৰু একাতমক অবয়বৰ সংমিশ্ৰন বুলি ক'ব পাৰি।

- **সংসদীয় চৰকাৰ**

ভাৰতীয় সংবিধানে বৃটিছ আৰ্হিৰ সংসদীয় চৰকাৰৰ ব্যৱস্থা প্ৰতিষ্ঠা কৰি গৈছে। সংসদীয় চৰকাৰী ব্যৱস্থাত দেশৰ মুৰব্বীজন নামমাত্ৰহে। সংখ্যা গৰিষ্ঠ দলৰ নেতা প্ৰধান মন্ত্ৰীজনাহে প্ৰকৃত কাৰ্যবাহী ক্ষমতাৰ গৰাকী। যদিও ভাৰতবৰ্ষত ৰাষ্ট্ৰপতি গৰাকীক পৰোক্ষভাৱে জনসাধাৰণেই নিৰ্বাচন কৰে, তেওঁ প্ৰকৃততে নামতহে মুৰব্বী, প্ৰকৃত ক্ষমতাৰ অধিকাৰী হ'ল প্ৰধানমন্ত্ৰী গৰাকীহে।

- **ধৰ্মনিৰপেক্ষতা**

ভাৰতীয় সংবিধানৰ আন এটা উল্লেখযোগ্য চৰিত্ৰ হ'ল ইয়াৰ ধৰ্ম-নিৰপেক্ষতা। ১৯৭৬

চনৰ ৪২ তম সংশোধনীৰ যোগেদি 'ধৰ্ম-নিৰপেক্ষ' শব্দটো প্ৰস্তাৱনাত অন্তৰ্ভূক্ত কৰা হয়। ভাৰতবৰ্ষই কোনো ধৰ্মকে দেশৰ নিজস্ব ধৰ্ম বুলি গণ্য নকৰে। বৰঞ্চ সকলো ধৰ্মকে সম দৃষ্টিৰে চায়। সকলো মানুহকে চিন্তা, অভিব্যক্তি প্ৰকাশ, বিশ্বাস আৰু ধৰ্মীয় ৰীতি-নীতিৰ ক্ষেত্ৰত পূৰ্ণ স্বাধীনতা দিয়া হৈছে আৰু ৰাষ্ট্ৰই ধৰ্ম, জাতি, গোষ্ঠী আদিৰ ভিত্তিত কোনো লোককে কেতিয়াও বৈষম্যমূলক দৃষ্টিৰে নাচায়।

- **মৌলিক অধিকাৰৰ ব্যৱস্থা**

সংবিধানৰ তৃতীয় অধ্যায়ৰ ১২ পৰা ৩৫ নম্বৰ অনুচ্ছেদসমূহত মৌলিক অধিকাৰসমূহ উল্লেখ কৰা হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবিধানৰ 'অধিকাৰ পত্ৰ' (Bill of Rights) দ্বাৰা ভাৰতীয় সংবিধান ৰচয়িতাসকল অনুপ্ৰাণিত হৈছিল। মৌলিক অধিকাৰসমূহ অত্যন্ত নাম্য। উচ্চতম ন্যায়ালয় ভাৰতীয়সকলৰ অধিকাৰ আৰু স্বাধীনতাৰ অভিভাৱক স্বৰূপ। এইবোৰ অৱশ্যে শেষ কথা নহয়। চৰকাৰে ৰাজহুৱা শৃংখলা আৰু নৈতিকতাৰ প্ৰতি লক্ষ্য ৰাখি মৌলিক অধিকাৰসমূহৰ ওপৰত যুক্তিসংগত বাধা-নিষেধ আৰোপ কৰিব পাৰে। মৌলিক অদিকাৰৰ বিশেষত্ব এয়ে যে ৰাষ্ট্ৰৰ অনাধিকাৰ হস্তক্ষেপৰ পৰা নাগৰিকসকলৰ স্বাধীনতা আৰু আছুতীয়া সা-সুবিধাসমূহ উপভোগ কৰাত সুৰক্ষা প্ৰদান কৰে। আৰম্ভণিতে সংবিধানে ৭ টা মৌলিক অধিকাৰ ঘোষণা কৰিছিল। কিন্তু ১৯৭৮ চনৰ ৪৪ তম সংশোধনীৰ যোগেদি 'সম্পত্তিৰ অধিকাৰ'টো মৌলিক অধিকাৰৰ তালিকাৰ পৰা বিলুপ্ত কৰা হয়। বৰ্তমান মৌলিক অধিকাৰৰ সংখ্যা ছটা -

সমতাৰ অধিকাৰ (অনুচ্ছেদ ১৪ ৰ পৰা ১৮)

স্বাধীনতাৰ অধিকাৰ (অনুচ্ছেদ ১৯ ৰ পৰা ২২)

শোষণৰ বিৰুদ্ধে অধিকাৰ (অনুচ্ছেদ ২৩ আৰু ২৪)

ধৰ্মৰ অধিকাৰ (অনুচ্ছেদ ২৫ ৰ পৰা ২৮)

সাংস্কৃতিক আৰু শৈক্ষিক অধিকাৰ (অনুচ্ছেদ ২৯ আৰু ৩০)

সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ (অনুচ্ছেদ ৩২)

- **মৌলিক কৰ্তব্য**

১৯৭৬ চনৰ ৪২ তম সংশোধনী আইনৰ যোগেদি মৌলিক কৰ্তব্যসমূহ সংবিধানৰ চতুৰ্থ অধ্যায়ৰ ৫১ নম্বৰ অনুচ্ছেদত সন্নিবিষ্ট কৰা হৈছে। আৰম্ভণিতে ভাৰতীয় সংবিধানত মৌলিক কৰ্তব্যসমূহ অন্তৰ্ভূক্ত হোৱা নাছিল। ২০০২ চনৰ ৮৬ তম সংবিধান সংশোধনীৰ যোগেদি আৰু এটা মৌলিক কৰ্তব্য সংযোজন কৰা হয়। বৰ্তমান সৰ্বমুঠ ১১ টা মৌলিক কৰ্তব্য সংবিধানত উল্লেখ আছে। মৌলিক কৰ্তব্যসমূহ অত্যন্ত আৱশ্যকীয়। দেশৰ সৰ্বাংগীন উন্নতিৰ বাবে এই কৰ্তব্যসমূহ পালন কৰাটো নাগৰিকসকলৰ অৱশ্যে কৰ্তব্য। অৱশ্যে এই কৰ্তব্যসমূহ পালন কৰাটো নাগৰিকসকলৰ বাবে আইনগতবাৰে বাধ্যতামূলক নহয়। ভাৰতৰ সংবিধানৰ প্ৰতি আনুগত্য প্ৰকাশ কৰা আৰু ইয়াৰ আদৰ্শ আৰু প্ৰতিষ্ঠানসমূহ , ৰাষ্ট্ৰীয় পতাকা, ৰাষ্ট্ৰীয় সংগীত আদিক সন্মান প্ৰদৰ্শন কৰা, প্ৰয়োজনীয় সময়ত দেশৰ প্ৰতিৰক্ষাকে ধৰি আন আন

জাতীয় সেৱাৰ বাবে আগবাঢ়ি অহা, বৈজ্ঞানিক মানসিকতা, মানৱতাবোধ, অনুসন্ধান আৰু সংস্কাৰ মনোভাবৰ উন্নয়ন ঘটোৱা, ৰাজহুৱা সম্পত্তি ৰক্ষণা-বেক্ষন আৰু হিংস্ৰতা পৰিত্যাগ কৰা, ভাৰতৰ সংমিশ্ৰিত সংস্কৃতিৰ ঐশ্বৰ্য্যশালী ঐতিহ্য উপলব্ধি আৰু সংৰক্ষণ কৰা ইত্যাদি।

- **ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতি**

  ৰাষ্ট্ৰ পৰিচালনাৰ নীতিসমূহ আমাৰ সংবিধানৰ চতুৰ্থ অধ্যায়ৰ ৩৬ ৰ পৰা ৫১ নম্বৰ অনুচ্ছেদত উল্লেখ কৰা হৈছে। এই নির্দেশাত্মক নীতিসমূহ আমাৰ দেশৰ শাসনৰ ক্ষেত্ৰত অত্যাৱশ্যকীয় আৰু আইন প্ৰণয়নৰ ক্ষেত্ৰত এইবোৰ নীতি প্ৰয়োগ কৰাটো চৰকাৰৰ কর্তব্য। এই নীতিসমূহৰ প্ৰধান লক্ষ্য হ'ল যথোপযুক্ত ৰাষ্ট্ৰীয় হস্তক্ষেপৰ যোগেদি সামাজিক আৰু অর্থনৈতিক স্বাধীনতা নিশ্চিত কৰা। ৰাষ্ট্ৰ পৰিচালানাৰ নির্দেশাত্মক নীতিসমূহক সমাজবাদী আৰু অর্থনৈতিক নীতি, গান্ধীবাদী নীতি, আৰু আন্তঃৰাষ্ট্ৰীয় নীতি আদি ভাগত শ্ৰেণীবিভাগ কৰিব পাৰি।

- **স্বাধীন আৰু নিৰপেক্ষ ন্যায়পালিকা**

  ভাৰতীয় সংবিধানৰ মৌলিক অবয়বটো হ'ল স্বাধীন ন্যায়পালিকা। ন্যায়পালিকা, কার্যপালিকা আৰু বিধায়িনী মণ্ডলৰ পৰা পৃথক কৰি ৰখা হৈছে। উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ৰ বিচাৰকসকলৰ কার্যকাল নির্দিষ্ট আৰু সাধাৰণ ব্যৱস্থাৰ যোগেদি বিচাৰকসকলক আঁতৰাব নোৱাৰি। বিচাৰকসকলৰ কাম-কাজ সম্পর্কে আলোচনা কৰাৰ অধিকাৰ বিধান সভা আৰু সংসদৰ সদস্যসকলৰ নাই। গণতন্ত্ৰৰ সফলতাৰ বাবে ন্যায়পালিকাৰ স্বাধীনতা অত্যন্ত প্ৰয়োজনীয়।

- **ৰাজ্য আৰু কেন্দ্ৰৰ মাজত ক্ষমতাৰ বিতৰণ**

  ভাৰতীয় সংবিধানৰ আন এটা গুৰুত্বপূর্ণ বৈশিষ্ট্য হ'ল কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত কেন্দ্ৰীয় সূচী, ৰাজ্যিক সূচী আৰু সমবর্তী সূচী এই তিনিটা ভাগত ক্ষমতাৰ বিতৰণ। এই প্ৰয়োজনীয় চর্তটো সংবিধানৰ ৭ ম অনুসূচীৰ অন্তর্ভূক্ত।কেন্দ্ৰীয় সূচীত উল্লেখ থকা বিষয়সমূহৰ ওপৰত আইন প্ৰণয়নৰ সম্পূর্ণ ক্ষমতা কেন্দ্ৰীয় চৰকাৰক অর্পণ কৰা হৈছে। ৰাজ্যিক সূচীত উল্লেখ থকা বিষয়সমূহৰ ওপৰত আইন প্ৰণয়নৰ সম্পূর্ণ ক্ষমতা দুয়োখন চৰকাৰক অর্পণ কৰা হৈছে। সংবিধানৰ তিনিখন সূচীত উল্লেখ নথকা অৱশিষ্ট বিষয়সমূহৰ ওপৰত আইন প্ৰণয়নৰ ক্ষমতা কেন্দ্ৰীয় চৰকাৰে লাভ কৰে।

- **প্ৰাপ্তবয়স্কৰ সার্বজনীন ভোটাধিকাৰ**

  ভাৰতীয় সংবিধানত প্ৰাপ্তবয়স্কৰ বাবে সার্বজনীন ভোটাধিকাৰৰ ব্যৱস্থা আছে। ১৮ বছৰ বা ততোধিক বয়সৰ ধর্ম, জাতি, জাত, বর্ণ, লিংগ নির্বিশেষে সকলো প্ৰাপ্তবয়স্ক লোকৰে নির্বাচন প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰাৰ অধিকাৰ আছে।

- **একক নাগৰিকত্ব**

  নাগৰিকসকলৰ মাজত ঐক্য আৰু একত্বৰ মনোভাব গঢ়ি তুলিবৰ বাবে ভাৰতীয় সংবিধানৰ

ৰচয়িতাসকলে ইয়াৰ নাগৰিকসকলৰ বাবে একক নাগৰিকত্ব ব্যৱস্থা গ্ৰহণ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাটো একক নাগৰিকত্ব এটা তাৎপৰ্যপূৰ্ণ ব্যৱস্থা। ইয়াৰ অৰ্থ এয়েই যে এই দেশৰ সকলো নাগৰিক কেৱল ভাৰতীয় নাগৰিকহে।

- **জৰুৰীকালীন অৱস্থাৰ অধিকাৰ**

ভাৰতীয় সংবিধানত যিকোনো জৰুৰীকালীন অৱস্থাৰ লগত খাপ-খাব পৰাকৈ জৰুৰীকালীন অৱস্থাৰ অধিকাৰ সন্নিবিষ্ট কৰা হৈছে। এই ক্ষমতা আমাৰ দেশৰ ৰাষ্ট্ৰপতিৰ হাতত ন্যস্ত। ভাৰতবৰ্ষত তিনি ধৰণৰ জৰুৰী ক্ষমতা আছে -

(১) জাতীয় জৰুৰী কালীন অৱস্থা (অনুচ্ছেদ ৩৫২)

(২) ৰাজ্যিক জৰুৰী কালীন অৱস্থা (অনুচ্ছেদ ৩৬০) আৰু

(৩) আৰ্থিক জৰুৰী কালীন অৱস্থা (অনুচ্ছেদ ৩৬০)।

এইবিলাকেই হ'ল ভাৰতীয় সংবিধানৰ প্ৰধান বৈশিষ্ট্য। দেশৰ জনসাধাৰণ সুবিধাৰ বাবে সংবিধান ৰচয়িতাসকলে প্ৰয়োজনীয় সালসলনিৰ অন্তত এই বিশেষ বৈশিষ্ট্যসমূহ ভাৰতীয় সংবিধানত অন্তৰ্ভুক্ত কৰা হৈছে।



জানি থোৱা ভাল

জাতীয় জৰুৰী অৱস্থা (অনুচ্ছেদ ৩৫২), ১৯৬২, ১৯৭১ আৰু ১৯৭৫ চনত মুঠতে তিনিবাৰ ঘোষণা কৰা হৈছিল। ৰাজ্যত সাংবিধানিক অচল অৱস্থাৰ বাবে জৰুৰী অৱস্থা বা ৰাষ্ট্ৰপতি শাসন বিভিন্ন ৰাজ্যত বহুবাৰ ঘোষণা কৰা হৈছে। অৱশ্যে আজিলৈকে অৰ্থসংক্ৰান্ত জৰুৰী অৱস্থা ঘোষণা কৰিব লগা হোৱা নাই।



চিন্তা-চৰ্চা কৰক ৫.১

আপুনি জানানে জাতীয় জৰুৰী অৱস্থা ভাৰতত কিমান বাৰ ঘোষণা কৰা হৈছে? এনে জৰুৰী অবস্থা ঘোষণাৰ অন্তৰালত থকা কাৰণসমূহ বিচাৰি উলিয়াওক।

.....

.....

.....



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ ভাৰতীয় সংবিধানৰ অনুসূচীৰ সংখ্যা ..... টা।

(খালী ঠাই পূৰণ কৰক)

প্ৰশ্ন নং ২ঃ ভাৰতীয় যুক্তৰাষ্ট্ৰবাদক "Co-operative Federalism" (সহযোগিতাপূৰ্ণ যুক্তৰাষ্ট্ৰবাদ) বুলিও কোৱা হয়। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৩ঃ ভাৰতীয় সংবিধানত সন্নিবিষ্ট যিকোনো চাৰিটা মৌলিক কৰ্তব্য উল্লেখ কৰক।

.....

.....

.....

প্ৰশ্ন নং ৪ঃ ভাৰতীয় সংবিধানৰ চাৰিটা বৈশিষ্ট্য লিখক।

.....

.....

.....

.....

প্ৰশ্ন নং ৫ঃ ভাৰতীয় সংবিধানৰ চাৰিটা একক বৈশিষ্ট্য(Unitary Features) উল্লেখ কৰক।

.....

.....

.....

প্ৰশ্ন নং ৬ঃ কোনটো সংশোধনীৰ যোগেদি 'সম্পত্তিৰ অধিকাৰ'টো মৌলিক অধিকাৰৰ তালিকাৰ পৰা বিলুপ্ত কৰা হয়।

.....

.....

.....

প্ৰশ্ন নং ৭ঃ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত ক্ষমতাৰ বিতৰণ কৰা তিনিটা সূচীৰ নাম উল্লেখ কৰক।

.....

.....

.....

প্ৰশ্ন নং ৮ঃ ভাৰতীয় সংবিধানৰ এক বৈশিষ্ট্য হিচাপে ৰাষ্ট্ৰপতিৰ হাতত ন্যস্ত জৰুৰীকালীন ক্ষমতাৰ বিষয়ে চমুকৈ লিখক।

.....

.....

.....



৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় সংবিধানখন এখন লিখিত দলিল। সংবিধানৰ খচৰা প্ৰস্তুত কৰিবৰ বাবে ড° বি আৰ আম্বেদকাৰৰ সভাপতিত্বত সাংবিধানিক সভাই এখন খচৰা প্ৰস্তুতকাৰী সমিতি গঠন কৰি দিছিল। বহু কষ্টৰ মূৰত ১৯৪৯ চনৰ ২৬ নবেম্বৰ দিনা নতুন সংবিধানখন গ্ৰহণ কৰা হয়। ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা ভাৰতীয় সংবিধানখন কাৰ্যকৰী কৰা হয়।
- ভাৰতীয় সংবিধানখন পৃথিৱীৰ ভিতৰতে দীৰ্ঘতম, সবাতোকৈ বৃহৎ আয়তনৰ আৰু পুংখানুপুংখ। বৰ্তমান ইয়াৰ অনুচ্ছেদৰ সংখ্যা ৪৪৪, ২৪ টা ভাগত বিভক্ত ইয়াৰ অনুসূচীৰ সংখ্যা ১২ টা।
- ভাৰতীয় সংবিধানখনক অনমনীয় আৰু নমনীয় চৰ্তৰ সংমিশ্ৰণ বুলি ক'ব পাৰি।
- ভাৰতীয় সংবিধানখনে পৰিবৰ্তনশীল পৰিস্থিতিৰ লগত যাতে খাপ খাব পাৰে সেই উদ্দেশ্যেৰে সংবিধান ৰচয়িতাসকলে এই কৌশলটো অৱলম্বন কৰিছিল।
- সংবিধানখনেই হ'ল দেশৰ সৰ্বশ্ৰেষ্ঠ আইন। ন্যায়পালিকা, কাৰ্যপালিকা আৰু বিধান পৰিষদ চৰকাৰৰ এই তিনিওটা বিভাগকে সংবিধানখনে নিয়ন্ত্ৰণ কৰি ৰাখে। ইয়াৰ কোনো এটায়ে সংবিধানখনক অৱমাননা কৰিব নোৱাৰে।
- ভাৰতীয় সংবিধানখনে ভাৰতক এখন আংশিকভাৱে একাত্মক বা আংশিকভাৱে যুক্তৰাষ্ট্ৰীয় চৰকাৰ হিচাপে প্ৰতিষ্ঠা কৰিছে। লিখিত সংবিধান, সংবিধানৰ সৰ্বশ্ৰেষ্ঠতা আদি চৰিত্ৰসমূহ ভাৰতীয় সংবিধানৰ যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্যসমূহৰ ভিতৰত অন্তৰ্ভুক্ত কৰিব পাৰি। কিন্তু প্ৰকৃতাৰ্থত ভাৰতবৰ্ষক যুক্তৰাষ্ট্ৰ বুলি ক'ব নোৱাৰি। কাৰণ ইয়াত বহুতো অ-যুক্তৰাষ্ট্ৰীয় অৱয়ব পৰিলক্ষিত হয়। এই অ-যুক্তৰাষ্ট্ৰীয় বা একাত্মক বৈশিষ্ট্যসমূহৰ ভিতৰত উল্লেখযোগ্য যেনে — শক্তিশালী কেন্দ্ৰ, সংবিধান সংশোধনৰ কেইটামান কঠোৰ প্ৰক্ৰিয়া, এক নাগৰিকত্ব আদি। সেয়েহে ভাৰতীয় সংবিধানক যুক্তৰাষ্ট্ৰীয় আৰু একাত্মক অৱয়বৰ সংমিশ্ৰণ বুলি ক'ব পাৰি।
- ভাৰতীয় সংবিধানে আৰু কিছুমান উল্লেখযোগ্য বৈশিষ্ট্য হ'ল— বৃটিছ আৰ্হিৰ সংসদীয় চৰকাৰৰ ব্যৱস্থা, ধৰ্মনিৰপেক্ষতা, মৌলিক অধিকাৰৰ ব্যৱস্থা, স্বাধীন আৰু নিৰপেক্ষ ন্যায়পালিকা, ৰাজ্য আৰু কেন্দ্ৰৰ মাজত ক্ষমতাৰ সমবিতৰণ, প্ৰাপ্তবয়স্কৰ সাৰ্বজনীন ভোটাধিকাৰ, একক নাগৰিকত্ব আৰু জৰুৰীকালীন অৱস্থাৰ অধিকাৰ আদি।



৫.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০। *ভাৰতৰ প্ৰশাসন আৰু ৰাজনীতি* । গুৱাহাটী ঃ বনলতা।

২) শৰ্মা, দুৰ্গা কান্ত , ৰফিক, জামান আৰু শৰ্মা ,ড° পূৰবী ২০০৫। *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ ২০১১। *স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi :Cosmos Bookhive Pvt. Ltd.

2) Ghai, K.K.(2007). *Indian Government and Politics*.New Delhi: Kalyani Publishers.

3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions*.New Delhi : S. Chand and Company.

4) Pylee, M,V. (2006). *Constitutional Government in India.* New Delhi:S. Chand and Company.

৫.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ ১২ টা

২ নং প্ৰশ্নৰ উত্তৰঃ শুদ্ধ

৩ নং প্ৰশ্নৰ উত্তৰঃ ভাৰতৰ সংবিধানৰ প্ৰতি আনুগত্য প্ৰকাশ কৰা আৰু ইয়াৰ আদৰ্শ আৰু প্ৰতিষ্ঠানসমূহ , ৰাষ্ট্ৰীয় পতাকা, ৰাষ্ট্ৰীয় সংগীত আদিক সন্মান প্ৰদৰ্শন কৰা, প্ৰয়োজনীয় সময়ত দেশৰ প্ৰতিৰক্ষাকে ধৰি আন আন জাতীয় সেৱাৰ বাবে আগবাঢ়ি অহা, বৈজ্ঞানিক মানসিকতা, মানৱতাবোধ, অনুসন্ধান আৰু সংস্কাৰ মনোভাবৰ উন্নয়ন ঘটোৱা, ৰাজহুৱা সম্পত্তি ৰক্ষণা-বেক্ষন আৰু হিংস্ৰতা পৰিত্যাগ কৰা।

৪ নং প্ৰশ্নৰ উত্তৰঃ (i) লিখিত সংবিধান

(ii) আংশিকভাৱে অনমনীয়, আংশিকভাৱে নমনীয়

(iii) সংবিধানৰ শ্ৰেষ্ঠত্ব

(iv) প্ৰাপ্তবয়স্কৰ সাৰ্বজনীন ভোটাধিকাৰ

৫ নং প্ৰশ্নৰ উত্তৰঃ (i) শক্তিশালী কেন্দ্ৰ,

(ii) এক নাগৰিকত্ব,

(iii) সৰ্বভাৰতীয় লোকসেৱা ব্যৱস্থা

(iv) ৰাষ্ট্ৰপতিৰ জৰুৰীকালীন অধিকাৰ

৬ নং প্ৰশ্নৰ উত্তৰঃ ৪৪ তম সংশোধনী

৭ নং প্ৰশ্নৰ উত্তৰঃ ৪৪ তম সংশোধনী

৮ নং প্ৰশ্নৰ উত্তৰঃ ভাৰতীয় সংবিধানত যিকোনো জৰুৰীকালীন অৱস্থাৰ লগত খাপ-খাব পৰাকৈ জৰুৰীকালীন অৱস্থাৰ অধিকাৰ সন্নিবিষ্ট কৰা হৈছে। এই ক্ষমতা আমাৰ দেশৰ ৰাষ্ট্ৰপতিৰ হাতত ন্যস্ত। ভাৰতবৰ্ষত তিনি ধৰণৰ জৰুৰী ক্ষমতা আছে -

(১) জাতীয় জৰুৰী কালীন অৱস্থা (অনুচ্ছেদ ৩৫২)

(২) ৰাজ্যিক জৰুৰী কালীন অৱস্থা (অনুচ্ছেদ ৩৬০) আৰু

(৩) আৰ্থিক জৰুৰী কালীন অৱস্থা (অনুচ্ছেদ ৩৬০)।



৫.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ কোনটো সংশোধনী আইনৰ যোগেদি মৌলিক কৰ্তব্যসমূহ ভাৰতীয় সংবিধানত সন্নিবিষ্ট কৰা হৈছে।

প্ৰশ্ন ২ঃ ৰাষ্ট্ৰ পৰিচালানাৰ নিৰ্দেশাত্মক নীতিসমূহৰ শ্ৰেণীবিভাগ উল্লেখ কৰক।

প্ৰশ্ন ৩ঃ ভাৰতীয় সংবিধানখনৰ অনুসূচীৰ সংখ্যা কিমান?

প্ৰশ্ন ৪ঃ ভাৰতীয় সংবিধানৰ যিকোনো দুটা যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্য উল্লেখ কৰক।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ মৌলিক কৰ্তব্য আৰু ধৰ্মনিৰ পেক্ষতা ভাৰতীয় সংবিধানৰ বৈশিষ্ট্য হিচৰে ব্যাখ্যা কৰক।

প্ৰশ্ন ২ঃ ভাৰতীয় সংবিধানখন কিয় যুক্তৰাষ্ট্ৰীয় আৰু একাত্মক বৈশিষ্ট্যসমূহৰ সংমিশ্ৰণ বোলা হয় ?

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ ভাৰতীয় সংবিধানৰ বৈশিষ্ট্য সমূহ আলোচনা কৰক ।

*** ***** ***

অধ্যায় ৬ঃ মৌলিক অধিকাৰ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ মৌলিক অধিকাৰ আৰু ইয়াৰ অর্থ

৬.৪ মৌলিক অধিকাৰৰ ঐতিহাসিক পৃষ্ঠভূমি

৬.৫ মৌলিক অধিকাৰৰ বৈশিষ্ট্যসমূহ

৬.৬ মৌলিক অধিকাৰৰ গুৰুত্ব

৬.৭ মৌলিক অধিকাৰৰ প্ৰকাৰ

৬.৮ মৌলিক অধিকাৰৰ ওপৰত থকা নিষেধাজ্ঞা

৬.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.১০ অধিক জানিবলৈ

৬.১১ অগ্ৰগতিৰ খতিয়ান

৬.১২ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতীয় সংবিধানত সন্নিৱিষ্ট মৌলিক অধিকাৰবোৰৰ অর্থ বর্ণনা কৰিব পাৰিব
- ভাৰতীয় সংবিধানত মৌলিক অধিকাৰবোৰ অন্তর্ভুক্ত কৰাৰ আঁৰৰ পটভূমিটো ব্যাখ্যা কৰিব পাৰিব
- মৌলিক অধিকাৰবোৰৰ বৈশিষ্ট্য ব্যাখ্যা কৰিব পাৰিব
- মৌলিক অধিকাৰবোৰৰ গুৰুত্ব বর্ণনা কৰিব পাৰিব
- ভাৰতীয় সংবিধানত সংলগ্ন কৰা মৌলিক অধিকাৰৰ প্ৰকাৰবোৰৰ বিষয়ে অলোচনা কৰিব পাৰিব
- মৌলিক অধিকাৰবোৰৰ সীমাৱদ্ধতা ব্যাখ্যা কৰিব পাৰিব।

৬.২ পৰিচয়

এই অধ্যায়টিৰ জৰিয়তে আপোনাক ভাৰতীয় নাগৰিকৰ মৌলিক অধিকাৰৰ লগত পৰিচয় কৰাই দিয়া হ'ব। ভাৰতীয় নাগৰিক সকলক ছয় প্ৰকাৰৰ মৌলিক অধিকাৰ প্ৰদান কৰা হৈছে। এই মৌলিক অধিকাৰসমূহ গনতান্ত্ৰিক জীৱন-যাপনৰ কাৰণে অতিকৈ প্ৰয়োজনীয়। আনহাতে, গণতান্ত্ৰিক শাসন ব্যৱস্থা সাফল্যমণ্ডিত কৰিবলৈ নাগৰিকক মৌলিক অধিকাৰ প্ৰদান

কৰা উচিত। এই উদ্দেশ্য পূৰণৰ বাবে সংবিধান প্ৰনেতাসকলে সংবিধানত মৌলিক অধিকাৰ অন্তৰ্ভূক্ত কৰিছিল। মৌলিক অধিকাৰৰ অন্তৰ্ভূক্তিয়ে চৰকাৰক স্বেচ্ছাচাৰী হোৱাত বাধা প্ৰদান কৰে। নাগৰিকে এই মৌলিক অধিকাৰবোৰৰ যোগেদি ব্যক্তিত্ব আৰু প্ৰতিভাৰ বিকাশ সাধন কৰিব পাৰে। নাগৰিকৰ এনে অধিকাৰসমূহ নিশ্চিত (guaranteed) যদিও দেশত জৰুৰী অৱস্থা বাহাল থাকিলে এনে অধিকাৰসমূহ ৰাজহুৱা শৃংখলা আৰু নিৰাপত্তা খাতিৰত সাময়িকভাৱে স্থগিত ৰখা হয়।

এই অধিকাৰ সমুহ আদালতৰ দ্বাৰা বিচাৰযোগ্য হয়। নাগৰিকৰ অধিকাৰ ভংগ হ'লে আদালতৰ ওচৰত আবেদন কৰিব পাৰে আৰু আদালতে নাগৰিকৰ অধিকাৰ ৰক্ষণাবেক্ষণ দিব পাৰে। এই অধ্যায়টিত আমি মৌলিক অধিকাবোৰৰ অর্থ, প্রকৃতি, প্রকাৰ, গুৰুত্ব আৰু সীমাৱদ্ধতা ইত্যাদি আলোচনা কৰিম। ভাৰতীয় সংবিধানত এই অধিকাৰবোৰ অন্তর্ভুক্ত কৰাৰ আঁৰৰ পৃষ্ঠভূমি হ'ল অধ্যায়টিত আলোচনা কৰিবলগীয়া আন এক গুৰুত্বপূর্ণ বিষয়।

৬.৩ মৌলিক অধিকাৰ আৰু ইয়াৰ অর্থ

মৌলিক অধিকাৰ হ'ল সুস্থ জীৱন-যাপনৰ বাবে প্রয়োজনীয় কিছুমান চর্ত্তাৱলী, যি বোৰৰ অবিহনে নাগৰিকে নিজৰ ব্যক্তিত্বৰ প্রকাশ আৰু প্রতিভাৰ বিকাশ সাধন কৰিব নোৱাৰে। ব্যক্তিত্বৰ পূর্ণবিকাশৰ বাবে এনে অধিকাৰবোৰ অতিকৈ অপৰিহার্য হোৱা হেতুকে এনে অধিকাৰ বোৰক মৌলিক অধিকাৰ বোলা হয়। এনে মৌলিক অধিকাৰ বোৰ সাধাৰণ অধিকাৰ (ordinary rights) তকৈ বেলেগ। কাৰণ, মৌলিক অধিকাৰবোৰ সংবিধানত সংযোজন ঘটোৱা হৈছে যাতে নাগৰিকৰ মৌলিক অধিকাৰৰ ওপৰত কোনো ধৰণৰ চৰকাৰী হস্তক্ষেপ পৰিলক্ষিত নহয়। মৌলিক অধিকাৰ বোৰ সদায় সংবিধানৰ দ্বাৰা সূৰক্ষিত আৰু স্বীকৃত। আনহাতে, নাগৰিকৰ সাধাৰণ অধিকাৰ সমুহ সাধাৰণ আইনৰ (ordinary law) দ্বাৰা সুৰক্ষিত হয়। ইয়াৰ উপৰিও, মৌলিক অধিকাৰ সমূহ সাধাৰণ পৰিস্থিতিত অলংঘনীয় (inviolable) হয়। এক বিশেষপৰিস্থিতি সাপেক্ষেহে এই অধিকাৰবোৰ সাময়িকভাৱে ৰাষ্ট্রই কাঢ়ি নিব পাৰে। জীৱনৰ অধিকাৰ (Right to Life), কথা কোৱা আৰু প্রকাশৰ স্বাধীনতা (Freedom of Speech and Expression), সমতাৰ অধিকাৰ (Right to Equality), ধর্মীয় স্বাধীনতাৰ অধিকাৰ (Right to Freedom of Religion), ব্যক্তিগত স্বাধীনতাৰ অধিকাৰ (Right to Personal Liberty), শিক্ষাৰ অধিকাৰ (Right to Education) ইত্যাদি হ'ল নাগৰিকৰ প্রধান মৌলিক অধিকাৰ। প্রত্যেক গনতান্ত্রিক ৰাষ্ট্রই নাগৰিকৰ মৌলিক প্রয়োজন সমুহ পূৰণৰ বাবে নিজ নিজ সংবিধানত কিছুমান মৌলিক অধিকাৰ অন্তর্ভূক্ত কৰিছে যাতে এনে অধিকাৰ উপভোগ কৰি একো একোজন সুস্থ ব্যক্তিত্বৰ নাগৰিক হিচাপে নিজকে গঢ় দিব পাৰে। এনে অধিকাৰ সমুহ সদায় আদালতৰ দ্বাৰা বিচাৰযোগ্য হয়। গতিকে, নাগৰিকৰ অধিকাৰ খর্ব হ'লে ব্যক্তিয়ে আইনৰ সাহায্য বিচাৰি আদালতৰ ওচৰ চাপিব পাৰে। ভাৰতীয় সংবিধানৰ লেখিয়াকৈ জাপান, ফ্রান্স, ছুইজাৰলেণ্ড আদি দেশসমুহে

নিজ নিজ সংবিধানত নাগৰিকৰ বাবে মৌলিক অধিকাৰ অন্তর্ভূক্ত কৰিছে। এনে অধিকাৰ সমুহ যিহেতু নাগৰিকৰ জীৱনৰ এক অপৰিহার্য্য বিষয় সেয়েহে এই অধিকাৰ বোৰৰ অবিহনে গণতন্ত্র কেতিয়াও কৃতকার্য হ'ব নোৱাৰে। ভাৰতীয় সংবিধানৰ তৃতীয় অংশ (Part-III)ত নাগৰিকৰ মৌলিক অধিকাৰ অন্তর্ভূক্ত কৰা হৈছে। ভাৰতীয় নাগৰিকে কিছুমান যুক্তিসংগত বাধাৰ (resonable limitations) মাজতহে এনে অধিকাৰবোৰ উপভোগ কৰিব পাৰে।

৬.৪ মৌলিক অধিকাৰৰ ঐতিহাসিক পৃষ্ঠভূমি

ভাৰতত স্বাধীনতা আন্দোলন চলি থকাৰ সময়তেই দেশৰ সংবিধানত মৌলিক অধিকাৰ কিছুমান অন্তর্ভুক্ত কৰাৰ দাবী উত্থাপিত হৈছিল। সেই সময়ছোৱাত ভাৰতীয় নেতাসকলে ভাবিছিল যে ভাৰতৰ এখন নিজা সংবিধান থকা উচিত আৰু এই সংবিধানত ভাৰতীয় নাগৰিকৰ অধিকাৰ তথা উপভোগ কৰিব পৰা স্বাধীনতাৰ এখন তালিকা সন্নিৱিষ্ট কৰা উচিত। বহুতো বিদেশী নথি-পত্রই সেই সময়ত ভাৰতীয় নাগৰিকক সাংবিধানিক অধিকাৰ দাবী কৰিবলৈ উৎসাহিত কৰিছিল। তেনে দুখনমান গুৰুত্বপূর্ণ নথি হ'ল ১৬৮৯ চনৰ ইংলেণ্ডৰ অধিকাৰ চনদ (Bill of Rights), ১৭৯১ চনৰ আমেৰিকা যুক্তৰাষ্ট্রৰ অধিকাৰ বিধেয়ক আৰু ১৭৮৯ চনৰ মানৱ আৰু নাগৰিকৰ অধিকাৰ বিষয়ক ফ্রান্সৰ ঘোষণাপত্র।

ভাৰতত ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে চলা স্বাধীনতা আন্দোলনৰ কালছোৱাত নাগৰিকৰ অধিকাৰ আৰু স্বতন্ত্রতা বিষয়ক সচেতনতাই এক বৈপ্লৱিক ৰূপ ধাৰণ কৰিছিল। এই সময়খিনিত ভাৰতীয় নাগৰিকে বিদেশী শাসনৰ পৰা মুক্ত হোৱাৰ লগতে নিজৰ অধিকাৰ বিচাৰিও দাবী উত্থাপন কৰিছিল। মৌলিক স্বাধীনতা আৰু নাগৰিক তথা ৰাজনৈতিক অধিকাৰ বিচাৰি ভাৰতৰ জনগণে উত্থাপন কৰা দাবীত দৃশ্যমান হৈছিল বিদেশী শাসনৰ বিৰুদ্ধে গঢ় লৈ উঠা প্রতিৰোধ (Yasin and Upadhyay, 2004; 59)। অধিকাৰ আৰু স্বাধীনতা বিচাৰি প্রথম সংগঠিত দাবী উত্থাপন কৰা হৈছিল ১৮৯৫ চনৰ ভাৰতীয় সংবিধান বিধেয়কৰ জৰিয়তে (এই বিধেয়কখনক হোম ৰুল নথি বুলিও জনা যায়)। বিধেয়কখনত ভাৰতীয় নাগৰিকক আইনৰ আগত অভিব্যক্তি প্রকাশ আৰু সমতাৰ স্বাধীনতা প্রদান কৰাত জোৰ দিয়া হৈছিল। ১৯২৫ চনত এনি বেচান্তে ভাৰতৰ কমনৱেলথ্ বিধেয়কখনৰ খচৰা প্রস্তুত কৰিছিল। এই বিধেয়কখনত ভাৰতীয় সকলৰ বাবে কেইটামান মৌলিক অধিকাৰ সন্নিৱিষ্ট কৰা হৈছিল। বিধেয়কখনত উল্লেখ কৰা কেইটামান গুৰুত্বপূর্ণ অধিকাৰ আৰু স্বাধীনতা হ'ল- স্বাধীনতাৰ অধিকাৰ, সম্পত্তিৰ অধিকাৰ, ধর্মীয় উপাসনাৰ স্বাধীনতা লাভৰ অধিকাৰ, মত প্রকাশৰ স্বাধীনতা, নিৰস্ত্রভাৱে সমবেত হোৱাৰ অধিকাৰ, বিনামূলীয়া প্রাথমিক শিক্ষা লাভৰ অধিকাৰ, ৰাজহুৱা সম্পত্তিব্যৱহাৰৰ অধিকাৰ ইত্যাদি। অৱশ্যে বৃটিছ সংসদে এই বিধেয়কখন গৃহিত নকৰিলে।

১৯২৮ চনৰ ১৯ মে'ত ভাৰতৰ আটাইবোৰ ৰাজনৈতিক দলৰ প্রতিনিধিয়ে এখন সর্বদলীয় সন্মিলনত ভাগ লৈ ভাৰতীয় নাগৰিকৰ ইচ্ছা তথা দাবীৰ সৈতে জড়িত বিভিন্ন বিষয় আলোচনা

কৰিছিল। সন্মিলনৰ অন্তত মতিলাল নেহৰুৰ অধ্যক্ষতাত এখন সমিতি গঠন কৰা হৈছিল। সমিতিয়ে ১৯২৮ চনৰ ১৪ আগষ্টত এখন প্ৰতিবেদন প্ৰস্তুত তথা প্ৰকাশ কৰিছিল। এই প্ৰতিবেদনখনক নেহৰু প্ৰতিবেদন বুলি জনা যায়। প্ৰতিবেদনত স্পষ্টকৈ প্ৰকাশ কৰা হৈছিল যে ভাৰতীয়সকলক মৌলিক অধিকাৰৰ নিশ্চিতি প্ৰদান কৰা উচিত। প্ৰতিবেদনখনত চৰকাৰত থকা প্ৰতিনিধিৰ সংখ্যাৰ বিপৰীতে নৃগোষ্ঠীয় তথা ধৰ্মীয় সংখ্যালঘূসকলৰ অধিকাৰ সুৰক্ষিত কৰাৰ কথাও কোৱা হৈছিল। ১৯৩১ চনত কৰাচি বহা ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিৱেশনত ভাৰতীয় নাগৰিকৰ মৌলিক নাগৰিক তথা আৰ্থ-সামাজিক অধিকাৰবোৰক সুৰক্ষা প্ৰদান কৰিবলৈ এটা প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। এই অধিৱেশনতে মৌলিক অধিকাৰ বিষয়ক এখন নথিও গৃহিত কৰা হৈছিল। এই নথিখনে পৰৱৰ্তী সময়ত ভাৰতীয় সংবিধানৰ তৃতীয় খণ্ডটোৰ সংৰচনাত সাংবিধানিক পৰিষদক প্ৰভাৱিত কৰিছিল। ইয়াৰ উপৰিও, তেজ বাহাদুৰ চাপ্ৰুৰ অধ্যক্ষতাত আন এখন সমিতি গঠন কৰা হৈছিল আৰু ১৯৪৫ চনত এই সমিতিখনে নিজৰ প্ৰতিবেদন প্ৰকাশ কৰিছিল। প্ৰতিবেদনত জোৰ দি কোৱা হৈছিল যে ভাৰতীয় সংবিধানত ভাৰতৰ নাগৰিকৰ মৌলিক অধিকাৰবোৰ সন্নিৱিষ্ট হ'বই লাগিব। প্ৰতিবেদনখনত মৌলিক অধিকাৰ বোৰক দুটা ভাগত ভগোৱাৰ কথা কোৱা হৈছিল- ন্যায়ালয়ত বিচাৰ কৰিব পৰা অধিকাৰ (justiciable rights) আৰু ন্যায়ালয়ত বিচাৰ কৰিব নোৱাৰা অধিকাৰ (non-justiciable rights)। সংবিধান প্ৰস্তুতকাৰী পৰিষদে এই পৰামৰ্শ মানি লৈ ভাৰতীয় সংবিধানৰ তৃতীয় খণ্ডত ন্যায়ালয়ত বিচাৰ কৰিব পৰা অধিকাৰবোৰক মৌলিক অধিকাৰৰূপে স্থান দিছিল। ন্যায়ালয়ত বিচাৰ কৰিব নোৱাৰা অধিকাৰবোৰক ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতি নামেৰে সংবিধানৰ চতুৰ্থ খণ্ডত স্থান দিয়া হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ ভাৰতীয় সংবিধানত কিমানটা মৌলিক অধিকাৰ সন্নিৱিষ্ট কৰা হৈছে?

.....

প্ৰশ্ন নং ২ঃ ভাৰতত মানুহে কোনো সীমাবদ্ধতা নথকাকৈ মৌলিক অধিকাৰবোৰ উপভোগ কৰিব পাৰে। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ৩ঃ কোন চনত ইংলেণ্ডৰ অধিকাৰ চনদখন গৃহিত হৈছিল?

.....

.....

প্ৰশ্ন নং ৪ঃ কোন চনত নেহৰু প্ৰতিবেদন প্ৰকাশ কৰা হৈছিল?

.....

.....

৬.৫ মৌলিক অধিকাৰৰ বৈশিষ্ট্যসমূহ

ভাৰতীয় সংবিধানত অন্তর্ভূক্ত মৌলিক অধিকাৰ সমূহৰ প্রধান বৈশিষ্ট্য সমূহ তলত চমুকৈ বর্ণনা কৰা হ'ল -

- মৌলিক অধিকাৰবোৰ সংবিধানৰ অভিন্ন অংগ। সংবিধানৰ তৃতীয় অংশত ২৪ টা অনুচ্ছেদ সামৰি অন্তর্ভূক্ত হোৱা এই অধিকাৰসমুহ সংসদে এক বিশেষ পদ্ধতিৰে সংশোধন কৰিব পাৰে।
- মৌলিক অধিকাৰ বোৰ কেৱল ভাৰতীয় নাগৰিকৰ বাবে। কোনো বিদেশী লোকে এনে অধিকাৰ উপভোগ কৰাৰ অধিকাৰ নাই। অৱশ্যে জীৱনৰ অধিকাৰ, ধর্মীয় স্বাধীনতাৰ অধিকাৰ আৰু ব্যক্তিগত সম্পত্তিৰ অধিকাৰ ভাৰতীয় নাগৰিকৰ লগতে বিদেশীসকলেও উপভোগ কৰিব পাৰে।
- মৌলিক অধিকাৰবোৰ কেতিয়াও অসীম নহয়। কিছুমান যুক্তিসংগত সীমাবদ্ধতাৰ মাজতহে নাগৰিকে এই অধিকাৰ উপভোগ কৰিব পাৰে। কাৰণ সীমাহীন ভাৱে অধিকাৰ উপভোগ কৰাৰ ফলত ৰাজহুৱা শৃংখলা (public order) বিনষ্ট হবও পাৰে।
- জৰুৰীকালীন অৱস্থাত নাগৰিকৰ মৌলিক অধিকাৰ উপভোগত সাময়িক ভাবে ব্যাঘাত জন্মে আৰু এই সময়ছোৱাত নাগৰিকৰ জীৱনৰ অধিকাৰ (right to life) আৰু ব্যক্তিগত স্বাধীনতা (right to personal liberty) ৰ অধিকাৰৰ বাহিৰে আন সকলোবোৰ অধিকাৰ ৰাষ্ট্রই সাময়িকভাৱে স্থগিত কৰিব পাৰে (অনুচ্ছেদ ২০-২১)।
- মৌলিক অধিকাৰসমুহ ন্যায়বিচাৰ যোগ্য (justiciable) হয়। নাগৰিকৰ এনে অধিকাৰ খর্ব হলে আদালতৰ ওচৰ চাপিব পাৰে। সংবিধানৰ ৩২নং আৰু ২২৬ নং অনুচ্ছেদ অনুসৰি ক্রমে উচ্চতম ন্যায়ালয় আৰু সংশ্লিষ্ট উচ্চ ন্যায়ালয়ে লেখ (writ) জাৰি কৰি নাগৰিকৰ অধিকাৰ ৰক্ষণাবেক্ষণ দিব পাৰে।
- মৌলিক অধিকাৰবোৰ সংশোধনযোগ্য (amendable) হয়। ভাৰতীয় সংসদে এক বিশেষ পদ্ধতিৰে মৌলিক অধিকাৰৰ সংশোধন কৰিব পাৰে।
- সামূহিক লক্ষ্যৰ লগতে ব্যক্তিগত লক্ষ্য সাধন কৰাই হ'ল মৌলিক অধিকাৰৰ প্রধান লক্ষ্য।
- মৌলিক অধিকাৰসমূহ কোনো দেশৰ সাধাৰণ আইনতকৈ উচ্চ। এই অধিকাৰসমূহক এক বিশেষ গুৰুত্ব প্রদান কৰা হয়।
- সংবিধানত অন্তর্ভূক্ত মৌলিক অধিকাৰৰ কিছুমান নকৰাত্মক (negative) আৰু আন কিছুমান সকাৰাত্মক (positive)। কিছুমান মৌলিক অধিকাৰে চৰকাৰৰ কতৃত্বৰ ওপৰত সাংবিধানিক বাধা আৰোপ কৰিছে। ৰাষ্ট্রই ভাৰতৰ ভৌগলিক পৰিসীমাৰ

ভিতৰত কোনো ব্যক্তিক আইনৰ চকুত সমতা আৰু আইনৰ সমসু�ৰক্ষাৰ পৰা বঞ্চিত কৰিব নোৱাৰিব। এইটো নকৰাত্মক মৌলিক অধিকাৰ । আনহাতে স্বাধীনতাৰ অধিকাৰ সকাৰাত্মক মৌলিক অধিকাৰ।

৬.৬ মৌলিক অধিকাৰৰ গুৰুত্ব

প্ৰত্যেক ব্যক্তিৰ জীৱনতে মৌলিক অধিকাৰৰ যথেষ্ট তাৎপৰ্য আছে। এই অধিকাৰবোৰক ব্যক্তিৰ সৰ্বাংগীন বিকাশৰ এক অতি আৱশ্যকীয় উপাদান বুলি গণ্য কৰা হয়। এই অধিকাৰবোৰে মানুহক শাৰীৰিক, নৈতিক, সামাজিক আৰু আধ্যাত্মিক কল্যাণৰ সুযোগ তথা স্বাধীনতা প্ৰদান কৰে। মৌলিক অধিকাৰবোৰৰ সহায়তহে মানুহে একোটা মৰ্যাদাপূৰ্ণ জীৱন যাপন কৰিব পাৰে।

এটা গণতান্ত্ৰিক ৰাজনৈতিক সংৰচনাৰ সফলতা ইয়াৰ সদস্যসকলে কিমান পৰ্যায়লৈকে মৌলিক অধিকাৰবোৰ উপভোগৰ সুযোগ পায় তাৰ ওপৰত নিৰ্ভৰশীল। নাগৰিকে যদি মৌলিক অধিকাৰ আৰু স্বাধীনতা উপভোগ কৰাৰ পৰা বঞ্চিত হয় তেন্তে গণতন্ত্ৰ অৰ্থহীন হৈ পৰে। গণতান্ত্ৰিক ব্যৱস্থা এটাত মানুহৰ মতামত প্ৰকাশৰ স্বাধীনতা থাকিব লাগিব। ই ৰাজহুৱা মতামত গঢ় লৈ উঠাত সহায় কৰে। মানুহৰ সজাগতা বৃদ্ধিৰ বাবে এনে মতামত অতি আৱশ্যকীয়।

ভাৰতীয় নাগৰিকক সংবিধানে ন্যায়ালয়ত বিচাৰসাধ্য মৌলিক অধিকাৰ কিছুমান প্ৰদান কৰিছে। জাতি, বৰ্ণ, ধৰ্ম, ভাষা, লিংগ নিৰ্বিশেষে প্ৰতিগৰাকী ভাৰতীয় নাগৰিকে নিজৰ মৌলিক আধিকাৰবোৰ সুৰক্ষিত ৰাখিবলৈ ন্যায় ব্যৱস্থাৰ ওচৰ চাপিব পাৰে। ন্যায় ব্যৱস্থাৰ কায চপাটোও আচলতে ভাৰতীয় নাগৰিকে উপভোগ কৰা এটা মৌলিক অধিকাৰ। ভাৰতীয় সংবিধানৰ ধাৰা ৩২ আৰু ২২৬ অনুসৰি ভাৰতীয় নাগৰিকে নিজৰ মৌলিক অধিকাৰ সুৰক্ষিত ৰাখিবলৈ ক্ৰমে উচ্চতম তথা উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব পাৰে। ভাৰতত মৌলিক অধিকাৰবোৰে প্ৰধানতঃ দেশৰ ঐক্য সুনিশ্চিত কৰাৰ প্ৰয়াস কৰে। এই অধিকাৰবোৰে সেয়েহে ৰাজহুৱা জীৱন বিষয়ক কথাবোৰত সকলো ভাৰতীয় নাগৰিককে সমান সুযোগ প্ৰদানত জোৰ দিয়ে।

ভাৰতত মৌলিক অধিকাৰবোৰে ৰাষ্ট্ৰক ব্যক্তিৰ জীৱনত নেতিবাচক পন্থাৰে হস্তক্ষেপ কৰাৰ পৰা বিৰত ৰাখে। ই নাগৰিকৰ জীৱনক ৰাষ্ট্ৰৰ স্বেচ্ছাছাৰী কাৰ্যৰ পৰা সুৰক্ষা প্ৰদান কৰে। এই অধিকাৰবোৰে কিছুমান সামাজিক কুপ্ৰথাও আঁতৰ কৰিছে। যেনে, সংবিধানৰ অনুচ্ছেদ ১৭ ই আমাৰ সমাজৰ পৰা অস্পৃশ্যতাৰ প্ৰথা নিৰ্মূল কৰিছে।

সহজ অৰ্থত ক'বলৈ হ'লে আমাৰ দৈনন্দিন জীৱনত মৌলিক অধিকাৰবোৰৰ যথেষ্ট তাৎপৰ্য আছে। এই অধিকাৰবোৰ নাথাকিলে নাগৰিকে একোটা মৰ্যাদাপূৰ্ণ জীৱন জীয়াই থাকিব নোৱাৰিব।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ৫ ঃ মৌলিক অধিকাৰবোৰ ন্যায়ালয়ৰ বিচাৰসাধ্য। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ৬ ঃ ভাৰতীয় সংবিধানৰ কোনটো ধাৰাৰ অধীনত নাগৰিকে মৌলিক অধিকাৰ সুৰক্ষিত ৰখাৰ বাবে উচ্চতম ন্যায়ালয়ৰ কায চাপিব পাৰে?

.....

.....

প্রশ্ন নং ৭ ঃ মৌলিক অধিকাৰৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

৬.৭ মৌলিক অধিকাৰৰ প্রকাৰসমূহ

ভাৰতীয় সংবিধানৰ তৃতীয় অংশত (Part-III) নাগৰিকৰ মৌলিক অধিকাৰ অন্তর্ভূক্ত কৰা হৈছে। মৌলিক অধিকাৰক প্রধানকৈ ছয় প্রকাৰত বিভক্ত কৰিব পাৰি -

(ক) সমতাৰ অধিকাৰ (Right to Equality) (অনুচ্ছেদ ১৪-১৮)

(খ) স্বাধীনতাৰ অধিকাৰ (Right to Freedom) (অনুচ্ছেদ ১৯-২২)

(গ) শোষণৰ বিৰুদ্ধে অধিকাৰ (Right against Exploitation) (অনুচ্ছেদ ২৩-২৪)

(ঘ) ধর্মীয় স্বাধীনতাৰ অধিকাৰ (Right to Freedom of Religion) (অনুচ্ছেদ ২৫-২৮)

(ঙ) শিক্ষা আৰু সাংস্কৃতিক অধিকাৰ (Cultural and Educational Rights) (অনুচ্ছেদ ২৯-৩০)

(চ) সাংবিধানিক প্রতিকাৰৰ অধিকাৰ (Right to Constitutional Remedies) (অনুচ্ছেদ ৩২)

জানি থোৱা ভাল



সংবিধানৰ ৪৪তম সংশোধনী (১৯৭৮চন) অনুসৰি সম্পত্তিৰ অধিকাৰ মৌলিক অধিকাৰৰ তালিকাৰ পৰা বাদ দিয়া হয়। ৪৪তম সংবিধান সংশোধনীৰ জৰিয়তে ৰাষ্ট্রই সমাজবাদী লক্ষ্য সাধনত গুৰুত্ব প্রদান কৰিছে। সেয়েহে সম্পত্তিৰ অধিকাৰ বর্তমান এক সাধাৰণ ন্যায়িক অধিকাৰ।বর্তমান এই অধিকাৰটোক সংবিধানৰ অংশ XII ৰ ৩০০ A (Article 300A) অনুচ্ছেদত অন্তর্ভুক্ত কৰা হৈছে।

তলত ছয় প্ৰকাৰৰ মৌলিক অধিকাৰসমূহ চমুকৈ আলোচনা কৰা হ'ল -

(ক) সমতাৰ অধিকাৰ (Right to Equality) (অনুচ্ছেদ ১৪-১৮)

সমতাৰ অধিকাৰ ভাৰতবৰ্ষৰ ভৌগলিক পৰিসীমাৰ ভিতৰত আইনৰ চকুত সমতা আৰু সমসুৰক্ষিত হোৱাকে বুজায়।

কোনো ব্যক্তি আইনৰ উৰ্দ্ধত নহয় আৰু একেধৰণৰ অৱস্থাত সকলোৱে সমানভাৱে আইনৰ সংৰক্ষণ পাব। প্ৰতিজন ব্যক্তি দেশৰ সাধাৰণ আইনৰ দ্বাৰা বিচাৰযোগ্য হ'ব আৰু সাধাৰণ বিচাৰপীঠৰ দ্বাৰা সংশোধনযোগ হ'ব। সাধাৰণ নাগৰিকৰ মাজত চৰকাৰী পদত নিযুক্তিৰ কোনো প্ৰভেদ নাথাকিব। সকলো ধৰণৰ বৈষম্যৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে আৰু ৰাষ্ট্ৰৰ ভিতৰত সম সুযোগ-সুবিধাৰ ব্যৱস্থা নিশ্চিত কৰা হৈছে। সংবিধানৰ অনুচ্ছেদ ১৭ ই আমাৰ সমাজৰ পৰা অস্পৃশ্যতাৰ প্ৰথা নিৰ্মূল কৰিছে। অৱশ্যে সমতাৰ অধিকাৰৰ কিছুমান ব্যতিক্ৰম পৰিলক্ষিত হয়।

- ভাৰতৰ ৰাষ্ট্ৰপতি আৰু ৰাজ্যৰ ৰাজ্যপাল তেওঁলোকৰ কামৰ বাবে কোনো আদালতত জবাৱদিহি নহয়।
- কাৰ্যকালৰ সময়চোৱাত তেওঁলোকৰ বিৰুদ্ধে কোনো দেৱানী বা ফৌজদাৰী মোকৰ্দমা ৰুজু কৰিব পৰা নাযায়। দেশৰ কোনো আদালতে তেওঁলোকক অভিযুক্ত কৰিব নোৱাৰিব বা গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিব নোৱাৰিব।
- সমাজৰ কিছুমানলোকক কৰ আদায় প্ৰক্ৰিয়াৰ পৰা ৰেহাই দিয়া হৈছে।
- কিছুমান বিশেষ শ্ৰেণীৰ ওপৰত কৰ আৰোপ কৰা হৈছে।
- শিশু আৰু মহিলাসকলৰ উন্নয়নৰ বাবে অধিক প্ৰাধান্য দিয়া হৈছে।
- সমাজৰ অতি পিছপৰা শ্ৰেণী যেনে - অনুসুচিত জাতি আৰু জনজাতিৰ উন্নয়নৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে যাক সুৰক্ষিত বৈষম্য বোলা হয়। পিছপৰা শ্ৰেণীৰ উন্নয়নৰ কাৰণে চাকৰি সংৰক্ষণৰ দিহা কৰা হৈছে।

(খ) স্বাধীনতাৰ অধিকাৰ (Right to Freedom) (অনুচ্ছেদ ১৯-২২)

স্বাধীনতাৰ অধিকাৰেই হ'ল নাগৰিকৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অধিকাৰ। ব্যক্তি স্বাধীনতাৰ বাহক হিচাপে ১৯ নং অনুচ্ছেদত ভাৰতীয় নাগৰিক সকলৰ বাবে ছয় প্ৰকাৰৰ স্বাধীনতা অন্তৰ্ভূক্ত কৰা হৈছে। ১৯ (১)নং অনুচ্ছেদ [Article 19(1)] ত কোৱা হৈছে যে - ভাৰতৰ সকলো নাগৰিকে-

(১) কথা কোৱা আৰু প্ৰকাশৰ স্বাধীনতা।

(২) নিৰস্ত্ৰ আৰু শান্তিপূৰ্ণভাৱে সমবেত হোৱাৰ স্বাধীনতা।

(৩) সংস্থা আৰু সংঘ গঠন কৰাৰ স্বাধীনতা।

(৪) ভাৰতবৰ্ষৰ চাৰিসীমাৰ ভিতৰত স্বাধীনভাৱে চলাচলৰ স্বাধীনতা।

(৫) ভাৰতবৰ্ষৰ যিকোনো ঠাইতে বসবাস কৰাৰ অধিকাৰ।

(৬) যিকোনো চাকৰি নাইবা ব্যৱসায় কৰাৰ অধিকাৰ উপভোগ কৰিব।

২০, ২১ আৰু ২২ নং অনুচ্ছেদত ভাৰতীয় নাগৰিকৰ জীৱনৰ আৰু ব্যক্তিগত মর্য্যদাৰ স্বাধীনতা প্রদান কৰা হৈছে। ২০নং অনুচ্ছেদত কোৱা হৈছে যে কোনো অভিযুক্ত লোকক নিজৰ বিপক্ষে সাক্ষী দিবলৈ বাধ্য কৰাব নোৱাৰিব।

২১নং অনুচ্ছেদ অনুসৰি আইনৰ দ্বাৰা প্রতিস্থিত পদ্ধতিৰ বাহিৰে আন কোনো উপায়ে কোনো ব্যক্তিক জীৱন আৰু ব্যাক্তিগত স্বতন্ত্রতাৰ পৰা বঞ্চিত কৰিব নোৱাৰিব। ২২নং অনুচ্ছেদ অনুসৰি কোনো লোকক আটক কৰিলে তেওঁক আটক কৰাৰ কাৰণ জনাব লাগিব আৰু আটক হোৱা সময়ৰ পৰা২৪ ঘণ্টাৰ ভিতৰত বিচাৰকৰ ওচৰত হাজিৰ কৰাব লাগিব।২০০২ চনৰ ৮৬ সংখ্যক সংবিধান সংশোধনীৰ জৰিয়তে ২১(ক) (Article 21-A) অনুচ্ছেদ সংবিধানত সংযোগ কৰা হয় আৰু ইয়াৰ জৰিয়তে ৬ ৰ পৰা ১৪ বছৰৰ সকলো শিশুক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ ব্যৱস্থা কৰিবলৈ ৰাজ্যসমূহক নির্দেশ দিয়া হয়।

অৱশ্যে সমতাৰ অধিকাৰৰ দৰে নাগৰিকৰ স্বাধীনতাৰ অধিকাৰো অনিয়ন্ত্রিত (Absolute) নহয়। ৰাষ্ট্রই নাগৰিকৰ এনে স্বাধীনতাৰ ওপৰত কিছুমান যুক্তিসংগত বাধা নিষেধ আৰোপ কৰিব পাৰে যাতে ব্যক্তিগত স্বাধীনতা আৰু সামাজিক নিয়ন্ত্রণৰ মাজত এক ভাৰসাম্য বাহাল থাকে। সংবিধানৰ ৩৫২নং অনুচ্ছেদৰ অধীনত জাতীয় জৰুৰী কালীন অৱস্থা (National Emergency) ঘোষণা হোৱাৰ লগে লগে ১৯নং অনুচ্ছেদৰ অন্তর্ভূক্ত মৌলিক অধিকাৰ সমুহ সাময়িকভাৱে অচল হৈ পৰে ।

(গ) শোষণৰ বিৰুদ্ধে অধিকাৰ (Right against Exploitation)

(অনুচ্ছেদ ২৩-২৪)

প্রচলিত সমাজ ব্যৱস্থাৰ পৰা আর্থ-সামাজিক বৈষম্য আৰু শোষণ দূৰ কৰাৰ উদ্দেশ্যৰে ভাৰতীয় সংবিধানৰ ২৩ আৰু ২৪ নং অনুচ্ছেদত শোষণৰ বিৰুদ্ধে অধিকাৰ সংযোজন কৰা হৈছে। ৰাষ্ট্র বা সমাজৰ সুবিধাবাদী শ্রেণীৰ শোষণৰ পৰা দূর্বল শ্রেণীৰ লোকসকলক ৰক্ষা কৰাই হ'ল এই অধিকাৰৰ প্রধান লক্ষ্য। ২৩নং অনুচ্ছেদ অনুসৰি মানুহক পন্যদ্রব্যৰ নিচিনা ব্যৱহাৰ কৰা কোনো লোকৰ দ্বাৰা জোৰ জুলুম কৰি কাম কৰাই লোৱাটো একধৰণৰ শোষণ হিচাপে গণ্য কৰা হৈছে। সংবিধানৰ ২৪নং অনুচ্ছেদ অনুসৰি ১৪ বছৰৰ তলৰ ল'ৰা-ছোৱালীক কাৰখানা, খনি নাইবা আন কোনো বিপদসংকুল কামত নিয়োগ কৰাটো বন্ধ কৰা হৈছে। শোষণৰ বিৰুদ্ধে অধিকাৰৰ অন্তর্ভূক্ত ব্যৱস্থাৱলী চূড়ান্ত আৰু ৰাষ্ট্রই যিকোনো পৰিস্থিতিতে ব্যক্তিৰ সন্মান আৰু মর্য্যদা ৰক্ষা কৰিবলৈ দৃঢ়বদ্ধ।

(ঘ) ধর্মীয় স্বাধীনতাৰ অধিকাৰ (Right to Freedom of Religion)

(অনুচ্ছেদ ২৫-২৮)

ভাৰতীয় সংবিধানে ধর্মনিৰপেক্ষ আদর্শ গ্রহণ কৰিছে আৰু ভাৰতবর্ষক এখন

ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ হিচাপে অভিহিত কৰিছে। ধৰ্মনিৰপেক্ষতাই সকলো ধৰ্মৰ প্ৰতি উদাসীন আৰু নিৰপেক্ষ মনোভাৱক সূচায়। অন্য ৰাষ্ট্ৰৰ নিচিনা ভাৰতৰ কোনো ৰাষ্ট্ৰীয় ধৰ্ম নাই। সকলো ধৰ্মক ৰাষ্ট্ৰই সম দৃষ্টি আৰু সম মৰ্য্যদা দিয়ে। সংবিধানৰ ২৫নং অনুচ্ছেদ অনুসৰি সকলো ব্যক্তিয়ে বিবেকৰ স্বাধীনতা সমভাৱে ভোগ কৰিব পাৰে আৰু নিজ ধৰ্মৰ বানী নাইবা ধৰ্মমত অনুকৰণ আৰু প্ৰচাৰ কৰিব পাৰে। সংবিধানে সকলো ধৰ্মীয় সম্প্ৰদায়কে ধৰ্মীয় প্ৰতিস্থান স্থাপন কৰিবলৈ, ধৰ্মীয় কাৰ্যাৱলী পৰিচালনা কৰিবলৈ আইন সংগত ভাৱে স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তি আহৰণ আৰু আইন অনুসৰি পৰিচালনা কৰিবলৈ অধিকাৰ দিছে।

নাগৰিকৰ ধৰ্মীয় স্বাধীনতাৰ অধিকাৰো কিছুমান সীমাবদ্ধতাৰ দ্বাৰা নিয়ন্ত্ৰনাধীন। ৰাজহুৱা শৃংখলা, নৈতিকতা আৰু জনস্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰই ধৰ্মীয় কাৰ্যকলাপৰ ওপৰত যথোপযুক্ত বাধ্য-বাধকতা আৰোপ কৰিব পাৰে।

(ঙ) শিক্ষা আৰু সাংস্কৃতিক অধিকাৰ (Cultural and Educational Rights) (অনুচ্ছেদ ২৯-৩০)

ভাৰতীয় সংবিধানে সকলো শ্ৰেণীৰ মানুহৰ বাবে শিক্ষা আৰু সাংস্কৃতিক অধিকাৰৰ ব্যৱস্থা কৰিছে। সকলো সম্প্ৰদায়ে নিজ নিজ ভাষা, কৃষ্টি সংস্কৃতি যাতে ৰক্ষা কৰিব পাৰে সেই উদ্দেশ্যে সংবিধানৰ ২৯ আৰু ৩০ নং অনুচ্ছেদত শিক্ষা আৰু সাংস্কৃতিক অধিকাৰ সংযোজিত কৰিছে। ২৯ নং অনুচ্ছেদ অনুসৰি ভাৰতৰ সকলো নাগৰিকে নিজৰ নিজৰ ভাষা সংস্কৃতি বজায় ৰাখিব পাৰিব আৰু চৰকাৰী পুজিৰে প্ৰতিস্থা কৰা যিকোনো শিক্ষানুষ্ঠানত জাতি, বৰ্ণ-ভাষা-ধৰ্ম নিৰ্বিশেষে সকলো ছাত্ৰ-ছাত্ৰীয়ে নাম ভৰ্ত্তি কৰাৰ সুযোগ লাভ কৰিব। ৩০নং অনুচ্ছেদ অনুসৰি ধৰ্মীয় আৰু ভাষিক সংখ্যালঘু সকলে নিজৰ পচন্দ অনুসৰি শিক্ষানুষ্ঠান স্থাপন আৰু পৰিচালনা কৰিব পাৰিব আৰু চৰকাৰে এনে শিক্ষানুষ্ঠানক সাহায্য প্ৰদানৰ ক্ষেত্ৰত ৰাষ্ট্ৰই বৈষম্যমূলক আচৰণ দেখুৱাব নোৱাৰিব। আন অধিকাৰৰ দৰে শিক্ষা আৰু সাংস্কৃতিক শিক্ষাৰ মানদণ্ড অক্ষুন্ন ৰখাৰ উদ্দেশ্যে চৰকাৰে নিজ কাৰ্যপন্থা গ্ৰহণ কৰিব পাৰে, যাতে যিকোনো পৰিস্থিতিতে ৰাজহুৱা শৃংখলা, নৈতিকতা ৰক্ষা হয়।

(চ) সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ (Right to Constitutional Remedies) (অনুচ্ছেদ ৩২)

কোৱা হয় যে প্ৰতিকাৰ অবিহনে অধিকাৰ এক অৰ্থহীন আনুষ্ঠানিকতা মাথোন। সেয়েহে ভাৰতীয় সংবিধানত অন্তৰ্ভূক্ত হোৱা অধিকাৰ সমুহক অধিক কাৰ্যক্ষম কৰি তুলিবলৈ ভাৰতীয় নাগৰিকৰৰ বাবে সংবিধানৰ ৩২নং অনুচ্ছেদত কিছুমান প্ৰতিকাৰ মূলক ব্যৱস্থা সংযোজিত কৰা হৈছে। ইয়াকে সাংবিধানিক নিৰাময়ৰ অধিকাৰ বোলা হয়। এনে সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰৰ জৰিয়তে ভাৰতীয় নাগৰিকে মৌলিক

অধিকাৰ সমুহক ৰক্ষণাবেক্ষণ দিব পাৰে। সংবিধানৰ ৩২নং আৰু ২২৬নং অনুচ্ছেদৰ জৰিয়তে নাগৰিক সকলে ভংগ হোৱা অধিকাৰ ৰক্ষাৰ কাৰণে ক্ৰমে উচ্চতম আৰু উচ্চ ন্যায়লয়ৰ ওচৰত আৱেদন কৰিব পাৰে আৰু ন্যায়লয়ে ***লেখ*** (writ) জাৰি কৰি নাগৰিক অধিকাৰ ৰক্ষাৰ ব্যৱস্থা কৰিব পাৰে। বন্দী ***উপস্থাপন*** (Habeas Corpus), ***পৰমাধিদেশ*** (Mandamus), ***নিষেধাজ্ঞা*** (Prohibition), ***কৈফিয়ৎ তলবী*** (Quo-Warranto) আৰু ***উৎপ্রেষন*** (Certiorari) ইত্যাদি লেখসমুহ হ'ল উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ে নাগৰিক অধিকাৰ ৰক্ষাৰ বাবে গ্ৰহণ কৰিব পৰা প্ৰতিৰক্ষামূলক ব্যৱস্থা। এই প্ৰতিৰক্ষা মূলক ব্যৱস্থা বা উপায় সমুহৰ জৰিয়তে ন্যায়ালয়ে কোনো ব্যক্তি, সংস্থা নাইবা চৰকাৰী কার্য্যৰ দ্বাৰা নাগৰিক অধিকাৰ ব্যাহত হ'লে তেনে কার্য্যৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিব পাৰে আৰু উপযুক্ত বিচাৰ কৰি নাগৰিক অধিকাৰ ৰক্ষনাবেক্ষণ দিব পাৰে।

সাংবিধানৰ ১৩নং অনুচ্ছেদ অনুসৰি কার্যপালিকা নাইবা বিধান মণ্ডলৰ কোনো কার্য্যই নাগৰিকৰ অধিকাৰ খর্ব কৰিলে ন্যায়ালয়ে তেনে কার্য্যক স্বাধীনতা বিৰোধী হিচাপে গণ্য কৰি বাতিল কৰিব পাৰে। এনেৰোৰ কাৰণতেই ন্যায়পালিকাক মৌলিক অধিকাৰৰ ৰক্ষক (Protector) হিচাপে গণ্য কৰা হয়। অৱশ্যে নাগৰিকৰ সাংবিধানিক নিৰাময়ৰ অধিকাৰ জৰুৰীকালীন সময়ছোৱাত সাময়িকভাৱে বাতিল কৰা হয় আৰু এই সময়ছোৱাত নাগৰিক মৌলিক অধিকাৰ ৰক্ষণাবেক্ষনৰ বাবে ন্যায়ালয়ৰ ওচৰ চাপিব নোৱাৰে। অৱশ্যে অনুচ্ছেদ ২০ আৰু ২১ ৰ বাবে এই অধিকাৰ তেতিয়াও বলবৎ হৈ থাকে।

জানি থোৱা ভাল



২০০২ চনৰ ডিচেম্বৰত গৃহীত হোৱা সংবিধানৰ ৮৬ তম অনুচ্ছেদৰ পাছত ২১ (ক) নামেৰে এটা নতুন অনুচ্ছেদ অনুযায়ী আইনে নির্ধাৰণ কৰি দিয়া মতে "ৰাষ্ট্রই ৬ বছৰৰ পৰা ১৪ বছৰ বয়সলৈকে সকলো শিশুকে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্রদান কৰা উচিত।" সেই অনুসৰি আইনৰ দৃষ্টিত নাগৰিকৰ জীৱনৰ অধিকাৰৰ দৰেই শিক্ষাৰ অধিকাৰো সমান ৰূপে গণ্য কৰি সংবিধানৰ ২১ নং অনুচ্ছেদত মৌলিক অধিকাৰ হিচাপে সন্নিবিষ্ট কৰা হৈছে। পৰৱর্তী কালত ২০০৯ চনত শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা আইনখন গৃহীত হয়। এই আইনৰ মতে ৬ বছৰৰ পৰা ১৪ বছৰ বয়সলৈকে প্রত্যেক শিশুৱেই তাৰ বা তাইৰ সমীপবর্তী অঞ্চলত উপযুক্ত শ্রেণীকোঠাত ৮ বছৰীয়া প্রাথমিক শিক্ষা লাভ কৰাটো বাঞ্চনীয়।

লেখ (Writ) ঃন্যায়ালয়সমূহৰ দ্বাৰা প্রকাশিত এক আনুষ্ঠানিক আদেশ পত্র।

বন্দী উপস্থাপন (Habeas Corpus) ঃ ন্যায়ালয়সমূহৰ দ্বাৰা জাৰি কৰা লেখ যিয়ে কোনো ব্যক্তিক বন্দী অৱস্থাত বিধিগতভাৱে নৰখাৰ বাবে ন্যায়ালয়ত ইয়াৰ কাৰণ জানিবৰ বাবে তেওঁক হাজিৰ কৰোৱাৰ নির্দেশ দিয়ে।

পৰমাধিদেশ (Mandamus) ঃ ন্যায়ালয়সমূহৰ দ্বাৰা জাৰি কৰা লেখ যিয়ে কোনো বিষয়াক চৰকাৰী অথবা অর্ধ-চৰকাৰী স্তৰৰ আইনগত বাধ্যতামূলককার্য্য কৰিবলৈ নির্দেশ দিয়ে।

উৎপ্রেষন (Certiorari) ঃ ন্যায়ালয়ৰ দ্বাৰা জাৰি কৰা লেখ যিয়ে কোনো মোকর্দমাক নিম্ন আদালতৰ পৰা উচ্চ আদালতলৈ স্থানান্তৰিত কৰিবৰ বাবে আদেশ দিয়ে।

কৈফিয়ৎ তলবী (Quo-Warranto) ঃ এনে এক লেখ যিয়ে কোনো ব্যক্তিক তেওঁৰ বাবে অনুপযুক্ত পদত অধিষ্ঠিত হোৱাত বাধা প্রদান কৰে আৰু সেই পদটো খালী বুলি ঘোষণা কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ ভাৰতীয় সংবিধানৰ কোনটো অংশত নাগৰিকৰ মৌলিক অধিকাৰসমূহ উল্লেখ কৰা হৈছে?

.....

.....

প্রশ্ন নং ৯ঃ মৌলিক অধিকাৰসমূহ ন্যায়িকভাৱে বিচাৰযোগ্য। (শুদ্ধ/ অশুদ্ধ)

.....

প্রশ্ন নং ১০ঃ মৌলিক অধিকাৰসমূহ সংশোধনযোগ্য। (শুদ্ধ/ অশুদ্ধ)

.....

প্রশ্ন নং ১১ঃ ১৯ নং অনুচ্ছেদত ভাৰতীয় নাগৰিক সকলৰ বাবে কি কি ছয় প্রকাৰৰ স্বাধীনতা অন্তর্ভূক্ত কৰা হৈছে ?

.....

.....

প্রশ্ন নং ১২ঃ ভাৰতীয় সংবিধানৰ কোনটো অনুচ্ছেদ অনুসৰি ধর্মীয় আৰু ভাষিক সংখ্যালঘু সকলে নিজৰ পচন্দ অনুসৰি শিক্ষানুষ্ঠান স্থাপন আৰু পৰিচালনা কৰিব পাৰিব বুলি উল্লেখ কৰা হৈছে ?

.....

.....

৬.৮ মৌলিক অধিকাৰৰ ওপৰত থকা নিষেধাজ্ঞা (Restrictions on Fundamental Rights)

যদিও ভাৰতীয় সংবিধানে দেশখনৰ নাগৰিকসকলক মৌলিক অধিকাৰ প্রদান কৰিছে, এই অধিকাৰসমূহৰ সৈতে জড়িত কিছু নিষেধাজ্ঞা আৰু ব্যতিক্রমো আছে। এজন নাগৰিকে নিজৰ ইচ্ছানুসৰি এই অধিকাৰ উপভোগ কৰিব নোৱাৰে কাৰণ এইসমূহৰ ওপৰত কেতবোৰ সাংবিধানিক সীমাবদ্ধতা আৰোপ কৰা হৈছে। সাংবিধানিক সীমাবদ্ধতাৰ মাজত থাকিহে নাগৰিকসকলে তেওঁলোকৰ অধিকাৰসমূহ ভোগ কৰিব পাৰে।

এই সীমাবদ্ধতা অথবা যুক্তিসংগত নিষেধাজ্ঞাসমূহ আৰোপ কৰা মূল উদ্দেশ্য হৈছে সামাজিক শৃংখলা, নৈতিকতা আৰু ৰাজহুৱা স্বাস্থ্য অব্যাহত ৰখা। সংবিধানে সকলো ক্ষেত্রতে ব্যক্তিগত স্বার্থৰ লগতে ৰাজহুৱা স্বার্থ ৰক্ষা কৰিব বিচাৰে। উদাহৰণস্বৰূপে, ধর্মৰ অধিকাৰৰ ওপৰত বিভিন্ন নিষেধাজ্ঞা আৰোপ কৰা হৈছে যাতে কোনো কূটাঘাতমূলক কার্য অথবা অসামাজিক কার্যৰ দ্বাৰা ধর্মৰ স্বাধীনতাৰ অপপ্রয়োগ কৰিব নোৱাৰে। একেদৰে ১৯ নং অনুচ্ছেদৰ দ্বাৰা

প্রদান কৰা অধিকাৰসমূহৰ অর্থ চৰম স্বাধীনতা নহয়। কোনো আধুনিক ৰাষ্ট্রই চৰম ব্যক্তিগত অধিকাৰ প্রদান কৰিব নোৱাৰে। সেয়েহে আমাৰ সংবিধানেও ৰাষ্ট্রৰ বৃহত্তৰ স্বার্থত ৰাষ্ট্রক মৌলিক অধিকাৰৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰিবলৈ ক্ষমতা প্রদান কৰিছে। আমাৰ সংবিধানে ব্যক্তিগত স্বাধীনতা আৰু সামাজিক নিয়ন্ত্রণৰ মাজত সন্তুলন ৰাখিবলৈ প্রয়াস কৰে, যাতে ব্যক্তিগত স্বার্থতকৈ ৰাজহুৱা স্বার্থক অধিক গুৰুত্ব আৰোপ কৰা এখন কল্যাণকামী ৰাষ্ট্র গঢ়ি তুলিব পাৰি। কথা কোৱা আৰু প্রকাশৰ স্বাধীনতা অনুচ্ছেদ ১৯-১-ক ও কোনো-কোনো ক্ষেত্রত নিষেধাজ্ঞাৰ অধিন, যেনে - মানহানি, আদালতৰ অৱমাননা, নৈতিকতা, ৰাষ্ট্রৰ নিৰাপত্তা, বিদেশী ৰাষ্ট্রৰ সৈতে থকা সম্পর্ক, কোনো বেআইনী কার্যক অৰিহণা দিয়া, ৰাজহুৱা শৃংখলা, ভাৰতৰ সার্বভৌমত্ব আৰু সম্প্রীতি অক্ষুন্ন ৰখা ইত্যাদি। সমবেত হোৱাৰ অধিকাৰো ৰাষ্ট্রৰ দ্বাৰা যুক্তিসংগত বাধাৰ অধীন আৰু সেয়েহে নিৰস্ত্র হৈ শান্তিপূর্ণভাৱে সমবেত হ'ব পাৰি। প্রকাশ কৰাৰ স্বাধীনতাৰ বহন ক্ষেত্রখনত সংবাদ মাধ্যমৰ স্বাধীনতাও অন্তর্ভূক্ত

হৈ আছে। এই স্বাধীনতাও ৰাষ্ট্রৰ দ্বাৰা আৰোপিত যুক্তিসংগত বাধাৰ অধীন আৰু মানহানি, আদালতৰ অৱমাননা অথবা কোনো বেআইনী কার্যক অৰিহণা যোগোৱা আদিক ৰোধ কৰিবলৈ আৰু ৰাষ্ট্রৰ বৃহত্তৰ স্বার্থত এই বাধাসমূহ আৰোপ কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৩ঃ মৌলিক অধিকাৰসমূহ অসীম। (শুদ্ধ/ অশুদ্ধ)

.....

প্রশ্ন নং ১৪ঃ ধর্মৰ অধিকাৰৰ ওপৰত কেনে ধৰনৰ নিষেধাজ্ঞা আৰোপ কৰা হৈছে ?

.....

.....



৬.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মৌলিক অধিকাৰ হ'ল সুস্থ জীৱন-যাপনৰ বাবে প্রয়োজনীয় কিছুমান চর্তাৱলী, যিবোৰৰ অবিহনে নাগৰিকে নিজৰ ব্যক্তিত্বৰ প্রকাশ আৰু প্রতিভাৰ বিকাশ সাধন কৰিব নোৱাৰে।
- ভাৰতীয় সংবিধানৰ তৃতীয় অংশত (Part-III) নাগৰিকৰ মৌলিক অধিকাৰ অন্তর্ভুক্ত কৰা হৈছে। ভাৰতীয় সংবিধানত সন্নিবিষ্ট ছয়প্রকাৰ মৌলিক অধিকাৰ হ'ল— সমতাৰ অধিকাৰ (অনুচ্ছেদ ১৪-১৮), স্বাধীনতাৰ অধিকাৰ (অনুচ্ছেদ ১৯-২২), শোষণৰ বিৰুদ্ধে অধিকাৰ (অনুচ্ছেদ ২৩-২৪), ধর্মীয় স্বাধীনতাৰ অধিকাৰ (অনুচ্ছেদ ২৫-২৮), শিক্ষা

আৰু সাংস্কৃতিক অধিকাৰ (অনুচ্ছেদ ২৯-৩০) আৰু সাংবিধানক প্ৰতিকাৰৰ অধিকাৰ (অনুচ্ছেদ ৩২)।

- মৌলিক অধিকাৰবোৰ কেতিয়াও অসীম নহয়। কিছুমান যুক্তিসংগত সীমাবদ্ধতাৰ মাজতহে নাগৰিকে এই অধিকাৰ উপভোগ কৰিব পাৰে।
- মৌলিক অধিকাৰবোৰ ন্যায়িকভাৰে বিচাৰযোগ্য (justiciable)। নাগৰিকৰ এনে অধিকাৰ খৰ্ব হ'লে আদালতৰ ওচৰ চাপিব পাৰে। সংবিধানৰ ৩২ নং আৰু ২২৬ নং অনুচ্ছেদ অনুসৰি ক্ৰমে উচ্চতম ন্যায়ালয় আৰু সংশ্লিষ্ট উচ্চ ন্যায়ালয়ে লেখ (writ) জাৰি কৰি নাগৰিকৰ অধিকাৰ ৰক্ষণাবেক্ষণ দিব পাৰে।
- মৌলিক অধিকাৰবোৰ কেতিয়াও অসীম নহয়। কিছুমান যুক্তিসংগত সীমাবদ্ধতাৰ মাজতহে নাগৰিকে এই অধিকাৰ উপভোগ কৰিব পাৰে।



৬.১০ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০ ।*ভাৰতৰ প্ৰশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শৰ্মা, দুৰ্গা কান্ত , ৰফিক, জামান আৰু শৰ্মা ,ড° পূৰবী ২০০৫ । *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ ২০১১ ।*স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi : Cosmos Bookhive Pvt. Ltd.

2) Ghai, K.K.(2007). *Indian Government and Politics*.New Delhi: Kalyani Publishers.

3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions*.New Delhi : S. Chand and Company.



৬.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ ছয়

২ নং প্রশ্নৰ উত্তৰঃ অশুদ্ধ।

৩ নং প্রশ্নৰ উত্তৰঃ ১৬৮৯

৪ নং প্রশ্নৰ উত্তৰঃ ১৯২৮

৫ নং প্রশ্নৰ উত্তৰঃ শুদ্ধ।

৬ নং প্রশ্নৰ উত্তৰঃ অনুচ্ছেদ ৩২

নং প্রশ্নৰ উত্তৰঃ ক) মৌলিক অধিকাৰবোৰ অসীম নহয়।

খ) মৌলিক অধিকাৰসমুহ ন্যায়কবিচাৰ যোগ্য (justiciable) হয়।

৮ নং প্রশ্নৰ উত্তৰঃ তৃতীয় অংশ

৯ নং প্রশ্নৰ উত্তৰঃ শুদ্ধ।

১০ নং প্রশ্নৰ উত্তৰঃ শুদ্ধ।

১১ নং প্রশ্নৰ উত্তৰঃ (১)কথা কোৱা আৰু প্রকাশৰ স্বাধীনতা।

(২) নিৰস্ত্র আৰু শান্তিপূর্ণভাৱে সমবেত হোৱাৰ স্বাধীনতা।

(৩) সংস্থা আৰু সংঘ গঠন কৰাৰ স্বাধীনতা।

(৪) ভাৰতবর্ষৰ চাৰিসীমাৰ ভিতৰত স্বাধীনভাৱে চলাচলৰ স্বাধীনতা।

(৫) ভাৰতবর্ষৰ যিকোনো ঠাইতে বসবাস কৰাৰ অধিকাৰ।

(৬) যিকোনো চাকৰি নাইবা ব্যৱসায় কৰাৰ অধিকাৰ উপভোগ কৰিব।

১২ নং প্রশ্নৰ উত্তৰঃ অনুচ্ছেদ ৩০

১৩ নং প্রশ্নৰ উত্তৰঃ অশুদ্ধ।

১৪ নং প্রশ্নৰ উত্তৰঃ ৰাজহুৱা শৃংখলা, নৈতিকতা আৰু জনস্বাস্থ্যৰ প্রতি লক্ষ্য ৰাখি ৰাষ্ট্রই ধর্মীয় কার্যকলাপৰ ওপৰত যথোপযুক্ত বাধ্য-বাধকতা আৰোপ কৰিব পাৰে।



৬.১২ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ ভাৰতীয় সংবিধানৰ কোনটো অংশত নাগৰিকৰ মৌলিক অধিকাৰ অন্তৰ্ভূক্ত কৰা হৈছে।

প্ৰশ্ন ২ঃ সংবিধানৰ কোনটো অনুচ্ছেদৰ জৰিয়তে নাগৰিক সকলে ভংগ হোৱা অধিকাৰ ৰক্ষাৰ কাৰণে ক্ৰমে উচ্চতম আৰু উচ্চ ন্যায়লয়ৰ ওচৰত আৱেদন কৰিব পাৰে?

প্ৰশ্ন ৩ঃ সংবিধানৰ কোনটো অনুচ্ছেদৰ জৰিয়তে আমাৰ সমাজৰ পৰা অস্পৃশ্যতাৰ প্ৰথা নিৰ্মূল কৰিছে?

প্ৰশ্ন ৪ঃ কথা কোৱা আৰু প্ৰকাশৰ স্বাধীনতা [অনুচ্ছেদ ১৯ (১)] ৰ দুটা যুক্তিসংগত বাধা উল্লেখ কৰক।

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ সমতাৰ অধিকাৰ (Right to Equality) ৰ বিষয়ে এটি চমু টোকা লিখক।

প্ৰশ্ন ২ঃ ভাৰতীয় সংবিধানত অন্তৰ্ভূক্ত মৌলিক অধিকাৰ সমূহৰ ছটা বৈশিষ্ট্য ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ঃ মৌলিক অধিকাৰৰ ওপৰত থকা নিষেধাজ্ঞাৰ বিষয়ে ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ঃ মৌলিক অধিকাৰৰ গুৰুত্বৰ সম্বন্ধে এটি চমু টোকা লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ ভাৰতীয় সংবিধানত সন্নিবিষ্ট মৌলিক অধিকাৰৰ অৰ্থ ব্যাখ্যা কৰক। মৌলিক অধিকাৰৰ বৈশিষ্ট্যসমূহ আৰু মৌলিক অধিকাৰৰ ওপৰত থকা নিষেধাজ্ঞা সমূহ বৰ্ণনা কৰক।

প্ৰশ্ন ২ঃ ভাৰতীয় সংবিধানত অন্তৰ্ভূক্ত বিভিন্ন প্ৰকাৰৰ মৌলিক অধিকাৰ সমুহ কি কি? যিকোনো চাৰিটা মৌলিক অধিকাৰৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৭ ঃ মৌলিক কর্তব্য

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ ভাৰতৰ মৌলিক কর্তব্যসমূহৰ ঐতিহাসিক পৃষ্ঠ ভূমি
৭.৪ ভাৰতৰ সংবিধানত উল্লেখ থকা মৌলিক কর্তব্য সমূহৰ ধৰণ
৭.৫ মৌলিক কর্তব্যসমূহৰ বৈশিষ্ট্য
৭.৬ মৌলিক কর্তব্যসমূহৰ সীমাবদ্ধতা
৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৮ অধিক জানিবলৈ
৭.৯ অগ্রগতিৰ খতিয়ান
৭.১০ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ভাৰতৰ সংবিধানত মৌলিক কর্তব্যসমূহৰ অন্তর্ভূক্তিৰ আঁৰৰ ঐতিহাসিক পৃষ্ঠভূমি ব্যাখ্যা লাভ কৰিব।
- ভাৰতৰ সংবিধানত সন্নিৱিষ্ট বিভিন্ন ধৰণৰ মৌলিক কর্তব্যৰ ব্যাখ্যা
- মৌলিক কর্তব্যসমূহৰ বৈশিষ্ট্য সম্পর্কে আলোচনা
- মৌলিক কর্তব্যসমূহৰ সীমাবদ্ধতা বা আসোঁৱাহ সম্পর্কে জ্ঞাত হ'ব।

৭.২ পৰিচয়

ভাৰতৰ সংবিধানত মৌলিক কর্তব্যসমূহক এক গুৰুত্বপূর্ণ অংগ হিচাপে বিবেচনা কৰা হয়। এইসমূহ সংবিধানৰ চতুর্থ (ক) অংশ(Part IV A)ৰ অনুচ্ছেদ নং ৫১ (ক) (Article 51 A) ত অন্তর্ভুক্ত হৈছে। ভাৰতৰ নাগৰিকক সংবিধানে সুনির্দিষ্ট কৰণীয় আগবঢ়াইছে যাতে দেশখন ঐক্যবদ্ধ হৈ থাকে, সকলো দিশতে সমৃদ্ধি আৰু প্রগতিৰ পথেৰে আগবাঢ়ি যায় আৰু শক্তিশালী ৰূপত থিয় দিব পাৰে। ভাৰতীয় জনসাধাৰণৰ ১১ টা মৌলিক কর্তব্য পালনীয়। অৱশ্যে এই কর্তব্যসমূহ বাধ্যতামূলক নহয়,তথাপি এইবোৰক আন্তৰিকতাৰে পালন কৰিব বুলি আশা কৰা যায়। এই অধ্যায়ত ভাৰতৰ জনসাধাৰণৰ মৌলিক কর্তব্য সমূহৰ সম্পর্কে আলোচনা আগবঢ়োৱা হ'ব। পৃষ্ঠভূমি অর্থাৎ ভাৰতৰ সংবিধানত এইবোৰৰ অর্ন্তভুক্তিৰ কর্তব্যসমূহৰ বৈশিষ্ট্য আৰু সীমা বদ্ধতা সম্পর্কেও এই অধ্যায়ত আলোকপাত কৰা হ'ব।

৭.৩ ভাৰতত মৌলিক কর্তব্যসমূহৰ ঐতিহাসিক পৃষ্ঠ ভূমি

আৰম্ভনিতে ভাৰতৰ সংবিধানত মৌলিক কর্তব্যৰ সূচী নাছিল। সংবিধান প্রস্তুত কৰোঁতাসকলে ইয়াৰ আৱশ্যকীয়তা অনুভৱ কৰি সংবিধানত মৌলিক কর্তব্যসমূহ অন্তর্ভুক্তি ঘটায়। তেওঁলোকে বিশ্বাস কৰিছিল যে দেশৰ জনসাধাৰণে স্বতঃস্ফুর্ত ভাৱে তেওঁলোকৰ দায়বদ্ধতা উপলব্ধি কৰিব আৰু সেইমতে এইবোৰ পালন কৰিব। কিন্তু সুনির্দিষ্টকৈ কৰণীয় আৰু দায়বদ্ধতা অবিহনে জনসাধাৰণৰ অস্পষ্ট আৰু ত্রুটিপূর্ণ হ'ব। সেয়েহে ভাৰতীয়সকলৰ বাবে সুস্পষ্টকৈ চিহ্নিত কর্তব্য কিছুমানৰ আৱশ্যকতা অনুভৱ কৰি ১৯৭৬ চনত ৪২ সংখ্যক সংশোধনী যোগে সংবিধানৰ চতুর্থ (ক) অংশৰ অনুচ্ছেদ নং ৫১ (ক)ত মৌলিক কর্তব্যসমূহ অর্ন্তভুক্ত কৰে। ১৯৭৬ চনৰ দেশৰ জৰুৰী অৱস্থাৰ সময়ত পূর্বৰ সংবিধান সংশোধনী সম্পর্কত অধ্যয়ন চলাবলৈ গঠন কৰা স্বৰণ সিং কমিটিৰ পৰামর্শ অনুসৰি ভাৰতৰ সংবিধানত মৌলিক কর্তব্যসমূহক অন্তর্ভুক্ত কৰা হয়। এই কমিটিয়ে ভাৰতীয় জনসাধাৰণ আৰু চৰকাৰৰ বাবে মৌলিক কর্তব্যৰ আঠটা সূচকৰ পৰামর্শ আগবঢ়ায়। এই পৰামর্শৰ ভিত্তিতেই ১০ টা গুৰুত্বপূর্ণ কর্তব্য চিনাক্ত কৰি সংবিধানৰ ৪২ সংখ্যক সংশোধনীত সংবিধানত অন্তর্ভুক্ত কৰা হয়। এই কর্তব্য সমূহ সংবিধানৰ অনুচ্ছেদ নং ৫১ (ক) ৰ (a) ৰ পৰা(j) লৈ পোৱা যায়। ২০০২ চনৰ সংবিধানৰ ৮৬ সংখ্যক সংশোধনীৰ জৰিয়তে আন এটা কর্তব্য অন্তর্ভুক্ত কৰা হয় (নং ২)। সেয়েহে ইয়াক লৈ বর্তমান ভাৰতীয় নাগৰিকসকলে এঘাৰটা কর্তব্য পালন কৰে।

আন আন দেশসমূহৰ সংবিধান আৰু আন্তৰাষ্ট্রীয় তথ্যপাতিৰ দ্বাৰা প্রেৰিত হৈ মৌলিক কর্তব্যসমূহ ভাৰতীয় সংবিধানত অন্তর্ভুক্ত কৰা হয়। এই সমূহৰ ভিতৰত পূর্বৰ ছোভিয়াট ৰাছিয়াৰ সংবিধানখন গুৰুত্বপূর্ণ। এই সংবিধানখনেই হৈছে মৌলিক কর্তব্য অন্তর্ভুক্ত হোৱা প্রথমখন সংবিধান। আমাৰ মৌলিক কর্তব্যসমূহ ৰাষ্ট্রসংঘৰ চনদৰ অনুচ্ছেদ নং ২৯ (১) ত থকা মানৰ অধিকাৰ সম্পর্কীয়, ঘোষণাৰ লগত সংগতি ৰাখি গ্রহণ কৰা হৈছে। ৰাষ্ট্রসংঘৰ ঘোষণা মতে, প্রত্যেকজন মানুহৰ সমাজৰ প্রতি কৰিবলগীয়া কর্তব্যখিনিৰ সমান্তৰালভাৱে নিজৰ ব্যক্তিত্ব বিকাশৰো মুক্ত আৰু সম্পূর্ণ অধিকাৰ আছে। ভাৰতৰ সংবিধানত মৌলিক কর্তব্য সমূহৰ অন্তর্ভুক্তিয়ে ভাৰতীয় জনসাধাৰণক অধিক দায়িত্বশীল আৰু তেওঁলোকে দেশৰ শান্তি, প্রগতি আৰু ভাতৃত্ববোধ বৃদ্ধিৰ কাৰণে কাম কৰি যাব বুলি আশা কৰা হৈছে।

৭.৪ ভাৰতৰ সংবিধানত উল্লেখ থকা মৌলিক কর্তব্যসমূহ

ভাৰতৰ সংবিধানৰ ৫১ A অনুচ্ছেদত ভাৰতীয় নাগৰিকৰ বাবে ১১টা মৌলিক কর্তব্য অন্তর্ভুক্ত কৰা হৈছে। এইসমূহ হ'ল -

a) ভাৰতৰ সংবিধানৰ প্রতি আনুগত্য প্রকাশ কৰা আৰু ইয়াৰ আদর্শ আৰু প্রতিষ্ঠানসমূহ, ৰাষ্ট্রীয় পতাকা, ৰাষ্ট্রীয় সংগীত আদিক সন্মান প্রদর্শন কৰা।

b) ভাৰতৰ স্বাধীনতা আন্দোলনলৈ প্ৰেৰণা যোগোৱা মহৎ আদৰ্শসমূহক অনুসৰণ কৰা আৰু জীয়াই ৰখা।

c) ভাৰতৰ সাৰ্বভৌমত্ব, ঐক্য আৰু অখণ্ডতা সংৰক্ষণ কৰা।

d) প্ৰয়োজনীয় সময়ত দেশৰ প্ৰতিৰক্ষাকে ধৰি আন আন জাতীয় সেৱাৰ বাবে আগবাঢ়ি অহা।

e) ভাৰতবৰ্ষৰ বিভিন্ন ধৰ্ম, ভিন্ন ভাষা আৰু আঞ্চলিক বৈষম্যকো নেওচি সকলোৰে মাজত ভাতৃত্ববোধৰ ভাব জগাই তোলা আৰু ইয়াৰ উৎকৰ্ষ সাধন কৰা; নাৰীৰ মৰ্যাদা হানীকাৰক কৰ্মকাণ্ডসমূহ প্ৰতিহত কৰা।

f) ভাৰতৰ সংমিশ্ৰিত সংস্কৃতিৰ ঐশ্বৰ্য্যশালী ঐতিহ্য উপলব্ধি আৰু সংৰক্ষণ কৰা।

g) প্ৰাকৃতিক পৰিবেশৰ অন্তৰ্গত অৰণ্য, হ্ৰদ, নদ-নদী, বন্য জীৱ-জন্তু, কীট-পতঙ্গ আদিবোৰক সুৰক্ষা আৰু উন্নতি সাধন কৰা।

h) বৈজ্ঞানিক মানসিকতা, মানৱতাবোধ, অনুসন্ধান আৰু সংস্কাৰ মনোভাবৰ উন্নয়ন ঘটোৱা।

i) ৰাজহুৱা সম্পত্তি ৰক্ষণা-বেক্ষন আৰু হিংস্ৰতা পৰিত্যাগ কৰা।

j) ব্যক্তিগত আৰু সামূহিক কাম কাজসমূহৰ সৰ্বাত্মক বিকাশ সাধন কৰা যাতে দেশে ক্ৰমাগত ভাৱে প্ৰগতিৰ পথত কৃতকাৰ্যতাৰে আগবাঢ়ি যাব পাৰে।

k) ৬ ৰ পৰা ১৪ বছৰৰ ভিতৰত প্ৰত্যেকজন শিশুৱে যাতে শিক্ষা লাভ কৰিব পাৰে তাৰ বাবে প্ৰত্যেক পিতৃ-মাতৃ বা অভিভাৱকে ব্যৱস্থা গ্ৰহণ কৰা।

মৌলিক কৰ্তব্যসমূহৰ বিষয়ে আলোচনা কৰোঁতে আমি লক্ষ্য কৰিলোঁ যে প্ৰথম কৰ্তব্য হিচাপে সংবিধানৰ প্ৰতি আনুগত্য প্ৰকাশ কৰা আৰু ইয়াৰ আদৰ্শ আৰু প্ৰতিষ্ঠানসমূহৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাৰ বিষয়ে উল্লেখ আছে। এইটো দেশৰ একতা আৰু অখণ্ডতাৰ বাবে অতি প্ৰয়োজনীয়। দেশৰ সংবিধান আৰু পতাকাৰ তলত সকলো নাগৰিক একত্ৰিত হৈ থকাতো প্ৰয়োজন। দ্বিতীয়তে কোৱা হৈছে যে আমাৰ স্বাধীনতা সংগ্ৰামীসকলৰ মহৎ আদৰ্শ, যিবোৰে ভাৰত স্বাধীন হোৱাত সহায় কৰিছিল, সেইবোৰ অনুসৰণ আৰু জীয়াই ৰখা উচিত। কাৰণ আমি সন্মান সহকাৰে স্বাধীনতা সংগ্ৰামী সকলক সোঁৱৰণ কৰিলে, তেওঁলোকৰ আদৰ্শই আমাক ভৱিষ্যত দিনবোৰত কৃতকাৰ্য হোৱাত সহায় কৰিব। দেশৰ সাৰ্বভৌমত্ব, একতা আৰু অখণ্ডতা ৰক্ষা কৰাটোও সমানেই গুৰুত্বপূৰ্ণ কিয়নো ইয়াৰ লগত আমাৰ পৰিচয় জড়িত হৈ আছে। দেশৰ প্ৰতিৰক্ষা ভাৰতীয় নাগৰিকৰ বাবে আন এক প্ৰয়োজনীয় কৰ্তব্য। যেতিয়া দেশে ভিতৰৰ পৰা হওক বা বাহিৰৰ পৰা হওক কোনোধৰণৰ বিপদৰ সন্মুখীন হয় তেতিয়া প্ৰত্যেকজন নাগৰিকৰ পৰা প্ৰয়োজনীয় কৰ্তব্য পালনৰ আশা কৰা যায়। ভাৰতীয় নাগৰিকৰ আন এক কৰ্তব্য হ'ল আমাৰ চহকী সংস্কৃতি ৰক্ষনাবেক্ষণ দিয়া। আমাৰ প্ৰাকৃতিক সম্পদ সমূহকো ৰক্ষনাবেক্ষণ দিয়া ভাৰতীয় নাগৰিকৰ কৰ্তব্য। আন এক আৱশ্যেকীয় মৌলিক কৰ্তব্য হ'ল বৈজ্ঞানিক মানসিকতাৰ উৎকৰ্ষ সাধন আৰু আমাৰ মাজত সংস্কাৰ সাধনৰ উদ্যম। ইয়াৰ অৰ্থ হৈছে আমাৰ মাজত থকা অন্ধবিশ্বাস-

কুসংস্কাৰ সমূহ আমি ত্যাগ কৰিব লাগে আৰু সদায় যুক্তিসঙ্গত আৰু বিজ্ঞানসন্মত ভাৱে আমাৰ আচাৰ-আচৰণ, কাম-কাজসমূহ পৰিচালিত কৰিব লাগে। ইয়াৰ উপৰি আমাক ৰাজহুৱা সম্পত্তিসমূহ ৰক্ষনাবেক্ষণ আৰু হিংস্রতা বা বিভীষিকা জনিত কাম-কাজৰ পৰা আঁতৰি থাকিবলৈ কোৱা হৈছে। কাৰণ হিংস্রতাই সমাজৰ ধনাত্মক পৰিবর্তনত বাধা দিয়ে, আনহাতে ই মানুহৰ মাজত ঘৃণা আৰু বেয়া মনোভাবৰ সৃষ্টি কৰে। আন এক কর্তব্যত আমাক সদায় নিজৰ প্রত্যেক কর্মত শ্রেষ্ঠত্ব লাভৰ কামনাৰে প্রবৃত্ত হ'বলৈ কোৱা হৈছে যাতে ইয়াৰ জৰিয়তে সমাজখনে প্রগতিৰ শীর্ষবিন্দুত উপনীত হ'ব পাৰে। শেষৰ কর্তব্যটো, পিতৃ-মাতৃ বা অভিভাৱক সকলৰ লগত জড়িত। এইটোত পিতৃ-মাতৃ বা অভিভাৱকসকলক তেওঁলোকৰ ল'ৰা-ছোৱালীক শিক্ষা লাভৰ বাবে প্রয়োজনীয় সুবিধা প্রদান কৰিবলৈ কোৱা হৈছে। এইটো অতি গুৰুত্বপূর্ণ কিয়নো আজি ল'ৰা-ছোৱালী শিক্ষিত হ'লেহে কাইলে তেওঁলোক সুনাগৰিক হ'ব পাৰিব।

মৌলিক কর্তব্যসমূহৰ প্রকৃতি পর্য্যবেক্ষণৰ পৰা আমি এইবিলাকক **তিনিটা শ্রেণী**ত আলোচনা কৰিব পাৰোঁ-

- স্বাধীনতা সংগ্রামীসকলৰ মহৎ আদর্শ পালন কৰা বা জীয়াই ৰখা, আমাৰ মিশ্রিত সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ কৰা, বৈজ্ঞানিক মানসিকতাৰ উৎকর্ষ সাধন, মানৱতা আৰু অনুসন্ধিৎসু আৰু সংস্কাৰকামী মানসিকতা, ব্যক্তিগত আৰু সামুহিক কর্মৰ শ্রেষ্ঠত্বৰ যত্নৰে দেশক উচ্চ শিখৰলৈ তুলি ধৰা আৰু ৬ বছৰ পৰা ১৪ বছৰৰ শিশুৰ মাজত শিক্ষা লাভৰ সুবিধা প্রদান কৰা আদি **নৈতিক প্রকৃতিৰ কর্তব্য** হিচাপে অন্তর্ভুক্ত হৈছে।
- সংবিধান, জাতীয় পতাকা, জাতীয় সংগীতক সন্মান জনোৱা, দেশৰ সার্বভৌমত্ব, একতা আৰু অখণ্ডতা বজাই ৰখা, দেশৰ প্রতিৰক্ষা প্রদান কৰা আৰু দেশৰ বাবে প্রয়োজনীয় সেৱা সমূহ কৰা, সকলোৰে মাজত ভ্রাতৃত্ববোধৰ মানসিকতা গঢ়ি তোলা- এই বোৰ কর্তব্যত **ৰাজনৈতিক প্রকৃতি**ৰ কর্তব্য ধৰা হয়।
- প্রাকৃতিক পৰিবেশৰ ৰক্ষণাবেক্ষণ, ৰাজহুৱা সম্পত্তিৰ ৰক্ষণাবেক্ষণ আৰু হিংসাত্মক কার্যকলাপৰ পৰা আঁতৰি থকা, এই কর্তব্যসমূহক **বিশেষ প্রকৃতি**ৰ ভিতৰত ধৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ ভাৰতৰ সংবিধানৰ কোনটো অংশত মৌলিক কর্তব্য সমূহ অন্তর্ভুক্ত হৈছে?

.....

.....

প্রশ্ন নং ২ঃ কেতিয়া মৌলিক কর্তব্যসমূহ ভাৰতৰ সংবিধানত অন্তর্ভূক্ত কৰা হৈছে?

.....

প্রশ্ন নং ৩ঃ ভাৰতৰ সংবিধানত নাগৰিকসকলৰ বাবে কেইটা মৌলিক কর্তব্য উল্লেখ কৰা হৈছে?

.....

.....

প্রশ্ন নং ৪ঃ ভাৰতৰ নাগৰিকৰ পাঁচটা মৌলিক কর্তব্য উল্লেখ কৰক?

.....

.....

৭.৫ মৌলিক কর্তব্যসমূহৰ বৈশিষ্ট্য

ভাৰতীয় নাগৰিকৰ মৌলিক কর্তব্যসমূহক পালন কৰিবলৈ বাধ্য কৰিব পৰা নাযায়। মৌলিক অধিকাৰ সমূহৰ দৰে আমি মৌলিক কর্তব্যসমূহক ৰক্ষণাবেক্ষণ আৰু বলবৎ কৰিবলৈ আদালতৰ কায চাপিব নোৱাৰোঁ। কোনেও এই কর্তব্যসমূহ পালন কৰিবলৈ নাগৰিকক বাধ্য কৰাব নোৱাৰে। মৌলিক কর্তব্য সমূহৰ প্রতি আনগত্য আৰু দায়বদ্ধতা নাগৰিকৰ সম্পূর্ণ নৈতিক সজাগতাৰ ওপৰত নির্ভৰশীল।

তথাপি, আমাৰ মৌলিক কর্তব্যসমূহৰ স্বকীয় গুৰুত্ব আছে। এইবোৰৰ সংবিধানিক তাৎপর্য আছে। যদিহে আমি এইবোৰ পালন নকৰোঁ বা অনুসৰণ নকৰোঁ, তেতিয়া ই সংবিধান প্রদত্ত নীতি-নিয়মকো অগ্রাহ্য বা পালন নকৰা বুজায়। সমাজৰ বৃহৎ স্বার্থৰ প্রতি লক্ষ্য ৰাখি আমি এই কর্তব্যসমূহ পালন কৰা উচিত। আমাৰ মৌলিক কর্তব্যসমূহ নির্দিষ্ট নীতি-নিয়ম আধাৰিত যিবোৰ আমাৰ সংস্কৃতি আৰু পৰম্পৰাৰ লগত গভীৰ ভাৱে সংপৃক্ত হৈ আছে। এইবোৰৰ মাজত নৈতিক আৰু আধ্যাত্মিক মূল্য নিহিত হৈ থকা দেখা যায়। সেয়ে, যদিহে আমি এইসমূহ অনুসৰণ কৰোঁ, তেতিয়া ই আমাৰ দেশক পৃথিৱীৰ ভিতৰতে সমৃদ্ধিশালী দেশ হিচাপে পৰিগণিত হোৱাত সহায় কৰিব।

আকৌ, ভাৰতৰ সংবিধানত মৌলিক কর্তব্যসমূহৰ অন্তর্ভুক্তিৰ লক্ষ্য হৈছে নাগৰিকসকলক সমাজৰ প্রতি দায়বদ্ধ আৰু সুনাগৰিক হিচাপে গঢ় ল'বলৈ সজাগ কৰি তোলা। এই কথা অতি গুৰুত্ব যে যদিহে নাগৰিক সুনির্দিষ্ট কর্তব্য নাথাকে তেতিয়া নাগৰিকৰ অধিকাৰো অর্থহীন। সঁচা অর্থত আমি নাগৰিক অধিকাৰ ভোগ কৰিবলৈ হ'লে নাগৰিক অধিকাৰ সমূহকো সন্মান কৰিব জানিব লাগিব। আমি যদি আনৰ অধিকাৰক সন্মান নকৰো তেতিয়া কোনেও নিজ নিজ অধিকাৰ ভোগ কৰিবলৈ সক্ষম নহ'ব। সেয়েহে আমাৰ অধিকাৰ সমূহৰ দৰে আমাৰ কর্তব্য সমূহকো গুৰুত্ব দিয়া আৱশ্যক।

যদিও আমাৰ মৌলিক কর্তব্যসমূহ বাধ্যবাধকতা যুক্ত নহয়, তথাপি সংবিধানে এইবোৰক 'মৌলিক' আখ্যা দিছে। ইয়েই এইবোৰৰ গুৰুত্ব নির্দেশ কৰে। একোজন দায়বদ্ধ নাগৰিক হিচাপে

আমি এই কর্তব্যসমূহ পালন কৰা উচিত। এইবোৰৰ পালনে এইদেশ আৰু জনসাধাৰণৰ প্ৰতি থকা আমাৰ সাধুতা আৰু আন্তৰিকতা প্ৰদৰ্শন কৰে। এই কর্তব্য সমূহৰ প্ৰতি থকা আনুগত্য দেশৰ শান্তি, প্ৰগতি, ঐশ্বৰ্য আদিৰ লগত সম্পৰ্কীত। বিভিন্ন মোকৰ্দমাত সিদ্ধান্ত গ্ৰহণৰ সময়ত আদালতে মৌলিক কর্তব্যসমূহৰ সহায় লোৱা দেখা যায়। কিছুমান মৌলিক কর্তব্য কার্যকৰী কৰিবলৈ আইনী সুবিধা থকাও দেখা যায়। উদাহৰণ স্বৰূপে, ১৯৭১ চনৰ জাতীয় সন্মান বিনষ্টকাৰী প্ৰতিৰোধী আইনে (Prevention of Insults to National Honour Act,1971) জাতীয় পতাকা, ভাৰতৰ সংবিধান আৰু ৰাষ্ট্ৰীয় সংগীতৰ প্ৰতি সন্মান প্ৰদৰ্শন সুনিশ্চিত কৰাৰ বাবে আদেশ জাৰী কৰিছে।

সেয়ে, আমি ক'ব পাৰোঁ যে আমাৰ মৌলিক কর্তব্যসমূহৰ গুৰুত্ব মহান। যদিও এইবিলাক পালনত আমাৰ বাধ্যবাধকতা নাই, তথাপি আমি সমাজৰ বৃহৎ স্বাৰ্থৰ খাতিৰত এইবোৰ মানি চলা উচিত।



জানি থোৱা ভাল

১৯৯৯ চনত মৌলিক কর্ত্তব্যসমূহৰ কার্যকৰিতা অধ্যয়ন আৰু বিশ্লেষণ কৰিবলৈ ভাৰত চৰকাৰে ন্যায়াধীশ বার্মা আয়োগ গঠন কৰে। এই আয়োগৰ প্ৰতিবেদন মতে, বিভিন্ন গোচৰত বিশেষকৈ পৰিৱেশ সুৰক্ষা বিষয়ত (প্ৰায় ১৩৮ টা গোচৰ) উচ্চ ন্যায়ালয়ে মৌলিক কর্তব্যসমূহৰ সহায় লয়। ইয়াৰ উপৰি প্ৰতিবেদনখনত মৌলিক কর্তব্যসমূহ সযত্নে আৰু উচৰ্গিত মনোভাবেৰে পালনীয় বুলি কোৱা হৈছে।

৭.৬ মৌলিক কর্তব্যসমূহৰ সীমাবদ্ধতা

ভাৰতীয় নাগৰিকৰ বাবে থকা মৌলিক কর্তব্যসমূহৰ বহুতো সীমাবদ্ধতা আছে। তেনে কিছুমান সীমাবদ্ধতা তলত উল্লেখ কৰা হ'ল-

- মৌলিক কর্তব্যসমূহ ন্যায়িকভাৱে (justiciable) বিচাৰযোগ্য নহয়। সেয়ে ইয়াক আইনগত ভাবে বলবৎ কৰিব নোৱাৰি। আনকি কোনোবাই যদি এইবোৰ লংঘনো কৰে, তথাপি কোনেও ইয়াৰ বাবে আইনী সহায় ল'ব নোৱাৰে। এইটো হৈছে মৌলিক কর্তব্যসমূহৰ ডাঙৰ সীমাবদ্ধতা।
- মৌলিক কর্তব্যসমূহ পালন কৰাত আমাৰ কোনো বাধ্যবাধকতা নাই। সেয়ে এইবোৰক বেছি সংখ্যক নাগৰিকেই অৱহেলা কৰা দেখা যায়। ইয়াৰ অর্থ তেওঁলোকে এইবোৰ মূল্যহীন বিবেচনা কৰে।
- পৃথিৱীৰ প্ৰায়বোৰ সংবিধানতে মৌলিক কর্তব্যক, মৌলিক অধিকাৰৰ লগত একেটা অধ্যায়তে অন্তর্ভুক্ত কৰা হৈছে। সেই সংবিধানবোৰত অধিকাৰ আৰু কর্তব্যৰ মাজত

একে গুৰুত্বই আৰোপ কৰা হৈছে। কিন্তু ভাৰতৰ সংবিধানত মৌলিক কর্তব্যসমূহক মৌলিক অধিকাৰৰ সমানে বিবেচনা কৰা হোৱা নাই।

- আন এক গুৰুত্বপূর্ণ আসোঁৱাহ হ'ল বহুতো দৰকাৰী কর্তব্যক ভাৰতীয় সংবিধানৰ মৌলিক কর্তব্যৰ সূচীত অন্তর্ভুক্ত কৰা হোৱা নাই। উদাহৰণস্বৰূপে, সময়ত কৰ পৰিশোধ কৰা, সচেতনভাৱে ভোটদান কৰা, সক্রিয়ভাৱে গণতান্ত্রিক প্রক্রিয়াত অংশগ্রহণ কৰা, পৰিয়ালৰ লালন- পালন আৰু পিতৃ-মাতৃৰ প্রতি দায়বদ্ধতাক উৎসাহিত কৰা, ব্যক্তিগত আৰু সামাজিক জীৱনত দুর্নীতিৰ পৰা আঁতৰি থকা আদি কিছুমান গুৰুত্বপূর্ণ কর্তব্য মৌলিক কর্তব্যৰ সূচীত থকা প্রয়োজনীয় আছিল। সেয়ে আমাৰ মৌলিক কর্তব্য যিমান ব্যাপক হ'ব লাগিছিল, সেয়া হোৱা দেখা নাযায়।
- এইটো লক্ষ্য কৰা যায় যে, কিছুমান মৌলিক কর্তব্য অস্পষ্ট নহ'লেও পৰিস্কাৰ কৈ নির্ধাৰণ কৰা হোৱা নাই। উদাহৰণস্বৰূপে, আমাৰ চহকী সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ আৰু স্বাধীনতা সংগ্রামীসকলৰ মহৎ আদর্শ পালন কৰা, যিবোৰে ভাৰত স্বাধীন হোৱাত সহায় কৰিছিল— এই দুটা কর্তব্যক আমি ভিন ভিন ধৰণে ব্যাখ্যা আগবঢ়াব পাৰোঁ।

যদিও মৌলিক কর্তব্যসমূহৰ নিশ্চিতভাৱে কিছুমান সীমাৱদ্ধতা আছে, তথাপি এইবোৰৰ স্বকীয় গুৰুত্বও নোহোৱা নহয়। এই কর্তব্যসমূহে নাগৰিকসকলক আন লোকৰ অধিকাৰক সন্মান জনোৱাৰ দায়বদ্ধ মানসিকতাক উদগনি যোগায় আৰু একেদৰে দেশৰ প্রগতিতো বৰঙনি যোগায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ঃ মৌলিক কর্তব্য সমূহ আইনসন্মত। (শুদ্ধ/ অশুদ্ধ)

.....

প্রশ্ন নং ৬ঃ মৌলিক কর্তব্য সমূহৰ সীমাবদ্ধতা চমুকৈ আলোচনা কৰক।

.....

প্রশ্ন নং ৭ঃ মৌলিক কর্তব্য সমূহৰ তাৎপর্য ব্যাখ্যা কৰি দুটা যুক্তি চমুকৈ লিখক?

.....

.....

.....

.....

.....

৭.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মৌলিক কর্তব্যসমূহ ভাৰতৰ সংবিধানৰ এক গুৰুত্বপূর্ণ অংগ। এইসমূহ সংবিধানৰ চতুর্থ (ক)অংশ (Part IV A) ৰ অনুচ্ছেদ নং ৫১ (ক) (Article 51 A)ত অন্তর্ভুক্ত হৈছে। । এইসমূহৰ যোগেদি সংবিধানে নাগৰিকসকলক দেশৰ একতা আৰু সমৃদ্ধিৰ বাবে কর্তব্য নির্ধাৰণ কৰি দিছে।
- আৰম্ভনিতে ভাৰতৰ সংবিধানত মৌলিক কর্ত্তব্যৰ সূচী অন্তর্ভুক্ত নাছিল। ১৯৭৬ চনৰ ৪২ সংখ্যক সংশোধনীত দহটা কর্তব্য ভাৰতৰ নাগৰিকসকলৰ বাবে সংবিধানৰ চতুর্থ (ক) (Part IV A) অংশৰ অনুচ্ছেদ নং ৫১ (ক) (Article 51 A)ত ১০ টা কর্তব্য সংযোজন কৰা হয়। ২০০২ চনত ৮৬ সংখ্যক সংশোধনীৰ জৰিয়তে মৌলিক কর্তব্যৰ সূচীত আন এটা কর্তব্য যোগ দিয়া হয়।
- মৌলিক কর্তব্যসমূহৰ নির্দিষ্ট কিছুমান সীমাবদ্ধতা আছে। এইবোৰ ন্যায়িকভাবে বিচাৰযোগ্য নহয়। এইবোৰ পালন কৰাটো কোনো বাধ্যবাধকতা নাই। ভাৰতৰ সংবিধানত মৌলিক অধিকাৰ আৰু মৌলিক কর্তব্যসমূহক সমানভাৱে বিবেচনা কৰা হোৱা নাই। বহু দৰকাৰী কর্তব্যও ভাৰতৰ সংবিধানত মৌলিক কর্তব্যৰ সূচীত অন্তর্ভুক্ত হোৱা নাই। উদাহৰণস্বৰূপে, সময়মতে কৰ পৰিশোধ কৰা, সচেতনভাৱে ভোট প্রদান কৰা, গনতান্ত্রিক প্রক্রিয়াত সক্রিয়ভাৱে অংশগ্রহণ কৰা আদি কর্তব্যসমূহ মৌলিক কর্তব্যৰ সূচীত অন্তর্ভুক্ত হোৱা নাই।
- মৌলিক কর্তব্যসমূহৰ গুৰুত্ব আছে। যেতিয়া আমি এইবোৰ নামানো বা অনুসৰণ নকৰোঁ, তেতিয়া ই আমি সংবিধানৰ নীতি-নিয়মবোৰ অনুসৰণ নকৰাটোকে বুজায়। সমাজৰ বৃহৎ স্বার্থতেই এইবোৰ আমি পালন কৰা উচিত। এই নীতিসমূহৰ প্রতি থকা আনুগত্য দেশৰ কল্যাণ আৰু সমৃদ্ধিৰ লগত ওতঃপ্রোত ভাৱে জৰিত।

৭.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০ ।*ভাৰতৰ প্রশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শর্মা, দুর্গা কান্ত , ৰফিক, জামান আৰু শর্মা ,ড° পূৰবী ২০০৫ । *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ড° কৃপেশ চন্দ্র আৰু নায়ক, প্রতুল চন্দ্র ২০১১ ।*স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্রকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi : Cosmos Bookhive Pvt. Ltd.
2) Ghai, K.K.(2007). *Indian Government and Politics*.New Delhi: Kalyani Publishers.
3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions*.New Delhi : S. Chand and Company.

৭.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰ ঃ সংবিধানৰ চতুৰ্থ (ক) (Part IV A) অংশ

২ নং প্ৰশ্ন উত্তৰ ঃ ১৯৭৬ চনত

৩ নং প্ৰশ্ন উত্তৰ ঃ এঘাৰ

৪ নং প্ৰশ্ন উত্তৰ ঃ (ক) ভাৰতৰ সংবিধানৰ প্ৰতি আনুগত্য প্ৰকাশ কৰা আৰু ইয়াৰ প্ৰতিষ্ঠানসমূহ, জাতীয় পতাকা, জাতীয় সংগীতক সন্মান প্ৰদৰ্শন কৰা।

(খ) ভাৰতৰ স্বাধীনতা সংগ্ৰামত অৱদান আগবঢ়োৱা মহৎ আদৰ্শসমূহ অনুসৰণ কৰা আৰু জীয়াই ৰখা।

(গ) ভাৰতৰ সংমিশ্ৰিত সংস্কৃতিৰ ঐশ্বৰ্য্যশালী ঐতিহ্য উপলব্ধি আৰু সংৰক্ষণ কৰা।

(ঘ) প্ৰাকৃতিক পৰিবেশৰ অন্তৰ্গত অৰণ্য, হ্ৰদ, নদ-নদী, বন্য জীৱ-জন্তু, কীট-পতঙ্গ আদিৰোৰক সুৰক্ষা আৰু উন্নতি সাধন কৰা।

(ঙ) বৈজ্ঞানিক মানসিকতা, মানৱতাবোধ, অনুসন্ধান আৰু সংস্কাৰ মনোভাবৰ উন্নয়ন ঘটোৱা।

৫ নং প্ৰশ্ন উত্তৰ ঃ অশুদ্ধ

৬ নং প্ৰশ্ন উত্তৰ ঃ (ক) মৌলিক কৰ্তব্যসমূহ নায়িকভাৱে বিচাৰযোগ্য (justiciable) নহয়। সেয়েহে এইবোৰক আইনে বলবৎ কৰিব নোৱাৰে। কোনোৱে যদি ইয়াক ভঙ্গ কৰে তেনেহ'লে কোনেও ইয়াক ৰক্ষনাবেক্ষণৰ বাবে আইনী সহায় ল'ব নোৱাৰে। এইটো এটা মৌলিক কৰ্তব্যসমূহৰ ডাঙৰ সীমাবদ্ধতা।

(খ) বহুতো প্ৰয়োজনীয় কৰ্তব্য ভাৰতৰ সংবিধানৰ মৌলিক কৰ্তব্যৰ সূচীত অন্তৰ্ভুক্ত হোৱা নাই। উদাহৰণ স্বৰূপে, সময়মতে কৰ পৰিশোধ, সচেতনভাৱে ভোটদান, গণতান্ত্ৰিক প্ৰক্ৰিয়াত সক্ৰিয় অংশগ্ৰহণ, পৰিয়ালৰ লালন-পালন আৰু পিতৃ-মাতৃৰ প্ৰতি দায়বদ্ধতাক উদগনি যোগোৱা, ব্যক্তিগত আৰু সামাজিক জীৱনত দুৰ্নীতিৰ পৰা আঁতৰি থকা আদি কিছুমান দৰকাৰী কৰ্তব্য মৌলিক কৰ্তব্যৰ সূচীত অৰ্ন্তভুক্ত হোৱা

নাই। সেয়েহে আমাৰ মৌলিক কর্তব্যৰ সূচীখন হ'বলগীয়া ধৰণে ব্যাপক নহয়।

৭ নং প্রশ্ন উত্তৰ ঃ (ক) আমাৰ সংবিধানত মৌলিক কর্তব্যসমূহৰ অন্তর্ভুক্তিৰ লক্ষ্য হৈছে নাগৰিকসকলক সমাজ আৰু সুনাগৰিকৰ কৰণীয়ৰ প্রতি দায়বদ্ধ কৰি তোলা। এইটো গুৰুত্বপূর্ণ যে যদিহে মৌলিক কর্তব্যসমূহ সূচাৰুৰূপে পালন কৰা নহয়, তেতিয়া নাগৰিক অধিকাৰৰ কোনো অর্থ নাথাকে। আমি আমাৰ নাগৰিক অধিকাৰ সমূহ সন্মান কৰিব পাৰিলেহে সঁচা অর্থত আমাৰ অধিকাৰসমূহ উপভোগ কৰিব পাৰিম। যদি আমি আনৰ অধিকাৰক সন্মান নজনাওঁ তেতিয়া আনেও আমাৰ অধিকাৰসমূহক সন্মান নজনাব। তেতিয়া কোনেও নিজৰ অধিকাৰ উপভোগ কৰিব নোৱাৰিব। সেয়েহে আমাৰ অধিকাৰ সমূহৰ দৰে কর্তব্যসমূহকো সমানে গুৰুত্ব দিয়া আৱশ্যক।

(খ) ন্যায়পালিকাই বিভিন্ন গোচৰত ন্যায় প্রদানৰ বাবে সিদ্ধান্ত গ্রহণৰ সময়ত মৌলিক কর্তব্যসমূহৰ সহায় লয়। কিছুমান মৌলিক কর্তব্যক আইনৰ দ্বাৰা জাৰী কৰিবও পৰা যায়। উদাহৰণস্বৰূপে, ১৯৭১ চনৰ জাতীয় সন্মান অৱমাননা প্রতিৰোধী আইনৰ জৰিয়তে ৰাষ্ট্রীয় পতাকা, ভাৰতৰ সংবিধান আৰু ৰাষ্ট্রীয় সংগীতক সন্মান প্রদর্শন কৰাটো নিশ্চিত কৰা কাৰণে বিধি জাৰী কৰা হৈছে।



৭.১০ আৰ্হি প্রশ্ন

(ক) অতি চমু প্রশ্ন-

প্রশ্ন ১ ঃ কোন দেশৰ সংবিধানৰ পৰা প্রেৰিত হৈ ভাৰতীয় সংবিধানত মৌলিক কর্তব্যসমূহ অন্তর্ভুক্তি কৰা হৈছে?

প্রশ্ন ২ ঃ কেতিয়া ভাৰতৰ সংবিধানত ১১ সংখ্যক মৌলিক কর্তব্য অন্তর্ভুক্ত কৰা হয়?

প্রশ্ন ৩ ঃ সংবিধানৰ কোনটো সংশোধনীৰ জৰিয়তে মৌলিক কর্তব্যসমূহ অন্তর্ভুক্ত কৰা হৈছে ?

প্রশ্ন ৪ ঃ ১৯৭৬ চনৰ কোন কমিটিৰ পৰামর্শ মতে, মৌলিক কর্তব্যসমূহক ভাৰতীয় সংবিধানত অন্তর্ভুক্ত কৰা হয়?

(খ) চমু প্রশ্ন- (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ভাৰতীয় নাগৰিকৰ মৌলিক কর্তব্যসমূহৰ বৈশিষ্ট্য সম্পর্কে চমুটোকা লিখক?

প্রশ্ন ২ ঃ মৌলিক কর্তব্যসমূহৰ প্রকৃতি অনুসৰি মৌলিক কর্তব্যসমূহৰ তিনিটা ভাগৰ বর্ণনা কৰক?

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ভাৰতৰ সংবিধানত অন্তর্ভুক্ত মৌলিক কর্তব্যসমূহৰ পৃষ্ঠ ভূমি আলোচনা কৰক?

প্রশ্ন ২ ঃ ভাৰতীয় নাগৰিকৰ মৌলিক কর্তব্যসমূহৰ সীমাবদ্ধতা দাঙি ধৰক?

*** ***** ***

অধ্যায় ৮ঃ ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতি

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতি আৰু ইয়াৰ অর্থ

৮.৪ ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিসমূহৰ বৈশিষ্ট্য

৮.৬ ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিসমূহৰ শ্রেণীবিভাগ

৮.৬ ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিসমূহৰ ৰূপায়ণ

৮.৭ ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিসমূহৰ সাংবিধানিক গুৰুত্ব

৮.৮ নির্দেশাত্মক নীতি আৰু মৌলিক অধিকাৰৰ মাজৰ প্রভেদ

৮.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.১০ অধিক জানিবলৈ

৮.১১ অগ্রগতিৰ খতিয়ান

৮.১২ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিৰ অর্থ, বৈশিষ্ট্য আৰু ইয়াৰ প্রকাৰসমূহৰ বিষয়ে বর্ণনা কৰিব পাৰিব
- নির্দেশাত্মক নীতিৰ গুৰুত্ব সম্বন্ধে ব্যাখ্যা আগবঢ়াব পাৰিব
- ভাৰতবষত নর্দেশাত্মক নীতিৰ ৰূপায়ণৰ সম্বন্ধে বর্ণনা কৰিব পাৰিব
- নির্দেশাত্মক নীতি আৰু মৌলিক অধিকাৰৰ মাজৰ প্রভেদসমূহ নির্ণয় কৰিব পাৰিব।

৮.২ পৰিচয়

এই অধ্যায়টিত আপোনাক ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিৰ বিষয়ে পৰিচয় কৰাই দিয়া হ'ব। এই নির্দেশাত্মক নীতিসমূহ ৰাষ্ট্ৰৰ উদ্দেশ্যে দিয়া হৈছে আৰু ৰাষ্ট্ৰই শাসন পৰিচালনা আৰু আইন প্রণয়নৰ ক্ষেত্রত এইসমূহ অনুসৰণ কৰিব লাগে। নির্দেশাত্মক নীতিৰ প্রধান লক্ষ্য হ'ল ভাৰতবর্ষক এখন কল্যাণকামী ৰাষ্ট্ৰলৈ ৰূপান্তৰিত কৰা। অৱশ্যে মৌলিক অধিকাৰৰ দৰে নির্দেশাত্মক নীতিসমূহ বলবৎযোগ্য নহয়। কোনো চৰকাৰে এই নীতিসমূহ মানি নচলিলেও তেনে চৰকাৰক আদালতে এই নীতিসমুহ মানি চলিবলৈ বাধ্য কৰাব নোৱাৰে। অৱশ্যে প্রত্যেক দায়বদ্ধ চৰকাৰৰ (responsible government) প্রধান কর্তব্য হ'ল এই নীতিসমূহ মানি চলা যাতে সামাজিক আৰু অর্থনৈতিক ন্যায় প্রতিষ্ঠা হয়।

৮.৩ ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতি আৰু ইয়াৰ অর্থ

ৰাষ্ট্ৰপৰিচালনাৰ নির্দেশাত্মক নীতিৰ অন্তর্ভুক্তি হ'ল ভাৰতীয় সংবিধানৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। ভাৰতীয় সংবিধান প্ৰণেতাসকলে আয়াৰলেণ্ডৰ সংবিধান অনুসৰণ কৰি আমাৰ দেশৰ সংবিধানতো একেধৰণৰ নির্দেশাত্মক নীতি অন্তর্ভুক্ত কৰিছে। সংবিধান প্ৰণেতাসকলৰ মতে নির্দেশাত্মক নীতিসমূহ ৰাষ্ট্ৰ পৰিচালনাৰ বাবে মৌলিক; যিহেতু এই নীতিসমূহে ৰাষ্ট্ৰৰ জনসাধাৰণৰ আশা আকংঙ্খা প্ৰতিফলিত কৰে। আয়াৰলেণ্ডৰ সংবিধানৰ প্ৰতি ভাৰতীয় প্ৰণেতাসকল অতিকৈ আকৃষ্ট হৈছিল। তেওঁলোকে লক্ষ্য কৰিছিল যে প্ৰথম বিশ্বযুদ্ধৰ পিছত কার্যকৰী হোৱা সংবিধান-সমূহ বিশেষকৈ জার্মানী আৰু পূব ইউৰোপৰ ৰাষ্ট্ৰসমূহৰ সংবিধানত জনসাধাৰণৰ কল্যাণ আৰু ৰাষ্ট্ৰৰ অর্থনৈতিক প্ৰগতিৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল। এনে দৃষ্টিভংগীৰ ফলস্বৰূপে আমাৰ সংবিধান প্ৰণেতাসকলে ভাৰতীয় সংবিধানৰ চতুর্থ অংশ(Part-IV)ৰ অনুচ্ছেদ নং ৩৬ ৰ পৰা ৫১ লৈ কিছুমান জনকল্যাণমূলক নীতি সন্নিৱিষ্ট কৰিছে। ইয়াৰ উপৰিও, ভাৰতীয় সমাজ ব্যৱস্থাৰ লগত জড়িত কিছুমান নীতিও নির্দেশাত্মক নীতিত অন্তর্ভূক্ত কৰা হৈছে যিবোৰ নীতি ভাৰতীয় সমাজৰ মুক্তিৰ বাবে অপৰিহার্য হিচাপে গণ্য কৰিছিল। গণতান্ত্রিক শাসন ব্যৱস্থা সাফল্যমণ্ডিত কৰিবলৈ ৰাজনৈতিক গণতন্ত্র প্ৰতিষ্ঠাৰ লগতে অর্থনৈতিক গণতন্ত্র প্ৰতিষ্ঠা হোৱাটো অতি প্ৰয়োজনীয়। এইখিনিতে উল্লেখযোগ্য যে সংবিধান প্ৰণেতাসকলৰ প্ৰধান লক্ষ্য আছিল নির্দেশাত্মক নীতিৰ বাস্তৱ ৰূপায়ণৰ জৰিয়তে ভাৰতীয় সমাজত সামাজিক, ৰাজনৈতিক আৰু অর্থনৈতিক ন্যায় প্ৰতিষ্ঠা কৰা। ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত যি সামাজিক আৰু অর্থনৈতিক গণতন্ত্র প্ৰতিষ্ঠা কৰাৰ কথা কোৱা হৈছে, নির্দেশাত্মক নীতিসমূহেও সেই কথাই উনুকিয়াইছে। ভাৰতীয় সংবিধান অন্তর্ভুক্ত ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিসমূহ হ'ল- ৰাষ্ট্ৰৰ পক্ষে মানিবলগীয়া কিছুমান নির্দেশাৱলী যাতে ভাৰতীয় সমাজ ব্যৱস্থাত এই নির্দেশসমূহৰ বাস্তৱ ৰূপায়নৰ ফলত নাগৰিক সকলৰ মাজত সামাজিক, অর্থনৈতিক আৰু ৰাজনৈতিক ন্যায়; চিন্তা, প্ৰকাশ, বিশ্বাসৰ স্বাধীনতা; সমমর্য্যাদা আৰু অন্যান্য সা-সুবিধাৰ ক্ষেত্রত সমতা প্ৰতিষ্ঠাৰ লগতে ৰাষ্ট্ৰৰ ঐক্য-সংহতি বিৰাজ কৰে। নির্দেশাত্মক নীতিসমূহ গনতান্ত্রিক সমাজবাদ (democratic socialism) আদর্শৰ আধাৰত প্ৰতিষ্ঠিত। ৰাষ্ট্ৰৰ শাসন পৰিচালনাৰ আৰু আইন প্ৰণয়নৰ ক্ষেত্রত এই নীতিসমূহ মানি চলাটো চৰকাৰৰ প্ৰধান কর্তব্য। কাৰণ নির্দেশাত্মক নীতিৰ প্ৰধান উদ্দেশ্য হ'ল— ভাৰতবর্ষত এখন কল্যাণকামী ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰা।

সংবিধান অন্তর্ভুক্ত নির্দেশাত্মক নীতিসমূহক কেইবাটাও ভাগত বিভক্ত কৰিব পাৰি। এই নীতিসমূহ প্ৰধানকৈ ৰাষ্ট্ৰৰ শাসন পৰিচালনা, ভাৰতীয় সমাজ ব্যৱস্থাৰ বিভিন্ন দিশ, আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা সম্পর্কীয় নীতিৰ এক সুসংমিশ্রণ বুলিব পাৰি। এই নীতিসমূহ ৰাষ্ট্ৰৰ প্ৰতি নির্দেশৰ নিচিনা। অৱশ্যে এইবোৰ ন্যায়িক বিচাৰযোগ্য নহয়। ৰাষ্ট্ৰৰ শাসন পৰিচালনা আৰু আইন প্ৰণয়নৰ ক্ষেত্রত শাসনাধিষ্ঠ চৰকাৰে এই নীতিসমূহ অনুসৰণ নকৰিলেও এই নীতিবোৰ

মানি চলিবলৈ তেনে চৰকাৰক বাধ্য কৰাব নোৱাৰি। কিন্তু চৰকাৰৰ পক্ষে এই নীতিসমূহ যিমান দূৰ সম্ভৱ মানি চলাটো দৰকাৰ, কাৰণ আধুনিক গণতান্ত্রিক শাসনব্যৱস্থাত এই নীতিসমূহে এক নির্ণয়কাৰী ভূমিকা পালন কৰে। এই নীতিবোৰ হ'ল গণতন্ত্র আৰু কল্যাণকামী ৰাষ্ট্ৰৰ মূলভেঁটী। ভাৰতীয় জনসাধাৰণৰ দীর্ঘদিনীয়া আশা-আকংশা বাস্তৱত প্রতিফলিত কৰাৰ উদ্দেশ্যে ভাৰতীয় সংবিধানত এই নীতি সমূহৰ সংযোজন কৰা হৈছে। সংবিধান প্রণেতাসকলে চিন্তা কৰিছিল যে সংবিধানত নির্দেশাত্মক নীতিৰ অন্তর্ভুক্তিয়ে শাসনাধিষ্ঠ চৰকাৰক ক্ষমতাৰ অপব্যৱহাৰ কৰাৰ পৰা আঁতৰত ৰাখিব। মৌলিক অধিকাৰে যিধৰণে ৰাজনৈতিক গনতন্ত্র প্রতিষ্ঠাৰ ওপৰত গুৰুত্ব দিয়ে ইয়াৰ বিপৰীতে নির্দেশাত্মক নীতিয়ে সমাজত অর্থনৈতিক গণতন্ত্রৰ ওপৰত নির্ভৰ কৰে, কাৰণ দেখা যায় যে অর্থনৈতিক নিৰাপত্তা, সমতা আৰু অধিকাৰ অবিহনে নাগৰিকে ৰাজনৈতিক অধিকাৰ কার্যকৰী কৰিব নিবিচাৰে। এনে চিন্তাধাৰাৰেই সংবিধান প্রণেতাসকলে মৌলিক অধিকাৰৰ পৰিপূৰক হিচাপে নির্দেশাত্মক নীতিসমূহ সংবিধানত অন্তর্ভুক্ত কৰিছিল।

৮.৪ ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিসমূহৰ বৈশিষ্ট্য

ভাৰতীয় সংবিধানত অন্তর্ভুক্ত নির্দেশাত্মক নীতিৰ প্রধান বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল—

- নির্দেশাত্মক নীতিসমূহ হ'ল ৰাষ্ট্ৰৰ পক্ষে কিছুমান নির্দেশাৱলী। এই নীতিবোৰ সংবিধানত স্বীকৃত যদিও ৰাষ্ট্রক এই নীতিবোৰ মানি চলিবলৈ বাধ্য কৰাব নোৱাৰি।
- নির্দেশাত্মক নীতিসমূহ ন্যায়িক বিচাৰযোগ্য নহয় আৰু এনে নীতিসমূহ বলবৎ কৰাৰ কাৰণে আদালতৰ কাষ চাপিব নোৱাৰি।
- নির্দেশাত্মক নীতিসমূহ ইতিবাচক (positive) হোৱা হেতুকে এইবোৰে ৰাষ্ট্ৰৰ কার্য পৰিধি আৰু ক্ষমতা বৃদ্ধি কৰিছে।
- নির্দেশাত্মক নীতিৰ প্রধান লক্ষ্য হ'ল কল্যাণকামী ৰাষ্ট্র (welfare state) প্রতিষ্ঠা কৰা। এই নীতিবোৰ সমাজবাদী চিন্তাধাৰাৰ ওপৰত প্রতিষ্ঠিত।
- ৰাষ্ট্ৰৰ আর্থসামাজিক উন্নয়নৰ কাৰণে নির্দেশাত্মক নীতিসমূহ অপৰিহার্য্য। কাৰণ ন্যায় আৰু জনকল্যাণ এই দুয়োটাই আমাৰ সংবিধানৰ প্রধান লক্ষ্য।
- নির্দেশাত্মক নীতিৰ নৈতিক মূল্য যথেষ্ট। কোনো দায়বদ্ধ চৰকাৰে এই নীতিসমূহৰ বিৰোদ্ধাচৰণ কৰিব নোৱাৰে।
- নির্দেশাত্মক নীতিসমূহে জনমতক (public opinion) প্রতিনিধিত্ব কৰে। এই নীতিসমূহে ভাৰতীয় জনসাধাৰণৰ আশা-আকাংশা প্রতিফলিত কৰে।
- ৰাষ্ট্ৰৰ শাসন পৰিচালনাৰ ক্ষেত্রত নির্দেশাত্মক নীতিসমূহক মৌলিক (fundamental) হিচাপে গন্য কৰা হয়। কল্যাণকাৰী ৰাষ্ট্র প্রতিষ্ঠা কৰিবলৈ হ'লে চৰকাৰে এই নীতিসমূহ অনুসৰণ কৰাটো অপৰিহার্য্য।

৮.৫ ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিসমূহৰ শ্ৰেণীবিভাগ

(ক) সমাজবাদী আৰু অর্থনৈতিক নীতি

সংবিধানৰ সমাজবাদী আৰু অর্থনৈতিক নীতিসমূহৰ প্ৰধান উদ্দেশ্য হ'ল ভাৰতবর্ষক কল্যাণকামী ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰা। সংবিধানৰ ৩৮(১) নং অনুচ্ছেদত উল্লেখ আছে যে ৰাষ্ট্ৰই সামাজিক, আর্থিক আৰু ৰাজনৈতিক ন্যায় প্ৰতিষ্ঠাৰ জৰিয়তে সামাজিক কল্যাণ সাধন, মর্যাদা (status) আৰু সম সুযোগ সুবিধাৰ সৃষ্টি কৰিবলৈ চেষ্টা চলাব। গতিকে ৰাষ্ট্ৰৰ প্ৰধান লক্ষ্য হ'ল ন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত এক সামাজিক অৱস্থাৰ প্ৰতিষ্ঠা কৰি জনকল্যাণ সাধন কৰা। এনে লক্ষ্য সাধন কৰাৰ উদ্দেশ্যে তলত উল্লেখিত নীতিসমূহ শাসন পৰিচালনা আৰু আইন প্ৰণয়নৰ ক্ষেত্ৰত মানি চলিবলৈ ৰাষ্ট্ৰক নির্দেশ দিয়া হৈছে—

- পুৰুষ মহিলা নির্বিশেষে সকলোৰে বাবে জীৱিকা অর্জনৰ সুবিধা কৰা;
- সমাজৰ সকলো শ্ৰেণীৰ মাজত সম্পদৰ সম-বিতৰণ কৰা;
- পুৰুষ-মহিলা নির্বিশেষে সমান কামৰ বাবে সমান মজুৰীৰ ব্যৱস্থা কৰা;
- শ্ৰমিকসকলৰ বাবে কাম কৰাৰ উপযুক্ত পৰিবেশ সৃষ্টি কৰা;
- শ্ৰমিকসকলৰ বাবে জিৰণিৰ ব্যৱস্থা কৰা;
- নিবনুৱা, বৃদ্ধ, ৰোগী আৰু শাৰীৰিকভাৱে অক্ষম সকলক সহায় কৰিবলৈ ব্যৱস্থা কৰা;
- সকলোৰে কাৰণে সম-মর্যাদা আৰু সুযোগ-সুবিধাৰ ব্যৱস্থা কৰা।
- শিশু আৰু যুৱক-যুৱতীসকলক সকলো প্ৰকাৰৰ শোষণ আৰু নৈতিক পার্থিৱ দুর্গতিৰ পৰা ৰক্ষা কৰা;
- নাগৰিকৰ বাবে উপযুক্ত কামৰ ব্যৱস্থা কৰা;
- বাধ্যতামূলক শিক্ষাৰ ব্যৱস্থা কৰা;
- জনসাধাৰণ জীৱন ধাৰমৰ মানদণ্ড উন্নত কৰা;
- পৰিবেশ (environment) সংৰক্ষণৰ ব্যৱস্থা কৰা;
- সমগ্ৰ ভাৰতবর্ষৰ বাবে একেধৰণৰ দেৱানী আইন প্ৰৱর্তনৰ ব্যৱস্থা কৰা;
- উদ্যোগ, শিল্প প্ৰতিষ্ঠান আদিৰ পৰিচালনাত শ্ৰমিক কর্মীসকলৰ সক্ৰিয় অংশগ্ৰহণৰ ব্যৱস্থা কৰা ইত্যাদি।

(খ) গান্ধীবাদী নীতি

সংবিধানৰ ৪০, ৪৩, ৪৭ আৰু ৪৮ অনুচ্ছেদত সন্নিৱিষ্ট নীতিসমূহ মহাত্মা গান্ধীয়ে তেওঁৰ জীৱন কালত আদর্শ হিচাপে গ্ৰহণ কৰিছিল। ভাৰতীয় সংবিধান প্ৰণেতাসকলে মহাত্মা গান্ধীৰ সপোন বাস্তৱায়িত কৰাৰ উদ্দেশ্যে তেওঁৰ আদর্শসমূহ ৰূপায়নৰ ওপৰত গুৰুত্ব দিছিল। গান্ধীবাদী নীতিৰ মূল নীতিবোৰ হ'ল -

- পঞ্চায়ত ব্যৱস্থাৰ প্ৰচলন কৰা আৰু গাঁৱৰ জনসাধাৰণৰ স্বায়ত্ব শাসনৰ ব্যৱস্থা কৰা;
- কুটিৰ শিল্পৰ উন্নতি সাধন কৰি গাঁও অঞ্চলৰ অর্থনৈতিক বুনিয়াদ সুদৃঢ় কৰা;

- মাদক দ্ৰব্যৰ ব্যৱহাৰ নিষিদ্ধকৰণ কৰা;
- গো-হত্যা নিবাৰণ কৰা;
- কার্যপালিকাৰ পৰা ন্যায়পালিকা পৃথক কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা;
- ঐতিহাসিক স্মৃতি চিহ্ন, স্থান আৰু কলা কৌশল নাইবা ঐতিহাসিকভাৱে বিখ্যাত বস্তুবোৰ সংৰক্ষণ কৰা;
- কৃষি আৰু পশুপালন কার্যসমূহ আধুনিক পদ্ধতিৰে কৰা;
- পৰিবেশ আৰু গছ-গছনি, পশু-পক্ষী সংৰক্ষণ কৰা;
- পিচপৰা শ্ৰেণীৰ শৈক্ষিক আৰু আর্থিক উন্নয়নৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা ইত্যাদি।

(গ) আন্তঃৰাষ্ট্ৰীয় নীতি

সংবিধানৰ ৫১নং অনুচ্ছেদত অন্তর্ভুক্ত নীতিসমূহেই মূলতঃ আন্তঃৰাষ্ট্ৰীয় নীতি যিবোৰ আন্তঃৰাষ্ট্ৰীয় শান্তি, নিৰাপত্তা আদিৰ লগত জড়িত।

প্ৰধান আন্তঃৰাষ্ট্ৰীয় নীতিসমূহ হ'ল—

- আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা সুনিশ্চিত কৰা;
- ৰাষ্ট্ৰসমূহৰ মাজত সৌহার্দপূর্ণ সম্পর্ক বজায় ৰখা;
- মধ্যস্থতাৰে আন্তর্জাতিক বিবাদসমূহ মিমাংসা কৰা ইত্যাদি।

৮.৬ ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিসমূহৰ ৰূপায়ণ

ভাৰতীয় সংবিধান প্ৰণেতাসকলে সামাজিক, ৰাজনৈতিক আৰু অর্থনৈতিক ন্যায়ৰ ওপৰত আধাৰিত এখন নতুন সমাজ প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। তেওঁলোকে ন্যায়ৰ ভিত্তিত প্ৰতিষ্ঠিত এক গণতান্ত্ৰিক শাসন ব্যৱস্থা প্ৰৱর্তন কৰিব বিচাৰিছিল যাতে জনসাধাৰণে নিত্য নৈমিত্তিক প্ৰয়োজনসমূহ লাভ কৰিব পাৰে। সেই উদ্দেশ্যে ৰাষ্ট্ৰক প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ নির্দেশ দিয়া হৈছে যাতে নাগৰিকে কামৰ অধিকাৰ, শিক্ষাৰ অধিকাৰ, নিবনুৱা, বৃদ্ধ, ৰুগ্ন, বিকলাংগ বা আকস্মিক দূর্ঘটনাত বিপন্ন হোৱা লোকসকলে ৰাষ্ট্ৰৰ পৰা সাহার্য্য লাভ কৰে। ৰাষ্ট্ৰৰ ওপৰত আৰোপিত এনে নির্দেশ বাস্তৱত ৰূপায়ন কৰাৰ উদ্দেশ্যে চৰকাৰে বর্তমানলৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। চৰকাৰে সামাজিক, অর্থনৈতিক; উদ্যোগ, কৃষি, শ্ৰমিক আৰু কৰ ইত্যাদি বিষয়ক বিভিন্নধৰণৰ আইন প্ৰণয়ন কৰিছে। উদাহৰণস্বৰূপে, Taxation Inquiry Commission [1953-54]ৰ জৰিয়তে প্ৰচলিত কৰ গাঠনি (Tax Structure) নিৰিক্ষণ আৰু অর্থনৈতিক অসমতা আঁতৰোৱাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে।

উক্ত Taxation Inquiry Commission ৰ লক্ষ্যসমূহ ৰূপায়নৰ কাৰণে 'The Industrial Development and Regulation Act '(1951) প্ৰণয়ন কৰা হৈছিল আৰু ইয়াৰ পৰৱর্তী সময়ত ১৯৬৫ চনত 'Monopolies Inquiry Commission' গঠন কৰি ৰাষ্ট্ৰৰ অর্থনৈতিক ক্ষমতা ব্যক্তিৰ হাতত কেন্দ্ৰীভূত হোৱা আৰু ৰাষ্ট্ৰীয় অর্থনীতিত একচেতীয়া মনোভাৰ বৃদ্ধি হোৱাৰ ফলত সৃষ্টি হোৱা সামাজিক অস্থিৰতা আদিৰ বিষয়ে অনুসন্ধান কৰিছিল। ১৯৫০



চিলিং ঃ কোনো ব্যক্তিয়ে ব্যক্তিগতভাৱে স্বষাধিকাৰ পাব পৰা মাটিৰ সৰ্ব্বোচ্ছ সীমা।

চনৰ প্ৰথম ভাগতেই ভূমি সংস্কাৰ আইন (Land Reform Legislation) প্ৰণয়ন কৰি জমিদাৰী প্ৰথা (Zamindari System) উচ্ছেদ কৰা হৈছে আৰু মাটিৰ মালিকীস্বত্বৰ সৰ্ব্বোচ্চ সীমা নিৰূপণ কৰা হৈছে। গতিকে বৰ্তমান গাওঁ আৰু নগৰ অঞ্চলৰ মাটি চিলিং আইনৰ নিয়ন্ত্ৰনাধীন আৰু এনে আইনৰ জৰিয়তে মাটিৰ মালিকৰ পৰা ওপৰঞ্চি মাটি কাঢ়ি আনি সমাজৰ দুৰ্বল শ্ৰেণীৰ মাজত চৰকাৰী আঁচনিৰ জৰিয়তে বিতৰণৰ ব্যৱস্থা কৰা হৈছে। এনে আইনৰ লগত সংগতি ৰাখি ৰাজ্য চৰকাৰসমূহে ৰাজ্যিক ভূমি সংস্কাৰ আইন প্ৰণয়ন কৰিছে যাতে ব্যক্তিৰ হাতত অধিক সম্পদ কেন্দ্ৰীভূত নহয়।

সংবিধানৰ ৪০নং অনুচ্ছেদত উল্লেখিত গাঁও পঞ্চায়তসমূহক স্থানীয় প্ৰশাসনৰ গোট হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে স্বাধীনতা লাভৰ পিছৰ পৰাই বিভিন্ন আইন প্ৰৱৰ্তন কৰা হৈছে। বিশেষকৈ ঐতিহাসিক ৭৩ তম আৰু ৭৪তম্ সংবিধান সংশোধনী আইন (১৯৯২ চন) প্ৰণয়ন কৰা হৈছে আৰু পঞ্চায়ত অনুষ্ঠানসমূহক প্ৰশাসনীয় গোট হিচাপে গঢ়ি তোলা হৈছে। পঞ্চায়ত অনুষ্ঠান সমূহলৈ ২৯টা বিভাগ হস্তান্তৰ কৰা হৈছে যাতে স্থানীয় অঞ্চলৰ জনসাধাৰণে তেওঁলোকৰ অংশগ্ৰহণ আৰু পৰ্যাপ্ত সমৰ্থনেৰে তেওঁলোকৰ বহুদিনীয়া সপোন বস্তুৰায়িত কৰিব পাৰে। এনে লক্ষ্য সফল কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰ সমূহেও ৰাজ্যিক পঞ্চায়ত আইন প্ৰণয়ন কৰিছে আৰু পঞ্চায়ত অনুষ্ঠানসমূহক বিত্ত (funds), কাৰ্যাৱলী (functions) আৰু কৰ্মচাৰী (functionaries) হস্তান্তৰৰ ব্যৱস্থা কৰা হৈছে। কুটিৰ শিল্পৰ দ্ৰুত বিকাশৰ বাবে (All India Handicrafts Board, All India Handloom Board, Central Silk Board, Coir Board) ইত্যাদি প্ৰতিষ্ঠা কৰা হৈছে। খাদী উদ্যোগৰ উন্নয়নৰ কাৰণে (The National Small Industries Corporation, the Khadi and Village Industries Commission) গঠন কৰা হৈছে। অৰ্থনৈতিকভাৱে পিছপৰা শ্ৰেণী, যেনে— অনুসূচীত জাতি আৰু জনজাতিৰ উন্নয়নৰ বাবে নিয়োগৰ সুবিধা আদি কৰি বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে যাতে এই অনগ্ৰসৰ শ্ৰেণীবোৰে সমাজৰ আন আন উন্নত শ্ৰেণীবোৰৰ লগত ফেৰ মাৰিব পাৰে। প্ৰাথমিক শিক্ষাক বাধ্যতামূলক কৰাৰ উদ্দেশ্যে ভাৰত চৰকাৰে বিভিন্ন ধৰণৰ আঁচনি গ্ৰহণ কৰিছে। ইয়াৰ ভিতৰত ১৯৫২ চনত ভাৰত চৰকাৰে গ্ৰাম্য আৰু আন্তঃগাঠনি সুদৃঢ় কৰাৰ বাবে সমূহীয়া উন্নয়ন পৰিকল্পনা (Community Development Project) নামেৰে সৰ্ববৃহৎ আঁচনি গ্ৰহণ কৰে। এনে আঁচনিৰ জৰিয়তে গাওঁ অঞ্চলৰ যাতায়ত, যোগাযোগ, শিক্ষা, কৃষি, স্বাস্থ্য আৰু গৃহ আচবাব ইত্যাদি দিশত আন্তঃগাঠনি সুদৃঢ় কৰিব বিচাৰিছিল। মাদক দ্ৰব্য নিবাৰণৰ উদ্দেশ্যে ৰাজ্যিক চৰকাৰসমূহে আইন প্ৰণয়ন কৰিছে আৰু ইয়াৰ প্ৰচলনৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰিছে। ঐতিহাসিক স্মৃতি চিহ্ন সংৰক্ষণৰ উদ্দেশ্যে প্ৰয়োজনীয় আইন প্ৰণয়ন কৰা হৈছে। আইনগত ব্যৱস্থাৰ যোগেদি ন্যায়পালিকাক কাৰ্যপালিকাৰ পৰা পৃথক কৰা হৈছে আৰু সমগ্ৰ দেশত প্ৰচলন হোৱাকৈ একেধৰণৰ দেৱানী আইন (Uniform Civil Code) প্ৰৱৰ্তনৰ চিন্তাও কৰা হৈছে। সমাজৰ দুখীয়া দৰিদ্ৰ জনসাধাৰণক কল্যাণ আৰু মুক্ত আইন সাহায্য (free legal aid) প্ৰদানৰ বাবে বিভিন্ন ধৰণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে।

ভাৰত চৰকাৰে কাম কৰাৰ অধিকাৰ সুনিশ্চিত কৰিবলৈ মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীন স্বৰোজগাৰ যোজনা (MGNREGA)ৰ জৰিয়তে এশ দিনৰ ৰোজগাৰ আগবঢ়াইছে। সংবিধানৰ ৫১নং অনুচ্ছেদত উল্লেখিত আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা সুনিচ্ছিত কৰাৰ উদ্দেশ্যে ভাৰতবৰ্ষৰ বৈদেশিক নীতিত বিভিন্ন ব্যৱস্থা সংযোজন কৰা হৈছে। স্বাধীনতা লাভৰ পিছত জৱাহৰলাল নেহৰুৰ সবল নেতৃত্বত ভাৰত চৰকাৰে পঞ্চশীল নীতিৰ প্ৰতি আকৃষ্ট হৈছিল আৰু শান্তিপূৰ্ণ আৰু সহযোগীতাৰ নীতিৰে সকলো ধৰণৰ আন্তঃৰাষ্ট্ৰীয় সমস্যা সমাধানৰ পোষকতা কৰিছিল। আমাৰ ৰাষ্ট্ৰ ভাৰতবৰ্ষই সকলোৰে বাবে শান্তিপূৰ্ণ আৰু সহযোগিতাৰ নীতিৰে সকলো ধৰণৰ আন্তঃৰাষ্ট্ৰীয় সমস্যা সমাধানৰ পোষকতা কৰিছিল। আমাৰ ৰাষ্ট্ৰ ভাৰতবৰ্ষই সকলোৰে বাবে শান্তি আৰু স্বাধীনতা লাব সুনিশ্চিত আৰু ৰাষ্ট্ৰসমূহৰ মাজত কূটনৈতিক আৰু বাণিজ্যিক সম্বন্ধ বজাই ৰাখিব বিচাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ নির্দেশাত্মক নীতিসমূহ ন্যায়িক বিচাৰযোগ্য নহয়। (শুদ্ধ/অশুদ্ধ)

.....

প্ৰশ্ন নং ২ঃ ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিসমূহৰ প্ৰধান লক্ষ্য কি?

.....

প্ৰশ্ন নং ৩ঃ নির্দেশাত্মক নীতিসমূহ ৰাষ্ট্ৰ নে জনসাধাৰণৰ উদ্দেশ্যে সংবিধানত অন্তর্ভুক্ত কৰা হৈছে?

.....

প্ৰশ্ন নং ৪ঃ নির্দেশাত্মক নীতিসমূহৰ যিকোনো দুটা বৈশিষ্ট্য উল্লেখ কৰক। (৫০টা শব্দৰ ভিতৰত)

.....

.....

.....

প্ৰশ্ন নং ৫ঃ যিকোনো দুটা সমাজবাদী আৰু অর্থনৈতিক নীতি উল্লেখ কৰক।

.....

.....

.....

৮.৭ ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিসমূহৰ সাংবিধানিক গুৰুত্ব

সংবিধানৰ ৩৭নং অনুচ্ছেদৰ যোগেদি নির্দেশাত্মক নীতিসমূহক শাসন পৰিচালনাৰ ক্ষেত্ৰত মৌলিক হিচাপে গণ্য কৰা হৈছে আৰু আইন প্ৰণয়নৰ ক্ষেত্ৰত এই নীতিসমূহ অনুসৰণ

কৰাটো ৰাষ্ট্ৰৰ প্ৰধান কৰ্তব্য। যদিও নির্দেশাত্মক নীতিসমূহ বলবৎযোগ্য নহয় আৰু চৰকাৰক এই নীতিসমূহ মানি চলিবলৈ বাধ্য কৰাব নোৱাৰি, তথাপি চৰকাৰে এই নীতিসমূহ অনুসৰণ কৰা দৰকাৰ। কাৰণ, নির্দেশাত্মক নীতিৰ অন্তৰালত ৰাজনৈতিক কাৰণ নিহিত হৈ থাকে আৰু সেইকাৰণে প্ৰত্যেক চৰকাৰে যিমান দূৰ সম্ভৱ এই নীতিসমূহৰ বাস্তৱ ৰূপায়ণৰ চেষ্টা কৰা প্ৰয়োজন।

নির্দেশাত্মক নীতিসমূহ সংবিধানৰ অবিচ্ছেদ্য অংগ হোৱা হেতুকে প্ৰত্যেক ৰাজ্য চৰকাৰে এই নীতিসমূহৰ বাস্তৱ ৰূপায়ন কৰা দৰকাৰ। এই নীতিবোৰে ভাৰতীয় জনসাধাৰণৰ আশা-আকাংশাক প্ৰতিনিধিত্ব কৰে। গতিকে চৰকাৰে জনসাধাৰণৰ প্ৰতি দায়িত্ব স্বীকাৰ কৰি নির্দেশাত্মক নীতিসমূহ শাসন পৰিচালনা আৰু আইন প্ৰণয়নৰ ক্ষেত্ৰত মানি চলা উচিত। গতিকে নির্দেশাত্মক নীতিসমূহ বলবৎযোগ্য নহয় যদিও নিঃসন্দেহে এইবোৰৰ সংবিধানিক গুৰুত্ব অপৰিসীম।

৮.৮ নির্দেশাত্মক নীতি আৰু মৌলিক অধিকাৰৰ মাজৰ প্ৰভেদ

নির্দেশাত্মক নীতি আৰু মৌলিক অধিকাৰৰ দুয়োটাৰেই প্ৰধান লক্ষ্য হ'ল জনসাধাৰণৰ সুখ সুনিশ্চিত কৰা। উদ্দেশ্যেগত ফালৰ পৰা দুয়ো একেধৰণৰ যদিও দুয়োৰে মাজত কিছুমান পাৰ্থক্য পৰিলক্ষিত হয়। তলত সেইবোৰ চমুকৈ আলোচনা কৰা হ'ল—

- মৌলিক অধিকাৰসমূহ নাগৰিকৰ উদ্দেশ্যে প্ৰদান কৰা হৈছে; আনহাতে নির্দেশাত্মক নীতি সমূহ ৰাষ্ট্ৰৰ উদ্দেশ্যে প্ৰদান কৰা হৈছে।
- মৌলিক অধিকাৰসমূহ ব্যক্তিবাদী (individualistic) যিয়ে ব্যক্তিৰ জীৱনলৈ সুখ দিব বিচাৰে। আনহাতে, নির্দেশাত্মক নীতিসমূহ সমাজতান্ত্রিক আৰু এইবোৰে সমাজত সমতা আৰু ন্যায় প্ৰতিষ্ঠা কৰিব বিচাৰে।
- মৌলিক অধিকাৰসমূহ বলবৎযোগ্য হয়। নাগৰিকে ভংগ অধিকাৰ পুনৰুদ্ধাৰৰ বাবে আইনগত সাহায্য বিচাৰি আদালতৰ কায চাপিব পাৰে। আনহাতে, নির্দেশাত্মক নীতিসমূহ আদালতৰ দ্বাৰা বলবৎযোগ্য নহয়। এনে নীতিসমূহ ৰূপায়ন নকৰাৰ অভিযোগত আদালতৰ ওচৰ চাপিব নোৱাৰি। নির্দেশাত্মক নীতিসমূহ ৰূপায়ণ কৰিবলৈ চৰকাৰক বাধ্য কৰাব নোৱাৰি।
- মৌলিক অধিকাৰসমূহ স্বতঃস্ফূৰ্তভাৱে (automatically) কাৰ্য্যকৰী হয় যদিও নির্দেশাত্মক নীতি ৰূপায়ণ কৰিবলৈ সংসদে আইন প্ৰণয়ন কৰিব লাগে। ৪০নং অনুচ্ছেদত অন্তৰ্ভুক্ত গাওঁ পঞ্চায়ত গঠন কৰি গ্ৰাম্য জনসাধাৰণক স্বায়ত্ব শাসন ব্যৱস্থা কাৰ্যকৰী কৰাৰ উদ্দেশ্যে ৰাষ্ট্ৰই পঞ্চায়ত আইন প্ৰণয়ন কৰিছে। মৌলিক অধিকাৰ কাৰ্যকৰী কৰিবলৈ চৰকাৰে কোনো আইন প্ৰণয়ন কৰিব নালাগে।
- মৌলিক অধিকাৰে ৰাজনৈতিক গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিব বিচাৰে। ইয়াৰ বিপৰীতে নির্দেশাত্মক নীতিয়ে সামাজিক আৰু অৰ্থনৈতিক গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিব বিচাৰে।
- কিছুমান মৌলিক অধিকাৰ ইতিবাচক (positive) আৰু আন কিছুমান নেতিবাচক (negative)। আনহাতে নির্দেশাত্মক নীতিসমূহ ইতিবাচক চৰিত্ৰৰ হয়।
- ৰাষ্ট্ৰীয় জৰুৰীকালীন সময়ছোৱাত নাগৰিকৰ কিছুমান মৌলিক অধিকাৰ উপভোগ

সাময়িকভাৱে স্থগিত ৰখা হয়। কিন্তু নির্দেশাত্মক নীতি কোনো পৰিস্থিতিতে কর্তন নহয়।

- মৌলিক অধিকাৰসমূহ অসীম বা চূড়ান্ত নহয়। নাগৰিকে কিছুমান যুক্তিসংগত বাধাৰ (reasonable restrictions) মাজতহে এই অধিকাৰবোৰ উপভোগ কৰিব পাৰে। আনহাতে, নির্দেশাত্মক নীতিসমূহৰ ওপৰত কোনো ধৰণৰ সাংবিধানিক বাধা আৰোপ কৰা হোৱা নাই। ৰাজনৈতিক সদিচ্ছাৰ (political will) ওপৰত ভিত্তি কৰি চৰকাৰে এই নীতিসমূহ ৰূপায়ন কৰিব বা নকৰিবও পাৰে।
- মৌলিক অধিকাৰ বিৰোধী বা মৌলিক অধিকাৰ ভংগকাৰী যিকোনো আইন ন্যায়ালয়ে অসাংবিধানিক বুলি ঘোষণা কৰিব পাৰে। কিন্তু সংসদে প্রণয়ন কৰা কোনো আইন নির্দেশাত্মক নীতিৰ বিৰোধী হোৱাৰ অজুহাতত বাতিল হৈ নাযায়।
- মৌলিক অধিকাৰৰ লগত নির্দেশাত্মক নীতিৰ সংঘাত সৃষ্টি হ'লে মৌলিক অধিকাৰে অধিক প্রাধান্য লাভ কৰে। নির্দেশাত্মক নীতি কার্যকৰী কৰাৰ বাবে সংসদে প্রণয়ন কৰা প্রতিখন আইন আদালতৰ বিবেচনাধীন হয় আৰু এনে আইনে নাগৰিকৰ মৌলিক অধিকাৰ বিশেষকৈ ১৪ আৰু ১৯নং অনুচ্ছেদত অন্তর্ভুক্ত মৌলিক অধিকাৰ ভংগ কৰিছে নেকি সেই সম্বন্ধে আদালতে বিচাৰ কৰে।
- মৌলিক অধিকাৰসমূহ অধিক নির্দিষ্ট আৰু বাস্তৱ। আনহাতে, নির্দেশাত্মক নীতিসমূহ বহল পৰিধিৰ।

দুয়ো ধাৰণাৰ মাজত এনে ধৰণৰ প্রভেদ থাকিলেও আমি নিঃসন্দেহে মত পোষণ কৰিব পাৰো যে মৌলিক অধিকাৰ আৰু নির্দেশাত্মক নীতি দুয়োৱে ভাৰতীয় সংবিধানত এক মুখ্য স্থান দখল কৰিবলৈ সক্ষম হৈছে। দুয়ো ধাৰণা ভাৰতীয় সংবিধানৰ অবিচ্ছেদ্য অংগ। দুয়োৰে মাজত এক আন্তঃসম্বন্ধ পৰিলক্ষিত হয়। ৰাষ্ট্ৰৰ উন্নয়নৰ কাৰণে দুয়োৰে মাজত এক ভাৰসাম্য (balance) বজায় ৰখা প্রয়োজন।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ঃ নির্দেশাত্মক নীতিসমূহৰ সাংবিধানিক গুৰুত্ব সম্পর্কে আলোচনা কৰক। (৫০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

প্রশ্ন নং ৭ঃ নির্দেশাত্মক নীতি আৰু মৌলিক অধিকাৰৰ মাজত যিকোনো দুটা পার্থক্য উল্লেখ কৰক।

.....

.....

.....

.....

.....

.....



৮.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় সংবিধান প্রণেতাসকলে আয়াৰলেণ্ডৰ সংবিধান অনুসৰণ কৰি আমাৰ দেশৰ সংবিধানতো একেধৰণৰ নির্দেশাত্মক নীতি অন্তর্ভুক্ত কৰিছে। ভাৰতীয় সংবিধানৰ চতুর্থ অংশৰ অনুচ্ছেদ নং ৩৬ ৰ পৰা ৫১ লৈ এই নীতিসমূহ অন্তর্ভুক্ত কৰিছে। ইয়াৰ প্রধান লক্ষ্য হৈছে সমাজ অর্থনৈতিক দিশত বিকাশ সাধন কৰাৰ লগতে ভাৰতবর্ষক এখন কল্যাণকামী ৰাষ্ট্র হিচাপে প্রতিষ্ঠা কৰা।
- ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতিসমূহক কেইবাটাও ভাগত বিভক্ত কৰিব পাৰি। এই নীতিসমূহ প্রধানকৈ ৰাষ্ট্রৰ শাসন পৰিচালনা, ভাৰতীয় সমাজ ব্যৱস্থাৰ বিভিন্ন দিশ, আন্তঃৰাষ্ট্রীয় শান্তি আৰু নিৰাপত্তা সম্পর্কীয় নীতিৰ সুসংমিশ্রণ বুলিব পাৰি।
- ৰাষ্ট্র পৰিচালানাৰ নির্দেশাত্মক নীতিসমূহক সমাজবাদী আৰু অর্থনৈতিক নীতি, গান্ধীবাদী নীতি, আৰু আন্তঃৰাষ্ট্রীয় নীতি আদি ভাগত শ্রেণীবিভাগ কৰিব পাৰি।
- চৰকাৰে সামাজিক, অর্থনৈতিক, উদ্যোগ, কৃষি শ্রমিক আৰু কৰ ইত্যাদি বিষয়ক বিভিন্ন ধৰণৰ আইন প্রণয়ন কৰিছে।
- নির্দেশাত্মক নীতি আৰু মৌলিক অধিকাৰৰ মাজত বহুতো প্রভেদ লক্ষ্য কৰা হয়। মৌলিক অধিকাৰসমূহ নাগৰিকৰ উদ্দেশ্যে প্রদান কৰা হৈছে, আনহাতে নির্দেশাত্মক নীতিসমূহ ৰাষ্ট্রৰ উদ্দেশ্যে প্রদান কৰা হৈছে। নির্দেশাত্মক নীতিত ভাৰতক এখন কল্যাণকামী ৰাষ্ট্রলৈ পৰিণত কৰাৰ সমাজ অর্থনৈতিক নির্দেশসমূহো অন্তর্ভুক্ত কৰা হৈছে।
- নির্দেশাত্মক নীতিসমূহ আদালতৰ দ্বাৰা বলবৎযোগ্য নহয় যদিও এই নীতিসমূহ আমাৰ সংবিধানৰ অপৰিহার্য অংগ। কোনো দায়বদ্ধ চৰকাৰে এই নীতিসমূহৰ বিৰুদ্ধাচৰণ কৰিব নোৱাৰে। দেশৰ সমাজ অর্থনৈতিক উন্নয়নত চাবি ৰূপে এই নীতিসমূহে কার্য ৰূপায়ণ কৰে।



৮.১০ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০। *ভাৰতৰ প্ৰশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শর্মা, দুর্গা কান্ত , ৰফিক, জামান আৰু শর্মা, ড° পূৰবী ২০০৫। *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ ২০১১ ।*স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi :Cosmos Bookhive Pvt. Ltd.

2) Ghai, K.K.(2007). *Indian Government and Politics*.New Delhi: Kalyani Publishers.

3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions*.New Delhi : S. Chand and Company.

4) Pylee, M,V. (2006). *Constitutional Government in India.* New Delhi:S. Chand and Company.



৮.১১ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ শুদ্ধ।

২ নং প্ৰশ্নৰ উত্তৰঃ কল্যাণকামী ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰা।

৩ নং প্ৰশ্নৰ উত্তৰঃ ৰাষ্ট্ৰৰ উদ্দেশ্যে।

৪ নং প্ৰশ্নৰ উত্তৰঃ (ক) নির্দেশাত্মক নীতিসমূহ ইতিবাচক (Positive) হোৱা হেতুকে এইবোৰে ৰাষ্ট্ৰৰ কার্য পৰিধি আৰু ক্ষমতা বৃদ্ধি কৰিছে।

(খ) নির্দেশাত্মক নীতিৰ প্ৰধান লক্ষ্য হ'ল কল্যাণকামী ৰাষ্ট্ৰ (Welfare State) প্ৰতিষ্ঠা কৰা। এই নীতিবোৰ সমাজবাদী চিন্তাধাৰাৰ ওপৰত প্ৰতিষ্ঠিত।

৫ নং প্ৰশ্নৰ উত্তৰঃ (ক) পুৰুষ মহিলা নির্বিশেষে সকলোৰে বাবে জীৱিকা অর্জনৰ সুবিধা কৰা;

(খ) সমাজৰ সকলো শ্ৰেণীৰ মাজত সম্পদৰ সম-বিতৰণ কৰা।

৬ নং প্ৰশ্নৰ উত্তৰঃ সংবিধানৰ ৩৭নং অনুচ্ছেদৰ যোগেদি নির্দেশাত্মক নীতিসমূহক শাসন

পৰিচালনাৰ ক্ষেত্ৰত মৌলিক হিচাপে গণ্য কৰা হৈছে আৰু আইন প্ৰণয়নৰ ক্ষেত্ৰত এই নীতি সমূহ অনুসৰণ কৰাটো ৰাষ্ট্ৰৰ প্ৰধান কর্তব্য। যদিও নির্দেশাত্মক নীতিসমূহ বলবৎযোগ্য নহয় আৰু চৰকাৰক এই নীতিসমূহ মানি চলিবলৈ বাধ্য কৰাব নোৱাৰি, তথাপি চৰকাৰে এই নীতিসমূহ অনুসৰণ কৰা দৰকাৰ। কাৰণ, নির্দেশাত্মক নীতিৰ অন্তৰালত ৰাজনৈতিক কাৰণ নিহিত হৈ থাকে আৰু সেইকাৰণে প্ৰত্যেক চৰকাৰে যিমান দূৰ সম্ভৱ এই নীতিসমূহৰ বাস্তৱ ৰূপায়ণৰ চেষ্টা কৰা প্ৰয়োজন।

৭ নং প্ৰশ্নৰ উত্তৰঃ (ক) মৌলিক অধিকাৰসমূহ নাগৰিকৰ উদ্দেশ্যে প্ৰদান কৰা হৈছে; আনহাতে নির্দেশাত্মক নীতি সমূহ ৰাষ্ট্ৰৰ উদ্দেশ্যে প্ৰদান কৰা হৈছে।

(খ) মৌলিক অধিকাৰসমূহ ব্যক্তিবাদী (individualistic) যিয়ে ব্যক্তিৰ জীৱনলৈ সুখ দিব বিচাৰে। আনহাতে, নির্দেশাত্মক নীতিসমূহ সমাজতান্ত্রিক আৰু এইবোৰে সমাজত সমতা আৰু ন্যায় প্ৰতিষ্ঠা কৰিব বিচাৰে।



৮.১২ আৰ্হি প্ৰশ্ন

ক) বস্তুধর্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতি সমূহ কোনখন সংবিধানৰ পৰা ধাৰ কৰা হৈছে?

প্ৰশ্ন ২ঃ ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতি সমূহ সংবিধানৰ কোনটো অধ্যায়ত অন্তর্ভূক্ত কৰা হৈছে?

প্ৰশ্ন ৩ঃ নির্দেশাত্মক নীতিত সন্নিবিষ্ট গান্ধীবাদী নীতি সমূহ কোনবিলাক অনুচ্ছেদত উল্লেখত আছে ?

প্ৰশ্ন ৪ঃ নির্দেশাত্মক নীতিত সন্নিবিষ্ট আন্তঃৰাষ্ট্ৰীয় নীতিসমূহ কোনটো অনুচ্ছেদত উল্লেখত আছে?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ ভাৰতীয় সংবিধানত অন্তর্ভুক্ত নির্দেশাত্মক নীতিৰ প্ৰধান বৈশিষ্ট্যসমূহৰ বিষয়ে লিখক।

প্ৰশ্ন ২ঃ নির্দেশাত্মক নীতিত সন্নিবিষ্ট যিকোনো চাৰিটা গান্ধীবাদী নীতি উল্লেখ কৰক।

প্ৰশ্ন ৩ঃ ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতি বুলিলে কি বুজে? নির্দেশাত্মক নীতিত সন্নিবিষ্ট আন্তঃৰাষ্ট্ৰীয় নীতিসমূহ কি কি উল্লেখ কৰক।

প্ৰশ্ন ৪ঃ নির্দেশাত্মক নীতি আৰু মৌলিক অধিকাৰৰ মাজৰ প্ৰভেদসমূহ বিচাৰ কৰক।

গ) ৰচনাধর্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিৰ প্ৰধান প্ৰকাৰ সমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ঃ ভাৰতবষত নর্দেশাত্মক নীতিৰ ৰূপায়ণৰ সম্বন্ধে বর্ণনা কৰক।

*** ***** ***

অধ্যায় ৯ ঃ মৌলিক অধিকাৰ আৰু ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিসমূহৰ মাজৰ সম্পর্ক

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ ভাৰতীয় সংবিধানত থকা মৌলিক অধিকাৰসমূহ

৯.৪ ভাৰতীয় সংবিধানত থকা ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিসমূহ

৯.৫ মৌলিক অধিকাৰ আৰু ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিবোৰৰ মাজৰ সম্পর্ক

৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৭ অধিক জানিবলৈ

৯.৮ অগ্রগতিৰ খতিয়ান

৯.৯ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ভাৰতীয় সংবিধানৰ অধীনত নাগৰিকে লাভ কৰা মৌলিক অধিকাৰসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ভাৰতীয় সংবিধানত অন্তর্ভুক্ত ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিসমূহ আলোচনা কৰিব পাৰিব
- মৌলিক অধিকাৰ আৰু ৰাষ্ট্ৰপৰিচালনাৰ নির্দেশাত্মক নীতিসমূহৰ মাজৰ সম্পর্ক ব্যাখ্যা কৰিব পাৰিব

৯.২ পৰিচয়

ভৰতীয় সংবিধানত দুটা প্রাসংগিক বিষয়ৰ বাবে উৎসর্গিত দুটা গুৰুত্বপূর্ণ অংশ অন্তর্ভুক্ত কৰা হৈছে। ইয়াৰে এটা অংশ মৌলিক অধিকাৰ (তৃতীয় অংশ - Part-III) আৰু আনটো হ'ল ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতি (চতুর্থ অংশ- Part-IV)। মৌলিক অধিকাৰসমূহ হ'ল সংবিধানে ভাৰতীয় নাগৰিক তথা অন্য লোকলৈ আগবঢ়োৱা কিছুমান মৌলিক স্বাধীনতা। সংবিধানেই এই অধিকাৰসমূহৰ নিশ্চিতি আৰু সুৰক্ষা প্রদান কৰে। নির্দেশাত্মক নীতিবোৰ হ'ল ৰাষ্ট্ৰলৈ আগবঢ়োৱা কিছুমান নির্দেশনা। সমাজৰ কল্যাণ সাধনৰ বাবে নীতি প্রস্তুত কৰাৰ সময়ত ৰাষ্ট্ৰই এই নির্দেশনাসমূহ মানি চলিব লাগে। তলৰ শিতানবোৰত মৌলিক অধিকাৰ আৰু নির্দেশাত্মক নীতিসমূহৰ লগতে দুয়োটাৰে মাজত থকা সম্পর্কৰ বিষয়ে আলোচনা কৰা হ'ব।

৯.৩ ভাৰতীয় সংবিধানত থকা মৌলিক অধিকাৰসমূহ

ভাৰতীয় সংবিধানৰ ৰচয়িতাসকলে বিশ্বৰ বিভিন্ন দেশৰ সংবিধান আৰু ৰাষ্ট্ৰসংঘৰ ছনদৰ আৰ্হি অনুকৰণ কৰি আমাৰ সংবিধানতো অধিকাৰ তথা স্বাধীনতাৰ বিধেয়ক এখন সংলগ্ন কৰিছিল। ভাৰতৰ সংবিধান প্ৰস্তুত কৰাৰ সময়ত সবাতোকৈ অধিক প্ৰভাৱ পেলাইছিল আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবিধানখনে। মৌলিক অধিকাৰবোৰৰ আন এক আধাৰ হ'ল ভাৰতৰ সমৃদ্ধ ঐতিহ্য তথা পৰম্পৰা। এই অধিকাৰবোৰক মৌলিক বোলাৰ কাৰণ হ'ল এইবোৰ এনে কিছুমান মৌলিক অধিকাৰ যিবোৰ নাথাকিলে মানুহে একোটা উন্নত জীৱন যাপন কৰিব নোৱাৰিব। সংবিধানে নিশ্চিতি তথা সুৰক্ষা প্ৰদান কৰে বাবেও এই অধিকাৰবোৰক মৌলিক বোলা হয়।

ভাৰতীয় সংবিধানৰ (তৃতীয় অংশ - Part-III) ত মৌলিক অধিকাৰবোৰ সন্নিৱিষ্ট কৰা হৈছে। প্ৰথমে সংবিধানত ৭ টা মৌলিক অধিকাৰ সন্নিৱিষ্ট কৰা হৈছিল। ১৯৭৮ চনৰ ৪৪ তম সংবিধান সংশোধনত সম্পত্তিৰ অধিকাৰ মৌলিক অধিকাৰৰ তালিকাৰ পৰা বাদ দিয়া হৈছিল। বৰ্তমান এই অধিকাৰটোক সংবিধানৰ অংশ XII ৰ ৩০০ A অনুচ্ছেদৰ অন্তৰ্ভুক্ত কৰা হৈছে। বৰ্তমান ই এক সাধাৰণ ন্যায়িক অধিকাৰ। এই অধিকাৰটো বাদ দিয়াৰ পাচত বাকী ৰোৱা মৌলিক অধিকাৰ ছটা হ'ল- সমতাৰ অধিকাৰ, স্বাধীনতা আৰু ব্যক্তিগত স্বতন্ত্ৰতাৰ অধিকাৰ, শোষণৰ বিৰুদ্ধে থকা অধিকাৰ, ধৰ্মীয় স্বাধীনতাৰ অধিকাৰ, সাংস্কৃতিক আৰু শৈক্ষিক অধিকাৰ তথা সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ। সংবিধানৰ ১২ নং অনুচ্ছেদৰ পৰা ৩৫ নং অনুচ্ছেদলৈ এই অধিকাৰকেইটাৰ বৰ্ণনা কৰা হৈছে।

মৌলিক অধিকাৰবোৰক সংবিধানৰ অন্তৰ্ভুক্ত কৰাটো এক গুৰুত্বপূৰ্ণ কাৰ্য। ই দেশত গণতন্ত্ৰৰ প্ৰচলনৰ পোষকতা কৰে। এই অধিকাৰবোৰে নাগৰিকক স্বতন্ত্ৰতা প্ৰদান কৰাৰ লগতে ৰাষ্ট্ৰক ক্ষমতা স্বেচ্ছাচাৰীভাৱে প্ৰয়োগত বাধা দিয়ে। আমাৰ মৌলিক অধিকাৰবোৰ ন্যায়ালয়ত বিচাৰ সাধ্য। অৰ্থাৎ, কোনোবাই যদি আমাৰ মৌলিক অধিকাৰ খৰ্ব কৰে তেন্তে আমি সুৰক্ষা বিচাৰি ন্যায়ালয়ৰ কাষ চাপিব পাৰো। মৌলিক অধিকাৰবোৰ চৰম প্ৰকৃতিৰ নহয়। আমি যুক্তিসংগত বাধা-নিষেধ মানিহে অধিকাৰবোৰ উপভোগ কৰিব পাৰো। সংবিধানৰ অনুচ্ছেদ ২০ আৰু ২১ ত উল্লেখ থকা অধিকাৰবোৰৰ বাহিৰে আন সকলো অধিকাৰ ৰাষ্ট্ৰপতিয়ে দেশত জৰুৰীকালীন অৱস্থা ঘোষণা কৰাৰ লগে লগে সাময়িকভাৱে অকাৰ্যকৰী হৈ পৰে। ভাৰতৰ সংসদে যেতিয়াই প্ৰয়োজন বুলি ভাবে তেতিয়াই মৌলিক অধিকাৰবোৰ সংশোধন কৰিব পাৰে। অৱশ্যে, সংশোধনে এই অধিকাৰবোৰৰ বিলোপ সাধন কৰাটো নুবুজায়। অধিকাৰবোৰ বিলোপ কৰা মানে সংবিধানৰ মৌলিক সংৰচনা খৰ্ব কৰাটো বুজাব। আমাৰ মৌলিক অধিকাৰৰ প্ৰকৃতি মূলতঃ ৰাজনৈতিক আৰু সামাজিক। এই অধিকাৰবোৰে নাগৰিকক নিজ নিজ ব্যক্তিত্বৰ বিকাশ ঘটোৱাৰ সুযোগ দিয়ে।



জানি থোৱা ভাল

- ভাৰতীয় সংবিধানৰ ১৯ নং অনুচ্ছেদত ভাৰতীয় নাগৰিকক ছবিধ স্বাধীনতা প্রদানৰ নিশ্চিতি দিয়া হৈছে। স্বাধীনতা কেইবিধ হ'ল- (ক) কথা কোৱা আৰু ভাব প্রকাশৰ স্বাধীনতা, (খ) শান্তিপূর্ণভাৱে সমবেত হোৱাৰ স্বাধীনতা, (গ) সংস্থা নাইবা সংগঠন গঢ়াৰ স্বাধীনতা, (ঘ) দেশৰ সর্বত্র অবাধে অহা-যোৱা কৰাৰ স্বাধীনত আৰু (ঙ) বৃত্তি, জীৱিকা, ব্যৱসায় নাইবা বাণিজ্য বাছি লোৱাৰ স্বাধীনতা।
- ৩২ নং অনুচ্ছেদত সাংবিধানিক প্রতিকাৰৰ অধিকাৰ সন্নিৱিষ্ট কৰা হৈছে। যদি আমাৰ মৌলিক অধিকাৰ খর্ব হয়, তেন্তে উচ্চতম ন্যায়ালয়ে এই অনুচ্ছেদৰ ভিত্তিত আমাৰ অধিকাৰবোৰক সুৰক্ষা প্রদান কৰে।
- ৰাজহুৱা শংখলা, ৰাজহুৱা স্বাস্থ্য, মৃত্যু, সংহতি, সার্বভৌমত্ব আৰু দেশৰ সুৰক্ষাৰ স্বার্থত মৌলিক অধিকাৰবোৰ উপভোগ কৰাৰ ক্ষেত্রত যুক্তিসংগত বাধা-নিষেধ আৰোপ কৰা হৈছে।

৯.৪ ভাৰতীয় সংবিধানত থকা ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিসমূহ

ভাৰতীয় সংবিধানৰ (চতুর্থ অংশ- Part-IV)ত ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিবোৰৰ উল্লেখ আছে। সংবিধানৰ ৩৬ নং অনুচ্ছেদৰ পৰা ৫১ নং অনুচ্ছেদলৈ এই নীতিবোৰ পোৱা যায়। এই নীতিবোৰ হ'ল সংবিধানে ৰাষ্ট্রক দিয়া কিছুমান নির্দিষ্ট নির্দেশনা। নাগৰিকৰ কল্যাণৰ বাবে ভাৰত চৰকাৰে এই নীতিবোৰ অনুসৰণ কৰিব লাগে। ১৯৩৭ চনৰ আইৰিশ্ব (Irish) সংবিধানৰ আর্হিত এই নীতিবোৰ ভাৰতীয় সংবিধানত অন্তর্ভুক্ত। ১৯৩৫ চনৰ ভাৰত চৰকাৰৰ অধীনৰ গভর্ণৰ জেনেৰেল আৰু গভর্ণৰ আইনৰ 'নির্দেশৰ আহিলা' শীর্ষক শিতানত সন্নিৱিষ্ট নির্দেশবোৰৰ সৈতেও এই নির্দেশাত্মক নীতিবোৰৰ সাদৃশ্য আছে।

সংবিধানত নির্দেশাত্মক নীতিবোৰৰ কোনো শ্রেণীবিভাজন কৰা হোৱা নাই। কিন্তু নীতিবোৰৰ প্রকৃতি বিশ্লেষণ কৰি আমি এইবোৰক আর্থ-সামাজিক, আন্তঃৰাষ্ট্রীয় আৰু গান্ধীবাদী নীতিৰ শিতানত ভগাব পাৰো। দেশৰ নাগৰিকৰ আর্থ-সামাজিক কল্যাণ সুনিশ্চিত কৰি ভাৰতক এখন কল্যাণকামী ৰাষ্ট্রৰূপে গঢ়ি তোলাৰ উদ্দেশ্যেৰে এই নীতিবোৰ সংবিধানত অন্তর্ভুক্ত কৰা হৈছে। এই নীতিবোৰে ভাৰত চৰকাৰক দেশৰ পৰা সকলো ধৰণৰ আর্থ-সামাজিক অন্যায় তথা অসমতা আঁতৰাই দেশখনত এখন প্রগতিশীল আৰু সমতাবাদী সমাজ সৃষ্টি কৰাৰ নির্দেশনা দিয়ে। এই নীতিবোৰে চৰকাৰক স্বাধীনতা, সমতা, ন্যায় আৰু ভ্রাতৃত্ববোধৰ ভেটিত এখন নতুন সমাজ গঢ়াৰ বাবে প্রয়োজনীয় দিক্ নির্দেশনা প্রদান কৰে।

ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিবোৰ ন্যায়ালয়ত বিচাৰসাধ্য নহয়। অর্থাৎ, চৰকাৰে যদি এই নির্দেশনাবোৰ উলংঘন কৰে নাইবা কার্যত প্রয়োগ নকৰে, তেন্তে আমি চৰকাৰৰ বিৰুদ্ধে

ন্যায়ালয়ৰ ওচৰ চাপিব নোৱাৰো। এই নীতিবোৰৰ কার্যৰূপায়ন চৰকাৰৰ সদিচ্ছা আৰু সম্পদৰ উপলব্ধতাৰ ওপৰত নির্ভৰশীল। চৰকাৰে নতুন আইন নাইবা নীতি প্ৰণয়নৰ দ্বাৰা এই নির্দেশাত্মক নীতিবোৰ কার্যৰূপায়িত নকৰা পর্যন্ত নীতিবোৰ নিস্ক্রিয় অৱস্থাত ৰৈ যায়। এই নীতিবোৰ ৰাষ্ট্ৰৰ বাবে প্ৰস্তুত কৰা হৈছে। সমাজৰ বৃহত্তৰ স্বাৰ্থৰ খাটিৰত ৰাষ্ট্ৰই এই নীতিসমূহ অনুসৰণ কৰা উচিত। এই নীতিসমূহৰ লক্ষ্য হ'ল দেশৰ গণতন্ত্ৰৰ অর্থনৈতিক আৰু সামাজিক ভেটি সবল কৰি তোলা।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ১ঃ মৌলিক অধিকাৰৰ অর্থ বর্ণনা কৰক।

.....

প্ৰশ্ন নং ২ঃ ভাৰতীয় সংবিধানৰ কোনটো খণ্ডত মৌলিক অধিকাৰবোৰ অন্তর্ভুক্ত কৰা হৈছে?

.....

প্ৰশ্ন নং ৩ঃ ভাৰতীয় সংবিধানৰ কোনটো খণ্ডত ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিবোৰ পোৱা যায়?

.....

প্ৰশ্ন নং ৪ঃ ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিবোৰৰ লক্ষ্য কি?

.....

প্ৰশ্ন নং ৫ঃ মৌলিক অধিকাৰৰ বৈশিষ্ট্যবোৰ ব্যাখ্যা কৰক।

.....

৯.৫ মৌলিক অধিকাৰ আৰু ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিবোৰৰ মাজৰ সম্পৰ্ক

ভাৰতীয় সংবিধানৰ তৃতীয় অংশ - Part III ত অন্তর্ভুক্ত মৌলিক অধিকাৰ আৰু আৰু চতুর্থ অংশ- Part IV ত অন্তর্ভুক্ত ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিবোৰৰ মাজত সম্পৰ্ক আছে। দুয়োটাই এটা আনটোৰ পৰিপূৰক আৰু সংপূৰক। দুয়োটাকে ভাৰতীয় সংবিধানৰ ভগ্নী অংশ বুলি গণ্য কৰা হয়।

ভাৰতীয় সংবিধানৰ মৌলিক অধিকাৰবোৰৰ প্ৰকৃতি প্ৰধানতঃ ৰাজনৈতিক আৰু সামাজিক। এই অধিকাৰসমূহৰ লক্ষ্য হ'ল দেশত ৰাজনৈতিক গণতন্ত্ৰ প্ৰতিষ্ঠা কৰা। মৌলিক অধিকাৰৰ তালিকাত কোনো অর্থনৈতিক অধিকাৰ সন্নিৱিষ্ট কৰা হোৱা নাই। ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিবোৰে এই ব্যৱধান পূৰণ কৰে। নাগৰিকৰ অর্থনৈতিক অধিকাৰবোৰক নির্দেশাত্মক নীতিত উল্লেখ থকা আর্থ-সামাজিক নীতিৰ জৰিয়তে নিশ্চিতি প্ৰদান কৰিব লাগে। নির্দেশাত্মক

নীতিসমূহৰ লক্ষ্য হ'ল নাগৰিকৰ সামাজিক তথা অর্থনৈতিক ন্যায় সুনিশ্চিত কৰা। অর্থনৈতিক গণতন্ত্র প্রতিষ্ঠা কৰাত এই নীতিবোৰে গুৰুত্বপূর্ণ ভূমিকা লয়। অর্থাৎ, মৌলিক অধিকাৰ আৰু নির্দেশাত্মক নীতিবোৰে দেশত এখন প্রকৃত গণতন্ত্র স্থাপন কৰাৰ উদ্দেশ্যেৰে একেলগে কাম কৰি যায়।

নির্দেশাত্মক নীতিসমূহ ন্যায়লয়ত বিচাৰসাধ্য নহয় যদিও, চৰকাৰৰ কাম-কাজত এইবোৰৰ প্রভাৱ অতি গভীৰ। এখন সু তথা জনপ্রিয় চৰকাৰে এই নীতিবোৰ কেতিয়াও আওকাণ কৰিব নোৱাৰে। দেশৰ শাসনকার্য পৰিচালনাত নির্দেশাত্মক নীতিবোৰৰ মৌলিক গুৰুত্ব আছে। এই নীতিবোৰৰ কার্য ৰূপায়ণে নাগৰিকৰ কল্যাণ সাধন কৰে। জাতি, বর্ণ, ধর্ম ভাষা, লিংগ ৰূ অন্য প্রভেদ নির্বিশেষে সমাজৰ সকলোকেই মৌলিক অধিকাৰ বোৰ উপভোগ কৰাৰ সুযোগ পাবলৈ হ'লে এনে কল্যাণ সাধন কৰাটো অতি গুৰুত্বপূর্ণ। নির্দেশাত্মক নীতিবোৰে সকলোকে সামাজিক তথা অর্থনৈতিক সুৰক্ষা আৰু সমতাৰ নিশ্চিতি প্রদান কৰে। ই নাগৰিকৰ মৌলিক অধিকাৰবোৰ উপভোগ কৰাৰ পথ সুচল কৰি তোলে।

মৌলিক অধিকাৰ আৰু নির্দেশাত্মক নীতিবোৰ সংবিধানৰ প্রস্তাৱনাত উল্লেখ থকা অমূল্য আদর্শবোৰৰ ভিত্তিত যুগুত কৰা হৈছে। আমাৰ নেতা আৰু সংবিধান প্রণেতাসকলক উদ্বুদ্ধ কৰা আদর্শবোৰত উপনীত হ'বলৈ মৌলিক অধিকাৰ আৰু নির্দেশাত্মক নীতিসমুহে একেলগে কাম কৰি যায়। দুয়োটাকে একেলগে ভাৰতীয় সংবিধানৰ আত্মা বোলা হয়। স্বাধীনতা, সমতা, ন্যায়, ভ্রাতৃত্ববোধ, সংহতি, গণতন্ত্র, সমাজবাদ আৰু ধর্মনিৰপেক্ষতাবাদৰ নীতিবোৰ তেতিয়াহে বাস্তৱত পৰিণত হ'ব যেতিয়া দেশৰ নাগৰিক মৌলিক অধিকাৰসমূহ উপভোগ কৰাৰ সুযোগ পায় আৰু চৰকাৰে নির্দেশাত্মক নীতিবোৰ কার্যৰূপায়িত কৰিব।

মৌলিক অধিকাৰ আৰু নির্দেশাত্মক নীতিসমূহে একে লগে দেশত এখন দায়িত্বশীল চৰকাৰ সুনিশ্চিত কৰে। সংবিধানত মৌলিক অধিকাৰবোৰ থকা বাবেই ৰাষ্ট্রই স্বেচ্ছাচাৰীভাৱে নিজৰ ক্ষমতা প্রয়োগ কৰিব নোৱাৰে। চৰকাৰে নাগৰিকৰ অধিকাৰবোৰৰ প্রতি সন্মান জনাব লাগে। চৰকাৰৰ যিকোনো অভিকৰণে এই অধিকাৰসমূহ খর্ব কৰিলে ন্যায়ালয়ে হস্তক্ষেপ কৰিব। সংবিধানত ইয়াৰ বাবে সাংবিধানিক প্রতিকাৰৰ অধিকাৰ অন্তর্ভুক্ত কৰা হৈছে । অন্য মৌলিক অধিকাৰ ভংগ হ'লে নাগৰিকে সাংবিধানিক প্রতিকাৰৰ অধিকাৰ ব্যৱহাৰ কৰি ন্যায় বিচাৰিব পাৰে। আনহাতে, নির্দেশাত্মক নীতিবোৰে ৰাষ্ট্র আৰু চৰকাৰক নাগৰিকৰ স্বার্থৰ হকে দায়ৰদ্ধ হৈ ৰোৱাটো বিচাৰে। এই নীতিবোৰে নাগৰিকৰ কল্যাণৰ বাবে কৰিবলগীয়া কাম-কাজৰ এক চনদ আগবঢ়ায়। নাগৰিকৰ সেৱা কৰিব খোজা যিকোনো চৰকাৰে এই নীতিসমূহ কার্যৰূপায়িত কৰাৰ বাবে নিশ্চয়কৈ ব্যৱস্থা গ্রহণ কৰিব।

সংবিধানত মৌলিক অধিকাৰ আৰু নির্দেশাত্মক নীতিসমূহৰ অন্তর্ভুক্তি হ'ল সমগ্র সমাজখনৰ স্বার্থৰ অনুকূল এক গুৰুত্বপূর্ণ ব্যৱস্থা । মৌলিক অধিকাৰবোৰ সাধাৰণ নাগৰিকৰ বাবে। এই অধিকাৰবোৰে ব্যক্তিক নিজ ব্যক্তিত্বৰ বিকাশ ঘটোৱাৰ কাম কৰাৰ সুযোগ-সুবিধা প্রদান কৰে। নির্দেশাত্মক নীতিবোৰ হ'ল চৰকাৰৰ বাবে। নাগৰিক আৰু সমাজৰ জীৱন দশা

উন্নততৰ কৰি তোলাটো সুনিশ্চিত কৰিবলৈ ৰাষ্ট্ৰই এই নীতিবোৰ অনুসৰণ কৰা উচিত। সহজ অর্থত, সমাজৰ উন্নয়ন আৰু প্রগতিসুচল কৰি তুলিবলৈকে ভাৰতীয় সংবিধানত মৌলিক অধিকাৰ আৰু নির্দেশাত্মক নীতিবোৰ অন্তর্ভুক্ত কৰা হৈছে।

মৌলিক অধিকাৰ আৰু নির্দেশাত্মক নীতিসমূহ ভাৰতীয় সংবিধানৰ তাৎপর্যপূর্ণ বৈশিষ্ট্য। দুয়োটাৰে সাংবিধানিক বৈধতা আছে। নির্দেশাত্মক নীতিসমূহ মানি চলিবলৈ চৰকাৰ বাধ্য নহয় যদিও চৰকাৰে এই নীতিসমূহ আওকাণ কৰিব নোৱাৰে। এই নীতিসমূহ হ'ল চৰকাৰৰ পাৰদর্শিতা মূল্যায়ন কৰাৰ মাপকাঠি। এই নীতিসমূহ পালন নকৰা চৰকাৰে জনপ্রিয়তা হেৰুৱায়। চৰকাৰে সংবিধানৰ প্রতি যথাযোগ্য সন্মান প্রদর্শন কৰি এই নীতিসমূহ পালন কৰিব লাগে। একেখিনি কথাই মৌলিক অধিকাৰসমূহৰ ক্ষেত্রতো প্রযোজ্য। চৰকাৰে এই অধিকাৰসমূহ সুৰক্ষিত তথা সংৰক্ষিত ৰাখিবলৈ সকলোধৰণৰ ব্যৱস্থা গ্রহণ কৰা উচিত। চৰকাৰে যদি মৌলিক অধিকাৰসমূহক অৱহেলা কৰে নাইবা উলংঘন কৰে তেন্তে ইয়াৰ পৰিণতিত ৰাজহুৱা সমালোচনাৰ মুখামুখি হ'ব আৰু দেশৰ পৰিস্থিতি অশান্ত হৈ পৰিব।

আমি মৌলিক অধিকাৰ আৰু নির্দেশাত্মক নীতিবোৰৰ মাজত পৰিপূৰক তথা সংপূৰক সম্পর্ক বিচাৰি পাও যদিও দুয়োটাৰে মাজত কিছুমান প্রভেদো আছে। তলত এই প্রভেদবোৰ উল্লেখ কৰা হ'লঃ

- প্রথম প্রভেদটো হ'ল মৌলিক অধিকাৰবোৰ ন্যায়ালয়ৰ বিচাৰসাধ্য, কিন্তু নির্দেশাত্মক নীতিবোৰ ন্যায়ালয়ৰ বিচাৰ সাধ্য নহয়। মানুহে নিজৰ মৌলিক অধিকাৰ খর্ব হ'লে ন্যায়লয়ৰ কাষ চাপিব পাৰে। কিন্তু নির্দেশাত্মক নীতিবোৰ যদি চৰকাৰে কার্যৰূপায়িত নকৰে তেন্তে কোনো নাগৰিকে ন্যায়লয়ত ইয়াৰ বিৰুদ্ধে গোচৰ তৰিব নোৱাৰে। নির্দেশাত্মক নীতিৰ ক্ষেত্রত নহয়, মৌলিক অধিকাৰৰ ক্ষেত্রতহে ন্যায়িক প্রতিকাৰ লাভ কৰাটো সম্ভৱ।
- দ্বিতীয়তে, মৌলিক অধিকাৰবোৰ নাগৰিকৰ বাবে। ব্যক্তিত্বৰ বিকাশত এই অধিকাৰবোৰে তাৎপর্যপূর্ণ ভূমিকা লয়। এই অধিকাৰবোৰে মানুহক জীৱনৰ মহত্ত্বৰ লক্ষ্যবোৰত উপনীত হ'বলৈ কাম কৰি যোৱাৰ বাবে প্রয়োজনীয় সুযোগ-সুবিধা আগবঢ়ায়। নির্দেশাত্মক নীতিবোৰ চৰকাৰৰ বাবে। এই নীতিবোৰে ৰাষ্ট্রক শাসন সম্পর্কীয় নির্দেশনা আগবঢ়ায়। নাগৰিকৰ কল্যাণ সাধন সুনিশ্চিত কৰিবলৈ ৰাষ্ট্রই এই নীতিবোৰ মানি চলা উচিত।
- দুয়োটাৰে মাজত থকা আন এটা প্রভেদ হ'ল দুয়োটাৰ প্রকৃতি। মৌলিক অধিকাৰবোৰৰ প্রকৃতি মূলতঃ ৰাজনৈতিক আৰু নির্দেশাত্মক নীতিবোৰৰ প্রকৃতি অর্থনৈতিক। মৌলিক অধিকাৰবোৰৰ লক্ষ্য হ'ল দেশত ৰাজনৈতিক গণতন্ত্র স্থাপন কৰা। নির্দেশাত্মক নীতিবোৰৰ লক্ষ্য হ'ল অর্থনৈতিক গণতন্ত্র স্থাপনৰ পথ সুচল কৰি তুলিবলৈ দেশত অর্থনৈতিক সমতা আৰু ন্যায় সুনিশ্চিত কৰা।
- ভাৰতৰ ৰাষ্ট্রপতিয়ে দেশত জৰুৰী অৱস্থা ঘোষণা কৰিলে মৌলিক অধিকাৰবোৰ সাময়িকভাৱে অক্রিয় বা স্থবিৰ হৈ পৰে। এনে অৱস্থাত অনুচ্ছেদ ২০ আৰু ২১ ত উল্লেখ থকা জীৱন তথা ব্যক্তিগত স্বাধীনতাৰ আধিকাৰৰ বাহিৰে আন সকলোবোৰ অধিকাৰ উপভোগৰ সুবিধা সাময়িকভাৱে নাইকিয়া হয়। আনহাতে, ৰাষ্ট্রই কার্যত ৰূপায়িত নকৰা

পৰ্যন্ত নিৰ্দেশাত্মক নীতিবোৰ সদায়েই 'নিষ্প্ৰাণ নিলম্বন' অৱস্থাত থাকে।

- মৌলিক অধিকাৰে ৰাষ্ট্ৰৰ কাৰ্যকলাপত কিছুমান বাধা-নিষেধ আৰোপ কৰে। ৰাষ্ট্ৰই নাগৰিকৰ মৌলিক অধিকাৰ ভংগ হোৱা কোনো কাম কৰিব নোৱাৰে। আনহাতে, নিৰ্দেশাত্মক নীতিবোৰে ৰাষ্ট্ৰৰ কাৰ্যকলাপ সম্প্ৰসাৰিত কৰে। এই নীতিবোৰে চৰকাৰক নাগৰিকৰ কল্যাণৰ হকে কাম কৰি যোৱাটো বিচাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ মৌলিক অধিকাৰ আৰু ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিৰ মাজৰ পৰিপূৰক সম্পৰ্ক দশোঁৱা যিকোনো দুটা দিশৰ বিষয়ে লিখক।

.....

.....

প্ৰশ্ন নং ৭ঃ মৌলিক অধিকাৰ আৰু ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিৰ মাজত থকা দুটা প্ৰভেদৰ বিষয়ে লিখক।

.....

.....



৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় সংবিধানৰ (তৃতীয় অংশ - Part-III)ত থকা মৌলিক অধিকাৰ আৰু (চতুৰ্থ অংশ- Part-IV)ত থকা ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতি দুয়োটাই যথেষ্ট গুৰুত্বপূৰ্ণ। দুয়োটা বিষয়কে বিশেষ বিষয়ৰ মৰ্যাদা দিয়া হৈছে আৰু সংবিধানৰ দুটা পৃথক খণ্ডত বিষয় দুটাৰ বিস্তৃত বিৱৰণ সন্নিৱিষ্ট কৰা হৈছে। সমাজৰ বাবে দুয়োটা বিষয়েই তাৎপৰ্যপূৰ্ণ।
- মৌলিক অধিকাৰ আৰু নিৰ্দেশাত্মক নীতিৰ মাজত এক সম্পৰ্ক আছে। ইটোৱে আনটোৰ পৰিপূৰক তথা সংপূৰকৰূপে কাম কৰে। দুয়োটাই ভাৰতত এখন প্ৰকৃত গণতন্ত্ৰ স্থাপনৰ অৰ্থে কাম কৰে। দুয়োটাকে একেলগে ভাৰতীয় সংবিধানৰ আত্মা বুলি কোৱা হয়। দেশৰ নাগৰিকে যেতিয়া মৌলিক অধিকাৰবোৰ উপভোগ কৰাৰ সুযোগ পাব আৰু চৰকাৰে যেতিয়া ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিবোৰ কাৰ্যক্ষেত্ৰত প্ৰয়োগ কৰিব, তেতিয়াহে স্বাধীনতা, সমতা, ন্যায়, ভ্ৰাতৃত্ববোধ, সংহতি, গণতন্ত্ৰ, সমাজবাদ আৰু ধৰ্ম নিৰপেক্ষতাবাদৰ দৰে নীতিবোৰ বাস্তৱত পৰিণত হ'ব।
- ভাৰতীয় সংবিধানত মৌলিক অধিকাৰ আৰু নিৰ্দেশাত্মক নীতিবোৰৰ অন্তৰ্ভুক্তি সামগ্ৰিক সমাজখনৰ স্বাৰ্থৰ বাবেই অতি গুৰুত্বপূৰ্ণ। মৌলিক অধিকাৰবোৰ নাগৰিকৰ বাবে। এই অধিকাৰবোৰে মানুহক ব্যক্তিত্ব বিকাশৰ বাবে কাম কৰি যোৱাৰ সুযোগ-সুবিধা প্ৰদান কৰে। নিৰ্দেশাত্মক নীতিবোৰ ৰাষ্ট্ৰৰ বাবে। ব্যক্তি আৰু সমাজ জীৱনৰ মান উন্নত কৰাটো সুনিশ্চিত কৰিবলৈ ৰাষ্ট্ৰই এই নীতিবোৰ পালন কৰা উচিত। সহজ অৰ্থত, সমাজৰ উন্নয়ন আৰু প্ৰগতি

সুচল কৰি তুলিবলৈকে সংবিধানত মৌলিক অধিকাৰ আৰু নির্দেশাত্মক নীতিবোৰ অন্তর্ভুক্ত কৰা হৈছিল।

- মৌলিক অধিকাৰ আৰু নির্দেশাত্মক নীতিবোৰৰ মাজত সম্পর্কও আছে আৰু প্ৰভেদো আছে। মৌলিক অধিকাৰবোৰ ন্যায়ালয়ত বিচাৰসাধ্য, কিন্তু নির্দেশাত্মক নীতিবোৰ ন্যায়ালয়ত বিচাৰসাধ্য নহয়। মৌলিক অধিকাৰবোৰ নাগৰিকৰ বাবে, নির্দেশাত্মক নীতিবোৰ ৰাষ্ট্ৰৰ বাবে। দুয়োটাৰে মাজত থকা আন এটা প্ৰভেদ হ'ল, মৌলিক অধিকাৰবোৰৰ প্ৰকৃতি মূলতঃ ৰাজনৈতিক আৰু নির্দেশাত্মক নীতিবোৰৰ প্ৰকৃতি অর্থনৈতিক। ভাৰতৰ ৰাষ্ট্ৰপতিয়ে দেশত জৰুৰী অৱস্থা ঘোষণা কৰাৰ লগে লগে জীৱন আৰু ব্যক্তিগত স্বাধীনতাৰ অধিকাৰত বাদে আন সকলোবোৰ মৌলিক অধিকাৰ সাময়িকভাৱে অক্রিয় হৈ পৰে। আনহাতে, ৰাষ্ট্ৰই কার্যৰূপায়িত নকৰা পর্যন্ত নির্দেশাত্মক নীতিবোৰ সদায়েই নিষ্প্রাণ নিলম্বন' অৱস্থাত ৰৈ যায়। মৌলিক অধিকাৰবোৰে ৰাষ্ট্ৰৰ কার্যকলাপত কিছুমান বাধা- নিষেধ আৰোপ কৰে। আনহাতে, নির্দেশাত্মক নীতিবোৰে ৰাষ্ট্ৰৰ কার্যকলাপ সম্প্রসাৰিত কৰে।



৯.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০ ।*ভাৰতৰ প্ৰশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শর্মা, দুর্গা কান্ত , ৰফিক, জামান আৰু শর্মা ,ড° পূৰবী ২০০৫ । *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ ২০১১ ।*স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi : Cosmos Bookhive Pvt. Ltd.

2) Ghai, K.K.(2007). *Indian Government and Politics*.New Delhi: Kalyani Publishers.

3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions*.New Delhi : S. Chand and Company.



৯.৮ অগ্রগতিৰ খতিয়ান

১ প্ৰশ্নৰ উত্তৰ ঃ মৌলিক অধিকাৰবোৰ হ'ল মৌলিক মানৱ অধিকাৰ। এই অধিকাৰবোৰক মৌলিক বোলাৰ কাৰণ হ'ল সংবিধানে এইবোৰৰ নিশ্চিতি দিছে আৰু সংবিধানৰ দ্বাৰা এই অধিকাৰবোৰক সুৰক্ষা প্ৰদান কৰা হয়।

২ প্রশ্নৰ উত্তৰ ঃ ভাৰতীয় সংবিধানৰ খণ্ড III ত।

৩ প্রশ্নৰ উত্তৰ ঃ ভাৰতীয় সংবিধানৰ খণ্ড IV ত।

৪ প্রশ্নৰ উত্তৰ ঃ ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিৰ লক্ষ্য হ'ল ভাৰতত এখন কল্যাণকামী ৰাষ্ট্ৰ প্রতিষ্ঠা কৰা।

৫ প্রশ্নৰ উত্তৰ ঃ (ক) মৌলিক অধিকাৰবোৰ ন্যায়ালয়ত বিচাৰ সাধ্য। অর্থাৎ, কাৰোবাৰ যদি মৌলিক অধিকাৰ খর্ব হয় তেন্তে তেওঁ ন্যায়ালয়ৰ দ্বাৰস্থ হৈ সুৰক্ষা বিচাৰিব পাৰে।

(খ) মৌলিক অধিকাৰবোৰ চৰম নহয়। কিছুমান যুক্তিসংগত বাধা-নিষেধ মানিহে নাগৰিকে এই অধিকাৰবোৰ উপভোগ কৰিব পাৰে। ভাৰতৰ ৰাষ্ট্ৰপতিয়ে দেশত জৰুৰী অৱস্থা ঘোষণা কৰিলে সংবিধানৰ ২০ আৰু ২১ নং অনুচ্ছেদত থকা অধিকাৰকেইটাৰ বাহিৰে আন আটাইবোৰ অধিকাৰ সাময়িকভাৱে অক্রিয় হৈ পৰে।

(গ) ভাৰতীয় সংসদে প্রয়োজন অনুসৰি সংবিধান সংশোধন কৰিব পাৰে। অৱশ্যে সংশাধনৰ সময়ত কোনো অধিকাৰ বিলোপ কৰিব পৰা নাযায়। অধিকাৰ বিলোপ কৰা মানে হ'ল সংবিধানৰ মৌলিক সংৰচনাটো উলংঘন কৰা।

(ঘ) মৌলিক অধিকাৰবোৰৰ প্রকৃতি মূলতঃ ৰাজনৈতিক আৰু সামাজিক।

(ঙ) মৌলিক অধিকাৰবোৰ গুৰুত্বপূর্ণ। এই অধিকাৰবোৰে নাগৰিকক ব্যক্তিত্ব বিকাশৰ সুযোগ দিয়ে।

৬ প্রশ্নৰ উত্তৰ ঃ (ক) মৌলিক অধিকাৰবোৰৰ প্রকৃতি মূলতঃ ৰাজনৈতিক আৰু সামাজিক। এইবোৰৰ লক্ষ্য হ'ল দেশত ৰাজনৈতিক গণতন্ত্র স্থাপন কৰা। মৌলিক অধিকাৰৰ তালিকাত কোনো অর্থনৈতিক অধিকাৰক স্থান দিয়া হোৱা নাই। ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিয়ে এই ব্যৱধান পূৰণ কৰে। নির্দেশাত্মক নীতিত উল্লেখ কৰা আর্থ-সামাজিক নীতিবোৰৰ দ্বাৰা নাগৰিকৰ অর্থনৈতিক অধিকাৰক নিশ্চয়তা প্রদান কৰা বুলি ধৰা হয়। মৌলিক অধিকাৰ আৰু নির্দেশাত্মক নীতিবোৰে মিলি দেশত এক প্রকৃত গণতন্ত্র প্রতিষ্ঠাৰ হকে কাম কৰে।

(খ) মৌলিক অধিকাৰ আৰু নির্দেশাত্মক নীতি উভয়ে দেশত এখন দায়িত্বশীল চৰকাৰৰ শাসন নিশ্চিত কৰে। সংবিধানত মৌলিক অধিকাৰবোৰ অন্তর্ভুক্ত কৰাৰ বাবেই ৰাষ্ট্রই নাগৰিকৰ ওপৰত যধে মধে ক্ষমতা প্রয়োগ কৰিব নোৱাৰে। চৰকাৰে নাগৰিকৰ অধিকাৰৰ প্রতি সন্মান প্রদর্শন কৰিব লাগিব। চৰকাৰৰ যিকোনো অভিকৰণৰ দ্বাৰা মৌলিক অধিকাৰ খর্ব হ'লে নাগৰিকে ন্যায়িক হস্তক্ষেপ বিচাৰিব পাৰে। আনহাতে, নির্দেশাত্মক নীতিবোৰে ৰাষ্ট্র আৰু চৰকাৰে নাগৰিকৰ প্রতি থকা দায়ৱদ্ধতা পালন কৰাটো বিচাৰে। এই নীতিবোৰে চৰকাৰক নাগৰিকৰ কল্যাণৰ বাবে কৰিবলগীয়া কার্যকলাপৰ এখন চনদ আগবঢ়ায়। জনগণৰ সেৱা কৰিবলৈ আগ্রহী যিকোনো চৰকাৰে এই নীতিবোৰৰ কার্যৰূপায়ণৰ বাবে নিশ্চিতভাৱে ব্যৱস্থা গ্রহণ কৰিব।

৭ প্রশ্নৰ উত্তৰ ঃ (ক) মৌলিক অধিকাৰবোৰ ন্যায়লয়ত বিচাৰসাধ্য। ৰাষ্ট্ৰ পৰিচালনাৰ নির্দেশাত্মক নীতিবোৰৰ ক্ষেত্রত এই সুবিধা নাই। নাগৰিকে নিজৰ অধিকা খর্ব হ'লে ন্যায়ালয়ৰ কায চাপিব পাৰে। কিন্তু ন্যায়ালয়ত নির্দেশাত্মক নীতিবোৰ উলংঘা কৰাৰ গোচৰ তৰিব পৰা নাযায়।

(খ) মৌলিক অধিকাৰবোৰ নাগৰিকৰ বাবে। ই ব্যক্তিক জীৱনৰ মহত্ত্বৰ লক্ষ্যবোৰত উপনীত হ'বলৈ কাম কৰি যোৱাৰ সুযোগ-সুবিধা প্রদান কৰে। নির্দেশাত্মক নীতিবোৰ ৰাষ্ট্রৰ বাবে। নাগৰিকৰ কল্যাণ সুনিশ্চিত কৰিবলৈ ৰাষ্ট্রই এই নীতিবোৰ অনুসৰণ কৰা উচিত।



৯.৯ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ঃ ভাৰতীয় সংবিধানত মৌলিক অধিকাৰবোৰৰ অন্তর্ভুক্তিত কোনখন দেশৰ সংবিধানে সর্বাধিক প্রভাৱ পেলাইছে?

প্রশ্ন ২ঃ ভাৰতে কোনখন দেশৰ সংবিধানৰ পৰা ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতিবোৰ ধাৰলৈ লৈছে?

প্রশ্ন ৩ঃ ভাৰতীয় সংবিধানত কিমানটা মৌলিক অধিকাৰ সন্নিৰিষ্ট কৰা হৈছে?

প্রশ্ন ৪ঃ কোনটো সংবিধান সংশোধন কালত আৰু কিমান চনত মৌলিক অধিকাৰৰ তালিকাৰ পৰা সম্পত্তিৰ অধিকাৰক বাদ দিয়া হৈছে?

(খ) চুটি প্রশ্ন ঃ (১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)-

প্রশ্ন ১ঃ মৌলিক অধিকাৰৰ অর্থ চমুকৈ বর্ণনা কৰক।

প্রশ্ন ২ঃ মৌলিক অধিকাৰ আৰু নির্দেশাত্মক নীতিবোৰে কেনেকৈ দেশত এখন দায়িত্বশীল চৰকাৰৰ শাসন সুনিশ্চিত কৰে?

প্রশ্ন ৩ঃ মৌলিক অধিকাৰ আৰু নির্দেশাত্মক নীতিবোৰে কেনেকৈ এখন গণতন্ত্র প্রতিষ্ঠা কৰাত সহায় কৰিব পাৰে ব্যাখ্যা কৰক।

(গ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ঃ মৌলিক অধিকাৰ আৰু ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতিবোৰৰ মাজৰ প্রভেদ ব্যাখ্যা কৰক।

প্রশ্ন ২ঃ মৌলিক অধিকাৰ আৰু ৰাষ্ট্র পৰিচালনাৰ নির্দেশাত্মক নীতিৰ মাজৰ সম্পর্ক আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ নাগৰিকত্ব

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ নাগৰিকত্বৰ অর্থ
১০.৪ ভাৰতীয় পটভূমিত নাগৰিকত্বৰ সাংবিধানিক আৰু ন্যায়িক সুবিধাসমূহ
১০.৫ ভাৰতত নাগৰিকত্ব লাভৰ উপায়
১২.৬ ভাৰতত নাগৰিকত্ব হেৰুৱাবলগীয়া হোৱাৰ কাৰণ
১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৮ অধিক জানিবলৈ
১০.৯ অগ্রগতিৰ খতিয়ান
১০.১০ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- নাগৰিকত্বৰ অর্থ ব্যাখ্যা কৰিব পাৰিব
- ভাৰতীয় নাগৰিকত্বৰ সৈতে জড়িত সাংবিধানিক তথা ন্যায়িক সুবিধাসমূহ বিশ্লেষণ কৰিব পাৰিব
- ভাৰতীয় নাগৰিকত্ব আহৰণ কৰাৰ চর্তবোৰ আলোচনা কৰিব পাৰিব
- ভাৰতীয় নাগৰিকত্ব হেৰুৱাবলগীয়া হোৱাৰ কাৰণবোৰ ব্যাখ্যা কৰিব পাৰিব।

১০.২ পৰিচয়

বিদ্যায়তনিক আলোচনাত সঘনাই স্থান পোৱা বহুল বিতর্কৰ বিষয় এটা হ'ল নাগৰিকত্বৰ ধাৰণা। নাগৰিকত্বৰ ধাৰণাই ব্যক্তি আৰু ৰাষ্ট্রৰ মাজৰ সম্পর্কৰ কথা সূচায়। নাগৰিকত্বই এগৰাকী ব্যক্তিক ৰাষ্ট্রৰ এগৰাকী দায়িত্বশীল সদস্য ৰূপে এক সামাজিক স্থিতি প্রদান কৰে। নাগৰিকত্বৰ সকলোবোৰ সা-সুবিধা লাভ কৰিবলৈ ব্যক্তিয়ে ৰাষ্ট্রৰ প্রতি থকা আটাইবোৰ কর্তব্য আৰু দায়িত্ব পালন কৰাৰ লগতে বাধ্যবাধকতাবোৰ মানি চলিব লাগিব। ভাৰতীয় সংবিধান প্রণেতাসকলে নাগৰিকত্বৰ ধাৰণাটোৰ ওপৰত জোৰ দিছিল। সেইমর্মে, সংবিধানত ইয়াৰ বাবে বিভিন্ন সা-সুবিধা সন্নিৱিষ্ট কৰা হৈছে। ভাৰতীয় নাগৰিকত্ব লাভ আৰু হেৰুওৱাৰ ক্ষেত্রত বহুতো সাংবিধানিক তথা ন্যায়িক নীতি-নিয়ম আছে। এই অধ্যায়টিত আমি নাগৰিকত্বৰ অর্থ আৰু ভাৰতীয় নাগৰিকত্বৰ সৈতে জড়িত বিভিন্ন দিশ সম্পর্কে আলোচনা কৰিম।

১০.৩ নাগৰিকত্বৰ অর্থ

নাগৰিকত্বৰ ধাৰণাটোক এক ন্যায়িক আনুষ্ঠানিক প্রস্থিতিৰ আধাৰত বুজাৰ প্রয়াস কৰা হয়। 'নাগৰিক' শব্দটোৰ আক্ষৰিক অর্থই কিছুমান বিশেষ সা-সুবিধাৰে সৈতে কোনো এখন দেশৰ বাসিন্দাৰ কথা বুজায়। নাগৰিকত্বই কোনো এক নির্দিষ্ট ৰাষ্ট্রীয়ত্ব (nationality)ৰ কথা বুজায়। এই শব্দটোৰ সৈতে এখন নির্দিষ্ট দেশৰ সংবিধানে দেশখনৰ প্রতিশ্বাকী বাসিন্দাকে প্রদান কৰা বিভিন্ন আইন সংগত স্বত্ব (entitlements) আৰু দাবী (claims), অধিকাৰ আৰু কর্তব্য আদিক সামৰি লোৱা হয়। ইয়াৰ তাৎপর্য হ'ল, যদি কোনো এটা নির্দিষ্ট ৰাজনৈতিক সম্প্রদায়ৰ সদস্যসকলে সংবিধানত অন্তর্ভুক্ত বিধি-বিধান অনুসৰি নিজ নিজ দায়িত্ব তথা কর্তব্যসমূহ পালন কৰে, তেন্তে ৰাষ্ট্রই তেওঁলোকক একোটা ৰাজহুৱা জীৱন উপভোগ কৰিবলৈ সকলো অধিকাৰ আৰু সা-সুবিধা প্রদান কৰে। নাগৰিকত্বৰ ধাৰণাটোৰ প্রথমে উন্মেষ ঘটিছিল প্রাচীন গ্রীছত। অৱশ্যে প্রাচীন গ্রীচৰ নাগৰিকত্বৰ ধাৰণাটো যথেষ্ট সংকীর্ণ আছিল বুলি ধৰা হয়। প্রাচীন গ্রীক দার্শনিক এৰিষ্ট'টলৰ সময়ত নাগৰিকত্বৰ সা-সুবিধাবোৰ সমাজৰ এটা নির্দিষ্ট শাখাৰ সদস্যসকলেহে উপভোগ কৰিব পাৰিছিল। এৰিষ্ট'টলে নাগৰিক স্থিতিৰ ভিতৰত মাত্র এমুঠিমান মানুহক স্থান দি ধাৰণাটো সংকীর্ণ কৰি পেলাইছিল। তেওঁ নাগৰিকত্বৰ এটা অভিজাত ধাৰণা কার্যৰূপায়িত কৰাৰ প্রয়াস কৰিছিল। আধুনিক একজাতি ৰাষ্ট্র (nation state) ব্যৱস্থাৰ ক্রমবিকাশৰ লগে লগে নাগৰিকত্বৰ ধাৰণাটোৰ প্রকৃতি সর্বাত্মক হৈ পৰিল আৰু ই এক বৃহৎ সংখ্যক ৰাজনৈতিক সম্প্রদায়ক সামৰি লোৱা আৰম্ভ কৰিলে।

যিকোনো গণতান্ত্রিক দেশত নাগৰিকক কিছুমান অধিকাৰ আৰু সা-সুবিধা দিয়া হয় আৰু ইয়াৰ বিপৰীতে নাগৰিকে ৰাষ্ট্রৰ প্রতি আনুগত্য প্রদর্শন কৰিব লাগে। গণতন্ত্রৰ সফলতা বহুলাংশে নাগৰিকৰ গুণগত বৈশিষ্ট্যৰ ওপৰত নির্ভৰশীল।

১০.৪ ভাৰতীয় পটভূমিত নাগৰিকত্বৰ সাংবিধানিক আৰু ন্যায়িক সুবিধা

ভাৰতীয় সংবিধানৰ সংৰচনাটো যুক্তৰাষ্ট্রীয় (federal) প্রকৃতিৰ যদিও ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাটোৰ প্রকৃতি মূলগতভাৱে যুক্তৰাষ্ট্রীয় আৰু ব্যৱহাৰিকভাৱে ঐকিক (unitary)। সেয়েহে ভাৰতৰ প্রতিগৰাকী ব্যক্তিৰে একক নাগৰিকত্ব আছে। অর্থাৎ, ভাৰতৰ বাসিন্দাৰ ভাৰতীয় নাগৰিকত্ব থাকে। দেশত এক ঐক্যৱদ্ধ ৰাজনৈতিক ব্যৱস্থা গঢ়ি তোলাৰ বাবে সংবিধান প্রস্তুতকর্তাসকলে একক নাগৰিকত্ব প্রচলনত জোৰ দিছিল। তেওঁলোকে সংবিধান প্রস্তুত কৰা কার্য চলি থকাৰ সময়তে নাগৰিকত্বৰ প্রশ্নটোত যথেষ্ট গুৰুত্ব দিছিল। ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ৫,৬,৭,৮,৯ ১০ আৰু ১১ ত নাগৰিকত্ব সম্পর্কীয় বিধি-বিধানবোৰ সন্নিৰিষ্ট কৰা হৈছে। **অনুচ্ছেদ ৫ ঃ** সংবিধান বলবৎ কৰাৰ লগে লগে কোনসকলে নাগৰিকত্ব লাভ কৰিব তাৰ উল্লেখ আছে।

সংবিধান বলবৎ কৰাৰ সময়ত অনুচ্ছেদ ৫ ত নাগৰিকত্বৰ বিষয়টো সন্নিৱিষ্ট কৰা হৈছে। ইয়াৰ জৰিয়তে সংবিধান গ্ৰহণৰ দিনটোৰ পৰা তলত উল্লেখ কৰা শিতানবোৰৰ অধীনত ভাৰতত বসবাস কৰি থকা লোকৰ নাগৰিকত্ব প্ৰদানৰ কথা কোৱা হৈছে (২৬জানুৱাৰী, ১৯৫০)-

(ক) ভাৰতৰ চাৰিসীমাৰ ভিতৰত জন্মলাভ কৰা লোক [অনুচ্ছেদ ৫ (a)]।

(খ) এনে ব্যক্তি যাৰ পিতৃ আৰু মাতৃৰ কোনোবা এগৰাকী ভাৰতৰ চাৰিসীমাৰ ভিতৰত জন্মলাভ কৰিছিল- বৰ্তমান এনে ব্যক্তিৰ পিতৃ-মাতৃৰ ৰাষ্ট্ৰীয়ত্ব নাইবা এনে ব্যক্তিৰ জন্মস্থান নিৰ্বিশেষে তেওঁক নাগৰিকত্ব প্ৰদান কৰা হ'ব [অনুচ্ছেদ ৫ (b)]।

(গ) নাগৰিকত্ব লাভৰ নীতি-নিয়ম ঘোষণা কৰাৰ তাৎক্ষণিকভাৱে অতি কমেও পাঁচ বছৰ আগৰেপৰা ভাৰতৰ চাৰিসীমাৰ ভিতৰত সাধাৰণভাৱে বসবাস কৰি থকা ব্যক্তি হ'ব লাগিব [অনুচ্ছেদ ৫ (c)]।

ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ৫ এ নিৱেশ (domicile) ৰ আধাৰত নাগৰিকত্ব প্ৰদান কৰে যদিও এই 'নিৱেশ'ৰ কোনো স্পষ্ট সংজ্ঞা উল্লেখ কৰা নাই। কিন্তু সৰল অৰ্থত 'নিৱেশ' মানে হ'ল এগৰাকী নাগৰিকৰ স্থায়ী বাসস্থান।

অনুচ্ছেদ ৬ ঃ পাকিস্তানৰ পৰা ভাৰতলৈ প্ৰব্ৰজন কৰা নিৰ্দিষ্ট ব্যক্তিসকলৰ নাগৰিকত্ব লাভৰ অধিকাৰ সম্পৰ্কে উল্লেখ আছে।

অনুচ্ছেদ ৭ ঃ পাকিস্তানলৈ প্ৰব্ৰজন কৰা নিৰ্দিষ্ট প্ৰব্ৰজনকাৰীক পুনৰ ভাৰতীয় নাগৰিকত্ব প্ৰদানৰ নিয়ম উল্লেখ আছে।

অনুচ্ছেদ ৮ ঃ ভাৰতৰ বাহিৰত বাস কৰা ভাৰতীয় মূলৰ নিৰ্দিষ্ট ব্যক্তিৰ নাগৰিকত্ব লাভৰ অধিকাৰ সম্পৰ্কে উল্লেখ আছে।

অনুচ্ছেদ ৯ ঃ স্বেচ্ছাই বিদেশী ৰাষ্ট্ৰৰ নাগৰিকত্ব গ্ৰহণ কৰা ব্যক্তিক ভাৰতীয় নাগৰিক ৰূপে বিবেচনা নকৰাৰ কাৰণবোৰ উল্লেখ আছে।

অনুচ্ছেদ ১০ ঃ নাগৰিকত্বৰ অধিকাৰৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰখাৰ উপায়সমূহৰ উল্লেখ আছে।

অনুচ্ছেদ ১১ ঃ সংসদৰ আইন অনুসৰি নাগৰিকত্ব অধিকাৰ নিয়ন্ত্ৰণ কৰিব পৰা ক্ষমতাৰ উল্লেখ আছে।

ভাৰতীয় সংবিধানে ভাৰতীয় নাগৰিকত্বৰ বাবে কোনো বিস্তৃত সাংবিধানিক আইন বলবৎ নকৰে আৰু বিধিগত আধাৰ আগ নবঢ়ায়। নাগৰিকত্ব বিষয়ক আইন প্ৰণয়নৰ দায়িত্ব ভাৰতীয় সংসদৰ হাতত ন্যস্ত কৰা হৈছে। সংসদে নাগৰিকত্ব সম্পৰ্কীয় কিছুমান আইন প্ৰণয়ন কৰে। এনে কেইখনমান আইন হ'ল- ১৯৫৫ চনৰ নাগৰিকত্ব আইন, ১৯৮৬ চনৰ নাগৰিকত্ব (সংশোধনী) আইন, ১৯৯২ চনৰ নাগৰিকত্ব (সংশোধনী) আইন, ২০০৩ চনৰ নাগৰিকত্ব (সংশোধনী) আইন, ২০০৫ চনৰ নাগৰিকত্ব (সংশোধনী) আইন আৰু ২০১৫ চনৰ নাগৰিকত্ব (সংশোধনী) আইন।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ১ঃ নাগৰিকত্বৰ অর্থ বর্ণনা কৰক।

.....

.....

.....

প্রশ্ন নং ২ঃ গ্রীক দার্শনিক এৰিষ্ট'টলে সমাজৰ এক সীমিত সংখ্যক বাসিন্দাৰ ক্ষেত্রতহে নাগৰিকত্বৰ ধাৰণাটো প্রযোজ্য বুলি ইয়াক এক সংকীর্ণ ৰূপ দিছিল। (শুদ্ধ / অশুদ্ধ)

.....

প্রশ্ন নং ৩ঃ ভাৰতীয় সংবিধানৰ কোনকেইটা অনুচ্ছেদত নাগৰিকত্ব সম্পর্কীয় বিধি-বিধানবোৰ সন্নিৰিষ্ট কৰা হৈছে ?

.....

.....

.....

১০.৫ ভাৰতীয় নাগৰিকত্ব লাভৰ উপায়

১৯৫৫ চনৰ নাগৰিকত্ব আইন অনুসৰি বিভিন্ন পদ্ধতিৰে ভাৰতীয় নাগৰিকত্ব আহৰণ কৰিব পৰা যায়। এই আইনখনত নাগৰিকত্ব লাভৰ বিভিন্ন উপায়ৰ উল্লেখ আছে। তলত এই পদ্ধতি বা উপায়বোৰ আলোচনা কৰা হ'ল-

- **জন্মসূত্রে লাভ কৰা নাগৰিকত্ব** (Citizenship by Birth)ঃ ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ দিনা নাইবা তাৰপাচত জন্মগ্রহণ কৰা প্রতিগৰাকী ব্যক্তিকেই জন্মসূত্রে ভাৰতীয় নাগৰিক বুলি ধৰা হ'ব। কিন্তু ভাৰততে থকা বিদেশী কূটনৈতিক বিষয়াৰ পৰিয়ালত জন্ম লোৱা শিশুক ভাৰতীয় নাগৰিক বুলি ধৰা নহ'ব। অবৈধ প্রব্রজন ৰোধ কৰাৰ উদ্দেশ্যেৰে ১৯৫৫ চনৰ নাগৰিকত্ব আইনখনৰ ১৯৮৬ চনত সংশোধন ঘটোৱা হৈছিল। নতুন নিয়ম মতে ভাৰততে জন্মলাভ কৰা ব্যক্তি এগৰাকীক তেতিয়াহে জন্মসূত্রে ভাৰতীয় নাগৰিক বুলি গণ্য কৰা হ'ব, যেতিয়া ব্যক্তিগৰাকীৰ পিতৃ-মাতৃও জন্মসূত্রে ভাৰতীয় নাগৰিক হ'ব। এই নিয়মবোৰৰ মাজেৰে ব্যক্তিয়ে জন্মসূত্রে ভাৰতীয় নাগৰিকত্ব লাভ কৰে।
- **উত্তৰাধিকাৰ সূত্রে লাভ কৰা নাগৰিকত্ব** (Citizenship by Descent)ঃ ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখে নাইবা তাৰপাচত ভাৰতৰ বাহিৰত জন্মলাভ কৰা কোনো ব্যক্তিক উত্তৰাধিকাৰী সূত্রে ভাৰতীয় নাগৰিক বুলি তেতিয়াহে গণ্য কৰা হ'ব, যেতিয়া ব্যক্তিগৰাকীৰ জন্মৰ সময়ত তেওঁৰ পিতৃ-মাতৃ ভাৰতীয় নাগৰিক হ'ব।

- **পঞ্জীয়নৰ জৰিয়তে লাভ কৰা নাগৰিকত্ব** (Citizenship by Registration)ঃ নির্দিষ্ট প্রাধিকৰণৰ যোগেদি নাম পঞ্জীয়ন কৰি কোনো ব্যক্তিয়ে ভাৰতীয় নাগৰিকত্ব আহৰণ কৰিব পাৰে। নাগৰিকত্ব লাভৰ বাবে নাম পঞ্জীয়ন কৰাৰ বিভিন্ন পদ্ধতি আছে। সাধাৰণতে প্রায় পাঁচ বছৰ ভাৰতত বসবাস কৰা ভাৰতীয় মূলৰ ব্যক্তি (Persons of Indian Origin/ PIOs) য়ে নাম পঞ্জীয়নৰ বাবে আবেদন কৰিব পাৰে। নাগৰিকত্ব লাভৰ বাবে আবেদনকাৰী ব্যক্তিগৰাকীক ভাৰতীয় মূলৰ বুলি ধৰা হ'ব যদিহে তেওঁৰ পিতৃ-মাতৃ আৰু ককাক-আইতাকে অবিভক্ত ভাৰতত জন্মগ্রহণ কৰিছিল। ভাৰতৰ বাহিৰত সাধাৰণভাৱে বসবাস কৰি থকা ভাৰতীয় মূলৰ লোককো পঞ্জীয়নৰ জৰিয়তে নাগৰিকত্ব প্রদান কৰা হয়। ভাৰতীয় নাগৰিকৰ সৈতে বিবাহপাশত আৱদ্ধ হোৱা মহিলাসকলক পঞ্জীয়ন প্রক্রিয়াৰ জৰিয়তে ভাৰতীয় নাগৰিকত্ব প্রদান কৰা হয়।
- **দেশীয়কৰণ পদ্ধতিৰে লাভ কৰা নাগৰিকত্ব** (Citizenship by Naturalisation)ঃ দেশীয়কৰণ পদ্ধতিৰেও কোনো ব্যক্তি ভাৰতৰ নাগৰিক হ'ব পাৰে। এনেদৰে ভাৰতীয় নাগৰিকত্ব লাভ কৰিবলৈ তেওঁ চর্তবোৰ পূৰণ কৰিব লাগিব-

  (ক) তেওঁ এনে এখন দেশৰ নাগৰিক হ'ব লাগিব যিখন দেশে দেশীয়কৰণ পদ্ধতিৰে ভাৰতীয় নাগৰিকক দেশখনৰ নাগৰিকত্ব লাভৰ সুযোগ দিয়ে।

  (খ) তেওঁ নিজ দেশৰ প্রচলিত আইন অনুসৰি দেশখনৰ নাগৰিকত্ব ত্যাগ কৰিব লাগিব।

  (গ) দেশীয়কৰণৰ বাবে আবেদন পত্র দাখিল কৰা তাৰিখটোৰ পূর্বে ১২ মাহ তেওঁ সংশ্লিষ্ট দেশখনত বসবাস কৰিব লাগিব আৰু চৰকাৰী কৃর্তপক্ষলৈ সেৱা আগবঢ়াব লাগিব।

  (ঘ) ব্যক্তিগৰাকী সুচৰিত্র আৰু সুস্থ নৈতিকতাৰ গৰাকী হ'ব লাগিব।

  (ঙ) তেওঁৰ এটা নির্দিষ্ট ভাৰতীয় ভাষাত কাম চলাব পৰাকৈ ভাষাটোৰ জ্ঞান থাকিব লাগিব।

  (চ) দেশীয়কৰণৰ দ্বাৰা নাগৰিকত্ব লাভ কৰা সকলক ভাৰতৰ স্থায়ী বাসিন্দা বুলি গণ্য কৰা হয় আৰু তেওঁ কেন্দ্রীয় বা ভাৰত চৰকাৰৰ অধীনত ৰাজ্যত চাকৰি কৰাৰ অর্হতা অর্জন কৰে।
- **অঞ্চল চামিলকৰণৰ দ্বাৰা লাভ কৰা নাগৰিকত্ব** (Citizenship by Incorporation of Territory)ঃ যদি ভাৰতে নিজৰ চাৰিসীমাৰ ভিতৰত কোনো নতুন অঞ্চল অন্তর্ভুক্ত কৰে, তেন্তে সেই অঞ্চলৰ বাসিন্দাসকল স্বয়ংক্রিয়ভাৱে ভাৰতৰ নাগৰিক হৈ পৰিব। যেনে- ১৯৭৬ চনত ভাৰতে চিকিমক নিজৰ অংশ কৰি লোৱাৰ পাচত চিকিমৰ বাসিন্দাসকলে স্বয়ংক্রিয়ভাৱে ভাৰতীয় নাগৰিকত্ব লাভ কৰিছিল।

১০.৬ ভাৰতত নাগৰিকত্ব হেৰুৱাবলগীয়া হোৱাৰ কাৰণ

১৯৫৫ চনৰ নাগৰিকত্ব আইনত ভাৰতীয় নাগৰিকত্ব হেৰুওৱাৰ তিনিটা চর্ত সন্নিৰিষ্ট কৰা হৈছে। এই চর্ত তিনিটাৰ অধীনত যিকোনো ব্যক্তিয়ে নাগৰিকত্ব হেৰুৱাব পাৰে। চর্ত তিনিটা

হ'ল- আনুষ্ঠানিক পৰিত্যাগ (Renunciation), ম্যাদ অৱসান (Termination) আৰু বঞ্চিতকৰণ (Deprivation)।

- **আনুষ্ঠানিক পৰিত্যাগ ঃ** যিকোনো ভাৰতীয় নাগৰিকে অন্য দেশৰ নাগৰিক হ'বলৈ স্বেচ্ছাই ভাৰতীয় নাগৰিকত্ব আনুষ্ঠানিকভাৱে পৰিত্যাগ কৰিব পাৰে। ইয়াৰ বাবে তেওঁ নির্ধাৰিত প্ৰ-পত্ৰৰ জৰিয়তে প্ৰয়োজনীয় ঘোষণাবোৰ লিখিত আকাৰে জনাব লাগে।
- **ম্যাদ অৱসান ঃ** যদি কোনো ভাৰতীয় নাগৰিকে স্বেচ্ছাই আন এখন দেশৰ নাগৰিকত্ব গ্ৰহণ কৰে, তেন্তে তেওঁৰ ভাৰতীয় নাগৰিকত্ব আপোনা আপুনি নাইকিয়া হ'ব। আইনসংগত কাৰ্যকলাপৰ যোগেদি এনে নাগৰিকত্বৰ ম্যাদৰ অৱসান ঘটোৱা হ'ব পাৰে।
- **বঞ্চিতকৰণ ঃ** চৰকাৰৰ আগতীয়া নির্দেশ অনুসৰি কোনো ব্যক্তিৰ নাগৰিকত্ব বাধ্যতামূলকভাৱে নাইকিয়া কৰাটোকে বঞ্চিতকৰণ বোলা হয়। যদি কোনো ব্যক্তিয়ে জালিয়াতিৰ আশ্ৰয় লৈ, মিছা তথ্য উপস্থাপনেৰে নাইবা কোনো বৈষয়িক সত্যতা লুকু�ৱাই ৰাখি ভাৰতীয় নাগৰিকত্ব লাভ কৰিছিল; নাইবা যদি কোনো ব্যক্তিয়ে ভাৰতীয় সংবিধানৰ বিশ্বাসঘাতকতা কৰে; নাইবা ভাৰতৰ সৈতে যুদ্ধত লিপ্ত অন্য দেশক কিবা প্ৰকাৰে সহায় কৰে অথবা সহযোগিতা আগবঢ়ায়, তেন্তে ভাৰত চৰকাৰে এক নির্দেশ জাৰি কৰি তেনে ব্যক্তিক ভাৰতীয় নাগৰিকত্বৰ অধিকাৰ উপভোগৰ পৰা বঞ্চিত কৰিব পাৰে।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ৪ঃ ১৯৫৫ চনৰ নাগৰিকত্ব আইনত সন্নিৱিষ্ট ভাৰতীয় নাগৰিকত্ব লাভৰ যিকোনো তিনিটা উপায় উল্লেখ কৰক।

.....

.....

.....

প্ৰশ্ন নং ৫ঃ ..... চনত চিকিমক ভাৰতৰ অন্তৰ্ভুক্ত কৰা হৈছিল। (খালী ঠাই পূৰণ কৰক)

প্ৰশ্ন নং ৬ঃ ভাৰতীয় নাগৰিকত্ব হেৰুৱাবলগীয়া হোৱাৰ যিকোনো দুটা চৰ্তৰ বিষয়ে লিখক।

.....

.....

প্ৰশ্ন নং ৭ঃ দেশীয়কৰণ পদ্ধতিৰে ভাৰতীয় নাগৰিকত্ব লাভ কৰাৰ প্ৰক্ৰিয়াটো সম্পৰ্কে এটি চমুটোক লিখক।

.....

.....



১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নাগৰিকত্বৰ ধাৰণাটোৱে ব্যক্তি আৰু ৰাষ্ট্ৰৰ মাজত থকা সম্পৰ্কৰ কথা সূচায়। নাগৰিকত্বই সকলো লোককে এখন ৰাষ্ট্ৰৰ দায়িত্বশীল নাগৰিকৰ সামাজিক স্থিতি প্ৰদান কৰে। নাগৰিকত্বৰ সকলো সা-সুবিধা আহৰণ কৰিবলৈ ব্যক্তিয়ে দেশৰ প্ৰতি থকা সকলো কৰ্তব্য আৰু দায়িত্ব তথা বাধ্যবাধকাত পালন কৰি চলিব লাগে।
- নাগৰিকত্ব ধাৰণাটোৰ প্ৰথম উন্মেষ ঘটিছিল প্ৰাচীন গ্ৰীচত। প্ৰাচীন গ্ৰীচৰ নাগৰিকত্বৰ ধাৰণাটোক অৱশ্যে এটা সংকীৰ্ণ ধাৰণা বুলি গণ্য কৰা হয়। গ্ৰীক দাৰ্শনিক এৰিষ্টটলে সমাজৰ মাত্ৰ কেইটামান বিশেষ শ্ৰেণীৰ লোককহে নাগৰিকৰ স্থিতি প্ৰদান কৰাৰ কথা কৈ ধাৰণাটোক এটা সীমিত ৰূপ দিছিল।
- বৰ্তমানৰ নাগৰিকত্বৰ ধাৰণাটো সৰ্বাত্মক। ই এক বৃহত্তৰ ৰাজনৈতিক সম্প্ৰদায়ক সামৰি লয়।
- ভাৰতীয় সংবিধানে দেশত এক যুক্ত ৰাষ্ট্ৰীয় সংৰচনা গঢ়াৰ কথা কয়। কিন্তু ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাটোৰ প্ৰকৃতি মূলগতভাৱে যুক্তৰাষ্ট্ৰীয় আৰু ব্যৱহাৰিকভাৱে ঐকিক। সেয়েহে ভাৰতৰ প্ৰত্যেক ব্যক্তিয়ে একক নাগৰিকত্ব লাভ কৰে। অৰ্থাৎ , ভাৰতৰ বাসিন্দাৰ ভাৰতীয় নাগৰিকত্ব থাকে।
- ভাৰতীয় সংবিধানে ভাৰতীয় নাগৰিকত্ব বিষয়ক বহুকেইটা বিধি-বিধান আগবঢ়াইছে। কিন্তু ভাৰতীয় নাগৰিকত্ব বিষয়ক আইন তথা অন্য বিধিসম্মত নিয়ম প্ৰস্তুত তথা প্ৰৱৰ্তন কৰাৰ দায়িত্ব ভাৰতীয় সংসদৰ হাতত ন্যস্ত কৰা হৈছে। সংবিধান বলবৎ হোৱাৰ দিন ধৰি এই বিষয়ত বহুকেইখন আইন কাৰ্যকৰী কৰা হৈছে। এনে আইন কেইখনমান হ'ল ১৯৫৫ চনৰ নাগৰিকত্ব আইন, ১৯৮৬ চনৰ নাগৰিকত্ব (সংশোধনী) আইন, ১৯৯২ চনৰ নাগৰিকত্ব (সংশোধনী) আইন, ২০০৩ চনৰ নাগৰিকত্ব (সংশোধনী) আইন, ২০০৫ চনৰ নাগৰিকত্ব (সংশোধনী) আইন, আৰু ২০১৫ চনৰ নাগৰিকত্ব (সংশোধনী) আইন।
- ১৯৫৫ চনৰ নাগৰিকত্ব আইনে ভাৰতীয় নাগৰিকত্ব লাভৰ বহুকেইটা পদ্ধতি আগবঢ়াইছে। পদ্ধতিকেইটা হ'ল- জন্মসূত্ৰে লাভ কৰা নাগৰিকত্ব, উত্তৰাধিকাৰী সূত্ৰে লাভ কৰা নাগৰিকত্ব, পঞ্জীয়ণৰ জৰিয়তে লাভ কৰা নাগৰিকত্ব, দেশীয়কৰণৰ দ্বাৰা লাভ কৰা নাগৰিকত্ব আৰু দেশত অঞ্চল চামিলকৰণৰ দ্বাৰা লাভ কৰা নাগৰিকত্ব।
- ১৯৫৫ চনৰ নাগৰিকত্ব আইনে ভাৰতীয় নাগৰিকত্ব হেৰুওৱাৰ তিনিটা প্ৰধান চর্ত উল্লেখ কৰিছে। আনুষ্ঠানিক পৰিত্যাগ, ম্যাদ অৱসান আৰু বঞ্চিতকৰণ- এই তিনিটা চর্তৰ অধীনত কোনো ব্যক্তিয়ে ভাৰতীয় নাগৰিকত্ব হেৰুৱাব পাৰে।



১০.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০ ।*ভাৰতৰ প্ৰশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শৰ্মা, দুৰ্গা কান্ত , ৰফিক, জামান আৰু শৰ্মা ,ড° পূৰবী ২০০৫ । *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ ২০১১ ।*স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi : Cosmos Bookhive Pvt. Ltd.

2) Ghai, K.K.(2007). *Indian Government and Politics*.New Delhi: Kalyani Publishers.

3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions*.New Delhi : S. Chand and Company.



১০.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ নাগৰিকত্ব বুলিলে প্ৰায়ে এখন নিৰ্দিষ্ট দেশৰ স্থায়ী বাসিন্দাই উপভোগ কৰা বিভিন্ন সা-সুবিধা, দাবী, অধিকাৰ তথা কৰ্তব্য আদিক সামৰি লোৱা ধাৰণাটোৰ কথা বুজোৱা হয়। এখন দেশৰ সংবিধানে কোনো ব্যক্তিক এনে অধিকাৰ তথা সুযোগ-সুবিধাবোৰ আগবঢ়ায়। ধাৰণাটোৰ তাৎপৰ্য অনুসৰি যদি কোনো এটা নিৰ্দিষ্ট ৰাজনৈতিক সম্প্ৰদায়ৰ কোনো সদস্যই দেশৰ সংবিধানে আবণ্টন কৰা কৰ্তব্য তথা দায়িত্ববোৰ পালন কৰে, তেন্তে ৰাষ্ট্ৰই তেওঁক এটা ৰাজহুৱা জীৱনত উপভোগ কৰিব পৰাকৈ সকলোবোৰ অধিকাৰ তথা সা-সুবিধা আগবঢ়ায়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ অনুচ্ছেদ ৫,৬,৭,৮,৯ ১০ আৰু ১১ ত নাগৰিকত্ব সম্পৰ্কীয় বিধি-বিধানবোৰ সন্নিৱিষ্ট কৰা হৈছে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ জন্মসূত্ৰে লাভ কৰা নাগৰিকত্ব, উত্তৰাধিকাৰ সূত্ৰে লাভ কৰা নাগৰিকত্ব,

পঞ্জীয়ন সূত্রে লাভ কৰা নাগৰিকত্ব।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৭৬

৬ নং প্ৰশ্নৰ উত্তৰ ঃ (i) আনুষ্ঠানিক পৰিত্যাগঃ যিকোনো ভাৰতীয় নাগৰিকে অন্য দেশৰ নাগৰিক হ'বলৈ স্বেচ্ছাই ভাৰতীয় নাগৰিকত্ব আনুষ্ঠানিকভাৱে পৰিত্যাগ কৰিব পাৰে। ইয়াৰ বাবে তেওঁ নিৰ্ধাৰিত প্ৰ-পত্ৰৰ জৰিয়তে প্ৰয়োজনীয় ঘোষণাবোৰ লিখিত আকাৰে জনাব লাগে।

(ii) ম্যাদ অৱসানঃ যদি কোনো ভাৰতীয় নাগৰিকে স্বেচ্ছাই আন এখন দেশৰ নাগৰিকত্ব গ্ৰহণ কৰে, তেন্তে তেওঁৰ ভাৰতীয় নাগৰিকত্ব আপোনা আপুনি নাই কিয়া হ'ব। আইনসংগত কাৰ্যকলাপৰ যোগেদি এনে নাগৰিকত্বৰ ম্যাদৰ অৱসান ঘটাব হ'ব পাৰে।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ কোনো ব্যক্তিয়ে দেশীয়কৰণ প্ৰক্ৰিয়াৰে ভাৰতীয় নাগৰিকত্ব লাভ কৰিব পাৰে। ভাৰতীয় নাগৰিকত্ব লাভ কৰিবলৈ এনে ব্যক্তিয়ে তলৰ চৰ্তবোৰ পূৰণ কৰিব লাগে-

(ক) তেওঁ এনে এখন দেশৰ নাগৰিক হ'ব লাগিব যিখন দেশে দেশীয়কৰণ পদ্ধতিৰে ভাৰতীয় নাগৰিকক দেশখনৰ নাগৰিকত্ব লাভৰ সুযোগ দিয়ে।

(খ) তেওঁ নিজ দেশৰ প্ৰচলিত আইন অনুসৰি দেশখনৰ নাগৰিকত্ব ত্যাগ কৰিব লাগিব।

(গ) দেশীয়কৰণৰ বাবে আবেদন পত্ৰ দাখিল কৰা তাৰিখটোৰ পূৰ্বে ১২ মাহ তেওঁ সংশ্লিষ্ট দেশখনত বসবাস কৰিব লাগিব আৰু চৰকাৰী কৰ্তৃপক্ষলৈ সেৱা আগবঢ়াব লাগিব।

(ঘ) ব্যক্তিগৰাকী সুচৰিত্ৰ আৰু সুস্থ নৈতিকতাৰ গৰাকী হ'ব লাগিব।

(ঙ) তেওঁৰ এটা নিৰ্দিষ্ট ভাৰতীয় ভাষাত কাম চলাব পৰাকৈ ভাষাটোৰ জ্ঞান থাকিব লাগিব।

(চ) দেশীয়কৰণৰ দ্বাৰা নাগৰিকত্ব লাভ কৰা সকলক ভাৰতৰ স্থায়ী বাসিন্দ বুলি গণ্য কৰা হয় আৰু তেওঁ কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰৰ অধীনত চাকৰি কৰাৰ অৰ্হতা অৰ্জন কৰে।



১০.১০ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ঃ নাগৰিকত্ব সম্পৰ্কে ভাৰতীয় সংবিধানত উল্লেখ থকা যিকোনো এটা নিয়ম উল্লেখ কৰক।

প্ৰশ্ন ২ঃ ভাৰতীয় নাগৰিকত্ব লাভৰ বিস্তৃত সা-সুবিধা আগবঢ়োৱা ভাৰতীয় সংসদে প্ৰৱৰ্তন কৰা গুৰুত্বপূৰ্ণ আইন এখনৰ নাম উল্লেখ কৰক।

প্ৰশ্ন ৩ঃ ভাৰতীয় নাগৰিকত্বৰ পটভূমিত ভাৰতীয় মূলৰ ব্যক্তিক বুজোৱা PIO -ৰ সম্পূৰ্ণ ৰূপটো লিখক।

(খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ কোনবোৰ চৰ্তৰ অধীনত ভাৰতীয় নাগৰিকে নাগৰিকত্ব হেৰুৱাব পাৰে? ব্যাখ্যা কৰক।

প্ৰশ্ন ২ঃ নাগৰিকত্বৰ অৰ্থ বৰ্ণনা কৰি এটা চমুটোকা লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ নাগৰিকত্ব সম্পৰ্কে ভাৰতীয় সংবিধানত সন্নিৱিষ্ট নীতি-নিয়মবোৰ আলোচনা কৰক।

প্ৰশ্ন ২ঃ ভাৰতীয় নাগৰিকত্ব লাভৰ পদ্ধতিবোৰ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ ভাৰতীয় সংবিধান সংশোধন পদ্ধতি

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ ভাৰতীয় সংবিধানৰ সংশোধন প্ৰক্ৰিয়া

১১.৩.১ ভাৰতীয় সংবিধানৰ সংশোধনৰ পদ্ধতিসমূহ

১১.৩.২ ভাৰতীয় সংবিধান সংশোধন প্ৰক্ৰিয়াৰ সমালোচনা

১১.৪ ভাৰতীয় সংবিধানৰ কিছুমান গুৰুত্বপূৰ্ণ সংশোধনীৰ অৱলোকন

১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৬ অধিক জানিবলৈ

১১.৭ অগ্ৰগতিৰ খতিয়ান

১১.৮ সম্ভাব্য প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঃ

- ভাৰতীয় সংবিধানৰ সংশোধন প্ৰক্ৰিয়া (Procedure) সম্বন্ধে ব্যাখ্যা কৰিব পাৰিব।
- ভাৰতীয় সংবিধান সংশোধনৰ পদ্ধতিসমূহ (Methods) বৰ্ণনা কৰিব পাৰিব।
- ভাৰতীয় সংবিধানৰ সংশোধন প্ৰক্ৰিয়াৰ লগত আমেৰিকাৰ সংবিধান সংশোধন প্ৰক্ৰিয়াৰ এক তুলনামূলক টোকা প্ৰস্তুত কৰিব লাগিব।

১১.২ পৰিচয়

এই অধ্যায়টিৰ জৰিয়তে আপোনাক ভাৰতীয় সংবিধানৰ সংশোধন প্ৰক্ৰিয়াৰ লগত পৰিচয় কৰাই দিয়া হ'ব। আমাৰ দেশৰ সংবিধানখন সংশোধনৰ ক্ষেত্ৰত দুই ধৰণৰ পদ্ধতি অৱলম্বন কৰা হয়। সেয়া হ'ল - ক্ৰমে নমনীয় পদ্ধতি আৰু অনমনীয় পদ্ধতি।

সংবিধানৰ অন্তৰ্ভুক্ত কিছুমান ব্যৱস্থা সাধাৰণ আইন প্ৰণয়ন পদ্ধতিৰে সংশোধন কৰিব পাৰি। ইয়াৰ বিপৰীতে আন কিছুমান ব্যৱস্থা সংশোধনৰ ক্ষেত্ৰত জটিল পদ্ধতি অৱলম্বন কৰা হয়। অৱশ্যে ভাৰতীয় সংবিধান সংশোধন পদ্ধতি আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে জটিল নহয়। ঠিক একেদৰে, সংবিধান সংশোধনৰ ক্ষেত্ৰত নমনীয় পদ্ধতি অৱলম্বন কৰা হৈছে যদিও আমাৰ সংবিধান সংশোধন পদ্ধতি বৃটিছ সংবিধানৰ দৰে নমনীয় প্ৰকৃতিৰ নহয়। গতিকে ভাৰতীয়

সংবিধানক নমনীয় আৰু অনমনীয়তাৰ এক অপূৰ্ব সংমিশ্রন বুলিব পাৰি। আমাৰ এই সংবিধানখনত নমনীয়তা আৰু অনমনীয়তাৰ মাজত ভাৰসাম্য ৰক্ষা কৰাৰ প্রয়াস কৰা হৈছে।

১১.৩ ভাৰতীয় সংবিধানৰ সংশোধন প্রক্রিয়া

ভাৰতীয় সংবিধানৰ ৩৬৮নং অনুচ্ছেদত সংবিধান সংশোধনী প্রক্রিয়াৰ বিষয়ে আলোচনা কৰা হৈছে। অনুচ্ছেদ নং ৩৬৮ত উল্লেখ আছে যে - "Parliament may in exercise of its constituent power amend by way of addition, variation or repeal any provision of this Constitution in accordance with the procedure laid down in this Article." অর্থাৎ ভাৰতীয় সংসদে ইয়াৰ সাংবিধানিক ক্ষমতা প্রয়োগৰ জৰিয়তে সংবিধান সংশোধন কৰিব পাৰে। উল্লেখনীয়ভাৱে ভাৰতীয় সংবিধানৰ বিভিন্ন ব্যৱস্থাসমূহ সংশোধনৰ কাৰণে তিনিধৰণৰ পদ্ধতি অন্তর্ভুক্ত কৰিছে।

১১.৩.১ ভাৰতীয় সংবিধান সংশোধনৰ পদ্ধতিসমূহ

ভাৰতীয় সংবিধান সংশোধনৰ কাৰণে অনুচ্ছেদ নং ৩৬৮ত তিনিটা পদ্ধতি উল্লেখ কৰা হৈছে। ভাৰতীয় সংবিধানৰ বহুবিলাক অনুচ্ছেদ সাধাৰণ আইন প্রণয়ন পদ্ধতিৰে সংসদে সংশোধন কৰিব পাৰে। কিছুমান অনুচ্ছেদ সংশোধন কৰিবলৈ সংসদৰ বিশেষ সংখ্যাগৰিষ্ঠতাৰ প্রয়োজন। আনহাতে, কিছুমান অনুচ্ছেদ সংশোধনৰ ক্ষেত্রত সংসদৰ উভয় সদনৰ দুই-তৃতীয়াংশ উপস্থিত সদস্যৰ সমর্থনৰ উপৰি আধাসংখ্যক ৰাজ্যিক বিধান মণ্ডলে সন্মতি আগবঢ়াব লাগে।

সংশোধনৰ প্রথম পদ্ধতি ঃ সংবিধানৰ কিছুমান অনুচ্ছেদ সাধাৰণ আইন প্রণয়ন প্রক্রিয়াৰ দৰে সংশোধন ঘটাব পাৰি। ইয়াৰ বাবে কোনো বিশেষ পদ্ধতিৰ প্রয়োজনীয়তা নাই। এই অনুচ্ছেদবোৰ সংসদৰ দুয়ো সদনৰ পৃথক পৃথক সাধাৰণ সংখ্যাগৰিষ্ঠ সদস্যৰ সমর্থনত এনে সংশোধন অনুমোদিত হয় যাৰ বাবে ৰাজ্যৰ অনুমোদনৰ প্রয়োজনীয়তা নাথাকে।

নতুন ৰাজ্যৰ অন্তর্ভুক্তি বা নতুন ৰাজ্যৰ গঠন বা ৰাজ্যৰ সীমা সলনি কৰা, পৰিসীমা বা নাম সলনি কৰা, নাগৰিকত্ব অর্জন আৰু সমাপ্তিৰ বিষয়ৰ লগত জড়িত সংবিধানৰ দ্বিতীয় অধ্যায়, সমষ্টিৰ সীমা নির্ধাৰণ, সংসদৰ থূল (কোৰাম), সংসদৰ সদস্যসকলৰ বিশেষাধিকাৰ আৰু তেওঁলোকৰ দৰমহা আৰু ভাট্টা, উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ নিযুক্তি, উচ্চতম ন্যায়ালয়ৰ অধিকাৰ ক্ষেত্র, ৰাজ্যৰ উচ্চ সদন সৃষ্টি বা বিলুপ্ত কৰা, দেশৰ চৰকাৰী ভাষা, সংবিধানৰ দ্বিতীয়, পঞ্চম আৰু ষষ্ঠ অনুসূচী ইত্যাদি এই পদ্ধতিৰ দ্বাৰা সংশোধন কৰিব পাৰি।

দ্বিতীয় পদ্ধতি ঃ ভাৰতীয় সংবিধানৰ অধিক সংখ্যক ব্যৱস্থা সংশোধন কৰাৰ ক্ষেত্ৰত আপেক্ষিকভাৱে এক জটিল পদ্ধতি (rigid method) অৱলম্বন কৰা হয় আৰু সংসদৰ উভয় সদনত পৃথক পৃথককৈ বিশেষ সংখ্যাগৰিষ্ঠতা লাভ কৰিলে সংবিধান সংশোধনী কাৰ্যকৰী হয়। সংসদৰ উভয় সদনৰ যিকোনা সদনতে এনে সংশোধনী বিধেয়ক উত্থাপিত হ'ব পাৰে আৰু প্ৰত্যেক সদনৰ উপস্থিত সদস্যৰ দুই-তৃতীয়াংশ আৰু সংসদৰ মুঠ সদস্যৰ অধিকাংশই সমৰ্থন জনালে সংশোধনী বিধেয়ক ৰাষ্ট্ৰপতিৰ অনুমোদনৰ কাৰণে পঠোৱা হয়।

ভাৰতীয় সংবিধান সংশোধনৰ তৃতীয় পদ্ধতি ঃ সংবিধানত কিছুমান বিষয় আছে যিবোৰ এক যথেষ্ট কঠিন পদ্ধতিৰে সংশোধন কৰা হয়। এই পদ্ধতিত সংসদৰ বিশেষ সংখ্যাগৰিষ্ঠতাৰ উপৰিও আধাসংখ্যক ৰাজ্যৰ সমৰ্থনৰ প্ৰয়োজন। এই পদ্ধতিৰ লগত দুটা পৰ্যায় জড়িত আছে— প্ৰথম পৰ্যায়ত প্ৰস্তাৱিত সংশোধনী বিধেয়কখন মুঠ সদস্যৰ সংখ্যাগৰিষ্ঠতা আৰু প্ৰতিখন সদনত উপস্থিত আৰু ভোটদান কৰা সদস্যৰ দুই তৃতীয়াংশ সংখ্যাগৰিষ্ঠতাৰে গৃহীত হ'ব লাগিব। দ্বিতীয় পৰ্যায়ত এই বিধেয়কত ৰাজ্যসমূহৰ আধা সংখ্যক বিধান সভাৰ সন্মতিত থাকিব লাগিব। ৰাষ্ট্ৰপতিৰ নিৰ্বাচন, কেন্দ্ৰ আৰু ৰাজ্যৰ কাৰ্যবাহী ক্ষমতাৰ ব্যাপ্তি, কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ উচ্চ ন্যায়ালয়, ৰাজ্যৰ উচ্চ ন্যায়ালয়ৰ বিষয়ে উল্লেখ থকা ষষ্ঠ অধ্যায়ৰ পঞ্চম অংশ, সপ্তম অনুসূচীত উল্লেখ থকা সকলোবোৰ বিষয়, সংসদত ৰাজ্যসমূহৰ প্ৰতিনিধিত্বৰ সৈতে জড়িত বিষয়সমূহ,অনুচ্ছেদ ৩৬৮ ইত্যাদি বিষয়সমূহ এই অতি কঠিন পদ্ধতিৰে সংশোধন কৰিব পাৰি।

১১.৩.২ ভাৰতীয় সংবিধান সংশোধনী প্ৰক্ৰিয়াৰ সমালোচনা

ভাৰতীয় সংবিধান সংশোধনী প্ৰক্ৰিয়াৰ ওপৰত বিভিন্ন মহলে বিভিন্ন মত প্ৰকাশ কৰিছে। তলত কেইটামান সমালোচনা আগবঢ়োৱা হ'ল -

- সমালোচকসকলে মত পোষণ কৰিছে যে ভাৰতীয় সংবিধানখন সঘনে সংশোধন কৰাৰ ফলত ইয়াৰ প্ৰকৃত চৰিত্ৰ লোপ পাব। সংবিধান কাৰ্যকৰী হোৱাৰ দিনৰ পৰা আজিলৈকে অনেকবাৰ ভাৰতীয় সংবিধানৰ বিভিন্ন অনুচ্ছেদ সংশোধন কৰা হৈছে।
- সংবিধান অনুযায়ী ভাৰতীয় যুক্তৰাষ্ট্ৰৰ কেন্দ্ৰীয় সংসদেহে সংবিধান সংশোধনৰ অধিকাৰী। ৰাজ্যসমূহক এনে ক্ষমতা প্ৰদান কৰা হোৱা নাই। সংবিধান সংশোধনী বিধেয়ক সংসদৰ যিকোনো এখন সদনতহে উত্থাপিত হ'ব পাৰে।
- সাধাৰণ সংখ্যাগৰিষ্ঠতা নাইবা বিশেষ সংখ্যাগৰিষ্ঠতা জৰিয়তে সংসদে ভাৰতীয় সংবিধানৰ অধিক সংখ্যক ব্যৱস্থা সংশোধন কৰিব পাৰে।
- সমালোচকসকলৰ মতে সংবিধান সংশোধনী বিধেয়ৰ ওপৰত সংসদৰ উভয় সদনৰ মাজত বিতৰ্ক আৰম্ভ হ'লে ভাৰতীয় সংবিধানে এক নিষ্ক্ৰিয় ভূমিকা পালন কৰে।
- উচ্চতম ন্যায়ালয়ে ন্যায়িক সমীক্ষা ক্ষমতাৰ যোগেদি সংশোধনী বিধেয়ক অগ্ৰাহ্য কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভাৰতীয় সংবিধানত তিনিটা সংবিধান সংশোধনী পদ্ধতিৰ উল্লেখ আছে। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ২ ঃ ভাৰতীয় সংবিধানৰ কোনটো অনুচ্ছেদ সংবিধান সংশোধন প্রক্রিয়াৰ লগত জড়িত?

.....

প্রশ্ন নং ৩ ঃ সংবিধানৰ মূল গাঁথনিৰ লগত জড়িত উচ্চতম ন্যায়ালয়ৰ দুটা গোচৰৰ নাম উল্লেখ কৰক?

.....

.....

.....

.....

প্রশ্ন নং ৪ ঃ সংবিধান সংশোধনী বিধেয়কৰ ওপৰত ভাৰতৰ ৰাষ্ট্রপতিয়ে ভেটো ক্ষমতা প্রয়োগ কৰিব পাৰে। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ৫ ঃ ভাৰতীয় সংবিধানত অন্তর্ভুক্ত তিনিটা সংবিধান সংশোধনী পদ্ধতিৰ বিষয়ে আলোচনা আগবঢ়াওক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

১১.৪ ভাৰতীয় সংবিধানৰ কিছুমান গুৰুত্বপূর্ণ সংশোধনীৰ অৱলোকন

পৰিবর্তিত সময় আৰু সমাজৰ প্রয়োজনীয়তা পূৰণ কৰিবলৈ ভাৰতীয় সংবিধানখন সময়ে সময়ে সংশোধন কৰা হৈছে। সংশোধনী আইনসমূহৰ মুখ্য বিষয়সমূহৰ ওপৰত গুৰুত্ব দি ভাৰতীয় সংসদৰ দ্বাৰা গৃহীত সংবিধানৰ কেইটামান গুৰুত্বপূর্ণ সংশোধনী তলত দিয়া হৈছে।

সংবিধান (প্রথম সংশোধনী) আইন, ১৯৫১

- ৰাজ্যক সামাজিক আৰু অর্থনৈতিকভাৱে পিছপৰা শ্রেণীৰ উন্নতিৰ বাবে বিশেষ ব্যৱস্থা কৰাৰ ক্ষমতা প্রদান কৰা হৈছিল।
- এই সংশোধনীয়ে বাক আৰু মত প্রকাশৰ স্বাধীনতাত বাধা প্রদান কৰা আৰু জমিনদাৰী প্রথাৰ বিলুপ্তি আইন বৈধতা বা বজাই ৰখাৰ উপায় অৱলম্বন কৰিছিল।
- এই সংশোধনী আইনৰ দ্বাৰা সংবিধানত নৱম অনুসূচী সন্নিবিষ্ট কৰা হৈছিল।

সংবিধান (সপ্তম সংশোধনী) আইন, ১৯৫৫

■ দুখন বা তাতোধিক ৰাজ্যৰ বাবে এখন উমৈহতীয়া উচ্চ ন্যায়ালয়ৰ ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছিল।

■ ই প্ৰচলিত থকা ABCD শ্ৰেণীৰ ৰাজ্যৰ শ্ৰেণীবোৰ বিলুপ্ত কৰে। এইবোৰক পুনৰ ১৪ খন ৰাজ্য আৰু ৬ খন কেন্দ্ৰীয় শাসিত আইন গঠিত হৈছিল।

■ এই আইনখনে কেন্দ্ৰীয় শাসিত আইনৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল।

সংবিধান (চতুৰ্থ সংশোধনী) আইন, ১৯৭১

■ সংসদক মৌলিক অধিকাৰকে ধৰি সংসদৰ যিকোনো অংশ সংশোধন কৰিবলৈ ক্ষমতা প্ৰদান কৰা হৈছিল।

■ সংবিধান সংশোধনী বিধেয়কত ৰাষ্ট্ৰপতিৰ সন্মতি বাধ্যতামূলক কৰা হৈছিল।

সংবিধান (চল্লিছতম সংশোধনী) আইন, ১৯৭৬

ই হৈছে এতিয়ালৈকে ভাৰতীয় সংবিধানৰ আটাইতকৈ বিস্তৃত সংশোধনী আইন আৰু ইয়াক "ক্ষুদ্ৰ অভিধান" বুলিও কোৱা হয়। এই সংশোধনী আইনৰ কিছুমান ব্যৱস্থা হ'ল—

■ প্ৰস্তাৱনাত তিনিটা নতুন শব্দ (সমাজতান্ত্ৰিক, ধৰ্ম নিৰপেক্ষ আৰু সংস্কৃতি) সন্নিৱিষ্ট কৰা হৈছিল।

■ নাগৰিকসকলৰ বাবে মৌলিক কৰ্তব্যৰ এখন তালিকাৰ অন্তৰ্ভুক্ত কৰা হৈছিল।

■ উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ৰ ন্যায়িক সমীক্ষা আৰু লেখ জাৰি কৰাৰ ক্ষমতা হ্ৰাস কৰা হৈছিল।

■ কেবিনেটৰ পৰামৰ্শৰ দ্বাৰা ৰাষ্ট্ৰপতিক আবদ্ধ কৰা হৈছিল।

■ লোকসভা আৰু ৰাজ্যিক বিধান সভাৰ কাৰ্যকাল ৫ বছৰৰ পৰা ৬ বছৰলৈ বৃদ্ধি কৰা হৈছিল।

■ নিৰ্দেশক নীতি ৰূপায়ণৰ উদ্দেশ্যে প্ৰস্তুত কৰা আইনবোৰ আদালতে মৌলিক উলংঘনৰ ভিত্তিত অবৈধ বুলি ঘোষণা কৰিব নোৱাৰিব।

সংবিধান (৪৪ তম সংশোধনী) আইন, ১৯৭৮

■ লোকসভা আৰু ৰাজ্যিক বিধান সভাৰ কাৰ্যকাল পুনৰ ৫ বছৰলৈ হ্ৰাস কৰা হৈছিল।

■ সম্পত্তিৰ অধিকাৰক মৌলিক অধিকাৰৰ তালিকাৰ পৰা বিলোপ কৰা হৈছিল আৰু ইয়াক আইনী অধিকাৰ হিচাপে স্বীকৃতি দিয়া হৈছিল। অনুচ্ছেদ ২০আৰু ২১ ৰ দ্বাৰা সুনিশ্চিত অধিকাৰসমূহ জাতীয় জৰুৰী অৱস্থাৰ সময়ত বাতিল কৰিব নোৱাৰিব।

সংবিধান (৬১ তম সংশোধনী) আইন, ১৯৮৯

■ লোকসভা আৰু বিধান সভা নিৰ্বাচনৰ ভোটদানৰ বয়স ২১ বছৰৰ পৰা ১৮ বছৰলৈ হ্ৰাস কৰা হৈছিল।

সংবিধান (৭৪ তম সংশোধনী) আইন, ১৯৯২

■ নগৰ স্থানীয় শাসনৰ অনুষ্ঠানক সাংবিধানিক মৰ্যদা প্ৰদান। এই সংশোধনী সংবিধানত "পৌৰসভা" শীৰ্ষক এটা নতুন অধ্যায় "IX A" আৰু ১৮ টা বিষয় অন্তৰ্ভুক্ত থকা দ্বাদশ

অনুসূচী সংযোগ কৰে।

জাতীয় জৰুৰী অৱস্থাবোৰৰ ক্ষেত্ৰত "আভ্যন্তৰীণ বিদ্রোহ" শব্দটো 'সশস্ত্র বিদ্রোহ'ৰ দ্বাৰা সলনি কৰা হৈছে।

সংবিধান (৮৬ তম সংশোধনী) আইন, ১৯৯২

■ প্রাথমিক শিক্ষা, অর্থাৎ ৬ ৰ পৰা ১৪ বছৰৰ ভিতৰৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্রদান কৰা। 51A ৰ অধীনত থকা এক নতুন মৌলিক কর্তব্যৰ অন্তর্ভুক্ত কৰা হৈছিল।

সংবিধান (১০১ তম সংশোধনী) আইন, ২০১৭

এই সংশোধনীৰ জৰিয়তে সামগ্রী আৰু সেৱা কৰ (GST) ৰ প্রৱর্তন কৰা হৈছিল।

সংবিধান (১০৩ তম সংশোধনী) আইন, ২০১৯

এই সংশোধনীয়ে স্বাধীন ভাৰতত পোন প্রথমবাৰৰ বাবে অর্থনৈতিকভাৱে দুর্বল শ্রেণীৰ বাবে ৰাজহুৱা নিযুক্তিৰ ক্ষেত্রত ১০% সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছিল।

সংবিধান (১০৬ তম সংশোধনী) আইন, ২০২৩

ই লোক সভা আৰু ৰাজ্যিক বিধান সভাত মহিলাৰ বাবে ৩৩% সংৰক্ষণৰ ব্যৱস্থা কৰা।

সংবিধান (৭৩ তম সংশোধনী) আইন, ২০২৩

পঞ্চায়তীৰাজ অনুষ্ঠানসমূহক সংবিধান মর্যদা প্রদান কৰা হৈছিল। এই সংশোধনী আইনখনে 'পঞ্চায়ত' শীর্ষক এক নতুন অধ্যায়— 'IX' যোগ।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন ঃ ৬১৯৭৬ চনৰ ৪২ তম সংশোধনীৰ যিকোনো দুটা ব্যৱস্থা উল্লেখ কৰা?

প্রশ্ন ঃ ৭ সংবিধানৰ ৪৪ তম সংশোধনীৰ আইন কেতিয়া গৃহীত হৈছিল?

প্রশ্ন ঃ ৮ ১৯৯২ চনৰ ৭৩ তম সংশোধনীৰ আইনৰ দ্বাৰা সংবিধানত কোনটো অংশ কৰা সংযোগ কৰা হৈছিল?

প্রশ্ন ঃ ৯ সংবিধানৰ ১০৬ তম সংশোধনী আইন কিহৰ লগত জড়িত?



১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় সংবিধানক নমনীয় আৰু অনমনীয়তাৰ এক অপূর্ব সংমিশ্রন বুলিব পাৰি। আমাৰ এই সংবিধানখনত নমনীয়তা আৰু অনমনীয়তাৰ মাজত ভাৰসাম্য ৰক্ষা কৰাৰ প্রয়াস কৰা হৈছে।

- ভাৰতীয় সংবিধানৰ ৩৬৮নং অনুচ্ছেদত সংবিধান সংশোধনী প্ৰক্ৰিয়াৰ বিষয়ে আলোচনা কৰা হৈছে। ভাৰতীয় সংবিধানৰ বিভিন্ন ব্যৱস্থাসমূহ সংশোধনৰ কাৰণে তিনিধৰণৰ পদ্ধতি অন্তৰ্ভুক্ত কৰিছে।
- ভাৰতীয় সংবিধানৰ সংবিধান সংশোধনী প্ৰক্ৰিয়াৰ প্ৰথম পদ্ধতি অৱলম্বন কৰি সংসদে সংবিধানৰ কিছুমান ব্যৱস্থা সাধাৰণ আইন প্ৰণয়ন পদ্ধতিৰে সংশোধন কৰিব পাৰে। সংসদৰ উভয় সদনত সাধাৰণ সংখ্যাগৰিষ্ঠতাৰ জৰিয়তে এনে ব্যৱস্থাসমূহ সংশোধন কৰিব পাৰে।
- ভাৰতীয় সংবিধানৰ অধিক সংখ্যক ব্যৱস্থা সংশোধন কৰাৰ ক্ষেত্ৰত আপেক্ষিকভাৱে এক জটিল পদ্ধতি (rigid method) অৱলম্বন কৰা হয় আৰু সংসদৰ উভয় সদনত পৃথক পৃথককৈ বিশেষ সংখ্যাগৰিষ্ঠতা লাভ কৰিলে সংবিধান সংশোধনী কাৰ্যকৰী হয়। সংসদৰ উভয় সদনৰ যিকোনা সদনতে এনে সংশোধনী বিধেয়ক উত্থাপিত হ'ব পাৰে আৰু প্ৰত্যেক সদনৰ উপস্থিত সদস্যৰ দুই-তৃতীয়াংশ আৰু সংসদৰ মুঠ সদস্যৰ অধিকাংশই সমৰ্থন জনালে সংশোধনী বিধেয়ক ৰাষ্ট্ৰপতিৰ অনুমোদনৰ কাৰণে পঠোৱা হয়।
- ভাৰতীয় সংবিধানত অন্তৰ্ভুক্ত কিছুমান ব্যৱস্থাৱলী সংশোধনৰ ক্ষেত্ৰত এক অতি জটিল পদ্ধতি (very rigid method) গ্ৰহণ কৰা হয়। এনে জটিল পদ্ধতিৰ অধীনত সংশোধনী বিষয়ত সংসদত বিশেষ সংখ্যাগৰিষ্ঠতাত অনুমোদিত হোৱাৰ উপৰি আধাসংখ্যক ৰাজ্যই সন্মতি প্ৰদান কৰিব লাগে।
- ভাৰতীয় সংবিধান সংশোধনী প্ৰক্ৰিয়াৰ ওপৰত বিভিন্ন মহলে বিভিন্ন মত প্ৰকাশ কৰিছে। সংবিধান অনুযায়ী কেন্দ্ৰীয় সংসদেহে সংবিধান সংশোধনৰ অধিকাৰী। ৰাজ্যসমূহক এনে ক্ষমতা প্ৰদান কৰা হোৱা নাই।
- সংবিধান প্ৰণেতাসকলে ভাৰতীয় সংবিধান প্ৰস্তুত কৰাৰ সময়ত আমেৰিকাৰ সংবিধানৰ পৰা কিছুমান বৈশিষ্ট ধাৰ কৰি আনিছিল। যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট, মৌলিক অধিকাৰ, ইত্যাদি সাংবিধানিক ব্যৱস্থাসমূহৰ আমেৰিকাৰ সংবিধানৰ লগত মিল থকা দেখা যায়। এনেধৰণৰ মিল থকা স্বত্বেও দুয়োখন দেশৰ সংবিধান সংশোধনী প্ৰক্ৰিয়াৰ মাজত অমিল থকা দেখা যায়।
- ভাৰতীয় সংবিধান সংশোধন প্ৰক্ৰিয়াই সদায় সংবিধান প্ৰণেতাসকলৰ আদৰ্শ,
- আশা-আকাংখ্যাক প্ৰতিফলিত কৰে, যিসকলে সময়ৰ পৰিবৰ্তনৰ লগত সংবিধান সংশোধন কৰি সংবিধানৰ মূল চৰিত্ৰ অটুট ৰাখিব বিচাৰিছিল।
- এনে সংশোধনী বিধেয়ক সংসদৰ যিকোনো এখন সভাই প্ৰস্তাৱ কৰিব পাৰে। প্ৰতিখন সদনতে উপস্থিত থকা দুই তৃতীয়াংশ সদস্যই এনে বিধেয়ক গৃহিত কৰিব পাৰে আৰু প্ৰতিখন সদনৰে মুঠ সদস্যৰ সংখ্যাগৰিষ্ঠই ভোট দানৰ জৰিয়তেও এনে বিধেয়ক গৃহিত কৰিব পাৰে (বিশেষ সংখ্যাগৰিষ্ঠতা)।
- ইয়াত দুটা পৰ্যায় জড়িত হৈ থাকে- মুঠ সদস্যসংখ্যাৰ গৰিষ্ঠ সংখ্যকেই প্ৰস্তাৱিত সংশোধনী

বিধেয়কখন গৃহিত কৰিব লাগিব আৰু প্ৰতিখন সদনতে উপস্থিত সদস্যৰ মাজৰ দুই তৃতীয়াংশই বিধেয়কখন গৃহিত কৰিব আৰু বিধেয়কখনৰ সপক্ষত ভোট দিব লাগিব (বিশেষ সংখ্যাগৰিষ্ঠতা)। দ্বিতীয় পৰ্যায়ত এনে একোখন বিধেয়কে ৰাজ্যিক বিধানসভাবোৰৰ ৫০ সদস্যৰ সন্মতি লাভ কৰিব লাগিব।



১১.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০ ।*ভাৰতৰ প্ৰশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শৰ্মা, দুৰ্গা কান্ত , ৰফিক, জামান আৰু শৰ্মা ,ড° পূৰবী ২০০৫ । *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।


৩) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ ২০১১ ।*স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi : Cosmos Bookhive Pvt. Ltd.

2) Ghai, K.K.(2007). *Indian Government and Politics*.New Delhi: Kalyani Publishers.

3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions.*New Delhi : S. Chand and Company.



১১.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰ ঃ শুদ্ধ।

২ নং প্ৰশ্ন উত্তৰ ঃ অনুচ্ছেদ নং ৩৬৮

নং প্ৰশ্ন উত্তৰ ঃ অশুদ্ধ।

৫ নং প্ৰশ্ন উত্তৰ ঃ ভাৰতীয় সংবিধানৰ অনুচ্ছেদ নং ৩৬৮ অনুসৰি তিনিটা সংবিধান সংশোধন পদ্ধতি সন্নিবিষ্ট কৰা হৈছে।

প্ৰথম পদ্ধতি অনুসৰি, সাধাৰণ আইন প্ৰণয়ন পদ্ধতিৰে সংসদৰ উভয় সদনত সংবিধান সংশোধনী বিধেয় সাধাৰণ সংখ্যাগৰিষ্ঠতাত অনুমোদন লাভ কৰিলে সংবিধান সংশোধন কাৰ্যকৰী হয়।

দ্বিতীয় পদ্ধতি অনুসৰি, সংবিধান সংশোধনী বিধেয় সংসদৰ উভয় সদনত বিশেষ সংখ্যাগৰিষ্ঠতা লাভ কৰিব লাগে। এনে পদ্ধতিৰে ভাৰতীয় সংবিধানৰ অধিক সংখ্যক ব্যৱস্থা সংশোধন কৰা হয়।

তৃতীয় পদ্ধতি অনুসৰি, সংবিধান সংশোধনী বিধেয় সংসদৰ উভয় সদনত অনুমোদন লাভ কৰাৰ উপৰি তেনে বিধেয়ত ৰাজ্যসমূহৰ আধাসংখ্যক অনুমোদন দিব লাগে।

৬ নং প্ৰশ্ন উত্তৰ ঃ প্ৰস্তাৱনাত তিনিটা নতুন শব্দ (সমাজতান্ত্ৰিক, ধৰ্ম নিৰপেক্ষ আৰু সংস্কৃতি) সন্নিৰিষ্ট কৰা হৈছিল।

- নাগৰিকসকলৰ বাবে মৌলিক কৰ্তব্যৰ এখন তালিকাৰ অন্তৰ্ভুক্ত কৰা হৈছিল।

৭ নং প্ৰশ্ন উত্তৰ ঃ ১৯৭৮

৮ নং প্ৰশ্ন উত্তৰ ঃ এই সংশোধনী আইনখনে 'পঞ্চায়ত' শীৰ্ষক এক নতুন অধ্যায়— 'IX' যোগ।

৯ নং প্ৰশ্ন উত্তৰ ঃ ই লোক সভা আৰু ৰাজ্যিক বিধান সভাত মহিলাৰ বাবে ৩৩% সংৰক্ষণৰ ব্যৱস্থা কৰা।



১১.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ সংবিধান সভাৰ অন্তৰ্ভুক্ত কোন কোন সদস্যই নমনীয় সংবিধান সংশোধন পদ্ধতিৰ প্ৰতি সমৰ্থন আগবঢ়াইছিল?

প্ৰশ্ন ২ ঃ যিকোনা দুটা বিষয় উল্লেখ কৰক যিবোৰৰ সংশোধনৰ বাবে জটিল পদ্ধতি গ্ৰহণ কৰিবলগীয়া হয়।

(খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সাধাৰণ সংখ্যাগৰিষ্ঠতাৰ জৰিয়তে সংবিধানৰ সংশোধন কৰিব পৰাৰ ব্যৱস্থাৰ বিষয়ে এটি টোকা লিখক।

প্ৰশ্ন ২ ঃ ভাৰতীয় সংবিধানৰ সংশোধনৰ দ্বিতীয় পদ্ধতিৰ বিষয়ে লিখক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ভাৰতীয় সংবিধান সংশোধন প্রক্রিয়াৰ বিষয়ে সমালোচনা আগবঢ়াওক।

প্রশ্ন ২ ঃ আমেৰিকা যুক্তৰাষ্ট্র আৰু ভাৰতবর্ষৰ সংবিধান সংশোধনী প্রক্রিয়াৰ মাজত তুলনামূলক বিশ্লেষণ কৰক।

*** ***** ***

অধ্যায় ১২ ঃ ভাৰতীয় সংবিধানৰ মূল গাঁথনি

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ ভাৰতৰ সংবিধানৰ মূল গাঁথনিৰ সংশোধন সমস্যা
১২.৪ মূল গাঁথনি ধাৰণাৰ সমালোচনা
১২.৫ ভাৰতৰ সংবিধানৰ কেইটামান গুৰুত্বপূৰ্ণ সংশোধনীৰ ওপৰত দৃষ্টিপাত
১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৭ অধিক জানিবলৈ
১২.৮ অগ্রগতিৰ খতিয়ান
১২.৯ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- ভাৰতৰ সংবিধানৰ মূল বা প্ৰাথমিক গাঁথনি সম্পৰ্কে ব্যাখ্যা পাব
- ভাৰতৰ সংবিধানৰ মূল গাঁথনিৰ সংশোধনী সমস্যা পৰীক্ষা কৰিবলৈ পাব
- ভাৰতৰ সংবিধানৰ কেইটামান গুৰুত্বপূৰ্ণ সংশোধনী সম্পৰ্কে আলোচনা কৰিবলৈ পাৰিব

১২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি ভাৰতৰ সংবিধান সংশোধনী পদ্ধতিৰ বিষয়ে আলোচনা কৰি আহিছোঁ। ভাৰতৰ সংবিধান সংশোধন পদ্ধতিটোৰ লগত সম্পৰ্কীত এক গুৰুত্বপূৰ্ণ বিষয় হৈছে সংবিধানৰ মূল গাঁথনি বিষয়টো। সাধাৰণতে মূল গাঁথনি বুলিলে সংবিধানৰ অসংশোধনীয় অংশটোকে অৰ্থাৎ সংসদে সংশোধন কৰিব নোৱাৰা অংশটোকে বুজায়। এই অধ্যায়ত আমি সংবিধানৰ মূল গাঁথনিনো কি? ভাৰতৰ সংবিধানৰ মূল গাঁথনিৰ সংশোধনী সমস্যা ক'ত? আদি বিষয়ে আলোচনা আগবঢ়াম। ভাৰতৰ মূল গাঁথনি বিষয়টোৱে বিভিন্ন জনৰ সমালোচনাৰ মুখামুখি হৈছে। আমি এই সমালোচনা সমূহো আলোচনা কৰিম। ইয়াৰ লগতে ভাৰতৰ সংবিধানৰ গুৰুত্বপূৰ্ণ সংশোধনীসমূহৰো আলোচনা আগবঢ়োৱা হ'ব।

১২.৩ ভাৰতৰ সংবিধানৰ মূল গাঁথনিৰ সংশোধনৰ সমস্যা

যি কোনো দেশৰে সংবিধান সেই দেশৰ জনসাধাৰণৰ আশা-আকাংক্ষা আৰু পৰিৱৰ্ত্তিত দাবীসমূহ পূৰণ কৰিব পৰাকৈ নমনীয় হোৱা প্ৰয়োজন। সময় আৰু পৰিস্থিতি স্থিতিশীল নহয়,

এইবোৰ সদায় গতিশীল। সময় আৰু পৰিস্থিতিৰ পৰিবৰ্তনৰ লগে লগে জনসাধাৰণৰ আশা-আকাংক্ষা আৰু প্ৰয়োজনীয়তাসমূহবো পৰিবৰ্তন ঘটে। জনসাধাৰণৰ এই পৰিবৰ্তিত প্ৰয়োজনীয়তাসমূহ পূৰণ কৰাৰ কাৰণেই যিকোনো দেশৰ সংবিধান সংশোধনক্ষম হ'ব লাগে। ভাৰতৰ সংবিধান প্ৰস্তুত কৰ্তাসকলে এই কথা উপলব্ধি কৰিয়ে সংবিধানত সংশোধন প্ৰক্ৰিয়াৰ সুবিধা প্ৰদান কৰিছে। সংবিধানৰ ৩৬৮ দফাত তিনি ধৰণৰ সংশোধনী প্ৰক্ৰিয়াৰ উল্লেখ আছে। সংবিধান প্ৰণেতাসকলে নমনীয় আৰু দৃঢ় দুয়ো ধৰণৰ সংশোধনীয়ে আগবঢ়াইছে। সংবিধান সংশোধনীৰ নমনীয় পদ্ধতিৰ বাবেই সংবিধানৰ মূল গাঁথনিৰ সংশোধনৰ ওপৰত প্ৰশ্ন উত্থাপিত হয়। সংবিধানৰ মূল গাঁথনি ধাৰণাটোৱে ১৯৭৩ চনৰ কেৰালা ৰাজ্য বনাম কেশৱানন্দ ভাৰতী গোচৰ সংক্ৰান্তত উচ্চতম ন্যায়ালয়ে দিয়া ৰায়ৰ যোগেদি গতি লাভ কৰে। ভাৰতৰ সংবিধানৰ মূল গাঁথনি সংশোধন বিষয়টো বিশ্লেষণ কৰাৰ আগতে আমি মূল গাঁথনি নো কি সেয়া জনাটো অতি প্ৰয়োজন। সাধাৰণভাৱে ক'বলৈ গ'লে মূল গাঁথনিয়ে সংবিধানৰ বিশেষ অংশক বুজায়। যি অংশ সংসদৰ সংশোধনী ক্ষমতাৰ পৰা সুৰক্ষিত।

কিন্তু সংবিধানে ইয়াৰ মূল গাঁথনি সম্পৰ্কে কোনো স্পষ্ট সংজ্ঞা দাঙি ধৰা নাই। সংবিধানৰ কোনটো অংশৰ মূল গাঁথনি বোলা যাব, তাৰ সিদ্ধান্ত লোৱাৰ দায়বদ্ধতা ভাৰতৰ ন্যায় পালিকাৰ হাতত ন্যস্ত কৰা হৈছে।

মূল গাঁথনিক সংবিধানৰ গুৰুত্বপূৰ্ণ অংশ বিবেচনা কৰা হয়, যি সংবিধানৰ মৌলিক চৰিত্ৰসমূহ প্ৰদৰ্শন কৰে। বিভিন্ন ধৰণৰ আইনী ৰায়ত ভাৰতৰ সংবিধানৰ মূল গাঁথনিৰ ব্যাখ্যা আগবঢ়োৱাৰ চেষ্টা কৰা হৈছে। উদাহৰণ স্বৰূপে, মুখ্য ন্যায়াধীশ চিক্ৰীয়ে (Sikri)মূল গাঁথনিৰ পাঁচটা বিশেষ বৈশিষ্ট্যৰ কথা কৈছে যথা- গণৰাজ্যিক আৰু গণতান্ত্ৰিক চৰকাৰ গঠন পদ্ধতি সংবিধানৰ ধৰ্মনিৰপেক্ষ গুণ, সংবিধানক সৰ্বোচ্চৰূপত উপস্থাপন কাৰ্যপালিকা, ন্যায়পালিকা আৰু বিধান মণ্ডলৰ মাজত ক্ষমতাৰ পৃথকীকৰণ। সংবিধানৰ যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্য।

কেশৱানন্দ ভাৰতী গোচৰৰ সময়ত ভাৰতৰ সংবিধানৰ মূল গাঁথনি ধাৰণাটো গঢ় লৈ উঠে। ১৯৭৩ চনত কেশৱানন্দ ভাৰতী আৰু কেৰালা চৰকাৰৰ মাজৰ গোচৰটো আদালতত চলি থকা অৱস্থাত ভাৰতৰ সংবিধানৰ মূল গাঁথনি সংশোধনৰ ওপৰত প্ৰশ্ন উত্থপিত হয়। উচ্চতম ন্যায়ালয়ে সংসদৰ সংবিধান সংশোধনী ক্ষমতাৰ ওপৰত আপত্তি (Challenge) তোলে আৰু সংবিধানৰ মূল গাঁথনি অসংশোধনীয় বুলি ৰায় দিয়ে। এই ঐতিহাসিক ৰায়দানত ভাৰতৰ উচ্চতম ন্যায়ালয়ে পূৰ্বতে কৰা বহু সংখ্যক সংশোধনীৰ ওপৰতো আপত্তি দৰ্শায় বা প্ৰশ্ন তোলে। ভাৰতৰ উচ্চতম ন্যায়ালয়ে সামাজিক ন্যাযৰ ক্ষেত্ৰত নিজৰ সিদ্ধান্তকো পৰ্যালোচনা কৰে। যদিও গোলক নাথ গোচৰৰ ৰায়দানত সংসদে মৌলিক অধিকাৰসমূহ সংশোধন কৰিব পাৰে বুলি কোৱা হয়, কিন্তু ১৯৭৩ চনত কেশৱানন্দ ভাৰতী গোচৰৰ ৰায়দানত সংসদে সংবিধানৰ মূল গাঁথনি সংশোধন কৰিব নোৱাৰে বুলি ঘোষণা কৰে। এই গোচৰতে উচ্চতম ন্যায়ালয়ে সংবিধানৰ ২৪,২৫ আৰু ২৯ সংখ্যক সংশোধনীৰ ওপৰত আপত্তি দৰ্শায়। কেশৱানন্দ ভাৰতী গোচৰৰ ঐতিহাসিক ৰায়দানে সংসদৰ সংশোধনী ক্ষমতা অনাকাংক্ষিত ভাৱে হ্ৰাস কৰে।

১৯৮০ চনৰ মিৰ্নাভা মিল্চ গোচৰ সংক্ৰান্তত উচ্চতম ন্যায়ালয়ত পুনৰ সংবিধানৰ মূল গাঁথনি প্ৰশ্নটো উত্থাপিত হয়। এই গোচৰত উচ্চতম ন্যায়ালয়ে লক্ষ্য কৰে যে যদিও সংবিধানে সংসদক সংশোধনী ক্ষমতা প্ৰদান কৰিছে, তথাপি সংসদে এই ক্ষমতা সাৰ্বভৌম ৰূপত প্ৰয়োগ কৰিব নোৱাৰে। সংসদে সংবিধানৰ মূল গাঁথনি সংশোধন কৰিব নোৱাৰে, যাতে সংবিধানৰ প্ৰকৃত সত্ত্বাটোৰ কোনো ধৰণৰ পৰিবৰ্তন নঘটে। উচ্চতম ন্যায়ালয়ে ঘোষণা কৰে যে সংবিধান সংশোধনৰ বাবে সংসদৰ সীমাবদ্ধ ক্ষমতা ভাৰতৰ সংবিধানৰ আন এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। এইটোও কোৱা হয় যে, সংসদে অনা সংশোধনীৰ সংবিধানিক বৈধতাৰ ওপৰত যদি ন্যায়ালয়ৰ মত প্ৰকাশৰ অনুমতি নাথাকে তেতিয়া নাগৰিকৰ মৌলিক অধিকাৰ সমূহো ব্যৰ্থ হ'ব।

এইধৰণে প্ৰথম কেশৱানন্দ ভাৰতী গোচৰৰ পৰা আৰম্ভ কৰি বিভিন্ন ঐতিহাসিক গোচৰ, যেনে- ইন্দিৰা গান্ধী বনাম ৰাজ নাৰায়ন, মিনার্ভা মিলচ্ গোচৰ আদি সংক্ৰান্তত 'সংবিধানৰ মূল গাঁথনি' তত্ত্বটো সম্প্ৰসাৰিত আৰু তৰ্কৰ বিষয় হৈ আহিছে। যিহেতু সংবিধানে নিজেও ইয়াৰ মূল গাঁথনি সম্পৰ্কে স্পষ্টকৈ একো কোৱা নাই। সেয়েহে এই বিষয়টো সমালোচনা আৰু তৰ্কৰ অন্তৰ্ভুক্ত হৈছে।

১২.৪ মূল গাঁথনি ধাৰণাৰ সমালোচনা

ভাৰতৰ 'সংবিধানৰ মূল গাঁথনি' সন্দৰ্ভত সমালোচক সকলে বিভিন্ন সমালোচনা আগবঢ়াইছে। সেইবোৰৰ ভিত্তিসমূহ এনেধৰণৰ-

(ক) ভাৰতৰ সংবিধানৰ বিভিন্ন বিধান ব্যৱস্থাৰ অন্তৰ্গত আনুষ্ঠানিক বিষয়বস্তুৰৰ কোনখিনি মূল বা প্ৰাথমিক আৰু কোনখিনি গৌন বৈশিষ্ট্য তাক নিৰ্ধাৰণ কৰা কঠিন হৈ পৰে। মূল্য আৰু বৈশিষ্ট্য বা গুণ দুয়োটা পৃথক বস্তু।

(খ) পৰিবেশৰ পৰিবৰ্তনৰ লগত খাপ খোৱাকৈ সংবিধান প্ৰনেতাসকলে ভাৰতীয় সংবিধানকো গতিশীল চাৰিত্ৰিক বৈশিষ্ট্য প্ৰদান কৰাৰ পোষকতা কৰিছিল। সমাজৰ প্ৰয়োজনৰ লগত মিলাই সংবিধান পৰিৱৰ্তনশীল হ'ব লাগে। সেয়েহে সমালোচকসকলে ক'ব বিচাৰে যে যদিহে সমাজৰ প্ৰয়োজৰ লগত সংগতি ৰাখি সংবিধানৰ যিকোনো সালসলনি থাকে। তেন্তে সেয়া সংবিধানৰ মূল গাঁথনিৰ অন্তৰ্ভুক্ত। সেয়েহে এইবোৰো সংশোধন ক্ষম হ'ব লাগে। কিন্তু সামাজিক-অৰ্থনৈতিক পৰিবৰ্তনৰ পৰিপ্ৰেক্ষিতত আমি যদি সংবিধানৰ মূল গাঁথনিৰ সালসলনি ঘটাও সংবিধানৰ মূল্য বা গুৰুত্ব কমি যাব।

(গ) ন্যায়পালিকা 'সংবিধানৰ মূল গাঁথনিৰ' স্পষ্ট সংজ্ঞা দিবলৈ অক্ষম। সেয়েহে সংবিধানৰ মূল গাঁথনি চিনাক্ত কৰিবলৈ পৰৱৰ্তী ন্যায়িক বিচাৰ পীঠক দায়িত্ব প্ৰদান কৰিছে। সংবিধানৰ মূল গুৰুত্ব সুৰক্ষাৰ বাবে ন্যায়ধীশসকলৰ বিভিন্ন আইনী আদেশ পৰ্যালোচনাৰ প্ৰয়োজন হয়। কিন্তু এইখিনিতে বিতৰ্কৰ সূত্ৰপাত হৈছে। কাৰণ সংসদে

সংশোধনী প্ৰস্তাৱ লওঁতে ই সংবিধানৰ মূল গাঁথনিৰ ওপৰত প্ৰভাৱ পেলাইছে নে নাই পেলোৱা তাৰ চূড়ান্ত সিদ্ধান্ত লোৱাৰ অধিকাৰ ন্যায়পালিকাৰহে আছে। কিন্তু একে সময়তে সংবিধান প্ৰণেতাসকলে ভাৰতক এখন সংসদীয় গণতন্ত্ৰ হিচাপে গ্ৰহণ কৰিছে। সেইফালৰ পৰা সংসদৰ বৈশিষ্ট্যপূৰ্ণ ভূমিকা আছে। যদিও সংবিধান সংশোধনৰ ক্ষমতা সংসদৰ কিন্তু চূড়ান্ত সিদ্ধান্ত লোৱাৰ ক্ষমতা থাকে উচ্চতম ন্যায়ালয়ৰ। ইয়েই সংসদ আৰু উচ্চতম ন্যায়ালয়ৰ মাজত সংকটৰ সৃষ্টি কৰে।

ভাৰতৰ সংবিধানক ভূমিখণ্ডৰ সৰ্ব্বোচ্চ আইন হিচাপে বিবেচনা কৰা হয় আৰু সংবিধানৰ সৰ্বোচ্চতাক ভাৰতীয় ৰাজনৈতিক প্ৰক্ৰিয়াৰ এক স্বকীয় বৈশিষ্ট্য বুলিব পাৰি। ভাৰতৰ সংবিধানত সন্নিৱিষ্ট আইনৰ ৰক্ষনাবেক্ষনৰ মুখ্য দায়িত্ব ন্যায়পালিকাৰ। সেয়েহে ন্যায়পালিকাই সংবিধানক ৰক্ষনাবেক্ষণ দিয়ে।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ১ ঃ কোনটো বছৰত সংবিধানৰ মূল গাঁথনি ধাৰণাটোৱে ভাৰতত গতি লাভ কৰে?

.....

প্ৰশ্ন নং ২ ঃ সংবিধানৰ কোনটো অংশ মূল গাঁথনি হিচাপে বিবেচনা কৰা হ'ব সেইটো সিদ্ধান্ত কৰাৰ দায়িত্ব অৰ্পন কৰা হৈছে..... ওপৰত। (খালী ঠাই পূৰা কৰক)

.....

প্ৰশ্ন নং ৩ ঃ মুখ্য ন্যায়াধীশ চিক্ৰীৰ মতে সংবিধানৰ মূল গাঁথনিৰ লগত জড়িত বৈশিষ্ট্যসমূহ কি কি?

.....

প্ৰশ্ন নং ৪ ঃ সংবিধানৰ মূল গাঁথনি ধাৰণাৰ বিপৰীতে থকা যিকোনো দুটা সমালোচনা চমুকৈ লিখক।

.....

.....

১২.৫ ভাৰতৰ সংবিধানৰ কেইটামান গুৰুত্বপূৰ্ণ সংশোধনীত দৃষ্টিপাত

ভাৰতৰ সংবিধান গৃহীত কৰাৰ সময়ৰ পৰা বৰ্ত্তমানলৈকে বিভিন্ন সময়ত বহু কেইটা ভাৰতৰ সংবিধানৰ সংশোধনী ঘটোৱা হৈছে। এই সংশোধনীসমূহে ভাৰতৰ ৰাজনৈতিক পদ্ধতিলৈ বহুখিনি পৰিবৰ্তন আনিছে। সংবিধানৰ কেইটামান গুৰুত্বপূৰ্ণ সংশোধনী সম্পৰ্কে তলত আলোচনা কৰা হ'ল-

(১) ১৯৫১ চনৰ ভাৰতৰ সংবিধানৰ প্ৰথমটো সংশোধনীৰ জৰিয়তে কেইটামান মৌলিক অধিকাৰ যেনে- আইনৰ আগত সমতাৰ অধিকাৰ, কথা কোৱাৰ স্বাধীনতা, অপপ্ৰয়োগৰ পৰা সুৰক্ষা প্ৰদান কৰা হয়। এই সংশোধনীতে সংবিধানত এটা নতুন অনুসূচী (নৱম অনুসূচী) (Schedule IX) সংযোগ কৰা হয় আৰু এই সূচীত এনে কিছু আইন অন্তৰ্ভুক্ত কৰা হয় যিবোৰ আদালতত আপত্তি দৰ্শাব পৰা নাযায়।

(২) ১৯৫৬ চনৰ সংবিধানৰ ৬ ষ্ঠ সংশোধনীৰ জৰিয়তে সংসদক ৰাষ্ট্ৰৰ বাহিৰত বিক্ৰী বা ৰপ্তানি আৰু আমদানি ব্যৱস্থাটো ব্যাখ্যা বা নিৰ্ধাৰণৰ ক্ষমতা প্ৰদান কৰা হয়। আন্তৰাজ্যিক (inter-state) স্তৰত দ্ৰব্য সামগ্ৰীৰ ৰপ্তানিত ৰাজ্যসমূহৰ কৰ সংগ্ৰহৰ ক্ষমতা বন্ধ কৰে।

(৩) ১৯৫৬ চনৰ সংবিধানৰ ৭ম সংশোধনীৰ জৰিয়তে ভাষাৰ ভিত্তিত ভাৰতত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ পুনৰ গঠনৰ সুবিধা প্ৰদান কৰা হয়।

(৪) ১৯৫৯ চনৰ সংবিধানৰ ৮ম সংশোধনীৰ জৰিয়তে লোকসভা আৰু ৰাজ্য বিধানসভাসমূহত অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু এংলো-ইণ্ডিয়ানসকলৰ বাবে সংৰক্ষণ ব্যৱস্থা ১০ বছৰলৈ বঢ়াই দিয়া হয়।

(৫) ১৯৬০ চনৰ ৯ম সংশোধনীৰ জৰিয়তে ভাৰতৰ প্ৰশাসনীয় অঞ্চলৰ পৰিবৰ্তন ঘটোৱা হয়। সংবিধানৰ প্ৰথম সূচীৰ পৰিবৰ্তনৰ যোগেদি ভাৰত-পাক চুক্তিৰ দ্বাৰা বেৰুবাৰী (Berubari) অঞ্চল পাকিস্তানক প্ৰদান কৰা হয়।

(৬) ১৯৬১ চনৰ দশম আৰু দ্বাদশ সংশোদনীয়ে দাদ্ৰা (Dadra) নগৰ আৰু হাভেলি, গোৱা,দমন আৰু ডিউক ভাৰতৰ কেন্দ্ৰীয় শাসিত অঞ্চল ৰূপে পৰিণত কৰে।

(৭) ১৯৬৬ চনৰ ঊনবিংশ সংবিধান সংশোধনীৰ জৰিয়তে নিৰ্বাচন আয়োগৰ ক্ষমতা সংকুচিত কৰা হয়। ফলস্বৰূপে লোকসভা আৰু ৰাজ্যিক বিধানসভাৰ সদস্যসকলৰ নিৰ্বাচনী সংঘাতৰ বিতৰ্ক মীমাংসা কৰিবলৈ নিৰ্বাচন আয়োগে নিৰ্বাচনী ন্যায়পীঠ (tribunal) নিযুক্তি দিয়াৰ ক্ষমতা লোপ পায়।

(৮) ১৯৭১ চনৰ চতুৰ্বিংশতিতম (২৪) সংবিধান সংশোধনীৰ জৰিয়তে ভাৰতৰ সংবিধানৰ তৃতীয় অংশ (Part III) থকা মৌলিক অধিকাৰসমূহ সংসদে সংশোধন কৰিবলৈ সক্ষম হয়।

(৯) ১৯৭৩ চনৰ ৩১ সংখ্যক সংবিধান সংশোধনীৰ জৰিয়তে ভাৰতৰ লোকসভাৰ সদস্যৰ সংখ্যা ৫২৫ ৰ পৰা ৫৪৫ লৈ বৃদ্ধি কৰা হয়। কিন্তু কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্ৰতিনিধিত্ব ২৫ ৰ পৰা ২০ লৈ হ্ৰাস কৰে।

(১০) ১৯৭৫ চনৰ ৩৬ সংখ্যক সংশোধনীৰ জৰিয়তে চিকিমক পূৰ্ণ পৰ্যায়ৰ ৰাজ্য ঘোষণা কৰা হয়।

(১১) ১৯৭৬ চনত সংবিধানৰ ৪২ সংখ্যকসংশোধনী ঘটোৱা হয়। এই সংশোধনী আছিল অতি ব্যাপক আৰু গুৰুত্বপূৰ্ণ। কিয়নো এই সংশোধনীয়ে সংবিধানৰ মূল বিষয়বস্তুৰে

পৰিবৰ্তন আনিছিল। এই সংশোধনী ভাৰতৰ প্ৰস্তাৱনাত উল্লেখ থকা 'সমাজবাদী', 'ধৰ্মনিৰপেক্ষ' আৰু 'অখণ্ডতা'পৰিভাষিক শব্দ কেইটাৰ লগত জড়িত আছিল। এই ৪২ সংখ্যক সংশোধনীয়ে ভাৰতৰ সংবিধানৰ ৫১ (ক) (Article 51 A) অনুচ্ছেদত নাগৰিকৰ বাবে মৌলিক কৰ্তব্যসমূহৰ সংযোগ ঘটায়। ই মৌলিক অধিকাৰ সমূহতকৈ ৰাষ্ট্ৰ পৰিচালনাৰ নিদেশাত্মক নীতি সমূহক প্ৰাধান্য প্ৰদান কৰে। এইবোৰৰ উপৰি ৪২ সংখ্যকসংবিধান সংশোধনীয়ে মন্ত্ৰী পৰিষদক কোনো কাৰ্যৰ আগতে ৰাষ্ট্ৰপতিৰ পৰামৰ্শ লোৱাটো বাধ্যতামূলক কৰে।

(১২) ১৯৭৮ চনৰ ৪৪ সংখ্যক সংবিধান সংশোধনীৰ জৰিয়তে সম্পত্তি অধিকাৰক মৌলিক অধিকাৰৰ সূচীৰ পৰা বাদ দিয়া হয় আৰু ইয়াক আইনী অধিকাৰ হিচাপেহে স্বীকৃতি দিয়া হয়।

(১৩) ১৯৮৫ চনৰ ৫২ সংখ্যক সংবিধান সংশোধনীয়ে ৰাজনৈতিক দলত্যাগ বন্ধ কৰে। ইয়াৰ ফলস্বৰূপে দলত্যাগ বিৰোধী আইন বলবৎ কৰা হয়। এই দলত্যাগ বিৰোধী আইন গৃহীত হোৱাৰ লগে লগে সংবিধানৰ দশম সূচীৰ অধীনত সংসদৰ সদস্য পদৰ পৰা বখাস্তকৰণৰ সুবিধা প্ৰদান কৰা হয়।

(১৪) ৬১ সংখ্যক সংবিধানৰ সংশোধনীৰ জৰিয়তে লোকসভা আৰু ৰাজ্য বিধানসভা সমূহৰ নিৰ্বাচনত ভোটাধিকাৰৰ বয়স ২১ ৰ পৰা ১৮ বছৰলৈ কমাই অনা হয়।

(১৫) ১৯৯০ চনৰ ৬৫ সংখ্যক সংশোধনীয়ে অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি আয়োগক সংবিধানগত স্বীকৃতি প্ৰদান কৰে আৰু এই আয়োগসমূহক ৰাষ্ট্ৰীয় আয়োগ হিচাপে মান্যতা প্ৰদান কৰে।

(১৬) ১৯৯২ চনৰ ৭৩ সংখ্যক সংবিধান সংশোধনীয়ে সংবিধানত অংশ ৯ (Part IX) সংযোগ কৰি পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহক সাংবিধানিকি মৰ্যাদা প্ৰদান কৰে। একেদৰে ১৯৯৩ চনৰ ৭৪ সংখ্যক সংবিধান সংশোধনীয়ে অংশ ৯ (ক) (Part IX-A) সংযোগ কৰি পৌৰসভাসমূহক সাংবিধানিক মৰ্যাদা প্ৰদান কৰে।

(১৭) ২০০২ চনৰ ৮৬ সংখ্যক সংবিধান সংশোধনীৰ জৰিয়তে ২১(ক) (Article 21-A) অনুচ্ছেদ সংবিধানত সংযোগ কৰা হয় আৰু ইয়াৰ জৰিয়তে ৬ ৰ পৰা ১৪ বছৰৰ সকলো শিশুক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ ব্যৱস্থা কৰিবলৈ ৰাজ্যসমূহক নিৰ্দেশ দিয়া হয়।

(১৮) ২০১৬ চনৰ ১০১ সংশোধনীৰ জৰিয়তে ভাৰতত সামগ্ৰী আৰু সেৱা কৰ (Goods and Services Tax) ব্যৱস্থা প্ৰবৰ্তন কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ সংবিধানৰ কোনটো সংশোধনীৰ যোগেদি ভোটাধিকাৰৰ বয়স ২১ ৰপৰা ১৮ বছৰ কৰা হয় ?

.....

প্রশ্ন নং ৬ ঃ কোনটো বছৰত ভাৰতৰ ৰাজ্যসমূহ ভাষাৰ ভিত্তিত পুনৰ গঠন কৰা হয় ?

.....

প্রশ্ন নং ৭ ঃ সংবিধানৰ কোনটো সংশোধনীৰ যোগেদি পৌৰসভাসমূহক সাংবিধানিক মর্যাদা প্রদান কৰা হয় ?

.....

প্রশ্ন নং ৮ ঃ সংবিধানৰ ৪২ সংখ্যক সংশোধনীৰ বিষয়ে চমুকৈ লিখক ?

.....



১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- দেশৰ জনসাধাৰণৰ আশা-আকাংক্ষা আৰু পৰিবর্তনশীল প্রয়োজনীয়তাৰ দাবী সমূহ পূৰাব পৰাকৈ যিকোনো দেশৰে সংবিধান নমনীয় হোৱা উচিত। ভাৰতৰ সংবিধান প্রণেতাসকলে এই কথা উপলব্ধি কৰিয়েই সংবিধান সংশোধনীৰ সুবিধা প্রদান কৰিছে।
- ভাৰতৰ সংবিধানৰ ৩৬৮ সংখ্যক দফাই তিনি ধৰণৰ সংবিধান সংশোধনী পদ্ধতিৰ সুবিধা আগবঢ়াইছে। সংবিধান প্রণেতাসকলে বিভিন্ন ধৰণৰ সংবিধান সংশোধনী বিধান সমূহক দৃঢ় আৰু নমনীয় এই দুটা ভাগত সন্নিৱিষ্ট কৰিছে। সংবিধান সংশোধনীৰ নমনীয় পদ্ধতিত 'সংবিধানৰ মূল গাঁথনি সংশোধন'ক লৈ প্রশ্ন উত্থাপিত হৈছে।
- মূল গাঁথনিয়ে সংবিধানৰ সেই বিশেষ অংশক নির্দেশ কৰে, যি সংসদৰ সংশোধনী ক্ষমতাৰ পৰা সুৰক্ষিত। সংবিধানৰ মূল গাঁথনি ধাৰণাটো ১৯৭৩ চনত কেশৱানন্দ ভাৰতী বনাম কেৰালা চৰকাৰৰ গোচৰত উচ্চতম ন্যায়ালয়ে দিয়া ৰায়দানৰ সময়ৰে পৰা গতি লাভ কৰে।
- সংবিধানৰ মূল গাঁথনিৰ বৈশিষ্ট্যসমূহ এনেধৰণৰ গণৰাজ্যিক আৰু গণতান্ত্রিক চৰকাৰ গঠন, সংবিধানৰ ধর্মনিৰপেক্ষ বৈশিষ্ট্য, সংবিধানৰ সার্বভৌমত্ব, ন্যায়পালিকা, কার্যপালিকা আৰু বিধানমণ্ডলৰ মাজত ক্ষমতাৰ পৃথকীকৰণ আৰু সংবিধানৰ যুক্তৰাষ্ট্রীয় বৈশিষ্ট্য আদি।
- সংবিধানত কোনটো অংশ মূল গাঁথনি বুলি বিবেচনা কৰা হ'ব সেয়া নির্ধাৰণ কৰা দায়িত্ব ভাৰতৰ ন্যায়পালিকাক প্রদান কৰা হৈছে। ভাৰতৰ উচ্চতম ন্যায়ালয়ে বিভিন্ন গোচৰ সংক্রান্তত ৰায়দান কৰিবলৈ যাওঁতে ভাৰতৰ সংবিধানৰ মূল গাঁথনিৰ সংজ্ঞা নিৰূপনৰ চেষ্টা কৰিছে আৰু জনাইছে যে সংসদে সংবিধানৰ মূল গাঁথনি সংশোধন কৰিব নোৱাৰে।

- বিভিন্নজন সংবিধান বিশেষজ্ঞই সংবিধানৰ মূল গাঁথনি ধাৰণাটো সমালোচনা কৰা দেখা যায়।
- ভাৰতৰ সংবিধান গৃহীত হোৱাৰ সময়ৰে পৰা বৰ্তমানলৈকে বহুবাৰ সংবিধান সংশোধনী ঘটোৱা হৈছে। ফলস্বৰূপে, এই সংশোধনীসমূহে দেশৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক দৃশ্যপটলৈ বহুতো গুৰুত্বপূৰ্ণ পৰিবৰ্তন আনিছে।



১২.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০ ।*ভাৰতৰ প্ৰশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শৰ্মা, দুৰ্গা কান্ত , ৰফিক, জামান আৰু শৰ্মা ,ড° পূৰবী ২০০৫ । *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ ২০১১ ।*স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi : Cosmos Bookhive Pvt. Ltd.

2) Ghai, K.K.(2007). *Indian Government and Politics*.New Delhi: Kalyani Publishers.

3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions*.New Delhi : S. Chand and Company.



১২.৮ অগ্ৰগতিৰ খতিয়ান

উত্তৰসমূহ ঃ

১ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৭৩ চনত

২ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতৰ ন্যায়পালিকা

৩ নং প্ৰশ্নৰ উত্তৰ ঃ গণৰাজ্যিক আৰু গণতান্ত্ৰিক চৰকাৰ গঠন সংবিধানৰ ধৰ্মনিৰপেক্ষ চৰিত্ৰ কাৰ্যপালিকা,ন্যায়পালিকা, বিধানমণ্ডলৰ মাজত ক্ষমতাৰ পৃথকীকৰণ , সংবিধানৰ যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্য।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) ভাৰতৰ সংবিধান প্ৰণেতাসকলে পৰিৱেশ- পৰিস্থিতি পৰিবৰ্তনৰ লগত খাপ খুৱাকৈ সংবিধানখনক গতিশীল চৰিত্ৰ প্ৰদান কৰাৰ পোষকতা কৰিছিল। পৰিবৰ্তিত প্ৰয়োজনীয়তা অনুসৰি সংবিধানো পৰিবৰ্তনশীল হোৱা আৱশ্যক। সেয়েহে সমালোচক সকলে ক'ব বিচাৰে যে যদিহে সমাজৰ প্ৰয়োজন, সেয়া সংবিধানৰ মূল গাঁথনিৰ অন্তৰ্গত হ'ব লাগে আৰু সেই অনুসৰি সেইবোৰ সংশোধিত হোৱা উচিত।

(খ) সংবিধানৰ মূল গাঁথনিৰ স্পষ্ট সংজ্ঞা দিবলৈ ন্যায়পালিকা সক্ষম হোৱা নাই। সেয়েহে সংবিধানৰ মূল গাঁথনিৰ সংজ্ঞা নিৰ্ধাৰণৰ দায়িত্ব পৰৱৰ্তী ন্যায়িক বিচাৰ পীঠক প্ৰদান কৰিছে। সংবিধানৰ মূল গুৰুত্ব (basic value) সংৰক্ষিত কৰিবৰ কাৰণে ন্যায়াধীশসকলে বিভিন্ন আইনৰ পৰ্যালোচনা কৰা প্ৰয়োজন, কিন্তু এই খিনিতে বিতৰ্কৰ সূত্ৰপাত হৈছে। কাৰণ সংসদে সংশোধনী প্ৰস্তাৱ লওঁতে ই সংবিধানৰ মূল গাঁথনিৰ ওপৰত প্ৰভাৱ পেলাইছে নে নাই পেলোৱা তাৰ চূড়ান্ত সিদ্ধান্ত লোৱাৰ ক্ষমতা ন্যায়-পালিকাৰহে আছে। কিন্তু একে সময়তে সংবিধান প্ৰণেতাসকলে ভাৰতক সংসদীয় গণতন্ত্ৰ হিচাপেহে গ্ৰহন কৰিছে। সেই ফালৰ পৰা সংসদৰ বৈশিষ্ট্যপূৰ্ণ ভূমিকা আছে। যদিও সংবিধান সংশোধনৰ ক্ষমতা সংসদৰ কিন্তু চূড়ান্ত সিদ্ধান্তৰ ক্ষমতা উচ্চতম ন্যায়ালয়ৰ। ইয়েই সংসদ আৰু উচ্চতম ন্যায়ালয়ৰ মাজত সংকট সৃষ্টি কৰে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ৬১ সংখ্যক ভাৰতৰ সংবিধান সংশোধনী

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৫৬

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ৭৪ সংখ্যক ভাৰতৰ সংবিধান সংশোধনী

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৭৬ চনত সংবিধানৰ ৪২ সংখ্যক সংশোধনী ঘটোৱা হয়। এই সংশোধনী আছিল অতি ব্যাপক আৰু গুৰুত্বপূৰ্ণ। এই সংশোধনীয়ে সংবিধানৰ মূল বিষয়বস্তুৰে পৰিবৰ্তন ঘটাইছিল। এই সংশোধনী ভাৰতৰ সংবিধানৰ প্ৰস্তাৱনাত উল্লেখ থকা 'সমাজবাদী' 'ধৰ্মনিৰপেক্ষ' আৰু 'অখণ্ডতা' পৰিভাষিক শব্দকেইটাৰ লগত সম্পৰ্কীত আছিল। এই ৪২ সংখ্যক সংশোধনীয়ে সংবিধানত ৫১(ক) [Article 51 (A)] অনুচ্ছেদ সংযোগ কৰি নাগৰিকৰ মৌলিক কৰ্তব্যসমূহৰ অৰ্ন্তভক্তি ঘটায়। এই সংশোধনীয়ে মৌলিক অধিকাৰ সমূহতকৈ ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিসমূহক অধিক প্ৰাধান্য দিয়ে। ইয়াৰ বাহিৰেও ৪২ সংখ্যক সংবিধান সংশোধনীয়ে মন্ত্ৰী পৰিষদক কোনো কাৰ্য কৰাৰ আগতে ৰাষ্ট্ৰপতিৰ পৰামৰ্শ লোৱা বাধ্যতামূলক কৰে।



১২.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ কোন চনত চিকিমক পূৰ্ণ পৰ্যায়ৰ ৰাজ্যৰ মৰ্যাদা প্ৰদান কৰা হয়?

প্ৰশ্ন ২ ঃ সংবিধানৰ কোনটো সংশোধনীৰ জৰিয়তে সম্পত্তি অধিকাৰক মৌলিক অধিকাৰ সূচীৰ পৰা বাতিল কৰা হয়?

প্ৰশ্ন ৩ ঃ কোনটো সংবিধান সংশোধনীৰ যোগেদি পঞ্চায়তৰাজ প্ৰতিষ্ঠানসমূহক সাংবিধানিক মৰ্যাদা প্ৰদান কৰা হয়?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সংবিধানৰ মূল গাঁথনিৰ বিষয়ে চমুকৈ লিখক?

প্ৰশ্ন ২ ঃ ভাৰতত সংবিধানৰ মূল গাঁথনিৰ সংজ্ঞা নিৰ্ধাৰণৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ৰ ভূমিকা সম্পৰ্কে চমুকৈ লিখক?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ সংবিধানৰ মূল গাঁথনি ধাৰণাটোৰ সমালোচনা আগবঢ়াওক?

প্ৰশ্ন ২ ঃ ভাৰতৰ সংবিধানৰ বিভিন্ন সংশোধনীৰ বিষয়ে এটা টোকা প্ৰস্তুত কৰক?

*** ***** ***

অধ্যায় ১৩ ঃ ভাৰতৰ দলীয় ব্যৱস্থা

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ ৰাজনৈতিক দলসমূহৰ প্ৰকাৰ
১৩.৩.১ ৰাষ্ট্ৰীয় দল
১৩.৩.২ ৰাজ্যিক বা আঞ্চলিক দল
১৩.৪ ভাৰতীয় দলীয় ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ
১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৬ অধিক জানিবলৈ
১৩.৭ অগ্ৰগতিৰ খতিয়ান
১৩.৮ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঃ

- ৰাজনৈতিক দলসমূহৰ প্ৰকাৰবোৰ ব্যাখ্যা কৰিব পাৰিব।
- ভাৰতীয় দলীয় ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

১৩.২ পৰিচয়

ভাৰত এখন বহুদলীয় গণতান্ত্ৰিক দেশ। ৰাজনৈতিক দল ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাৰ এক অভিন্ন অংগ, যিটো বিভিন্ন ৰাজনৈতিক দলৰ কাৰ্যাৱলীৰ পৰা অনুমান কৰিব পাৰি। এই অধ্যায়টোত আমি ৰাজনৈতিক দলৰ প্ৰকাৰ আৰু ভাৰতীয় দলীয় ব্যৱস্থাৰ বিষয়ে অধ্যয়ন কৰিম।

১৩.৩ ৰাজনৈতিক দলসমূহৰ প্ৰকাৰ

শক্তি আৰু কৰ্মক্ষেত্ৰৰ ভিত্তিত ৰাজনৈতিক দলসমূহক দুটা ভাগত ভাগ কৰা হয়।

১) ৰাষ্ট্ৰীয় দল

২) ৰাজ্যিক বা আঞ্চলিক দল

লোকসভা আৰু বিধানসভা নিৰ্বাচনত নিৰ্বাচন আয়োগে কোনো এটা ৰাজনৈতিক দলে লাভ কৰা বৈধ ভোটৰ শতকৰা হাৰ আৰু আসনৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি কোনো এটা ৰাজনৈতিক দলক ৰাষ্ট্ৰীয় বা আঞ্চলিক দল হিচাপে স্বীকৃতি দিয়ে।

১৩.৩.১ ৰাষ্ট্ৰীয় দল

ভাৰতীয় সংবিধান ৰাজনৈতিক দলসমূহ আৰু ই বিলাকৰ কাম-কাজৰ ক্ষেত্ৰত নীৰব। কিন্তু সংবিধানৰ ৩২৪ অনুচ্ছেদত নিৰ্বাচন আয়োগ (Election Commission) এখনৰ ব্যৱস্থা কৰা হৈছে। এই দফাত স্বতন্ত্ৰীয় নিৰ্বাচনী আয়োগেই হ'ল একমাত্ৰ গৰাকী যি ৰাজনৈতিক দলসমূহৰ ৰাষ্ট্ৰীয় দল, প্ৰাদেশিক দল বা অস্বীকৃতিপ্ৰাপ্ত দল হিচাপে পঞ্জীয়নভুক্ত কৰিব পাৰে।



জানি থোৱা ভাল

নিৰ্বাচন আয়োগে বান্ধি দিয়া নিয়ম অনুসৰি এটা ৰাজনৈতিক দলক তেতিয়াহে ৰাষ্ট্ৰীয় ৰাজনৈতিক দল বুলি স্বীকৃতি দিয়া হ'ব যেতিয়া দলটোৱে তলত উল্লেখ কৰা চৰ্তসমূহ পূৰণ কৰিবঃ

(i) দলটোৱে লোকসভা (সাধাৰণ) নিৰ্বাচন নাইবা বিধান সভা নিৰ্বাচনত ভাৰতৰ যিকোনো চাৰিখন অথবা ততোধিক ৰাজ্যত প্ৰতিদ্বন্দ্বিতা কৰি মুঠ ভোটৰ অতি কমেও ৬% বৈধ ভোট লাভ কৰিব লাগিব; আৰু

(ii) অতিৰিক্তভাৱে, দলটোৱে যিকোনো ৰাজ্য নাইবা একাধিক ৰাজ্যৰ পৰা অতি কমেও চাৰিখন লোকসভা আসন জয় কৰিব লাগিব;

নাইবা

দলটোৱে অতি কমেও ২% লোকসভাআসন (বৰ্তমানৰ মুঠ ৫৪৩ খন আসনৰ ভিতৰত ১১ খন আসন) জয় কৰিব লাগিব, আৰু বিজয়ী সদস্যসকলে অতি কমেও তিনিখন ভিন্ন ৰাজ্যত প্ৰতিদ্বন্দ্বিতা কৰি জয় লাভ কৰিব লাগিব।

ভাৰতবৰ্ষত বহুতো ৰাষ্ট্ৰীয় দল আছে এই বিলাকৰ ভিতৰত কেইটামান উল্লেখযোগ্য ৰাষ্ট্ৰীয় দল - হ'ল ভাৰতীয় জাতীয় কংগ্ৰেছ, ভাৰতীয় জনতা দল আৰু ভাৰতীয় কমিউনিষ্ট দল (মাৰ্ক্সবাদী)।

তলত ভাৰতৰ কেইটিমান প্ৰধান ৰাষ্ট্ৰীয় ৰাজনৈতিক দলৰ বিষয়ে আলোচনা কৰা হ'ল -

➢ **ভাৰতীয় জাতীয় কংগ্ৰেছ (Indian National Congress)**

ভাৰতীয় জাতীয় কংগ্ৰেছৰ পথ পৰিক্ৰমাক আমি দুটা স্তৰত ভাগ কৰি আলোচনা কৰিব পাৰো।

প্ৰাক্ স্বাধীনতা কাল ঃ এই সময়ত ভাৰতীয় জাতীয় কংগ্ৰেছেই স্বাধীনতা যুদ্ধৰ নেতৃত্ব বহন কৰিছিল।

স্বৰাজোত্তৰ কাল ঃ এই সময়ছোৱাত এই দলে সবাটোক প্ৰতিষ্ঠিত দল হিচাপে

আত্মপ্রকাশ কৰে আৰু চাৰি দশকতকৈও অধিক কাল দেশখন শাসন কৰে।

জনসাধাৰণৰ মাজত 'কংগ্রেছ দল' নামে খ্যাত ভাৰতীয় জাতীয় কংগ্রেছ (INC) দল এই দেশৰ সবাটোকৈ পুৰণি দল। ১৮৮৫ চনৰ ২৭ ডিচেম্বৰত বম্বেত এই দলৰ জন্ম। উমেশ চন্দ্র বেনার্জী, সুৰেন্দ্র নাথ বেনার্জী (বন্দোপাধ্যায়), দিনশ্বাও ওৰাচা, মনমোহন ঘোষ, এলান অক্টাভিয়ান হিউম, উইলিয়াম ৱেদেৰবার্ণ, দাহাভাই নাওৰোজি আদি আছিল এই দলৰ প্রতিষ্ঠাপক নেতাসকলৰ অন্যতম। আৰম্ভণিতে ভাৰতীয় কংগ্রেছে মাত্র ৰাজনৈতিক সংস্কাৰৰ দাবীহে কৰিছিল । দলৰ কাম কাজ পৰিচালনাৰ ক্ষেত্রত একমাত্র সাংবিধানিক কৌশলহে প্রয়োগ কৰা হৈছিল। অৱশ্যে ১৯০৭ চনত এই দল দুটা ভাগত বিভাক্ত হয় - নৰমপন্থী আৰু চৰমপন্থী। নৰমপন্থীসকলে গ্রহণ কৰা কৌশলৰ বিপৰীতে চৰমপন্থীসকল আছিল উগ্রবাদী আৰু নিজ লক্ষ্যত উপনীত হ'বৰ বাবে বা স্বাধীনতা লাভৰ বাবে তেওঁলোক অধিক উগ্র হোৱাৰ উপৰি সময়ে সময়ে হিংসাৰ আশ্রয় ল'বলৈও পিছ হুহোকা নাছিল। মহাত্মা গান্ধীয়ে নেতৃত্ব বহন কৰাৰ পাছত ভাৰতীয় জাতীয় কংগ্রেছে জনসাধাৰণৰ পূর্ণ সহযোগিতা লাভ কৰিলে আৰু অৱশেষত দেশ স্বাধীন হ'ল।

ভাৰতীয় জাতীয় কংগ্রেছ গঠন কৰা হৈছিল মূলতঃ ভাৰতৰ স্বাধীনতা আন্দোলনৰ লক্ষ্য আগত ৰাখি। ১৯৪৭ চনত মহাত্মা গান্ধীক মুখ্য কৰি কোনো কোনো লোকে তেওঁলোক যিহেতু লক্ষ্যত উপনীত হৈছে, গতিকে ইয়াৰ আৰু কোনো প্রয়োজন নাই - এই যুক্তিৰ আধাৰত স্বাধীনতা লাভৰ পাছত ইয়াক ভংগ কৰি দিয়াটো বিচাৰিছিল। আন কিছুমানে অৱশ্যে অনুভৱ কৰিছিল যে ভাৰতৰ স্বাধীনতা সংগ্রামৰ নেতৃত্ব দিয়া দলটোৱেই দেশ বিভাজন আৰু স্বাধীনতাৰ পাছত দেখা দিয়া সংকট কালত দেশক নেতৃত্ব দিবৰ বাবে সবাটোকে উৎকৃষ্ট ৰাজনৈতিক দল হ'ব। সেয়েহে ভাৰতীয় জাতীয় কংগ্রেছ স্বাধীন ভাৰতত এটা নির্বাচনী দল হিচাপে পুনঃ প্রতিষ্ঠিত হ'ল । আদর্শ নীতিৰ ক্ষেত্রত (Ideology) এই দলে নিজকে ধর্ম নিৰপেক্ষ, গণতান্ত্রিক আৰু আধুনিক বুলি প্রক্ষেপ কৰিলে।

প্রথমটো সাধাৰণ নির্বাচনত কংগ্রেছ দলে গৰিষ্ঠত লাভ কৰে স্বাধীন ভাৰতক শাসন কৰা ইয়েইপ্রথম ৰাজনৈতিক দল। বিভিন্ন কাৰণত কংগ্রেছ দল প্রথমটো স্বাধীন নির্বাচনত জয়ী হোৱাৰ উপৰি ১৯৪৭ চনৰ পৰা ১৯৭৭চনলৈ ত্রিশ বছৰ কাল একেৰাহে কেন্দ্রত ক্ষমতাত অধিষ্ঠিত হৈ থাকিবলৈ সক্ষম হৈছিল। কংগ্রেছ দলৰ কৃতকার্যতাৰ কেইটামান উল্লেখযোগ্য কাৰণ হ'ল -

ভাৰতীয় জাতীয় কংগ্রেছে স্বাধীনতা সংগ্রামৰ সময়ছোৱাত জনসাধাৰণৰ পৰা লাভ কৰা বিশ্বাস আৰু সমর্থন ধাৰাবাহিকভাবে স্বাধীনোত্তৰ কালতো লাভ কৰিবলৈ সক্ষম হৈছিল। পণ্ডিত জৱাহৰলাল নেহৰুকে মুখ্য কৰি কিছুমান আদর্শনীয় ব্যক্তিত্ব সুলভ নেতাৰ উপস্থিতি।

ধর্ম নিৰপেক্ষতা, সমাজবাদ, গণতন্ত্র আদি ইয়াৰ নীতি (ideology) বা আদর্শ সমূহেও এই ক্ষেত্রত যথেষ্ট অৰিহণা যোগায়। ২০০৪ চনৰ সাধাৰণ নির্বাচনৰ ঠিক পাছতে লোকসভাত একক সংখ্যা গৰিষ্ঠতা লাভ কৰা কংগ্রেছ দলৰ নেতৃত্বত ১৫ টা ৰাজনৈতিক দলৰ এটা জোঁট তৈয়াৰ কৰি সংযুক্ত প্রগতিশীল মর্চা (United Prograssive Alliance-UPA) গঠন কৰা হয়।

সংযুক্ত প্রগতিশীল মিত্রজোঁট (United Progressive Alliance/UPA) আছিল ১৫ টা কেন্দ্রীয় আৰু বামপন্থী ৰাজনৈতিক দলৰ জোঁটবন্ধন। ভাৰতীয় জাতীয় কংগ্রেছ (INK) দলে এই মিত্রজোঁটক নেতৃত্ব প্রদান কৰিছিল। ২০০৪ চনৰ সাধাৰণ নির্বাচনৰ কেইদিনমান পাচতেই গঠন হোৱা এই মিত্রজোঁটটো লোকসভাত একক বৃহৎ ৰাজনৈতিক দলত পৰিণত হৈছিল। ২০০৯ চনৰ সাধাৰণ নির্বাচনত ভাৰতীয় জাতীয় কংগ্রেছ পুনৰ্বাৰ লোকসভাৰ একক বৃহৎ ৰাজনৈতিক দল হৈছিল। সেইবাৰো ভাৰতীয় জাতীয় কংগ্রেছৰ নেতৃত্বত UPA- ই দেশত চৰকাৰ গঠন কৰিছিল। মিত্রজোঁটৰ সদস্য ড° মনমোহন সিঙে প্রধানমন্ত্রী ৰূপে ২০১৪ চনৰ মে' মাহৰ শেহলৈকে কার্যনির্বাহ কৰিছিল।

- **ভাৰতীয় জনতা দল (Bharatiya Janata Party-BJP)**

ভাৰতীয় জনতা দল (ভা.জ.পা) অটল বিহাৰী বাজপেয়ীৰ নেতৃত্বত ১৯৮০ চনৰ এপ্রিল মাহত গঠিত হয়। পূর্বৰ ভাৰতীয় জন সংঘৰ (ভা.জ. স.) বেছিভাগ সদস্যক লৈয়েই এই দল গঠিত । এখন দেশ, এটা জাতি, এটা সংস্কৃতি আৰু এখন আইনৰ দ্বাৰা শাসিত এই চাৰিটা বাক্যকে আধাৰ হিচাপে লৈ ১৯৫১ চনত ড° শ্যামা প্রসাদ মুখার্জীৰ সভাপতিত্বত ভাৰতীয় জন সংঘ প্রতিষ্ঠা কৰা হৈছিল। ভাৰতীয় জন সংঘ আছিল এটা ৰাষ্ট্রীয় দল। উত্তৰ ভাৰতৰ চহৰীয়া অঞ্চলসমূহ আছিল ইয়াৰ সমর্থন ভূমি। এই দলে জয় প্রকাশ নাৰায়ণৰ কংগ্রেছ বিৰোধী, দুর্নীতি বিৰোধী সংস্কাৰ আন্দোলনক সমর্থন জনাইছিল। ১৯৭৭ চনত ভাৰতীয় জন সংঘ জনতা দলৰ অংশীদাৰ হয়। কিন্তু কালক্রমে জনতা দলৰ মাজত ভাঙোন আৰম্ভ হয় আৰু ১৯৮০ চনত সাধাৰণ নির্বাচনত জনতা দল পৰাজয় হোৱাত ভাৰতীয় জন সংঘৰ অধিকাংশ সদস্যই জনতা দল ত্যাগ কৰি ভাৰতীয় জনতা দল গঠন কৰে। নীতি বা আদর্শৰ ক্ষেত্রত ভাৰতীয় জনতা দল নিম্নলিখিত নীতি বা আদর্শ মানি চলে -

(i) পূর্ণ মানৱতাবাদ (Integral Humanism)

(ii) হিন্দুত্ব।

পূর্ণ মানৱতাবাদ (Integral Humanism) ভাৰতীয় জনতা দলৰ ৰাজনৈতিক দর্শন স্বৰূপ। এই দর্শন দিনদয়াল উপধ্যায়ে ১৯৬৫ চনত প্রথমবাৰৰ বাবে প্রস্তুত কৰে। ই 'স্বদেশী'— আৰু 'বিকেন্দ্রীকৰণৰ' ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে।

ইয়াৰ উপৰিও এই দল জাতীয়তাবাদ/ ৰাষ্ট্রীয়তাবাদ (Nationalism), ৰাষ্ট্রীয় ঐক্য,

গণতন্ত্ৰ, ধনাত্মক ধৰ্মনিৰপেক্ষতা, গান্ধীবাদী সমাজবাদ আৰু মূল্য ভিত্তিক ৰাজনীতিৰ প্ৰতি দায়বদ্ধ। যোগ্যতাৰ সমৰ্থন নিৰ্বাচনী দৃষ্টিকোণৰ পৰা চালে দেখা যায় যে বিগত বছৰসমূহৰ সাধাৰণ নিৰ্বাচনবিলাকত এই দল ভোটাৰৰ সমৰ্থন বৃদ্ধি কৰাত যথেষ্ট কৃতকাৰ্য হৈছে। ১৯৮৪ চনৰ সংসদীয় নিৰ্বাচনত এই দলে মাত্ৰ ২ খন আসনহে লাভ কৰিবলৈ সমৰ্থ হৈছিল। ইয়াৰ পৰবৰ্তী ১৯৮৯ চনৰ নিৰ্বাচনত এই দলে লোক সভাত ৮৮ খন আসন দখল কৰে। ভা.জ.পাই ১৯৯১, ১৯৯৬, ১৯৯৮ আৰু ১৯৯৯ ৰ নিৰ্বাচনত ক্ৰমে ১২২, ১৬১, ১৮১, আৰু ১৮২ খন আসন দখল কৰিবলৈ সমৰ্থ হয়।

এই কেইবছৰত ভা.জ.পা.ই এটা গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় দল হিচাপে আত্মপ্ৰকাশ কৰিছে। ভাজপাৰ নেতৃত্বত ১৯৯৮ চনত ১৩টা ৰাজনৈতিক দলে একগোট হৈ গঠন কৰা জাতীয় গণতান্ত্ৰিক মৰ্চা (National Democratic Alliance- NDA) য়ে বিৰোধী দল হিচাপে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে আছে। ২০১৪ চনৰ সাধাৰণ নিৰ্বাচনত ২৮২ খন আসনত জয়লাভ কৰি ভাৰতীয় জনতা পাৰ্টি লোকসভাৰ সংখ্যাগৰিষ্ঠ দলত পৰিণত হৈছে।

ভাৰতীয় জনতা পাৰ্টিয়ে সহযোগী দলবোৰৰ সৈতে মিলি ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মিত্ৰজোঁট (National Democratic Alliance/NDA) ৰ জন্ম দি কেন্দ্ৰত এখন সম্মিলিত চৰকাৰ গঠন কৰিছিল। নৰেন্দ্ৰ মোডীয়ে দেশৰ প্ৰধানমন্ত্ৰীৰূপে এই মিত্ৰজোঁটক নেতৃত্ব দি আহিছে।

- **ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী) CPI (M)**

ভাৰতবৰ্ষত ৰাষ্ট্ৰীয় পৰ্যায়ত দুটা কমিউনিষ্ট পাৰ্টি আছে । ভাৰতৰ কমিউনিষ্ট পাৰ্টি (চি.পি.আই) (CPI) আৰু ভাৰতৰ মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টি। ১৯২৫ চনত CPI পাৰ্টি গঠিত হয় । মাৰ্ক্সবাদৰ দ্বাৰা প্ৰভাৱন্বিত কেইজনমান লোকে এই দলৰ জন্মদাতা। CPI দলৰ সংবিধানত কোৱা হৈছে 'এইটো হ'ল ভাৰতীয় বনুৱাসকলৰ ৰাজনৈতিক দল, জনমত ইয়াৰ অগ্ৰণী বাহিনী, শ্ৰেনী সংবিধানৰ সৰ্ব্বোচ্চ ৰূপ। এইটো হ'ল বনুৱা কৃষক আৰু মেহনতি জনতাৰ স্বেচ্ছমূলক সংগঠন। ইয়াৰ লক্ষ্য সমাজবাদ আৰু সাম্যবাদ প্ৰতিষ্ঠা কৰা।'

১৯৬২ চনৰ চীনৰ আক্ৰমণৰ পাছত দলৰ মাজত মত বিৰোধৰ সৃষ্টি হয়। এই মত-বিৰোধৰ ফলত ১৯৬৪ চনত দলটো দুটা ভাগত বিভাজিত হয়। এটা দল হ'ল CPI আনটো হ'ল CPI (M)। ১৯৬৪ চনত কলিকতাত অনুষ্ঠিত হোৱা কমিউনিষ্ট পাৰ্টিৰ সপ্তম কংগ্ৰেছত CPI (M) দলৰ জন্ম হয়। বিভাজন হোৱা সত্বেও ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক কাৰ্যসূচীৰ ক্ষেত্ৰত দলদুটাৰ মাজত পাৰ্থক্য নমনীয়। দল দুটাৰ পাৰ্থক্য মূলত: চীন কেন্দ্ৰিক। CPI (M) হ'ল চীন পন্থী, আনহাতে CPI হ'ল ৰাচিয়া পন্থী। CPI (M) য়ে ভাৰতীয় অৰ্থনৈতিক পৰিকল্পনা আৰু স্বাধীন ৰূপত গঢ় দিয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। এই দল, বিদেশী শক্তি, প্ৰধানতঃ আমেৰিকা যুক্তৰাষ্ট্ৰৰ

ওপৰত নির্ভৰশীল হোৱাৰ তীব্র বিৰোধী। পার্টিৰ সংবিধানত কোৱা হৈছে যে সর্বহাৰাৰ একনায়কত্ববাদ প্রতিষ্ঠাৰ যোগেদি পার্টিয়ে সমাজবাদ আৰু সাম্যবাদ প্রতিষ্ঠা কৰিবলৈ বিচাৰে। কর্মৰ আদর্শৰে মানুহে কৰা শোষণৰ অন্ত পেলোৱা আৰু পূর্ণ মুক্তিত উপনীত হোৱাৰ আদর্শ মেহনতি জনতাৰ আগত ডাঙি ধৰা মার্ক্সবাদ লেনিনবাদৰ দর্শন আৰু আদর্শই হ'ল এই পার্টিৰ সকলোবোৰ কাম কাজৰ চালিকা শক্তি। পার্টিৰ সর্বোচ্চ নীতি নির্দ্ধাৰক হ'ল সর্বভাৰতীয় পার্টি কংগ্রেছ।

ভাৰতীয় জনতা পার্টিয়ে সহযোগী দলবোৰৰ সৈতে মিলি ৰাষ্ট্রীয় গণতান্ত্রিক মিত্রজোঁট (National Democratic Alliance/NDA) ৰ জন্ম দি কেন্দ্রত এখন সন্মিলিত চৰকাৰ গঠন কৰিছিল। নৰেন্দ্র মোডীয়ে দেশৰ প্রধানমন্ত্রীৰূপে এই মিত্রজোঁটক নেতৃত্ব দি আহিছে।

১৩.৩.২ ৰাজ্যিক দল

ৰাজ্যিক নাইবা আঞ্চলিক ৰাজনৈতিক দলবোৰে নির্দিষ্ট ৰাজ্যৰ ভিতৰত নিজৰ ৰাজনৈতিক কার্যকলাপ সীমাৱদ্ধ কৰি ৰাখে। এনে দলে সাধাৰণতে নিজ ৰাজ্যৰ নির্বাচনতহে অংশগ্রহণ কৰে। এনে দলবোৰৰ ৰাজনৈতিক কার্যসূচী তথা নীতিবোৰ ৰাষ্ট্রীয় দলবোৰতকৈ সংকীর্ণ। শেহতীয়াকৈ ৰাজ্যিক ৰাজনৈতিক দলৰ সংখ্যা বৃদ্ধি পাইছে। বিভিন্ন ৰাজ্যিক দলৰ উত্থানৰ আঁৰত বিভিন্ন ইতিহাস লুকাই আছে।

জানি থোৱা ভাল



ৰাজ্যিক দলবোৰৰ বিষয়ে অধিক আলোচনা কৰাৰ পূর্বে ৰাজ্যিক দল হ'বলৈ এনে ৰাজনৈতিক দলবোৰে কি কি চর্ত পূৰণ কৰিব লাগে সেয়া জানি থওঁ আহক।

ৰাজনৈতিক দলবোৰে ৰাজ্যিক ৰাজনৈতিক দলৰ মর্যাদা লাভ কৰিবলৈ কিছুমান বিশেষ চর্ত পূৰণ কৰিব লাগে। নির্বাচন আয়োগে বান্ধি দিয়া নিয়ম অনুসৰি এটা ৰাজনৈতিক দলক তেতিয়াহে ৰাজ্যিক পর্যায়ৰ ৰাজনৈতিক দল ৰূপে স্বীকৃতি প্রদান কৰা হ'ব যেতিয়া দলটোৱে তলৰ চর্তবোৰ পূৰণ কৰিবঃ

(i) দলটোৱে লোকসভা নাইবা সংশ্লিষ্ট ৰাজ্যৰ বিধানসভা নির্বাচনত ৰাজ্যখনৰ মুঠ বৈধ ভোটৰ অতি কমেও ৬% ভোট লাভ কৰিব লাগিব; আৰু

(ii) অতিৰিক্তভাৱে, দলটোৱে সংশ্লিষ্ট ৰাজ্যৰ বিধানসভা নির্বাচনত অতি কমেও দুখন আসনত জয়লাভ কৰিব লাগিব;

নাইবা

দলটোৱে সংশ্লিষ্ট ৰাজ্যৰ বিধানসভা নির্বাচনত মুঠ আসনৰ অতি কমেও ৩% আসন, অথবা তিনিখন আসনৰ ভিতৰত যিটো অধিক সেইটোত, জয়ী হ'ব লাগিব।

আগতেই উল্লেখ কৰা হৈছে যে আঞ্চলিক পর্যায়ৰ ৰাজনৈতিক দলৰ সংখ্যা বাঢ়ি আছে আৰু প্রতিটো দলৰ উত্থানৰ আঁৰত ভিন ভিন ইতিহাস লুকাই আছে। তথাপিও বিভিন্ন আঞ্চলিক নাইবা ৰাজ্যিক দলৰ জন্ম হোৱাৰ মূল কাৰণটো হ'ল দেশৰ বিভিন্ন অঞ্চলৰ ভিন্ন বৈশিষ্ট্যৰ সমস্যাবোৰ ফলপ্রসূভাৱে নিবাৰণ কৰাত সর্বভাৰতীয় পর্যায়ৰ ৰাজনৈতিক দলবোৰে প্রদর্শন কৰা অপাৰগতা। এনে সময়তে একো একোটা নির্দিষ্ট অঞ্চলৰ বাসিন্দাৰ মাজত সাংস্কৃতিক সচেতনতা আগতকৈ বহুখিনি বৃদ্ধি পাইছে। মানুহৰ মনত নিজ সংস্কৃতি আৰু ভাষা সুৰক্ষিত কৰি ৰখাৰ ইচ্ছা প্রবলতৰ হৈছে। এই কাৰকবোৰে আঞ্চলিক ৰাজনৈতিক দলবোৰৰ বিকাশত প্রধান ভূমিকা লৈছে।

আঞ্চলিক দলসমূহ গঢ়লৈ উঠাৰ বিভিন্ন কাৰণসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল -

আঞ্চলিক সমস্যাসমূহ সর্বভাৰতীয় দলসমূহে কার্যকৰী ৰূপত সমাধা কৰিব নোৱাৰা অৱস্থাৰ পৰিপ্রেক্ষিতত আঞ্চলিক দলৰ জন্ম হয়। তদুপৰি এটা বিশেষ অঞ্চলৰ সর্বসাধাৰণৰ মাজত দেখা দিয়া ক্রমবর্দ্ধমান সাংস্কৃতিক সচেতনতা আৰু এটা অঞ্চলৰ বাসিন্দাসকলৰ মাজত জাগি উঠা ভাষা আৰু সংস্কৃতি ৰক্ষণা-বেক্ষণৰ তাড়নায়ো আঞ্চলিক দলৰ জন্ম দিয়ে।

তলত কেইটামান আঞ্চলিক দলৰ বিষয়ে বহলাই আলোচনা কৰা হ'ল

- **অসম গণ পৰিষদ ঃ**

১৯৮৫ চনত অসমত অসম গণ পৰিষদ বা অগপ দলৰ জন্ম হয়। অসম আন্দোলনৰ লগত এই দলৰ জন্ম জড়িত হৈ আছে। প্রকৃততে প্রফুল্ল কুমাৰ মহন্ত, ভৃগু ফুকন আদি অসম আন্দোলনৰ অগ্রণী নেতাসকলেই এই দলৰ জন্মদাতা। ১৯৮৫ চনৰ ১৪ অক্টোবৰত গোলাঘাট এই দলৰ কর্মক্ষেত্র আৰম্ভ হয়।

দলৰ মুখ্য কার্যালয় গুৱাহাটীৰ আমবাৰীত অৱস্থিত। কেবাজনো উপসভাপতি আৰু সম্পাদক তথা অন্যান্য সদস্যক লৈ দলৰ কার্যনির্বাহক সভা গঠিত। সভাপতিজনে দলৰ মুখ্য ভূমিকা পালন কৰে।

সেই একে বছৰৰে ডিচেম্বৰ মাহত অসমত বিধান সভাৰ নির্বাচন অনুষ্ঠিত হয়। এই নির্বাচনত অগপই অকল অংশগ্রহণ কৰাই নহয় ১২৬ খন আসনৰ ৬৭ খনত জয় লাভ কৰি চৰকাৰো গঠন কৰে। অসমৰ বাবে আছিল ই এক ঐতিহাসিক ঘটনা। কাৰণ অগপই হ'ল অসমত চৰকাৰ গঠন কৰা প্রথম আঞ্চলিক দল। অগপ দলৰ জন্মৰ আগতে অসমত কংগ্রেছ দলেই আছিল সবাটোকৈ শক্তিশালী দল। জন্মৰ মাত্র দুমাহৰ পাছতে অগপ দল চৰকাৰ গঠন কৰিবলৈ সমর্থ হোৱাৰ অন্তৰালত বহুতো কাৰণ আছে।

দলে এটা ৰাষ্ট্রীয় সমস্যা, অসমৰ পৰা বিদেশী বিতাড়নক ভিত্তি কৰি নির্বাচনী যুঁজ খনত অৱতীর্ণ হৈছিল। এই গুৰুত্বপূর্ণ বিষয়টোৱে দলক জনসাধাৰণৰ প্রৱল সমর্থন লাভ কৰাত সহায় কৰে ।

জনসাধাৰণৰ অফুৰন্ত সমর্থন লাভ কৰিবলৈ সমর্থ হোৱা অসম আন্দোলনৰ

নেতাসকলক লৈ গঠিত হোৱাৰ বাবে অগপৰ প্ৰাৰ্থীসকলেও জনসাধাৰণৰ আনন্দ আৰু সহানুভূতিসূচক সমৰ্থন লাভ কৰিবলৈ সক্ষম হয়। ছাত্ৰসকলৰ সমৰ্থনো অগপৰ কৃতকাৰ্যতাৰ অন্যতম কাৰণ

তদুপৰি কেন্দ্ৰই অসমৰ প্ৰতি প্ৰদৰ্শন কৰা মাহী আই দৃষ্টিভংগীৰ বাবেও ৰাষ্ট্ৰীয় দলসমূহৰ প্ৰতি জন সমৰ্থন কমি আহিছিল আৰু সেয়েহে অসমৰ মানুহে নতুনকৈ জন্ম লাভ কৰা দলটোলৈ অন্তঃকৰণেৰে সমৰ্থন আগবঢ়াইছিল।

সেই সময়ত অসমত ভৈয়াম জনজাতি পৰিষদ, অসম (Plains Tribal Council of Assam-PTCA) আৰু সংযুক্ত সংখ্যালঘু মৰ্চা (United Minorities Front-UMF) নিচিনা কিছুমান আঞ্চলিক দলো আছিল যদিও সেই দলসমূহৰ কাৰ্যসূচীৰ পৰিসৰ ঠেক হোৱাৰ বাবে তুলনামূলকভাৱে অগপতকৈ তেওঁলোকে কম সমৰ্থন লাভ কৰিছিল ।

ওপৰত উল্লেখ কৰা সমূহ কাৰণে অগপৰ কৃতকাৰ্যতা পথাৰখন সাৱঁৰা কৰি তুলিছিল।

অৱশ্যে পৰবৰ্তী বিধান সভাৰ নিৰ্বাচনত অগপই ক্ষমতা ধৰি ৰাখিব নোৱাৰিলে। 1991 চনৰ মাৰ্চ মাহত নেতৃত্বৰ মাজত দেখা দিয়া সংঘাতে দলৰ বিভাজন নিশ্চিত কৰি তোলে। ইয়াৰ ফলত ভৃগু কুমাৰ ফুকন, দীনেশ গোস্বামী, পুলকেশ বৰুৱা আদি নেতাসকলে দলৰ পৰা ওলাই গৈ 'নতুন অসম গণ পৰিষদ' নামৰ দলৰ জন্ম দিয়ে। অৱশ্যে শীঘ্ৰেই নতুনকৈ জন্ম হোৱা 'নতুন অসম গণ পৰিষদ' আৰু অগপৰ মাজৰ মনোমালিন্যৰ অৱসান ঘটিল আৰু ১৯৯২ চনত দুয়োটা দল একত্ৰিত হ'ল। কিন্তু ২০০০ চনত পুনৰ দলটো বিভাজনৰ সন্মুখীন হয়। 'তৃণমূল গণ পৰিষদ'ৰ সৃষ্টি কৰি অতুল বৰাই এই বিভাজন আনে। ২০০৫ চনত অগপ আন এটা সংকটৰ মুখামুখি হয়, দলৰ অন্যতম মুখ্য সদস্য প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তক দল বিৰোধী কাৰ্যকলাপৰ বাবে দলৰ পৰা বহিস্কাৰ কৰা হয়। মহন্তই 'প্ৰগতিশীল অসম গণ পৰিষদ' নামৰ এটা নতুন দলৰ জন্ম দিয়ে। ২০০৮ চনৰ ১৪ অক্টোবৰৰ দিনা প্ৰগতিশীল অসম গণ পৰিষদ দলে অসম গণ পৰিষদৰ লগত পুনৰ লগ লাগে। ২০১৬ চনৰ অসম বিধান সভা নিৰ্বাচনৰ পূৰ্বে অসম গণ পৰিষদে ভাৰতীয় জনতা দলৰ লগত মিত্ৰতা কৰে আৰু এই নিৰ্বাচনত ১৪ খন আসন লাভ কৰিবলৈ সক্ষম হয়। বৰ্তমান অসম গণ পৰিষদে ভাৰতীয় জনতা দলৰ নেতৃত্বাধীন চৰকাৰখনৰ এটা অংশ।

- **সৰ্ব-ভাৰতীয় আন্না দ্ৰাৱিড় মুন্নেত্ৰা কাজাগম (All India Anna Davida Munnetra Kazagham-AIADMK) আৰু দ্ৰাৱিড় মুন্নেত্ৰা কাজাগম (Dravida Munnetra Kazhagam-DMK)**

তামিলনাডুৰ দুটা প্ৰধান আঞ্চলিক দল হ'ল সৰ্ব-ভাৰতীয় আন্না দ্ৰাৱিড় মুন্নেত্ৰা কাজাগম (All India Dravida Munnetra Kazhagam-AIADMK) আৰু দ্ৰাৱিড় মুন্নাত্ৰা কাজাগাম (DMK)। এই দল দুটাৰ মূলতঃ ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পূৰ্বেই জন্ম লাভ

কৰিছিল। তামিলসকলৰ জাতীয় গৌৰৱেই হ'ল এই দলৰ প্ৰধান চালিকা শক্তি। ভাৰতবৰ্ষৰ স্বাধীনতাৰ পূৰ্বেও দুটা দ্ৰাৱিড় দল আছিল। এটা আছিল স্বাধীন দল (Independent Party) যি দলে দক্ষিণ ভাৰতত এখন স্বাধীন দ্ৰাবিড় দেশৰ দাবী কৰিছিল। আনটো আছিল জাষ্টিজ পার্টি (Justice Party) যিটোৰ ৰাজনৈতিক আদৰ্শ আছিল দ্ৰাবিড় সকলৰ গৌৰৱ। স্বাধীনতাৰ পিছত পূৰ্বৰ মাদ্ৰাচ ৰাজ্যত ওপৰত উল্লেখ কৰা দল দুটা একত্ৰিত কৰি দ্ৰাবিড় মুন্নাত্ৰা কাঝগাম (DMK) গঠন কৰা হয়। এই দলে প্ৰথমতে সমগ্ৰ দক্ষিণ ভাৰতকে লৈ এখন স্বাধীন দ্ৰাবিড় ৰাষ্ট্ৰৰ গঠনৰ বাবে দাবী উত্থাপন কৰিছিল। পৰৱৰ্তী সময়ত এই দাবী স্বাধীন তামিল ৰাজ্য গঠন দাবীলৈ পৰিবৰ্তিত হ'ল। অৱশেষত ভাৰতীয় আৰু ভাৰততে এখন তামিল প্ৰদেশ গঠনত এই দলে গুৰুত্ব আৰোপ কৰে।

- **তেলেগু দেশম পার্টি**

তেলেগু দেশম পার্টি হ'ল অন্ধ্ৰপ্ৰদেশৰ এক লেখত ল'বলগীয়া ৰাজনৈতিক দল। এই দলটো প্ৰতিষ্ঠা কৰিছিল প্ৰাক্তন তেলেগু চলচ্চিত্ৰৰ অভিনেতা এন টি ৰামাৰাৱে। শাসনাধিষ্ঠিত কংগ্ৰেছ দলৰ কার্যকলাপত অতিষ্ঠ হৈ ১৯৮২ চনৰ ২৯ মার্চ তাৰিখে এই দলটো প্ৰতিষ্ঠা কৰা হৈছিল। প্ৰতিষ্ঠা হোৱাৰ ন মাহৰ পিছতেই এই দলটোৱে অন্ধ্ৰপ্ৰদেশত চৰকাৰ গঠন কৰে। ১৯৮৪ চনত লোকসভা নির্বাচনত এই দলটো লোকসভাৰ আটাইতকৈ বৃহৎ বিৰোধী দল হিচাপে চিহ্নিত হৈছিল। ১৯৮৯ চনৰ অন্ধ্ৰপ্ৰদেশ বিধানসভা নির্বাচনত অৱশ্যে এই দলটি পৰাজয়ৰ গৰাহত পৰে। ১৯৯৪ চনত তেলেগু দেশম পার্টি পুনৰ অন্ধ্ৰপ্ৰদেশৰ শাসনত অধিষ্ঠিত হৈছিল। ১৯৯৫ চনত এন টি ৰামাৰাওৰ তৃতীয় জোঁৱায়েক নৰ চন্দ্ৰবাবু নাইডুৱে অন্ধ্ৰপ্ৰদেশৰ বিধানসভাত অধিকাংশ বিধায়কৰ সমর্থন লাভ কৰি এন টি ৰামাৰাও চৰকাৰক ওফৰালে। তাৰ পিছৰে পৰা চন্দ্ৰবাবু নাইডুৰ নেতৃত্বতে তেলেগু দেশম পার্টি নতুনকৈ সংগঠিত হয়। তেলেগু দেশম পার্টিয়ে পূৰ্বতে একত্ৰিত অন্ধ্ৰপ্ৰদেশৰ কথাই চিন্তা কৰিছিল যদিও ২০০৮ চনৰ পৰা তেলেংগানা নামেৰে এখন পৃথক ৰাজ্যৰ দাবীক সমর্থন কৰি অহা দেখা গৈছে।

ওপৰত উল্লেখ কৰা ৰাষ্ট্ৰীয় আৰু আঞ্চলিক দলসমূহৰ উপৰি আন কিছুমান অস্বীকৃতিপ্ৰাপ্ত পঞ্জীয়নভুক্ত দল আছে। ইয়াৰ অর্থ হ'ল এই দলসমূহ হ'ল নির্বাচনী আয়োগৰ পঞ্জীয়নভুক্ত, কিন্তু ৰাজনৈতিক দল স্বীকৃতিপ্ৰাপ্ত হ'বলৈ যিবোৰ চর্ত পূৰণ কৰিব লাগে, সেইবোৰ চর্ত পূৰণ কৰিব নোৱাৰাৰ বাবে দলসমূহ নির্বাচনী আয়োগৰ স্বীকৃতিপ্ৰাপ্ত দল নহয়। অখিল ভাৰতীয় জনসংঘ, অল ইণ্ডিয়া মুছলিম ফৰাম, আম্বেদকাৰ সমাজ পার্টি আদি এনে ধৰণৰ দল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ভাৰতৰ দুটা ৰাষ্ট্রীয় দলৰ নাম লিখক।

.....

.....

প্রশ্ন নং ২ ঃ ভাৰতৰ যি কোনো এটা ৰাষ্ট্রীয় দলৰ বিষয়ে চমু টোকা লিখক।

.....

.....

প্রশ্ন নং ৩ ঃ সর্ব-ভাৰতীয় আন্না দ্রাৱিড় মুন্নেত্রা কাজাগম (All India Anna Dravida Munnetra Kazhagam-AIADMK) এক ৰাষ্ট্রীয় দল। (শুদ্ধ/অশুদ্ধ)

.....

চিন্তা-চর্চা কৰক ঃ ১৩.২

আপোনাৰ ৰাজ্যখনৰ আঞ্চলিক দলসমূহৰ এখন তালিকা প্রস্তুত কৰক।



.....

.....

.....

.....

১৩.৪ ভাৰতীয় দলীয় ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ

ভাৰতৰ দলীয় ব্যৱস্থা গতিশীল আৰু যথেষ্ট জটিল। ই আঞ্চলিকতাবাদ, পৰিচয়ৰ ৰাজনীতি, বৈচিত্রতা আদিৰ লগত জড়িত। ভাৰতৰ ৰাজনৈতিক পটভূমি যথেষ্ট জটিল য'ত স্থানীয়ৰ পৰা ৰাষ্ট্রীয় পর্যায়লৈ যথেষ্ট ৰাজনৈতিক দলৰ উপস্থিতি আছে। ভাৰতীয় দলীয় ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা ধৰণে আলোচনা কৰিব পাৰি।

১. বহুদলীয় ব্যৱস্থা ঃ একাধিক ৰাজনৈতিক দলৰ উপস্থিতি ভাৰতীয় দলীয় ব্যৱস্থাৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। ভাৰতবর্ষত ভাৰতীয় জনতা পার্টী (BJP), ভাৰতীয় জাতীয় কংগ্রেছ (INC), বহুজান সমাজ পার্টী (BSP), অল ইণ্ডিয়া তৃণমূল কংগ্রেছ (TMC), ভাৰতীয় কমিউনিষ্ট পার্টী (CPI) আদি কেইবাটাও ৰাষ্ট্রীয় ৰাজনৈতিক দল আছে। ইয়াৰ উপৰি যথেষ্ট সংখ্যক আঞ্চলিক আৰু সৰু সৰু ৰাজনৈতিক দল, যেনে- আকালি দল, অসম গণ পৰিষদ (AGP) আদি আছে। ভাৰতীয় দলীয় ব্যৱস্থাৰ এ বৈচিত্রতা ভাৰতৰ বৃহৎ আৰু বৈচিত্রপূর্ণ জনসাধাৰণৰ প্রতিফলন।

২. ৰাষ্ট্ৰীয় দলৰ আধিপত্য ঃ ভাৰতীয় ৰাজনীতিত বিভিন্ন ৰাষ্ট্ৰীয় দল, যেনে-বিজেপি আৰু কংগ্ৰেছে গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰে। এই দলসমূহে সমগ্ৰ ভাৰততে নিৰ্বাচনত অৱতীৰ্ণ হয় আৰু ভাৰতীয়সকলৰ মাজত ব্যাপক প্ৰতিনিধিত্ব আগবঢ়ায়। এই দলসমূহে প্ৰায়েই ৰাষ্ট্ৰীয় পৰ্যায়ত চৰকাৰ গঠন কৰে আৰু গুৰুত্বপূৰ্ণ মিত্ৰজোঁট, যেনে- NDA আৰু UPA আদিক নেতৃত্ব প্ৰদান কৰে।

৩. আঞ্চলিক দলৰ উত্থান ঃ আঞ্চলিক দলসমূহেও ভাৰতীয় ৰাজনীতিত গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰে। বিশেষকৈ ৰাজ্যিক পৰ্যায়ত আঞ্চলিক দলসমূগে গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰে। এই দলবোৰে নিৰ্দিষ্ট বিষয়ৰ ওপৰত গুৰুত্ব প্ৰদান কৰে আৰু আঞ্চলিক স্বাৰ্থৰ প্ৰতিনিধিত্ব কৰে। বিভিন্ন আঞ্চলিক ৰাজনৈতিক দল, যেনে- তামিলনাড়ুত AIADMK, ওড়িছাত বিজু জনতা দল, অসমত অসম গণ পৰিষদ আদিয়ে ৰাজ্যিক পৰ্যায়ত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলোৱাৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়ৰ মিত্ৰজোঁটকো প্ৰভাৱিত কৰিছে।

৪. মিত্ৰজোঁটৰ ৰাজনীতি ঃ ভাৰতীয় দলীয় ব্যৱস্থাত ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰায়েই মিত্ৰজোঁটৰ চৰকাৰ দেখা যায়। প্ৰায়েই এইটো লক্ষ্য কৰা যায় যে লোকসভাৰ আসনবোৰ বিভিন্ন দলৰ মাজত ভাগ হৈ যোৱাৰ ফলত কোনো এটা ৰাজনৈতিক দলৰ বাবে একক সংখ্যাগৰিষ্ঠতা লাভ কৰাতো সম্ভৱ হৈ নুঠে। মিত্ৰজোঁটত ভিন্ন আদৰ্শৰ ৰাজনৈতিক দলসমূহৰ মাজত ৰাজনৈতিক বুজাবুজি জড়িত থাকে, যিটোৱে ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ ৰাজনীতিক প্ৰভাৱিত কৰে। UPA আৰু NDA হ'ল ভাৰতৰ দুটা উল্লেখযোগ্য মিত্ৰজোঁট।

৫. মতাদৰ্শগত ভিন্নতা ঃ ভাৰতীয় ৰাজনীতিত বাওঁপন্থী সমাজবাদৰ পৰা আৰম্ভ কৰি কেন্দ্ৰীয়তাবাদী মতাদৰ্শৰ পৰা সোঁপন্থী ৰক্ষণশীলতাবাদ আৰু ৰাষ্ট্ৰীয়তাবাদলৈ বিভিন্ন মতাদৰ্শৰ ৰাজনৈতিক দনৰ উপস্থিতি দেখা যায়। এই মতাদৰ্শগত বৈচিত্ৰতাই ভাৰতীয় সমাজৰ বহুত্বতাক প্ৰতিফলিত কৰে। ৰাজনৈতিক দলৰ এই সতাদৰ্শগত বৈচিত্ৰতাই ভোটাৰসকলক তেওঁলোকৰ বিশ্বাস আৰু পছন্দৰ ওপৰত ভিত্তি কৰি ৰাজনৈতিক দলৰ বাছনি কৰিবলৈ বিভিন্ন বিকল্প প্ৰদান কৰে। এই বিকল্পৰ উপস্থিতিয়ে ৰাজনৈতিক দলসমূহক সুযোগ আৰু প্ৰত্যাহ্বান প্ৰদান কৰে যাতে তেওঁলোকে কৌশলগত অভিযোজনৰ দ্বাৰা প্ৰাসংগিক হৈ থাকে।

৬.পৰিচয়ৰ ৰাজনীতি ঃ

পৰিচয়ৰ ৰাজনীতি ভাৰতীয় দলীয় ব্যৱস্থাৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। বিভিন্ন ৰাজনৈতিক দলে কিছুমান ধৰ্মীয়, ভাষিক বা জাতি-গোষ্ঠীক প্ৰতিনিধিত্ব কৰে। উদাহৰণ স্বৰূপে শিৱসেনা আৰু দ্ৰাবিড় মুন্নেত্ৰা কাঝাগম (DMK)এ ক্ৰমে মাৰাঠী আৰু দ্ৰাবিড়িয়ান সকলক সমৰ্থন কৰে। জাতিগত স্বাৰ্থৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা জল, যেনে- সমাজবাদী পাৰ্টী(SP) আৰু বহুজন সমাজ পাৰ্টী (BSP)ৰ মূল লক্ষ্য হৈছে প্ৰান্তীয়কৃত সম্প্ৰদায়সমূহৰ সমস্যাবোৰ সমাধান কৰা।

৭. শক্তিশালী বিৰোধী দলৰ অভাৱ ঃ সংসদীয় গণতন্ত্ৰৰ সফলতাৰ বাবে শক্তিশালী বিৰোধী দলৰ উপস্থিতি অপৰিহাৰ্য। ই শাসকীয় দলক স্বৈৰাচাৰী হোৱাত বাধা প্ৰদান কৰে। অৱশ্যে ভাৰতত ৰাষ্ট্ৰীয় পৰ্যায়ত শক্তিশালী, সংগঠিত আৰু কাৰ্যক্ষম বিৰোধী দলৰ অভাৱ দেখা যায়। সামগ্ৰিকভাৱে ক'ব পাৰি যে ভাৰতত বিৰোধী দলসমূহৰ মাজত একতাৰ অভাৱ দেখা যায়। কিন্তু এয়া সঁচা যে বিৰোধী দলবোৰে একত্ৰিত হোৱাৰ বহুবাৰ প্ৰচেষ্টা কৰিছে যদিও সমন্বয় আৰু

বুজাবুজিৰ অভাৱত এই প্ৰচেষ্টা বাৰে বাৰে বিফল হৈছে।

৮. দলীয় ভাঙোন আৰু দলত্যাগ ঃ দলীয় ভাঙোন আৰু দলত্যাগ দুয়োটাই ভাৰতীয় ৰাজনীতিৰ সাধাৰণ পৰিঘটনা। দলীয় ভাঙোন আৰু দলত্যাগে ৰাজনৈতিক দলৰ কাৰ্যকলাপ আৰু দেশৰ ৰাজনৈতিক পৰিৱেশৰ ওপৰত প্ৰভাৱ পেলায়। দলীয় ভাঙোনে এটা ৰাজনৈতিক দলৰ মাজত বিভাজন হোৱা বুজায়। বিভিন্ন নেতা, আদৰ্শ আৰু স্বাৰ্থৰ ওপৰত ভিত্তি কৰি ৰাজনৈতিক দল এটাৰ মাজত বিবাদৰ সৃষ্টি হ'ব পাৰে আৰু ইয়াৰ ফলত দলত ভাঙোনে দেখা দিয়ে। দল ত্যাগে কোনো ৰাজনৈতিক নেতাই নতুন গোট গঠন কৰিবলৈ বা আন কাৰণত পুৰণি দলটো এৰি যোৱাটোক বুজায়। ১৯৬৭ চনৰ সাধাৰণ নিৰ্বচনৰ পাছৰ পৰা দলত্যাগ কাৰ্যই অধিক গুৰুত্ব লাভ কৰা পৰিলক্ষিত হৈছে।

৯.ব্যক্তিত্বৰ প্ৰভাৱ / ব্যক্তিপূজন ঃ

ভাৰতীয় দলীয় ব্যৱস্থাৰ এটা বিশেষ বৈশিষ্ট্য এয়া যে ভাৰতৰ বহুতো ৰাজনৈতিক দল কিছুমান বিশিষ্ট ব্যক্তিত্বক কেন্দ্ৰ কৰি সংগঠিত হয়। এনে ব্যক্তিয়ে আকৰ্ষিত কৰা আৰু একত্ৰিত কৰাৰ এক উৎসৰূপে কাম কৰে। প্ৰায়েই ৰাজনৈতিক দলবোৰক তেওঁলোকৰ ইস্তাহাৰতকৈ দলটোত থকা নেতাসকলৰ দ্বাৰাহে চিনি পোৱা যায়। উদাহৰণ স্বৰূপে কংগ্ৰেছ দলৰ জনপ্ৰিয়তাৰ আঁৰত পণ্ডিত জৱাহৰলাল নেহৰু, ইন্দিৰা গান্ধী আৰু ৰাজীৱ গান্ধী আদিৰ দৰে নেতাসকলৰ ব্যক্তিত্বৰ প্ৰভাৱ আছে। ঠিক একেদৰে বিজেপিৰ জনপ্ৰিয়তা আৰু নিৰ্বাচনী জয়লাভৰ আঁৰত অটল বিহাৰী বাজপায়ী আৰু নৰেন্দ্ৰ মোদী আদিৰ দৰে নেতাৰ ব্যক্তিত্বৰ প্ৰভাৱ আছে।



চিন্তা-চৰ্চা ঃ ১৩.৩

স্বৰাজোত্তৰ ভাৰতৰ লোক সভাৰ বিৰোধী দলৰ নেতাসকলৰ এখন তালিকা প্ৰস্তুত কৰক।

অগ্ৰগতি নিৰীক্ষণ ঃ



প্ৰশ্ন নং ৮ ঃ বিৰোধী দল বা দলসমূহৰ ভূমিকাৰ বিবৰণ দিয়ক। (৬০ টা শব্দত)

.....

.....

.....

.....

.....

.....

.....



১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বহলভাৱে ৰাজনৈতিক দলসমূহৰ কাম-কাজ এনেদৰে শ্ৰেণীভুক্ত কৰিব পাৰি - নিৰ্বাচনী (Electoral) কাম-কাজ আৰু অনিৰ্বাচনী কাম- কাজ।
  শক্তি আৰু কৰ্মক্ষেত্ৰৰ ভিত্তিত ৰাজনৈতিক দলসমূহক তিনিটা ভাগত ভাগ কৰা হয়।
  ১) ৰাষ্ট্ৰীয় দল
  ২) ৰাজ্যিক বা আঞ্চলিক দল
- সংবিধানৰ ৩২৪ অনুচ্ছেদত নিৰ্বাচন আয়োগ (Election Commission) এখনৰ ব্যৱস্থা কৰা হৈছে। এই দফাত স্বতন্ত্ৰীয় নিৰ্বাচনী আয়োগেই হ'ল একমাত্ৰ গৰাকী যি ৰাজনৈতিক দলসমূহৰ ৰাষ্ট্ৰীয় দল, প্ৰাদেশিক দল বা অস্বীকৃতিপ্ৰাপ্ত দল হিচাপে পঞ্জীয়নভুক্ত কৰিব পাৰে।
- ভাৰতবৰ্ষত বহুতো ৰাষ্ট্ৰীয় দল আছে এই বিলাকৰ ভিতৰত কেইটামান উল্লেখযোগ্য ৰাষ্ট্ৰীয় দল - হ'ল ভাৰতীয় জাতীয় কংগ্ৰেছ, ভাৰতীয় জনতা দল আৰু ভাৰতীয় কমিউনিষ্ট দল (মার্ক্সবাদী)।
- কেইটামান আঞ্চলিক দল হ'ল অসম গণ পৰিষদ, তেলেগু দেশম পার্টি আৰু সর্ব-ভাৰতীয় আন্না দ্ৰাৱিড় মুন্নেত্ৰা কাজাগম ।
- ভাৰতীয় দলীয় ব্যৱস্থাৰ ক্ষেত্ৰত বিভিন্ন বৈশিষ্ট্য চিনাক্ত কৰিব পাৰি। এনে কিছুমান বৈশিষ্ট্য হৈছে-বহুদলীয় ব্যৱস্থা, আঞ্চলিক ৰাজনৈতিক দলৰ উত্থান, শক্তিশালী বিৰোধী দলৰ অভাৱ, দলীয় ভাঙোন আৰু দলত্যাগ, ব্যক্তিত্বৰ প্ৰভাৱ ইত্যাদি।



১৩.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০ ।*ভাৰতৰ প্ৰশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শর্মা, দুর্গা কান্ত , ৰফিক, জামান আৰু শর্মা ,ড° পূৰবী ২০০৫ । *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ ২০১১ ।*স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi : Cosmos Bookhive Pvt. Ltd.

2) Ghai, K.K.(2007). *Indian Government and Politics*.New Delhi: Kalyani Publishers.

3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions*.New Delhi : S. Chand and Company.



১৩.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্ন উত্তৰ ঃ (ক) ভাৰতীয় জাতীয় কংগ্রেছ (খ) ভাৰতীয় জনতা দল

২ নং প্রশ্ন উত্তৰ ঃ ভাৰতীয় জনতা দল (ভা.জ.পা) অটল বিহাৰী বাজপেয়ীৰ নেতৃত্বত ১৯৮০ চনৰ এপ্রিল মাহত গঠিত হয়। পূর্বৰ ভাৰতীয় জন সংঘত বেছিভাগ সদস্যক লৈয়েই এই দল গঠিত। এখন দেশ, এটা জাতি, এটা সংস্কৃতি আৰু এখন আই নৰ দ্বাৰা শাসিত এই চাৰিটা বাক্যকে আধাৰ হিচাপে লৈ ১৯৫১ চনত ড° শ্যামা প্রসাদ মুখার্জীৰ সভাপতিত্বত ভাৰতীয় জন সংঘ প্রতিষ্ঠা কৰা হৈছিল। নীতি বা আদর্শৰ ক্ষেত্রত ভাৰতীয় জনতা দল নিম্নলিখিত নীতি বা আদর্শ মানি চলে -

পূর্ণ মানৱতাবাদ (Integral Humanism আৰু হিন্দুত্ব।

১৯৮০ চনত পূর্বত ভাৰতীয় জন সংঘৰ অধিকাংশ সদস্যই জনতা দল ত্যাগ কৰি ভাৰতীয় জনতা দল গঠন কৰে। এই কেইবছৰত ভা.জ.পা.ই এটা গুৰুত্বপূর্ণ ৰাষ্ট্রীয় দল হিচাপে আত্মপ্রকাশ কৰিছে।

৩ নং প্রশ্ন উত্তৰ ঃ অশুদ্ধ

৪ নং প্রশ্ন উত্তৰ ঃ ৰাষ্ট্রীয় দলৰ আধিপত্য

মিত্রজোঁটৰ ৰাজনীতি

৫ নং প্রশ্ন উত্তৰ ঃ একাধিক ৰাজনৈতিক দলৰ উপস্থিতি ভাৰতীয় দলীয় ব্যৱস্থাৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। ভাৰতবর্ষত ভাৰতীয় জনতা পার্টী (BJP), ভাৰতীয় জাতীয় কংগ্রেছ (INC), বহুজান সমাজ পার্টী (BSP), অল ইণ্ডিয়া তৃণমূল কংগ্রেছ (TMC), ভাৰতীয় কমিউনিষ্ট পার্টী (CPI) আদি কেইবাটাও ৰাষ্ট্রীয় ৰাজনৈতিক দল আছে। ইয়াৰ উপৰি যথেষ্ট সংখ্যক আঞ্চলিক আৰু সৰু সৰু ৰাজনৈতিক দল, যেনে- আকালি দল, অসম গণ পৰিষদ (AGP) আদি আছে। ভাৰতীয় দলীয় ব্যৱস্থাৰ এই বৈচিত্রতা ভাৰতৰ বৃহৎ আৰু বৈচিত্রপূর্ণ জনসাধাৰণৰ প্রতিফলন।



১৩.৮ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

১. কমিউনিষ্ট পার্টী কেতিয়া গঠন কৰা হৈছিল?

২. ভাৰতীয় জনসংঘ কাৰ সভাপতিত্বত গঠন কৰা হৈছিল?

৩. ভাৰতীয় সংবিধানৰ কোনটো অনুচ্ছেদ নির্বাচন আয়োগৰ লগত জড়িত?

খ. চমু প্রশ্ন

১. ভাৰতীয় দলীয় ব্যৱস্থাৰ যিকোনো দুটা বৈশিষ্ট্য আলোচনা কৰক।

২. অসম গণ পৰিষদৰ ওপৰত এটা চমুটোকা লিখক।

গ. ৰচনাধর্মী প্রশ্ন

১. ভাৰতৰ দুটা ৰাষ্ট্রীয় দলৰ ওপৰত টোকা লিখক।

২. ভাৰতীয় দলীয় ব্যৱস্থাৰ যিকোনো পাঁচটা বৈশিষ্ট্য আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ ভাৰতত সংসদীয় গণতন্ত্ৰ

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ ভাৰতত সংসদীয় চৰকাৰৰ পৃষ্ঠভূমি
১৪.৪ ভাৰতত সংসদীয় গণতন্ত্ৰৰ সাংবিধানিক আধাৰ আৰু নিৰ্বাচনী ইতিহাস
১৪.৫ ভাৰতত সংসদীয় গণতন্ত্ৰৰ সক্ৰিয় কাৰ্যকলাপঃ প্ৰত্যাহ্বান আৰু ভৱিষ্যত
১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৭ অধিক জানিবলৈ
১৪.৮ অগ্ৰগতিৰ খতিয়ান
১৪.৯ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাৰতত সংসদীয় চৰকাৰৰ পৃষ্ঠভূমি ব্যাখ্যা কৰিব পাৰিব
- ভাৰতত সংসদীয় গণতন্ত্ৰৰ সাংবিধানিক আধাৰ আলোচনা কৰিব পাৰিব
- ভাৰতত ১৯৫১-৫২ চনৰ পৰা অনুষ্ঠিত হোৱা সাধাৰণ নিৰ্বাচনৰ ইতিহাস ব্যাখ্যা কৰিব পাৰিব
- ভাৰতত সংসদীয় ব্যৱস্থাৰ ফলপ্ৰসূ কাৰ্য সম্পাদনত অন্তৰায়ৰ সৃষ্টি কৰা কাৰকবোৰৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ভাৰতত সংসদীয় গণতন্ত্ৰৰ সফলতাত অৰিহণা যোগোৱা দুটা কাৰকসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১৪.২ পৰিচয়

ভাৰতৰ সংবিধানে কেন্দ্ৰ আৰু ৰাজ্য উভয়তে সংসদীয় পদ্ধতিৰ চৰকাৰৰ সুবিধা আগবঢ়াইছে। ভাৰতত দুই প্ৰকাৰৰ কাৰ্যপালিকা আছে- নামমাত্ৰ অথবা খিতাপধাৰী কাৰ্যপালিকা আৰু প্ৰকৃত কাৰ্যপালিকা । কেন্দ্ৰ আৰু ৰাজ্য উভয় স্তৰতে এই দুই প্ৰকাৰৰ কাৰ্যপালিকা থাকে। কেন্দ্ৰীয় পৰ্যায়ত ৰাষ্ট্ৰৰ সকলো কাৰ্যনিৰ্বাহক ক্ষমতা ভাৰতৰ ৰাষ্ট্ৰপতিৰ হাতত ন্যস্ত থাকে যদিও ৰাষ্ট্ৰপতি প্ৰকৃতাৰ্থত এগৰাকী নামমাত্ৰ অথবা খিতাপধাৰী কাৰ্যবাহীহে। দেশৰ প্ৰকৃত কাৰ্যবাহী কৰ্তৃপক্ষ হ'ল প্ৰধানমন্ত্ৰীৰ নেতৃত্বাধীন কেন্দ্ৰীয় মন্ত্ৰী পৰিষদ। পৰিষদে ৰাষ্ট্ৰৰ সকলো কাৰ্যবাহী

ক্ষমতাৰ অনুশীলন কৰে। একেদৰে, ৰাজ্যিক পৰ্যায়ত ৰাজ্যপাল হ'ল নামমাত্ৰ মুৰব্বী আৰু মুখ্যমন্ত্ৰীৰ নেতৃত্বত ৰাজ্যিক মন্ত্ৰী পৰিষদ হ'ল প্ৰকৃত কাৰ্যবাহী। ভাৰতৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰবোৰ সংসদ নাইবা ৰাজ্যিক বিধানসভাৰ নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা লাভ কৰা দলটোৰ নাইবা একাধিক মিত্ৰদলৰ সদস্যৰে গঠন হয়। কেন্দ্ৰীয় চৰকাৰ সংসদৰ নিম্ন সদনৰ প্ৰতি আৰু ৰাজ্য চৰকাৰ ৰাজ্যিক বিধান পৰিষদৰ প্ৰতি দায়ৱদ্ধ হৈ শাসন চলাই থাকে। বিধান পৰিষদৰ বিশ্বাস আৰু আস্থা বৰ্তি থকা পৰ্যন্ত চৰকাৰে ক্ষমতা নিজৰ হাতত ৰাখিব পাৰে। এই দিশৰ পৰা চাবলৈ গ'লে ভাৰতৰ কাৰ্যপালিকা আৰু বিধান পৰিষদৰ মাজত ঘনিষ্ঠ সম্পৰ্ক থাকে। ই চৰকাৰৰ সংসদীয় ৰূপটোৰ এক বৈশিষ্ট্য। আমাৰ ভাৰতৰ সংসদীয় পদ্ধতিৰ চৰকাৰখনৰ আৰ্হি বহুলাংশে বৃটিছ চৰকাৰৰ পৰা লোৱা হৈছে যদিও সংবিধান প্ৰণেতাসকলে এশ শতাংশই বৃটিছ আৰ্হিৰ অনুকৰণ কৰা নাই। ভাৰতৰ ৰাজনৈতিক অৱস্থা আৰু ঐতিহাসিক পৰম্পৰাৰ সৈতে খাপ খোৱাকৈ ইয়াত কিছু সংশোধন ঘটোৱা হৈছে।

১৪.৩ ভাৰতত সংসদীয় চৰকাৰৰ পৃষ্ঠভূমি

ভাৰতত আধুনিক সংসদীয় অনুষ্ঠানৰ বীজ ৰোপণ কৰোঁতা হ'ল বৃটিছ সকল। ভাৰতৰ প্ৰশাসনিক কাম-কাজ সুচাৰুৰূপে চলাই নিবলৈ বৃটিছ সংসদে সময়ে সময়ে গৃহীত কৰা বিভিন্ন আইনে কেনেদৰে দেশখনক সংসদীয় শাসনৰ উপাদানবোৰৰ সৈতে পৰিচয় কৰাই দিছিল তাৰ দুটামান গুৰুত্বপূৰ্ণ উদাহৰণ তলত পৰীক্ষা কৰি চোৱা হ'ল।

- **১৮৩৩ চনৰ চার্টাৰ (চনদ) আইন**

  ১৮৩৩ চনৰ চার্টাৰ (চনদ) আইনখনৰ জৰিয়তে প্ৰথমবাৰৰ বাবে পৰিষদৰ গভর্ণৰ জেনেৰেলসকলৰ কাৰ্যবাহী কাম-কাজৰ তালিকাৰ পৰা বিধায়িনী কাৰ্যকলাপসমূহ (legislative functions) আঁতৰ কৰা হৈছিল।

- **১৮৫৮ চনৰ ভাৰত চৰকাৰ আইন**

  ১৮৫৮ চনৰ ভাৰত চৰকাৰ আইনৰ অধীনত ভাৰত শাসনৰ ক্ষমতা ইষ্ট ইণ্ডিয়া কোম্পানীৰ পৰা বৃটিছ ৰাজমুকুট নাইবা চৰকাৰৰ হাতলৈ হস্তান্তৰ কৰা হৈছিল। বোৰ্ড অৱ কণ্ট্ৰোল আৰু কোৰ্ট অৱ ডাইৰেক্টৰ্চ নামৰ প্ৰশাসনীয় কৰ্তৃপক্ষ দুটাৰ বিলোপ ঘটাই কৰ্তৃপক্ষ দুটাৰ সকলোবোৰ ক্ষমতা ভাৰতৰ বাবে নিযুক্ত বিদেশ মন্ত্ৰী আৰু ভাৰত পৰিষদৰ হাতত ন্যস্ত কৰা হৈছিল। ভাৰত পৰিষদ (India Council) ত ১৫ গৰাকী সদস্য আছিল।

- **১৮৬১ চনৰ ভাৰতীয় পৰিষদ আইন**

  ১৮৬১ চনৰ ভাৰতীয় পৰিষদ আইনে বিধান পৰিষদৰ বিকেন্দ্ৰীকৰণ ঘটাইছিল। কাৰ্যবাহী পৰিষদৰ কাম-কাজ সম্পৰ্কীয় নীতি- নিয়ম আৰু নিৰ্দেশাৱলী প্ৰস্তুত কৰাৰ ক্ষমতা গভর্ণৰ জেনেৰেলক অৰ্পন কৰা হৈছিল। এই ক্ষমতা প্ৰয়োগ কৰি ল'ৰ্ড কেনিঙে ভাৰতীয় চৰকাৰত প'ৰ্টফ'লিও (portfolio) ব্যৱস্থা প্ৰৱৰ্তন কৰিছল। এনেদৰে বিশেষ দপ্তৰ ভগাই দিয়াৰ

নিয়মটোৰ দ্বাৰা ভাৰতত কেবিনেট ব্যৱস্থাৰে শাসন চলোৱাৰ প্ৰথা আৰম্ভ কৰা হৈছিল।

- **১৮৯২ চনৰ ভাৰতীয় পৰিষদ আইন**

১৮৯২ চনৰ ভাৰতীয় পৰিষদ আইনে ভাৰতত বিধান পৰিষদবোৰৰ আকাৰ বৃদ্ধি কৰিছিল। ইয়াৰ দ্বাৰা আটাইবোৰ কেন্দ্ৰীয় আৰু প্ৰাদেশিক বিধান পৰিষদত অতিৰিক্ত সদস্য অন্তৰ্ভুক্ত কৰা হৈছিল। এই আইনখনে পোন প্ৰথমবাৰৰ বাবে নিৰ্বাচন ব্যৱস্থাৰ পাতনি মেলিছিল বুলি কোৱা হয়। বিধান পৰিষদৰ অতিৰিক্ত (অনানুষ্ঠানিক) সদস্যসকলক পৰোক্ষভাৱে নিৰ্বাচিত কৰা হৈছিল। বিশ্ববিদ্যালয়, জিলা পৰ্যায়ৰ বোৰ্ড, পৌৰ নিগম, জমিদাৰ আৰু চেম্বাৰচ্ অৰ কমাৰ্চক প্ৰদান কৰা ক্ষমতা অনুসৰি তেওঁলোকে প্ৰাদেশিক পৰিষদবোৰৰ বাবে অতিৰিক্ত সদস্যৰ নামৰ তালিকা একোখন প্ৰেৰণ কৰিছিল আৰু সেই তালিকাৰ পৰা সদস্য বাছনি কৰা হৈছিল। আইনখনৰ জৰিয়তে বিধান পৰিষদবোৰক পূৰ্বতকৈ অধিক কাম-কাজ সম্পাদনৰ ভাৰ অৰ্পন কৰা হৈছিল। বিধান পৰিষদৰ সদস্যসকলক বাজেট তথা ৰাহুৰা স্বাৰ্থজড়িত বিষয়ত কাৰ্যবাহী পৰিষদৰ সদস্যক প্ৰশ্ন সোধাৰ অধিকাৰ দিয়া হৈছিল। এনেকেয়ে ভাৰতৰ ৰাজনৈতিক ব্যৱস্থাত প্ৰতিনিধিত্বৰ নীতি প্ৰচলিত হৈছিল। ১৮৯২ চনৰ ভাৰতীয় পৰিষদ আইনখনক ভাৰতত সংসদীয় ব্যৱস্থাৰ সূচনাকাৰী বুলি অভিহিত কৰা হয়।

- **১৯০৯ চনৰ ভাৰতীয় পৰিষদ আইন (ম'র্লে-মিণ্ট' সংস্কাৰ)**

১৯০৯ চনৰ ভাৰতীয় পৰিষদ আইন (ম'র্লে-মিণ্ট' সংস্কাৰ) খনে কেন্দ্ৰীয় (সাম্ৰাজ্যিক) বিধান পৰিষদ আৰু প্ৰাদেশিক বিধান পৰিষদ উভয়ৰে শক্তি বৃদ্ধি কৰিছিল।

- **১৯১৯ চনৰ ভাৰত চৰকাৰ আইন**

১৯১৯ চনৰ ভাৰত চৰকাৰ আইনৰ অধীনত কেন্দ্ৰীয় বিধান পৰিষদ ভাৰতীয় সদস্যৰ সংখ্যা এক ৰ পৰা তিনি জনলৈ বৃদ্ধি কৰা হৈছিল। একেখন আইনেই কেন্দ্ৰীয় বিধান পৰিষদখনক দ্বি-সভাযুক্ত কৰিছিল। সাম্ৰাজ্যিক পৰিষদৰ সলনি আইনখনে কেন্দ্ৰীয়ভাৱে কাউন্সিল অৰ ষ্টেটচ্ (উচ্চ সদন) আৰু চেণ্ট্ৰেল লেজিছলেটিভ এচেম্ব্লি (নিম্ন সদন) নামৰ দুখন গঠন কৰিছিল। কেন্দ্ৰীয় বিধান সভা (নিম্ন সদন)ৰ অধিকাংশ সদস্যক নিৰ্বাচিত আৰু কেইজনমানক মনোনীত কৰা হৈছিল। সামগ্ৰিকভাৱে কেন্দ্ৰীয় বিধান পৰিষদক সমগ্ৰ বৃটিছ শাসিত ভাৰতৰ প্ৰশাসনীয় কাম-কাজ চলাই নিয়াৰ ক্ষমতা দিয়া হৈছিল। ১৯১৯ চনৰ ভাৰত চৰকাৰ আইনে দেশত দুই ধৰণৰ প্ৰজা (subject) ৰ তালিকা প্ৰস্তুত কৰিছিল- কেন্দ্ৰীয় আৰু প্ৰাদেশিক প্ৰজা। প্ৰাদেশিক প্ৰজাসকলক আকৌ দুটা অংশত ভগোৱা হৈছিল- সংৰক্ষিত বিষয় (Reserved Subjects) আৰু স্থানান্তৰিত বিষয় (Transferred Subjects)। এই ব্যৱস্থাটোক দ্বৈত প্ৰশাসন ব্যৱস্থা (System of Dyarchy) বোলা হৈছিল। ব্যৱস্থাটোৰ জৰিয়তে দুটা স্বতন্ত্ৰ কৰ্তৃপক্ষই শাসন চলাইছিল। স্থানান্তৰিত বিষয়ৰ প্ৰশাসনৰ দায়িত্বত আছিল গভৰ্ণৰ আৰু মন্ত্ৰী পৰিষদ। মন্ত্ৰীসকলক নিৰ্বাচন প্ৰক্ৰিয়াৰে নিযুক্তি দিয়া হৈছিল আৰু তেওঁলোক প্ৰাদেশিক বিধান পৰিষদৰ প্ৰতি দায়বদ্ধ আছিল।

● ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন

১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনে প্ৰাদেশিক স্তৰত দ্বৈত প্ৰশাসন ব্যৱস্থাৰ ওৰ পেলাই কেন্দ্ৰীয় স্তৰত ইয়াৰ পাতনি মেলিছিল। কেন্দ্ৰীয় স্তৰতো বিষয়সমূহ দুটা ভাগত ভগাই লোৱা হৈছিল- সংৰক্ষিত আৰু স্থানান্তৰিত বিষয়। স্থানান্তৰিত বিষয়সমূহকক গভৰ্ণৰ জেনেৰেল আৰু মন্ত্ৰী পৰিষদে শাসন কৰিছিল। সংসদীয় বিধান পৰিষদ (Federal Legislature) ৰ নিৰ্বাচিত সদস্যসকলৰ মাজৰ পৰা বাছনি কৰা সদস্যেৰে মন্ত্ৰীপৰিষদখন গঠন কৰা হৈছিল। আইনখনে কেন্দ্ৰীয় স্তৰত দ্বি-সভাযুক্ত বিধান পৰিষদ গঠনৰ পথ প্ৰশস্ত কৰিছিল। উচ্চ সদনখনক কাউন্সিল অৱ ষ্টেটচ্ আৰু নিম্ন সদসখনক ফেডাৰেল এচেম্বলি বুলি কোৱা হৈছিল।

প্ৰদেশবোৰক প্ৰাদেশিক স্ব-নিয়ন্ত্ৰণৰ অধিকাৰ দিয়া হৈছিল। কালক্ৰমত প্ৰদেশবোৰত পূৰ্ণ পৰ্যায়ৰ দায়ৱদ্ধ চৰকাৰ গঠন কৰা হৈছিল। প্ৰদেশবোৰৰ কাৰ্যবাহী ক্ষমতা গভৰ্ণৰৰ হাতত ন্যস্ত আছিল। গভৰ্ণৰে নিজে বাছনি কৰা মন্ত্ৰী পৰিষদে তেওঁক কাম-কাজ চলোৱাত সহায় কৰিছিল তথা প্ৰয়োজনীয় দিহা-পৰামৰ্শ দিছিল। মন্ত্ৰীসকলক প্ৰাদেশিক বিধান সভাৰ সদস্যসকলৰ মাজৰ পৰা বাছনি কৰা হৈছিল। আইনখনৰ অধীনত ১১ খন প্ৰদেশত বিধান সভা গঠন কৰাৰ ব্যৱস্থা কৰা হৈছিল। ইয়াৰে ৬ খনত দ্বি-সদনযুক্ত বিধানসভাৰ ব্যৱস্থা ৰখা হৈছিল। মন্ত্ৰীসকল বিধান সভাৰ প্ৰতি দায়ৱদ্ধ আছিল। এই শাসন ব্যৱস্থাত সামূহিক দায়বদ্ধতাৰ নীতিটোৰ পোষকতা কৰা হৈছিল।

পৰৱৰ্তী সময়ত কেন্দ্ৰীয় আৰু প্ৰাদেশিক দুয়ো ধৰণৰ বিধান পৰিষদৰে সদস্য সংখ্যা বৃদ্ধি কৰা হৈছিল।

আইনখনে ভোট দিয়াৰ অধিকাৰ লাভৰ ক্ষেত্ৰত থকা অৰ্হতা শিথিল কৰিছিল। ফলত ভোট দিওঁতাৰ সংখ্যা বৃদ্ধি পাইছিল। প্ৰাদেশিক বিধান সভাৰ বাবে মুঠ জনসংখ্যাৰ ১০ শতাংশই ভোট দিয়াৰ অধিকাৰ লাভ কৰিছিল।

ওপৰৰ আলোচনাৰ পৰা আমি গম পালোঁ যে ভাৰতত সংসদীয় চৰকাৰ ব্যৱস্থা প্ৰচলনৰ প্ৰাৰম্ভিক সংৰচনাটো বিকশাই তোলাত দেশখনত প্ৰশাসনিক কাম-কাজ চলাই নিবলৈ প্ৰাক্-স্বাধীনতা যুগত বৃটিছ সংসদে গৃহিত কৰা বিভিন্ন আইনে প্ৰভূত অৱদান আগবঢ়াই থৈ গৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কোনখন আইনে প্ৰথমবাৰৰ বাবে বিধানপৰিষদৰ গভৰ্নৰ জেনেৰেলৰ কাৰ্যবাহী কাম-কাজৰ তালিকাৰ পৰা বিধায়িনী কাৰ্যকলাপসমূহ আঁতৰ কৰিছিল?

.....

.....

.....

প্ৰশ্ন নং ২ ঃ ভাৰতত কেবিনেট ব্যৱস্থাৰ সূচনা হোৱাত সহায় কৰা পোৰ্টফ'লিও ব্যৱস্থাটো কোনে ভাৰত চৰকাৰত সংলগ্ন কৰিছিল?

.....

.....

প্ৰশ্ন নং ৩ ঃ কোনখন আইনে ভাৰতত সংসদীয় ব্যৱস্থাৰ আৰম্ভণি কৰিছিল?

.....

.....

প্ৰশ্ন নং ৪ ঃ কোনখন আইনে কেন্দ্ৰত উচ্চ সদন (কাউন্সিল অৱ ষ্টেট্চ) আৰু নিম্ন সদন (চেণ্ট্ৰেল লেজিছলেটিভ এচেম্ব্লি) থকা দ্বি-সভাযুক্ত বিধান পৰিষদ গঠন ব্যৱস্থাৰ পাতনি মেলিছিল?

.....

.....

প্ৰশ্ন নং ৫ ঃ ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ অধীনত কেন্দ্ৰত থকা দুই ধৰণৰ বিষয়ৰ নাম লিখক।

.....

.....

১৪.৪ ভাৰতত সংসদীয় গণতন্ত্ৰৰ সাংবিধানিক আধাৰ আৰু নিৰ্বাচনী ইতিহাস

- **ভাৰতত সংসদীয় গণতন্ত্ৰৰ সাংবিধানিক আধাৰ**

ভাৰতৰ সংবিধানৰ প্ৰস্তাৱনাত ভাৰতক এখন গণতান্ত্ৰিক গণৰাজ্য বুলি কোৱা হৈছে। সংবিধানৰ অধীনত ভাৰতক এখন গণতান্ত্ৰিক গণৰাজ্য বুলি কোৱা হৈছে। সংবিধানৰ অধীনত ভাৰতক এক গণতান্ত্ৰিক ৰাজনৈতিক ব্যৱস্থা প্ৰতিষ্ঠা কৰিবলৈ দায়ৱদ্ধ ৰাষ্ট্ৰ বুলিও কোৱা হৈছে। এই লক্ষ্যত উপনীত হ'বলৈ বাছি লোৱা ব্যৱস্থাটো হ'ল দেশত সংসদীয় পদ্ধতিৰ চৰকাৰ গঠন কৰা । অৰ্থাৎ, সংসদীয় গণতন্ত্ৰৰ নীতি হ'ল ভাৰতীয় সংবিধানৰ এটা মৌলিক বৈশিষ্ট্য। ভাৰতীয় সংসদৰ নিম্ন সদন লোকসভা হ'ল এক জনসাধাৰণৰ দ্বাৰা নিৰ্বাচিত সদস্যৰ সদন। দেশৰ নাগৰিকে লোকসভাৰ প্ৰতিনিধিসকলক প্ৰত্যক্ষ নিৰ্বাচনৰ জৰিয়তে বাছনি কৰে। নাগৰিকে প্ৰত্যক্ষভাৱে নিৰ্বাচিত কৰা প্ৰতিনিধিসকলৰ মাজৰে একাংশৰ দ্বাৰা চৰকাৰ গঠন কৰা হয়। চৰকাৰ গঠন কৰা ৰাজনৈতিক দলটোৱে নাইবা একাধিক দলৰ মিত্ৰজোঁটে নিৰ্বাচনত সংসদৰ অধিকাংশ আসন জয় কৰে।

প্ৰাক্-স্বাধীনতা যুগৰ ভোট-দানৰ অধিকাৰ সীমিত আছিল। স্বাধীনতাৰ পাচত ভাৰতৰ সংবিধানে জাতি, শ্ৰেণী, বৰ্ণ, ধৰ্ম নাইবা লিংগ নিৰ্বিশেষে প্ৰাপ্তবয়স্ক অৱস্থাৰ সকলো নাগৰিককে সাৰ্বজনীনভাৱে ভোট দিয়াৰ অধিকাৰ প্ৰদান কৰিলে। অৰ্থাৎ, স্বৰাজোত্তৰ কালত

ভাৰতৰ সংসদীয় গণতন্ত্ৰৰ ভেটিটো যথেষ্ট বহল হৈ পৰিল। চৰকাৰ সদায় জনপ্ৰিয়তাৰ আধাৰত নিৰ্বাচিত প্ৰতিনিধিৰে গঠিত সংসদৰ নিম্ন সদন লোকসভাৰ প্ৰতি দায়ৱদ্ধ হৈ ৰ'ল। লোকসভাৰ অধিকাংশ সদস্যৰ সমৰ্থন আৰু আস্থাৰ গৰাকী হৈ থকা পৰ্যন্ত চৰকাৰ এখন বৰ্তি থাকিব পাৰে। সেয়েহে ১৯৫২ চনত পতা প্ৰথমটো সাধাৰণ নিৰ্বাচনৰে পৰা আজিলৈ ভাৰতৰ নিৰ্বাচনকেন্দ্ৰিক ধাৰা, লোকসভা আৰু চৰকাৰ গঠন প্ৰক্ৰিয়া আদিৰ পৰীক্ষামূলক অধ্যয়ন কৰাতো অতি প্ৰয়োজনীয়।

- **১৯৫১-৫২ চনৰ পৰা অনুষ্ঠিত হোৱা ভাৰতৰ সাধাৰণ নিৰ্বাচনৰ ইতিহাস**

ভাৰতত সংসদীয় গণতন্ত্ৰ প্ৰতিষ্ঠা হোৱাৰ পাচত প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে নিৰ্বাচন অনুষ্ঠিত কৰা হৈ আহিছে। ভাৰতৰ প্ৰতিগৰাকী ১৮ বছৰীয়া নাইবা তাতোধিক বয়সৰ নাগৰিকেই ভোট দিয়াৰ অধিকাৰ লাভ কৰে। তেওঁলোকে ভোট দানৰ জৰিয়তে সংসদৰ নিম্ন সদন লোকসভাৰ প্ৰতিনিধিসকলক নিৰ্বাচিত কৰে। প্ৰতিগৰাকী প্ৰাপ্তবয়স্ক নাগৰিকৰে এটা ভোট দিয়াৰ অধিকাৰ আছে। প্ৰতিনিধি নিৰ্বাচন কৰাৰ বাবে ভাৰতক কেইটামান নিৰ্দিষ্ট লোকসভা সমষ্টিত ভগাই লোৱা হৈছে। দেশত বৰ্তমান ৫৪৩ টা লোকসভা সমষ্টি আছে। প্ৰতিটো সমষ্টিৰ পৰা এগৰাকীকৈ প্ৰতিনিধি নিৰ্বাচিত হৈ লোকসভালৈ যায়। কোনো এক নিৰ্দিষ্ট সমষ্টিত অন্য প্ৰাৰ্থীসকলক চেৰ পেলাই সৰ্বাধিক ভোট লাভ কৰা প্ৰাৰ্থীগৰাকীয়ে সমষ্টিটোৰ প্ৰতিনিধিৰূপে লোকসভাত আসন লাভ কৰে। ভাৰতৰ প্ৰথম সাধাৰণ লোকসভা নিৰ্বাচন ১৯৫১- ৫২ চনত অনুষ্ঠিত হৈছিল। ১৯৫২, ১৯৫৭ আৰু ১৯৬২ চনত ভাৰতৰ প্ৰথম লোকসভা তিনিখন গঠিত হৈছিল। প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হৈছিল। কিন্তু ১৯৬৭ চনৰ নিৰ্বাচিত লোকসভাখন পাঁচ বছৰীয়া ম্যাদ উকলি নাযাওঁতেই ১৪ মাহৰ পাচত ভংগ কৰি দিয়া হৈছিল। তাৰ পাচত ১৯৭১চনতহে পঞ্চম লোকসভা নিৰ্বাচন অনুষ্ঠিত হৈছিল। নিয়ম অনুসৰি ১৯৭৬ চনত ইয়াৰ ম্যাদ উকলিব লাগিছিল যদিও পুনৰ দুবছৰলৈ এই লোকসভাৰ সময়সীমা বৃদ্ধি কৰা হৈছিল। কিন্তু সেই সময়ৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে এই দুবছৰীয়া অতিৰিক্ত সময় শেষ হোৱাৰ আগতেই ১৯৭৭ চনৰ জানুৱাৰী মাহত লোকসভাখন ভংগ কৰিছিল। ইয়াৰ পাচত ১৯৭৭ চনৰ মাৰ্চ মাহত ষষ্ঠ লোকসভা নিৰ্বাচন অনুষ্ঠিত হৈছিল। এই নিৰ্বাচনৰ পাচত দেশত প্ৰথমখন অ-কংগ্ৰেছী চৰকাৰ গঠন কৰা হৈছিল। বিভিন্ন দলে মিত্ৰতা স্থাপন কৰি কেন্দ্ৰত জনতা দলৰ চৰকাৰ গঠন কৰিছিল। কিন্তু ষষ্ঠ লোকসভাও কাৰ্যকাল শেষ হোৱাৰ আগতেই ভংগ কৰি দিয়া হৈছিল। ১৯৮০ চনত ভাৰতত সপ্তম লোকসভা নিৰ্বাচন পতা হৈছিল। তাৰ পাচত ১৯৮৪ চনৰ ডিচেম্বৰ মাহত অষ্টম লোকসভা নিৰ্বাচন পতা হৈছিল। এই লোকসভাও কাৰ্যকাল শেষ হোৱাৰ আগতেই ভংগ কৰি দিয়া হৈছিল আৰু ১৯৮৯ চনৰ নৱেম্বৰ ডিচেম্বৰ মাহত নৱম লোকসভা নিৰ্বাচন পতা হৈছিল। নৱম লোকসবাৰ কাৰ্যকাল চলি থকা সময়তে ডেঢ় বছৰৰ ভিতৰত বিভিন্ন দলৰ সমৰ্থনত দুখন সংখ্যালঘু চৰকাৰ গঠিত হৈছিল। একেদৰে, ১৯৯১ চনৰ জুন

মাহত অনুষ্ঠিত দশম লোকসভা নিৰ্বাচনৰ পাচতো এখন সংখ্যালঘূ দলৰ চৰকাৰ গঠিত হৈছিল। ১৯৯৬ চনৰ লোকসভা নিৰ্বাচনৰ পাচত ভাৰতত এখন ওলমা সংসদৰ সৃষ্টি হৈছিল। ইয়াৰ ফলত দেশত অনবৰতে অস্থিৰ হৈ থকা মিত্ৰজোঁট চৰকাৰ গঠন কৰিবলগীয়া হৈছিল। এই সময়ছোৱাত এবছৰৰ ভিতৰতে দেশত তিনিবাৰকৈ প্ৰধানমন্ত্ৰী সলনি হৈছিল। এনে ৰাজনৈতিক অস্থিৰতাৰ বাবে বহুতো সমালোচকে দেশখনৰ সংসদীয় ব্যৱস্থাটোৰ কাৰ্য সম্পাদন পদ্ধতিৰ ফলপ্ৰসূতা সম্পৰ্কে প্ৰশ্ন উত্থাপন কৰিবলৈ বাধ্য হৈছিল। একাংশই দেশৰ পৰা সংসদীয় ব্যৱস্থা উঠাই দি ৰাষ্ট্ৰপতি ব্যৱস্থাৰ চৰকাৰ স্থাপনৰ সপক্ষে যুক্তি দৰ্শাইছিল। ১৯৯৯ চনত ভাৰতীয় জনতা পাটিৰ নেতৃত্বত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা (NDA) ৰ চৰকাৰ ক্ষমতালৈ আহিছিল। নিৰ্ধাৰিত কাৰ্যকাল শেষ কৰা এইখন আছিল দেশৰ প্ৰথম মিত্ৰদলৰ চৰকাৰ। ২০০৪ চনৰ লোকসভা নিৰ্বাচনৰ পাচত সংযুক্ত প্ৰগতিশীল মৰ্চা (UPA) ৰ চৰকাৰে ক্ষমতা দখল কৰিছিল। ২০০৯ চনৰ নিৰ্বাচনৰ পাচতো UPA পুনৰবাৰ চৰকাৰ গঠন কৰিছিল। ষষ্ঠদশ লোকসভা নিৰ্বাচন ২০১৪ চনত অনুষ্ঠিত হৈছিল। এইবাৰ ভাৰতীয় জনতা পার্টিয়ে নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰিছিল। কেন্দ্ৰত পুনৰবাৰ নৰেন্দ্ৰ মোডীৰ নেতৃত্বত NDA ই চৰকাৰ গঠন কৰিছিল।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ৬ ঃ ভাৰতৰ সপ্তম লোকসভা নিৰ্বাচন কোন চনত অনুষ্ঠিত হৈছিল?

.....

প্ৰশ্ন নং ৭ ঃ ভাৰতৰ ষষ্ঠদশ লোকসভা নিৰ্বাচন কোন চনত অনুষ্ঠিত হৈছিল?

.....

১৪.৫ ভাৰতত সংসদীয় গণতন্ত্ৰৰ সক্ৰিয় কাৰ্যকলাপঃ প্ৰত্যাহ্বান আৰু ভৱিষ্যত

- **ভাৰতত সংসদীয় গণতন্ত্ৰৰ প্ৰত্যাহ্বানসমূহ**

ভাৰতত সংসদীয় গণতন্ত্ৰৰ ফলপ্ৰসূ কাৰ্যসম্পাদন ব্যৱস্থাটোক কিছুমান কাৰকে প্ৰত্যহ্বান জনাই আহিছে।

- **ভোট বেংক ৰাজনীতি ঃ** ভাৰত এখন বৈচিত্ৰ্যময় দেশ। ভাৰতৰ বিভিন্ন প্ৰান্তত বিভিন্ন জাতি, জনজাতি, সম্প্ৰদায়ৰ লোকে বাস কৰে। দেশখন বিভিন্ন জাতি, বৰ্ণ, ধৰ্ম আৰু ভাষিক সম্প্ৰদায়ৰ লোকৰ বাসভূমি। এই লোকসকল বিভিন্ন নিৰ্বাচনী সমষ্টিৰ বাসিন্দা। সংসদ আৰু বিধানসভাৰ নিৰ্বাচনৰ সময়ত ৰাজনৈতিক দলবোৰে সমষ্টিৰ বাসিন্দাসকলক

জাতি, শ্ৰেণী, ধৰ্ম আৰু ভাষিক গোটত সংগঠিত কৰি সন্তুষ্ট কৰাৰ প্ৰচেষ্টা চলায়। এইবোৰ হ'ল সংকীৰ্ণ ৰাজনৈতিক লাভালাভ আহৰণৰ চেষ্টা। এনেধৰণৰ ৰাজনৈতিক সংগঠিতকৰণে প্ৰায়েই এটা গোটক অন্য এটা গোটৰ বাবে ভাবুকিস্বৰূপ কৰি তোলে। ইয়াৰ পৰিণতিত মানুহৰ মাজৰ একতা দুৰ্বল হৈ পৰে আৰু গণতান্ত্ৰিক প্ৰমূল্যবোৰ বিপদাপন্ন হয়।

- **সামূহিক দায়িত্বশীল মনোভাৱৰ অভাৱ ঃ** সংসদীয় গণতন্ত্ৰৰ এটা প্ৰধান উপাদান হ'ল সামূহিক দায়িত্বৰ নীতি। এই নীতিটো ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাত মানি চলা নহয়। ভাৰতত নীতি ৰূপায়ণ পৰ্যায়ত বহুতো গুৰুতৰ বিফলতা ঘটাৰ নজিৰ আছে। কিন্তু এনে বিফলতাৰ বাবে সমগ্ৰ কেবিনেটে পদত্যাগ কৰাৰ সলনি মাত্ৰ এগৰাকী মন্ত্ৰীকহে পদত্যাগ কৰিবলৈ বাধ্য কৰোৱা হয়। উদাহৰণস্বৰূপে, ১৯৬২ চনৰ ভাৰত-চীন যুদ্ধখনৰ কথা উল্লেখ কৰিব পাৰি। এই যুদ্ধত ভাৰতীয় পক্ষ গুৰুতৰ বিপৰ্যয়ৰ সন্মুখীন হৈছিল। কিন্তু ইয়াৰ দায়িত্ব মূৰ পাতি লৈ সমগ্ৰ কেবিনেটখনে পদত্যাগ কৰাৰ পৰিৱৰ্তে মাত্ৰ তদানীন্তন প্ৰতিৰক্ষা মন্ত্ৰী ভি. কে. কৃষ্ণ মেননহে পদত্যাগ কৰিছিল। এনেদৰে মাত্ৰ এগৰাকী মন্ত্ৰীক সমস্ত বিফলতাৰ বাবে জগৰীয়া কৰাৰ ঘটনা আৰু বহুতো ওলাব। সামগ্ৰিকভাৱে এখন কেবিনেটে সামূহিক বিফলতাৰ দায়িত্ব মূৰ পাতি ল'বলৈ অস্বীকাৰ কৰা দেখা যায়। এই অনুশীলনটোৱে প্ৰকৃতাৰ্থত কেবিনেটক সামূহিক দায়িত্ব পালনৰ নীতিটোৰ পৰা বিচ্যুত কৰি ৰাখিছে।
- **সংসদীয় বিধি-বিধানৰ উলংঘাঃ** আজিকালি প্ৰায়েই সংসদ আৰু ৰাজ্যিক বিধান সভাত নিৰ্বাচিত প্ৰতিনিধিসকলক সংসদীয় বিধি-বিধান আৰু সংসদৰ পৰম্পৰা ভংগ কৰা দেখা যায়। বহুতো নিৰ্বাচিত সদস্যই সংসদ আৰু বিধানসভাৰ মজিয়াত আন্দোলন তথা প্ৰতিবাদ সাব্যস্ত কৰাৰ স্থল হিচাপে ব্যৱহাৰ কৰে। বহুতো প্ৰতিনিধিক প্ৰায়েই চিঞৰ-বাখৰ কৰা আৰু নিয়ম ভংগ কৰি সদনৰ মাজ-মজিয়ালৈ উঠি গৈ অ-সংসদীয় আচৰণ কৰি থকা অৱস্থাত দেখিবলৈ পোৱা যায়। মাৰ্জিত আৰু ইতিবাচক বিতৰ্ক তথা আলাপ-আলোচনাত ভাগ লোৱাৰ পৰিৱৰ্তে নিজৰ প্ৰতিবাদ সাব্যস্ত কৰিবলৈ নিৰ্বাচিত জনপ্ৰতিনিধিসকলে এনে আচৰণ প্ৰদৰ্শন কৰে। এনেধৰণৰ অসংযত আচৰণে সদনৰ কাম-কাজত ব্যাঘাত জন্মায়। বিধান পৰিষদৰ কাম-কাজ আগবঢ়াই নিয়াৰ সলনি স্থবিৰ কৰি তোলাৰ ফলত দেশৰ প্ৰগতিও ৰৈ যায়। সেয়েহে, দেশৰ নিৰ্বাচিত জনপ্ৰতিনিধিসকল বিধায়িনী অনুষ্ঠানবোৰৰ মৰ্যাদা সম্পৰ্কে সচেতন হোৱাটো অতি আৱশ্যকীয় কথা। দেশৰ সংসদীয় কাৰ্যব্যৱস্থাবোৰ সুচাৰুৰূপে আগবঢ়াই নিবলৈ তেওঁলোকে নিজকে এনে আচৰণ কৰাৰ পৰা বিৰত ৰাখিবই লাগিব।
- **প্ৰভাৱশালী বিৰোধী পক্ষ এটাৰ অভাৱঃ** গণতন্ত্ৰক বৰ্তাই ৰাখিবলৈ দেশত একোটা সুস্থ আৰু ইতিবাচক মনোভাৱাপন্ন বিৰোধী দলৰ অস্তিত্ব থাকিব লাগে। বিৰোধী দলে চৰকাৰৰ যিকোনো ধৰণৰ স্বেচ্ছাচাৰী প্ৰৱণতা নিয়ন্ত্ৰণাধীন কৰি ৰাখে। যদি চৰকাৰে কোনো

গুৰুতৰ ধৰণৰ বিফলতা দেখুৱায় তেন্তে বিৰোধী পক্ষ সেই চৰকাৰখনৰ বিকল্প হিচাপে নিজকে প্ৰক্ষেপ কৰিব পৰাকৈ সবল হ'ব লাগে। কিন্তু বিৰোধী-পক্ষটোও বিভিন্ন ৰাজনৈতিক দলেৰে গঠিত হোৱা বাবে তেওঁলোকৰ বিভিন্ন আদৰ্শ থাকে। সেয়েহে বিৰোধী পক্ষটোও প্ৰায়েই বিভিন্ন বিষয়ক লৈ বিভাজিত হৈ থাকে। ফলত তেওঁলোকে প্ৰয়োজনৰ সময়ত চৰকাৰে প্ৰয়োগ কৰা স্বেচ্ছাচাৰী ক্ষমতা ফলপ্ৰসূভাৱে নিয়ন্ত্ৰণ কৰাত ব্যৰ্থ হয়।

- **অধ্যাদেশ প্ৰস্তুত কৰিব পৰা ক্ষমতা সঘন প্ৰয়োগ ঃ** প্ৰায়েই দেখা যায় যে কাৰ্যবাহীসকলে যথেষ্ট সঘনাই অধ্যাদেশ প্ৰস্তুত কৰা ক্ষমতা প্ৰয়োগ কৰে। ভাৰতীয় সংবিধানৰ প্ৰণেতাসকলে সংসদৰ অধিৱেশন নবহা সময়ত প্ৰয়োজনীয় আইন প্ৰস্তুত কৰিব পৰাকৈ কেৱল ভাৰতৰ ৰাষ্ট্ৰপতিৰ হাততহে অধ্যাদেশ জাৰি কৰিব পৰা ক্ষমতা ন্যস্ত কৰিছিল। কিন্তু, ব্যৱহাৰিক পৰ্যবেক্ষণৰ পৰা গম পোৱা গৈছে যে প্ৰায়েই অধ্যাদেশবোৰ সংসদৰ অধিৱেশন আৰম্ভ হোৱাৰ প্ৰাক্ মূহুৰ্তত নাইবা অধিৱেশন চলি থকা সময়তেই জাৰি কৰা হয়। এটা উদাহৰণ লোৱা যাওক, ১৯৭৪ চনত চৰকাৰে আভ্যন্তৰীণ সুৰক্ষা তদাৰক আইন (MISA)ৰ অধীনত গ্ৰেপ্তাৰ কৰা ব্যক্তিৰ অধিকাৰ সাময়িকভাৱে বাতিল কৰি সংসদৰ অধিৱেশন চলি থকা সময়তে এখন অধ্যাদেশ জাৰি কৰিছিল। ইয়াৰ ফলত গ্ৰেপ্তাৰ কৰা লোকসকলে নিজৰ মৌলিক অধিকাৰ ৰক্ষাৰ বাবে আদালতৰ কায চাপিব নোৱাৰিছিল। চৰকাৰক এই কাৰ্যক লোকসভাৰ অধ্যক্ষই কঠোৰ ভাষাৰে সমালোচনা কৰিছিল। কিন্তু সমালোচনা সত্ত্বেও ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক দুয়োটা পৰ্যায়তে সংকীৰ্ণ ৰাজনৈতিক স্বাৰ্থ পূৰণৰ বাবে অধ্যাদেশ প্ৰস্তুত কৰাৰ ক্ষমতাটো কাৰ্যবাহীসকলে সঘনাই ব্যৱহাৰ কৰিয়েই আছে। এই কাৰ্যই সংসদীয় অনুষ্ঠানবোৰৰ কৰ্তৃত্বক উপেক্ষা কৰে।
- **সাময়িক ক্ষমতাৰ অধিকাৰীসকলে প্ৰণয়ন কৰা বিধি-বিধানৰ ওপৰত ফলপ্ৰসূ নিয়ন্ত্ৰণৰ অভাৱ ঃ** অন্য বহুতো গণতান্ত্ৰিক দেশৰ দৰে ভাৰততো সংসদ আৰু বিধান সভাবোৰে যিকোনো আইন নাইবা বিধিৰ এক বহল ৰূপৰেখাহে গৃহীত কৰে। এনে আইন নাইবা বিধিৰ সৈতে সংলগ্ন কৰিবলগীয়া প্ৰয়োজনীয় নীতি নিৰ্দেশনাবোৰ কাৰ্যবাহীসকলে যুগুত কৰে। কাৰ্যবাহীসকলে চূড়ান্ত ৰূপ দিয়া এই নীতি-নিৰ্দেশনাবোৰ সদায়েই সংসদ নাইবা বিধান সভাত দাখিল কৰা নহয়। ইয়াৰ ফলত প্ৰকৃত বিধায়িনী অনুষ্ঠানবোৰৰ স্থিতি দুৰ্বল হৈ পৰে আৰু কাৰ্যবাহীৰ ক্ষমতা বৃদ্ধি পায়।
- **দলত্যাগৰ সমস্যা ঃ** সংসদীয় পদ্ধতিৰ ৰাজনৈতিক ব্যৱস্থা এটাৰ কাম-কাজ মসৃণকৈ চলাৰ পথত হেঙাৰৰ সৃষ্টি কৰা আন এটা সমস্যা হ'ল দলত্যাগৰ সমস্যা। এটা সময়ত দেশত দলত্যাগৰ সমস্যাই ৰাজনৈতিক অস্থিৰতাৰ মাত্ৰা বহুখিনি বৃদ্ধি কৰিছিল। সেয়েহে ৰাজনৈতিক দলত্যাগৰ প্ৰৱণতাটো ৰোধ কৰিবলৈ সংসদে ১৯৮৫ চনত ৫২তম সংবিধান সংশোধনী আইনখন গৃহীত কৰিছিল। এই দলত্যাগ বিৰোধী আইন অনুসৰি যদি কোনো

এটা বিধায়িনী দলৰ কোনো সদস্যই স্ব-ইচ্ছাই নিজ দল ত্যাগ কৰিব খোজে নাইবা দলৰ হুইপ (whip) অমান্য কৰি ইয়াৰ বিপক্ষে ভোট দিয়ে, তেন্তে তেওঁ সংসদ নাইবা বিধানসভা (যিখনৰ সদস্য) ৰ সদস্য পদ হেৰুৱাব। দলত্যাগ বিৰোধী আইনে মানি লোৱা এটা ব্যতিক্ৰম হ'ল, যদি কোনো দলৰ এক তৃতীয়াংশ সদস্যই দলত্যাগ কৰে তেন্তে ইয়াক দলত বিভাজন ঘটা বুলি ধৰি লোৱা হ'ব আৰু এই ঘটনাটোক দলত্যাগ বিৰোধী আইনে সামৰি নল'ব। এই সুবিধাৰ সুযোগ লৈ বহুতো ৰাজনীতিকে ৰাজনৈতিক কাৰচাজিৰ আশ্ৰয় লৈ নিজাকৈ ৰাজনৈতিক দল গঠন কৰিবলৈ ল'লে। যেনে, চন্দ্ৰশেখৰে নিজৰ সমৰ্থকসকলক লৈ এটা পৃথক ৰাজনৈতিক দল গঠন কৰাৰ লগে লগে ভি. পি. সিং চৰকাৰৰ পতন ঘটিছিল।

- **অযোগ্য প্ৰাৰ্থী নিৰ্বাচনঃ** জাতি, ধৰ্ম, বৰ্ণ ভাষা, অঞ্চল আদিৰ দৰে পৰম্পৰাগত আনুগত্যৰ আধাৰত আমাৰ দেশৰ এক শ্ৰেণীৰ ভোটাৰক প্ৰভাৱিত কৰাৰ চেষ্টা চলোৱা হয়। এই ভোটাৰসকলে তেনেবোৰ দিশ চায়েই কোনো প্ৰাৰ্থীক ভোট দিয়ে। ইয়াৰ পৰিণাম স্বৰূপে প্ৰায়েই সন্দেহজনক বিশ্বাসযোগ্যতাৰ আৰু অযোগ্য প্ৰাৰ্থী বিধায়িনী প্ৰাধিকৰণবোৰলৈ নিৰ্বাচিত হয়। এনেদৰে নিৰ্বাচিত প্ৰতিনিধিৰ ৰাজহুৱা জীৱনৰ মহৎ ন্যায়নিষ্ঠতাত কোনো বিশ্বাস অথবা সংসদীয় গণতন্ত্ৰৰ প্ৰতি কোনো পৰম্পৰাগত আস্থা নাথাকিবও পাৰে।

- **ভাৰতত সংসদীয় গণতন্ত্ৰৰ ভৱিষ্যত**

তলত ভাৰতৰ সংসদীয় গণতন্ত্ৰ সফল কৰি তোলাত অৱিহণা আগবঢ়োৱা আৰু ভৱিষ্যতেও ব্যৱস্থাটো চলি থাকিব বুলি আশাৰ সঞ্চাৰ কৰা কাৰক কেইটামানৰ বিষয়ে আলোচনা কৰা হ'ল ঃ

- **গণতান্ত্ৰিক প্ৰমূল্যত থকা বিশ্বাস ঃ** ভাৰতৰ নাগৰিকৰ গণতান্ত্ৰিক প্ৰমূল্যবোৰৰ প্ৰতি গভীৰ বিশ্বাস আছে। ১৯৫১-৫২ চনৰ পৰা আৰম্ভ কৰি আজিলৈকে দেশখনত নিয়মীয়াকৈ নিৰ্বাচন অনুষ্ঠিত হৈ আহিছে। কেৱল জৰুৰী অৱস্থা জাপি দিয়াৰ সময়ত ১৯৭৫-৭৭ চনৰ কালছোৱাত এই নিয়মৰ কিছু হেৰফেৰ হৈছিল। ভাৰতীয় ভোটদাতা সকলে সময়ে সময়ে যথেষ্ট পৰিপক্কতাৰ পৰিচয় দি দেশৰ চৰকাৰখন নাগৰিকৰ প্ৰতি দায়ৱদ্ধ হৈ থকাটো সুনিশ্চিত কৰিছে। নাগৰিকৰ পৰিপক্কতাই চৰকাৰখনক গণতান্ত্ৰিক প্ৰমূল্য আৰু সংসদীয় শাসনৰ পৰম্পৰাৰ প্ৰতিও দায়ৱদ্ধ কৰি ৰাখিছে। ১৯৭৭ চনত নিৰ্বাচনৰ জৰিয়তে দেশৰ নাগৰিকে কংগ্ৰেছ দলক স্বেচ্ছাচাৰীভাৱে জৰুৰী অৱস্থা ঘোষণা কৰাৰ দোষত ক্ষমতাচ্যুত কৰিছিল। অৰ্থাৎ, ভাৰতৰ নাগৰিকে সদায়েই যাতে দেশৰ শাসন এক সাংবিধানিক চৰকাৰৰ হাতত ন্যস্ত থাকে তাৰ প্ৰতি লক্ষ্য ৰাখি আহিছে। নাগৰিকৰ সচেতনতাৰ বাবেই ভাৰতৰ চৰকাৰে সাধাৰণভাৱে হলেও মানুহৰ প্ৰয়োজনীয়তা আৰু স্বাৰ্থৰ প্ৰতি মনোযোগ দি আছে।

- **মুক্ত আৰু নিকা নিৰ্বাচন ঃ** সংসদীয় ৰাজনৈতিক ব্যৱস্থাৰ ভেটি হ'ল মুক্ত আৰু নিকা নিৰ্বাচন। ভাৰতৰ নিৰ্বাচন আয়োগ হ'ল এক স্বতন্ত্ৰ সাংবিধানিক অভিকৰণ। আয়োগৰ হাতত সমগ্ৰ দেশৰে বিভিন্ন নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ দায়িত্ব ন্যস্ত কৰা হৈছে। নিৰ্বাচন আয়োগে এতিয়ালৈকে মুক্ত আৰু নিকা উপায়েৰে ১৬ টা সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰিছে। ইয়াৰ ফলত ভোটাৰ সকলে কোনো ধৰণৰ ভয়-শংকা নথকাকৈ নিজ নিজ পছন্দৰ প্ৰাৰ্থীক ভোট দিয়াৰ সুযোগ পাইছে। এনে মুক্ত আৰু নিকা নিৰ্বাচনে ভাৰতীয় গণতন্ত্ৰৰ ভেটিটো সুদৃঢ় কৰি তুলিছে আৰু সাধাৰণভাৱে নাগৰিকৰ মনত ৰাজনৈতিক সচেতনতা গঢ়ি তুলিবলৈ সক্ষম হৈছে।
- **স্বতন্ত্ৰ ন্যায়পালিকা ঃ** ভাৰতীয় সংবিধানে দেশখনত এটা স্বতন্ত্ৰ ন্যায়পালিকা স্থাপন কৰিছে। ন্যায়পালিকাই সকলো ধৰণৰ সাংবিধানিক গোচৰ নিষ্পত্তি কৰে আৰু নাগৰিকৰ মৌলিক অধিকাৰক সুৰক্ষা প্ৰদান কৰে। ন্যায়পালিকাই দেশত এখন সাংবিধানিক চৰকাৰে কাম-কাজ চলাব বুলি নিশ্চিতি প্ৰদান কৰে। ভাৰতৰ উচ্চতম ন্যায়ালয়ে ইন্দিৰা নেহৰু গান্ধী বনাম ৰাজ নাৰাঈন গোচৰ আৰু মিনার্ভা মিল গোচৰৰ ৰায়দানত সংবিধানৰ এক মৌলিক বৈশিষ্ট্য ৰূপে দেশত সংসদীয় পদ্ধতিৰ চৰকাৰ থাকিব বুলি স্পষ্ট কৰি দিছে। ১৯৭৩ চনৰ কেশবানন্দ ভাৰতী বনাম কেৰালা ৰাজ্য গোচৰত উচ্চতম ন্যায়ালয়ে সংবিধানৰ 'মৌলিক সংৰচনা'ৰ ৰূপৰেখা কেনে তাৰ বিৱৰণ দি কৈছিল যে দেশত এক গণতান্ত্ৰিক প্ৰকৃতিৰ ৰাজনৈতিক ব্যৱস্থাৰ প্ৰচলন হ'ল এই 'মূল গাঁথনি'ৰ এক অবিচ্ছেদ্য উপাদান।
- **ৰাজনৈতিক বিকেন্দ্ৰীকৰণ ঃ** সংবিধানৰ ৭৩ তম আৰু ৭৪তম সংশোধনী আইনৰ জৰিয়তে ভাৰতৰ ৰাজনৈতিক সংৰচনাটোক এক বিকেন্দ্ৰীকৃত ৰূপ দি দেশৰ গ্ৰামাঞ্চলত পঞ্চায়তীৰাজ অনুষ্ঠান আৰু নগৰ অঞ্চলত পৌৰ নিগম তথা নগৰ সমিতি সমূহ গঠন কৰা হৈছে। এই বিকেন্দ্ৰীকৃত গ্ৰাম্য আৰু নগৰীয়া স্থানীয় স্ব-শাসন চলাব পৰা অভিকৰণবোৰে স্থানীয় সমস্যাবোৰৰ ব্যৱস্থাপনাত অধিক সক্ৰিয় ভূমিকা পালন কৰিব পৰাকৈ নাগৰিকৰ অংশগ্ৰহণ সম্ভৱ কৰি তুলিছে। গাওঁ পৰ্যায়ত গ্ৰাম পঞ্চায়তবোৰে সংসদৰ ভূমিকা লয়। অৰ্থাৎ, ৰাজনৈতিক বিকেন্দ্ৰীকৰণে নাগৰিকক স্থানীয় পৰ্যায়ত প্ৰয়োজনীয় প্ৰশাসনীয় প্ৰশিক্ষণ লাভ কৰাত সহায় কৰে। তৃণমূল পৰ্যায়ত গণতান্ত্ৰিক অংশগ্ৰহণে ভাৰতত সংসদীয় গণতন্ত্ৰৰ ভেটি সুদৃঢ় কৰি তোলাত অৰিহণা যোগাইছে।
- **সংবাদ মাধ্যমৰ স্বাধীনতা ঃ** ভাৰতীয় গণতন্ত্ৰৰ এক মাইলৰ খুঁটি হ'ল সংবাদ মাধ্যমৰ স্বাধীনতা। ভাৰতীয় গণতন্ত্ৰৰ সফল কাৰ্যৰূপায়ণত ছপা অথবা বৈদ্যুতিক দুয়ো ধৰণৰ মুক্তি সংবাদ মাধ্যমৰ উপস্থিতিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। সংবাদ মাধ্যমে সময়ে সময়ে নাগৰিকৰ উদ্বিগ্নতা আৰু দাবীবোৰ নিভাঁজ ৰূপত উত্থাপন কৰি তথা এনে উদ্বিগ্নতা আৰু দাবীবোৰ চৰকাৰৰ কাণত পেলাই আহিছে। চৰকাৰে সংবাদ

মাধ্যমৰ দ্বাৰা প্ৰচাৰিত সংবাদ আৰু দৃষ্টিভংগীবোৰ সম্পৰ্কে সচেতন হৈ ৰয়। বহুতো গুৰুত্বপূৰ্ণ বিষয় সংবাদ মাধ্যমৰ দ্বাৰা পৰিৱেশিত হোৱাৰ পাচত নিৰ্বাচিত প্ৰতিনিধিসকলে সেয়া সংসদ আৰু বিধান সভাৰ মজিয়াত উত্থাপন কৰা দেখা যায়।

- **বহুদলীয় ব্যৱস্থা ঃ** ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাৰ আন এক বৈশিষ্ট্য হ'ল এক বহুদলীয় ব্যৱস্থাৰ অস্তিত্ব। ৰাষ্ট্ৰীয় আৰু আঞ্চলিক পৰ্যায়ত বহুতো ৰাজনৈতিক দল থকা বাবে দেশখনত সংসদীয় পদ্ধতিৰ চৰকাৰখনে সুস্থভাৱে কাৰ্যসম্পাদন কৰি যাব পাৰিছে। চৰকাৰ আৰু শাসনাধিষ্ঠিত দলৰ যিকোনো আসোঁৱাহ বিভিন্ন ৰাজনৈতিক দলে আঙুলিয়াই দেখুৱায়। এই দলবোৰে সংসদীয় আৰু ৰাজ্যিক বিধান সভাৰ নিৰ্বাচনৰ সময়ত নাগৰিকক বিকল্প পছন্দৰ সুযোগ দিয়ে।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ৮ ঃ ভাৰতত সংসদীয় গণতন্ত্ৰৰ ফলপ্ৰসূ কাৰ্যৰূপায়ণত অন্তৰায়ৰ সৃষ্টি কৰা যিকোনো দুটা কাৰক ব্যাখ্যা কৰক।

.....

.....

.....

প্ৰশ্ন নং ৯ ঃ ভাৰতত সংসদীয় গণতন্ত্ৰ সফল কৰি তোলাত অৰিহণা আগবঢ়োৱা যিকোনো দুটা কাৰক ব্যাখ্যা কৰক।

.....

.....

.....

১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতত আধুনিক সংসদীয় অনুষ্ঠানৰ বীজ ৰোপণ কৰোঁতা হ'ল বৃটিছসকল। ভাৰতৰ প্ৰশাসনিক কাম-কাজ সুচাৰুৰূপে চলাই নিবলৈ বৃটিছ সংসদে সময়ে সময়ে বিভিন্ন আইন গৃহীত কৰিছিল। এই আইনবোৰে ভাৰতত সংসদীয় পদ্ধতিৰ চৰকাৰ গঠনৰ উপাদানবোৰৰ প্ৰচলন ঘটাইছিল।
- ঔপনিৱেশিক শাসন চলি থকা যুগত বৃটিছ সংসদে গৃহীত কৰা আইন কেইখনমান হ'ল ১৮৩৩ চনৰ চার্টাৰ (চনদ) আইন, ১৮৫৮ চনৰ ভাৰত চৰকাৰ আইন, ১৮৬১ চনৰ ভাৰতীয় পৰিষদ আইন, ১৮৯২ চনৰ ভাৰতীয় পৰিষদ আইন, ১৯০৯ চনৰ ভাৰতীয় পৰিষদ আইন (ম'র্লে-মিণ্ট' সংস্কাৰ), ১৯১৯ চনৰ ভাৰত চৰকাৰ আইন আৰু ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন।
- ভাৰতৰ সংবিধানৰ প্ৰস্তাৱনাত ভাৰতক এখন গণতান্ত্ৰিক গণৰাজ্য বুলি কোৱা হৈছে। সংবিধানৰ অধীনত ভাৰতক এখন গণতান্ত্ৰিক ৰাজনৈতিক ব্যৱস্থা প্ৰতিষ্ঠা কৰিবলৈ দায়ৱদ্ধ

ৰাষ্ট্ৰ বুলিও কোৱা হৈছে। এই লক্ষ্যত উপনীত হ'বলৈ বাছি লোৱা ব্যৱস্থাটো হ'ল দেশত সংসদীয় পদ্ধতিৰ চৰকাৰ গঠন কৰা। অৰ্থাৎ, সংসদীয় গণতন্ত্ৰৰ নীতি হ'ল ভাৰতীয় সংবিধানৰ এটা মৌলিক বৈশিষ্ট্য।

- ভাৰতত সংসদীয় গণতন্ত্ৰ স্থাপন হোৱাৰ পাচত নিৰ্বাচন অনুষ্ঠিত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল। কোনো এক নিৰ্দিষ্ট সমষ্টিত সৰ্বাধিক ভোট লাভ কৰা প্ৰাৰ্থীগৰাকী জনপ্ৰতিনিধিৰূপে নিৰ্বাচিত হয়। ১৯৫১-৫২ চনত ভাৰতত প্ৰথমবাৰ লোকসভা নিৰ্বাচন অনুষ্ঠিত হোৱাৰ পাচত নিৰ্দিষ্ট সময়ৰ ব্যৱধানত সাধাৰণ নিৰ্বাচন পাতি আহিছে। বৰ্তমানলৈ দেশত ১৬ বাৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হৈছে।
- ১৯৫২, ১৯৫৭ আৰু ১৯৬২ চনত অনুষ্ঠিত সাধাৰণ নিৰ্বাচনৰ দ্বাৰা গঠিত লোকসভা তিনিখনে নিজ নিজ পাঁচবছৰীয়া কাৰ্যকাল সম্পূৰ্ণ কৰিছিল। ১৯৭৭ চনৰ ষষ্ঠ লোকসভা নিৰ্বাচনৰ অন্তত কেন্দ্ৰত প্ৰথমখন অ-কংগ্ৰেছী চৰকাৰ ক্ষমতালৈ আহিছিল। বহুকেইটা দলে একগোট হৈ জনতা দল নাম লৈ চৰকাৰ গঠন কৰিছিল। কিন্তু কাৰ্যকাল সম্পূৰ্ণ হোৱাৰ আগতেই ষষ্ঠ লোকসভা ভংগ কৰা হৈছিল।
- নৱম লোকসভাৰ কাৰ্যকালত ডেঢ় বছৰৰ ভিতৰত দুখন সংখ্যালঘূ চৰকাৰ গঠন হৈছিল। একেদৰে, ১৯৯১ চনৰ জুন মাহত দশম লোকসভা নিৰ্বাচনৰ অন্তত আন এখন সংখ্যালঘু চৰকাৰ ক্ষমতালৈ আহিছিল। ১৯৯৬ চনৰ নিৰ্বাচনৰ পাচত দেশত এখন ওলমা সংসদৰ সৃষ্টি হৈছিল। বিভিন্ন ৰাজনৈতিক দলে গঠন কৰা মিত্ৰজোঁটবোৰ অস্থিৰ প্ৰকৃতিৰ আছিল আৰু এবছৰত দেশত তিনিবাৰ প্ৰধানমন্ত্ৰী সলনি হৈছিল।
- ১৯৯৯ চনত ভাৰতীয় জনতা পাটিৰ নেতৃত্বত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক ম'চা (NDA) ই চৰকাৰ গঠন কৰিছিল। এইখন কাৰ্যকাল সম্পূৰ্ণ কৰা প্ৰথমখন মিত্ৰজোঁটৰ চৰকাৰ আছিল। ২০০৪ চনৰ সাধাৰণ নিৰ্বাচনৰ পাচত সংযুক্ত প্ৰগতিশীল ম'চা (UAA) ই চৰকাৰ গঠন কৰিছিল। ২০০৯ চনৰ সাধাৰণ নিৰ্বাচনৰ পাচত পুনৰ (UPA) ক্ষমতালৈ আহিছিল।
- ২০১৪ চনত দেশৰ ষষ্ঠদশ লোকসভা নিৰ্বাচন অনুস্থিত হৈছিল। এই নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টিয়ে নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰিছিল। নৰেন্দ্ৰ মোডীৰ নেতৃত্বত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক ম'চাই (NDA) চৰকাৰ গঠন কৰিছিল।
- ভাৰতত সংসদীয় পদ্ধতিৰ ৰাজনৈতিক ব্যৱস্থাৰ ফলপ্ৰসূ কাৰ্যৰূপায়ণত বাধা দিয়া কেইটামান কাৰক হ'ল ঃ ভোট বেংক ৰাজনীতি, সামূহিক দায়িত্বশীল মনোভাৱৰ অভাৱ, সংসদীয় বিধি- বিধানৰ উলংঘা, প্ৰভাৱশালী বিৰোধী পক্ষ এটাৰ অভাৱ, অধ্যাদেশ প্ৰস্তুত কৰিব পৰা ক্ষমতাৰ সঘন প্ৰয়োগ, সাময়িক ক্ষমতাৰ অধিকাৰীসকলে প্ৰণয়ন কৰা বিধি-বিধানৰ ওপৰত ফলপ্ৰসূ নিয়ন্ত্ৰণৰ অভাৱ, দলত্যাগৰ সমস্যা আৰু অযোগ্য প্ৰাৰ্থী নিৰ্বাচন।
- ভাৰতত সংসদীয় গণতন্ত্ৰ সফল কৰি তোলাত অৰিহণা আগবঢ়োৱা কাৰক কেইটামান হ'ল ঃ গণতান্ত্ৰিক প্ৰমূল্যত থকা বিশ্বাস, মুক্ত আৰু নিকা নিৰ্বাচন; স্বতন্ত্ৰ ন্যায়পালিকা, ৰাজনৈতিক বিকেন্দ্ৰীকৰণ, সংবাদ মাধ্যমৰ স্বাধীনতা আৰু বহুদলীয় ব্যৱস্থা।



১৪.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০ ।*ভাৰতৰ প্ৰশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শৰ্মা, দুৰ্গা কান্ত , ৰফিক, জামান আৰু শৰ্মা ,ড° পূৰবী ২০০৫ । *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ ২০১১ ।*স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।

ইংৰাজী গ্ৰন্থ ঃ

1) Chander, Prakash.(2000). *Indian Government and Politics*. New Delhi : Cosmos Bookhive Pvt. Ltd.

2) Ghai, K.K.(2007). *Indian Government and Politics*.New Delhi: Kalyani Publishers.

3) Kapur, Anup Chand and Misra, K.K. (2006). *Select Constitutions*.New Delhi : S. Chand and Company.

4) Pylee, M,V. (2006). *Constitutional Government in India.* New Delhi:S. Chand and Company.



১৪.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ১৮৩৩ চনৰ চাৰ্টাৰ (চনদ) আইনে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ল'ৰ্ড কেনিঙে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ১৮৯২ চনৰ ভাৰতীয় পৰিষদ আইনে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯১৯ চনৰ ভাৰত চৰকাৰ আইনে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ সংৰক্ষিত আৰু হস্তান্তৰিত প্ৰজা।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৮০ চনত।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ২০১৪ চনত।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ (i) অধ্যাদেশ প্ৰস্তুত কৰিব পৰা ক্ষমতা সঘন প্ৰয়োগ ঃ প্ৰায়েই দেখা যায় যে কাৰ্যবাহীসকলে যথেষ্ট সঘনাই অধ্যাদেশ প্ৰস্তুত কৰা ক্ষমতা প্ৰয়োগ কৰে। ভাৰতীয়

সংবিধানৰ প্ৰণেতাসকলে সংসদৰ অধিৱেশন নবহা সময়ত প্ৰয়োজনীয় আইন প্ৰস্তুত কৰিব পৰাকৈ কেৱল ভাৰতৰ ৰাষ্ট্ৰপতিৰ হাততহে অধ্যাদেশ জাৰি কৰিব পৰা ক্ষমতা ন্যস্ত কৰিছিল। কিন্তু, ব্যৱহাৰিক পৰ্যবেক্ষণৰ পৰা গম পোৱা গৈছে যে প্ৰায়েই অধ্যাদেশবোৰ সংসদৰ অধিৱেশন আৰম্ভ হোৱাৰ প্ৰাক্ মূহুৰ্তত নাইবা অধিৱেশন চলি থকা সময়তেই জাৰি কৰা হয়। এটা উদাহৰণ লোৱা যাওক, ১৯৭৪ চনত চৰকাৰে আভ্যন্তৰীণ সুৰক্ষা তদাৰক আইন (MISA)ৰ অধীনত গ্ৰেপ্তাৰ কৰা ব্যক্তিৰ অধিকাৰ সাময়িকভাৱে বাতিল কৰি সংসদৰ অধিৱেশন চলি থকা সময়তে এখন অধ্যাদেশ জাৰি কৰিছিল। ইয়াৰ ফলত গ্ৰেপ্তাৰ কৰা লোকসকলে নিজৰ মৌলিক অধিকাৰ ৰক্ষাৰ বাবে আদালতৰ কায চাপিব নোৱাৰিছিল। চৰকাৰক এই কাৰ্যক লোকসভাৰ অধ্যক্ষই কঠোৰ ভাষাৰে সমালোচনা কৰিছিল। কিন্তু সমালোচনা সত্ত্বেও ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক দুয়োটা পৰ্যায়তে সংকীৰ্ণ ৰাজনৈতিক স্বাৰ্থ পূৰণৰ বাবে অধ্যাদেশ প্ৰস্তুত কৰাৰ ক্ষমতাটো কাৰ্যবাহীসকলে সঘনাই ব্যৱহাৰ কৰিয়েই আছে। এই কাৰ্যই সংসদীয় অনুষ্ঠানবোৰৰ কৰ্তৃত্বক উপেক্ষা কৰে।

(ii) সাময়িক ক্ষমতাৰ অধিকাৰীসকলে প্ৰণয়ন কৰা বিধি-বিধানৰ ওপৰত ফলপ্ৰসূ নিয়ন্ত্ৰণৰ অভাৱ ঃ অন্য বহুতো গণতান্ত্ৰিক দেশৰ দৰে ভাৰততো সংসদ আৰু বিধান সভাবোৰে যিকোনো আইন নাইবা বিধিৰ এক বহল ৰূপৰেখাহে গৃহিত কৰে। এনে আইন নাইবা বিধিৰ সৈতে সংলগ্ন কৰিবলগীয়া প্ৰয়োজনীয় নীতি নিৰ্দেশনাবোৰ কাৰ্যবাহীসকলে যুগুত কৰে। কাৰ্যবাহীসকলে চূড়ান্ত ৰূপ দিয়া এই নীতি-নিৰ্দেশনাবোৰ সদায়েই সংসদ নাইবা বিধান সভাত দাখিল কৰা নহয়। ইয়াৰ ফলত প্ৰকৃত বিধায়িনী অনুষ্ঠানবোৰৰ স্থিতি দুৰ্বল হৈ পৰে আৰু কাৰ্যবাহীৰ ক্ষমতা বৃদ্ধি পায়।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ (i) মুক্ত আৰু নিকা নিৰ্বাচন ঃ সংসদীয় ৰাজনৈতিক ব্যৱস্থাৰ ভেটি হ'ল মুক্ত আৰু নিকা নিৰ্বাচন। ভাৰতৰ নিৰ্বাচন আয়োগ হ'ল এক স্বতন্ত্ৰ সাংবিধানিক অভিকৰণ। আয়োগৰ হাতত সমগ্ৰ দেশৰে বিভিন্ন নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ দায়িত্ব ন্যস্ত কৰা হৈছে। নিৰ্বাচন আয়োগে এতিয়ালৈকে মুক্ত আৰু নিকা উপায়েৰে ১৬ টা সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰিছে। ইয়াৰ ফলত ভোটাৰ সকলে কোনো ধৰণৰ ভয়-শংকা নথকাকৈ নিজ নিজ পছন্দৰ প্ৰাৰ্থীক ভোট দিয়াৰ সুযোগ পাইছে। এনে মুক্ত আৰু নিকা নিৰ্বাচনে ভাৰতীয় গণতন্ত্ৰৰ ভেটিটো সুদৃঢ় কৰি তুলিছে আৰু সাধাৰণভাৱে নাগৰিকৰ মনত ৰাজনৈতিক সচেতনতা গঢ়ি তুলিবলৈ সক্ষম হৈছে।

(ii) স্বতন্ত্ৰ ন্যায়পালিকা ঃ ভাৰতীয় সংবিধানে দেশখনত এটা স্বতন্ত্ৰ ন্যায়পালিকা স্থাপন কৰিছে। ন্যায়পালিকাই সকলো ধৰণৰ সাংবিধানিক গোচৰ নিষ্পত্তি কৰে আৰু নাগৰিকৰ মৌলিক অধিকাৰক সুৰক্ষা প্ৰদান কৰে। ন্যায়পালিকাই দেশত এখন সাংবিধানিক চৰকাৰে কাম-কাজ চলাব বুলি নিশ্চিতি প্ৰদান কৰে। ভাৰতৰ উচ্চতম ন্যায়ালয়ে ইন্দিৰা

নেহৰু গান্ধী বনাম ৰাজ নাৰাঈন গোচৰ আৰু মিনার্ভা মিল গোচৰৰ ৰায়দানত সংবিধানৰ এক মৌলিক বৈশিষ্ট্য ৰূপে দেশত সংসদীয় পদ্ধতিৰ চৰকাৰ থাকিব বুলি স্পষ্ট কৰি দিছে। ১৯৭৩ চনৰ কেশ ৰানন্দ ভাৰতী বনাম কেৰালা ৰাজ্য গোচৰত উচ্চতম ন্যায়ালয়ে সংবিধানৰ 'মূল গাঁথনি'ৰ ৰূপৰেখা কেনে তাৰ বিৱৰণ দি কৈছিল যে দেশত এক গণতান্ত্ৰিক প্ৰকৃতিৰ ৰাজনৈতিক ব্যৱস্থাৰ প্ৰচলন হ'ল এই 'মূল গাঁথনি'ৰ এক অবিচ্ছেদ্য উপাদান।



১৪.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ ১৯১৯ চনৰ ভাৰত চৰকাৰ আইনৰ দ্বাৰা বিভাজিত বিষয়ৰ শ্ৰেণী দুটা কি কি?

প্ৰশ্ন ২ ঃ ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ অধীনত কেন্দ্ৰীয় ভাৱে গঠিত বিধান সভা দুখনৰ নাম কি?

প্ৰশ্ন ৩ ঃ কোন চনত প্ৰথম সাধাৰণ লোকসভা নিৰ্বাচন অনুষ্ঠিত হৈছিল?

প্ৰশ্ন ৪ ঃ ভাৰতত সংসদীয় গণতন্ত্ৰ সফল কৰি তোলাত অৱদান আগবঢ়োৱা যিকোনো দুটা কাৰক উল্লেখ কৰক।

(খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰতত সংসদীয় পদ্ধতিৰ ৰাজনৈতিক বৰস্থাৰ সূচনাকাৰী ১৮৯২ চনৰ ভাৰতীয় পৰিষদ আইনখনৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ ভাৰতত সংসদীয় গণতন্ত্ৰৰ আধাৰ হিচাপে সংবিধানৰ ভূমিকা ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ ভাৰতত সংসদীয় গণতন্ত্ৰৰ ফলপ্ৰসূ কাৰ্যৰূপায়ণত বাধাৰ সৃষ্টি কৰা কাৰকবোৰৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ ১৯১৯ চনৰ ভাৰত চৰকাৰ আইনখনৰ বিষয়ে চমুকৈ লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰতত সংসদীয় চৰকাৰৰ পৃষ্ঠ ভূমি সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ১৯৫১-৫২ চনৰ পৰা বৰ্তমানলৈকে ভাৰতৰ সাধাৰণ নিৰ্বাচনৰ ইতিহাস বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ ভাৰতত সংসদীয় গণতন্ত্ৰৰ সফলতাত অৰিহণা আগবঢ়োৱা কাৰকসমূহ ব্যাখ্যা কৰক।

*** ***** ***



প্ৰসঙ্গ পুথি

কিতাপ ঃ

১) Basu, D.D. (2009). Introduction to the Constitution of India. New Delhi : Prentice Hall of India.

২) Brass, Paul R. (1997). The Politics of India Since Independence. New Delhi: Cambridge University Press.

৩) Chander, Prakash(2000). Indian Government and Politics. Cosmos Bookhive Pvt. Ltd.

৪) Ghai, K.K.(2007). Indian Government and Politics. New Delhi: Kalyani Publishers.

৫) Kapur, Anup Chand & Misra, K.K. (2006). Select Constitutions. New Delhi: S. Chand and Company.

৬) Pylee, M.V. (2006). Constitutional Government in India. New Delhi: S.Chand and Company.

অসমীয়া কিতাপ ঃ

১) গগৈ, অধ্যাপক পুৰন্দৰ ২০০০। *ভাৰতৰ প্ৰশাসন আৰু ৰাজনীতি*। গুৱাহাটী ঃ বনলতা।

২) শৰ্মা, দুৰ্গা কান্ত , ৰফিক, জামান আৰু শৰ্মা, ড° পূৰবী ২০০৫। *স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা— এক আলোকপাত* । গুৱাহাটী ঃ অসম বুক ডিপ'।

৩) পাল, ড° কৃপেশ চন্দ্ৰ আৰু নায়ক, প্ৰতুল চন্দ্ৰ ২০১১। *স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*। গুৱাহাটী ঃ অৰুণ প্ৰকাশন।